# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

## তাৰিখ ঃ ২২-১২-২০২১ বুধবাৰ

**আজি ইংৰাজী ২২-১২-২০২১ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষৰ অধ্যক্ষতাত ২০২১ চনৰ অসম বিধান সভাৰ শীতকালীন অধিবেশন পূৰ্ব্ব নিৰ্ধাৰিত সময়সূচী মতে অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৪১। মন্ত্ৰী মহোদয়।

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী, মীন বিভাগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত অন লাইন আৰু লবীত অফ লাইন দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী বসন্ত দাস।

**শ্ৰী বসন্ত দাস (মঙ্গলদৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মই মোৰ সমষ্টিত যি দুখন মীন পাম আছে, আগতে যথেষ্ট ভাল কনডিশ্যন আছিল, মাছৰ পোনা ও উৎপাদন হৈছিল আৰু বিহুত আমি মাছো দিছিলো। এতিয়া মীন পাম দুখনৰ অৱস্থা খুবেই দুখ লগা। ইয়াত মন্ত্ৰী মহোদয়ৰ যি উত্তৰ স্পষ্ট ভাষাত তেওঁ লিখিছে যে কি কি কনডিশ্যনৰ কাৰণে বেয়া হৈছে। সেইখিনি সোনকালে মেৰামতিৰ আশ্বাস দিব নেকি?

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী, মীন বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডাঙৰীয়াই যি প্ৰশ্ন উত্থাপন কৰিলে কথাটো সঁচা যে আজিৰ দিনত এই মূহুৰ্ত্তত প্ৰডাকশ্যন কমিছে। ইয়াৰ কাৰণটো হ'ল যে আমাৰ দুখন হেচাৰী আছে উপহুপৰা মীন পাম আৰু দিঘীৰপাৰ মীন পাম পোনা উৎপাদন কেন্দ্ৰ। এটাত আমি ১৯৮৭-৮৮ চনত কাম আৰম্ভ কৰিছিলো। আপুনি যিহেতু মন্ত্ৰী আছিল আৰু আৰু আপোনাৰ যিহেতু নিজা সমষ্টি হয় গতিকে আপুনি এই বিষয়ে সবিশেষ জানে যে আজিকালি চাইণ্টিফিকেলী হেৎচ্চাৰী হয় কিন্তু আগতে মিনি বান্ধ নিৰ্মাণ কৰিহে পোনা উৎপাদন কৰিছিলো। এই বান্ধ বিলাক ২০০৪ চনত নিৰ্মাণ কৰা হৈছিল আৰু এই গোটেইখিনি কাম টেংক, বান্ধ এতিয়া বেয়া হৈছে। যাৰ ফলত যোৱাবাৰ আমাৰ উৎপাদন হৈছে যদিও প্ৰপ'ৰচু নেটলী কম হৈছে। সেয়ে এতিয়া আমি ডি পি আৰ বনাই আছো আৰু মই ভাৱো যে ডি পি আৰ আহিলে আমি কাম আৰম্ভ কৰিব পাৰিম আৰু আগৰ নিচিনাকৈ আমি যিমান খিনি কৰিব পাৰো সিমানখিনি কৰিম।

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেণ্টৰী।

**শ্ৰী বসন্ত দাস (মঙ্গলদৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত ১৪১ খন চৰকাৰী মীন পাম আছে। এই ১৪১ খন চৰকাৰী মীন পামৰ ভিতৰত নগাঁও জিলাত থকা জোঙাল বলহু মীন পাম খনেই ভাল কনডিশ্যনত আছে আৰু বাকী আটাইবিলাক মীন পামেই পুতৌ জনক অৱস্থাত আছে। মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আগন্তুক দিনত এই আটাইবিলাক মীন পাম উন্নয়ন কৰি আপোনালোকৰ যিটো কাৰ্য্যসূচী "ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ" ৰ ব্যৱস্থা ল'ব নেকি?

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী, মীন বিভাগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উৎপাদন কৰিবলৈ হ'লে

সঠিক ভাৱে নিৰ্মাণৰ ব্যৱস্থা থাকিব লাগিব। বৰ্তমান সময়ত প্ৰায় ৫০ শতাংশৰ ওপৰত আমি পুনৰ নিৰ্মাণ কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছো আৰু এই কাম চলি আছে আৰু বহুখিনি পাম আজিৰ দিনত কৰ্মক্ষম হৈ পৰিছে যাৰ দ্বাৰা আমি পোনা উৎপাদন কৰিবলৈ গৈ আছো। মুঠ যিমানখিনি আছে সেই সকলোখিনি আমি কৰিব পৰা নাই কিন্তু ফেজ ওৱাইজ আমি এই কামবিলাক আৰম্ভ কৰিছো আৰু মীন পামটো উৎপাদন চলি আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ভাস্কৰ বৰুৱা।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যিহেতু ফিচাৰীৰ যোগেদি আমাৰ নিবনুৱা যুৱক-যুৱতী সকলৰ যথেষ্ট নিয়োগৰ সুবিধা আছে গতিকে এই ক্ষেত্ৰত চৰকাৰে মাৰ্কেটিঙৰ ওপৰত চকু দিয়টো অতি জৰুৰী। মাৰ্কেটিঙৰ কাৰণে আমি এয়াৰ কনডিশ্যনড্ ভেহিকল আমি ল'ব পাৰো নেকি ? দ্বিতীয়তে, যিবোৰ মাছৰ বজাৰ আছে সেই মাছৰ বজাৰ সমূহ এয়াৰ কনডিশ্যনড্ বজাৰ বা হাইজেনিক বজাৰ কৰিব পাৰো নেকি ? তৃতীয়তে, ফিচাৰী যিহেতু এতিয়া গৱেষণাৰ বিষয়-বস্তু হৈ পৰিছে যে যিবিলাক আমাৰ এডভাঞ্চড্ ফিচাৰী কাণ্ট্ৰি, যিবিলাকে মাছ এক্সপোৰ্ট কৰি বহুত টকা ইনকাম কৰিছে, আমি যদি ফিচাৰী বিলাকত লে টেষ্ট টেকন'লজি ইনভলভ্ কৰো, উন্নত মানৰ যিবিলাক ফিচাৰী আছে তাত চেনচৰ ব্যৱস্থা হয় য'ত মাছৰ চাইজ, মাছৰ কিবা ব্ৰিথিং প্ৰব্লেম হৈছে নেকি, ফুডৰ প্ৰব্লেম হৈছে নেকি, মাছখিনি বেলেগ বেলেগ চাইজত চেগ্ৰিগেট কৰাৰ কাৰণে পুখুৰী বিলাকতে তেনেকুৱা ধৰণৰ চেনচৰ থকা ফিচাৰী আজিকালি আছে। গতিকে আমাৰ চৰকাৰে ভাৰতৰ ভিতৰতে প্ৰথম তেনেকুৱা এটা কাম কৰিবলৈ আগবাঢ়িব নেকি বা আমাৰ ইয়াৰ পৰা এটা টীম পঠাব নেকি এই বিষয়ে মই জানিব বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী, মীন বিভাগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সঁচাকৈ আমি মাছৰ যদি মাৰ্কেটিং ভাল কৰিব পাৰিলো হেঁতেন আমাৰ কালটিভেটৰ যিসকল আছে তেওঁলোক উপকৃত হ'লহেঁতেন। এতিয়া আমি পি এম এম এচ ওৱাই ৰ ব্যৱস্থা কৰিছো আৰু ইয়াত বহুতে এপ্লাই কৰি পালে। আমাৰ যিটো ৰেফ্ৰিজাৰেটৰ ভেন, ইয়াৰ বাবে আপোনালোকে দেখিছে যে আমি পেপাৰৰ জৰিয়তে খেতিয়কক জনাইছো আৰু কিছুমান ঠাইত তেওঁলোকে পাইছে। মই নিজে উপস্থিত আছিলো। এই ক্ষেত্ৰত আপোনালোকে যি পৰামৰ্শ দিছে আমি তেনেকৈ আগবাঢ়ি আছো। ঠিক তেনেকৈ হাইজেনিক মাৰ্কেটৰ বাবে বিভিন্ন ঠাইত কাম চলি আছে আপুনি জানে। গোটেই জিলা সমূহতে যে কৰিব পাৰিছো সেইটো নহয় কিন্তু বিভিন্ন ঠাইত পুঁজি সাপেক্ষে হাইজেনিক মাৰ্কেটৰ কাম অকল কৰাই নহয় আমি মুকলি ও কৰিছো। মাছৰ উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে আটাইতকৈ ডাঙৰ অসুবিধাটো হৈছে থলুৱা প্ৰজাতিৰ বহুখিনি মাছ আজিৰ দিনত পোৱা নাযায়। সেই কাৰণে আমি ৰহা ফিচাৰী কলেজৰ জৰিয়তে এটা জিন বেংকৰ কাম যোৱা দুবছৰৰ পৰা আৰম্ভ কৰিছো আৰু ই পাঁচ বছৰ সময় ল'ব। গোটেইখিনি জিন কালেক্ট কৰি কেনেদৰে কৰিব পাৰি তাৰ ব্যৱস্থা কৰিম আৰু ইয়াৰ বাবে ১০ কোটি টকা ধাৰ্য্য কৰি চৰকাৰৰ ফালৰ পৰা এই কামটো আৰম্ভ কৰিছো। মাৰ্কেটিঙৰ ক্ষেত্ৰত প্ৰথমতে আমি যিটো চেলেঞ্জিঙৰ সন্মুখীন হ'ব লগীয়া হৈছিল কিন্তু আমাৰ চৰকাৰ অহাৰ পিছত সম্ভৱতঃ আপোনালোকে স্বীকাৰ কৰে যে এতিয়া আমাৰ চালানী মাছৰ আমদানি বহুখিনি কমিছে। বৰ্তমান সময়ত আমাৰ থলুৱা মাছৰ উৎপাদন বহুখিনি বৃদ্ধি হৈছে। এইক্ষেত্ৰত যোৱাবছৰ আমি নেশ্যনেল লেভেলত চাৰিটা আৰু এইবাৰ তিনিটা এৱাৰ্ড পাইছো।

এই ক্ষেত্ৰত আমাৰ চেষ্টা অব্যাহত আছে আৰু আপোনালোকৰ পৰামৰ্শ বিলাক আমি সম্পূৰ্ণ ভাৱে কৰিব পৰা নাই যদিও আগবাঢ়ি আছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী মানৱ ডেকা।

**শ্ৰী মানৱ ডেকা (লখিমপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, লখিমপুৰ, ধেমাজি বা মাজুলী জিলাত যথেষ্ট ওৱাটাৰ বেছিন, বিল বিলাক আছে। যোৱা বছৰ আমি ক্ৰেছ কালচাৰ প্ৰায় সাতটা মান তাত কৰিছিলো। যিহেতু এইবিলাক বান পবন অঞ্চল, বানপানীত মাছ ওলায়ো যায়। সেই কাৰণে যদি ক্ৰেছ কালচাৰ কৰা যায় খুব লাভ হয় আৰু এটা এটা ক্ৰেচত ১০ লাখৰ পৰা ১২ লাখ টকা ইনকামো হয়। মই মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো যে ব্যাপক হাৰত ক্ৰেছ কালচাৰত মনোনিবেশ কৰাৰ বাবে চৰকাৰৰ কিবা সিদ্ধান্ত আছে নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী মহোদয়।

**শ্ৰী পৰিমল শুক্লবৈদ্য (মন্ত্ৰী, মীন বিভাগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ বিধায়ক গৰাকীয়ে খুব ধুনীয়াকৈ কৈছে যে এই ক্ৰেছ কালচাৰৰ খেতি আমাৰ চৰকাৰ অহাৰ পিছত প্ৰথম বাৰৰ বাবে গোটেই অসমতে আৰম্ভ কৰিছো। বিভিন্ন ঠাইত এই ক্ৰেছ কালচাৰৰ জৰিয়তে আমি কাম আৰম্ভ কৰিব পাৰো। মই নিজেই গৈ কেইখনমান ঠাইত উদ্বোধন কৰিলো আৰু খেতিয়ক সকলে বহুত ভাল পাইছে। আমাৰ চৰকাৰৰ কাৰ্য্যকালত বিজ্ঞানসন্মত ভাৱে যাতে গ্ৰ'থ টো বাঢ়িব পাৰে তাৰ কাৰণে ক্ৰেছ কালচাৰৰ লগে লগে আমি ৰিচাৰকুলেটৰী একুৱা কালচাৰ চিষ্টেম (আৰ এ এচ), বাইঅ'ফ্লক আৰম্ভ কৰিছো। কেইদিন মান আগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াই বঙাইগাঁওৰ ওচৰত গৈ চাৰিটামান বাই'ফ্লক উদ্বোধন কৰিলে। মাননীয় অধ্যক্ষ মহোদয়, লগে লগে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই by flop চাৰিটামান উদ্ধোধন কৰিছে বঙ্গাইগাওঁত। আমি যাতে আৰু বেছি কৰিব পাৰো তাৰ কাৰণে আমি চেষ্টা কৰি যাম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। Question No. 42. শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কৃষি মন্ত্ৰীয়ে যিটো উত্তৰ দিছে, সেই উত্তৰত মই সন্তুষ্ট হ'ব পৰা নাই। কাৰণ আজি ডিচেম্বৰ মাহৰ ২২ তাৰিখ। আমাৰ অসমৰ খেতিয়কসকলে ইতিমধ্যে ধান পথাৰৰ পৰা উঠাইছে। উজনি অসমত হয়টো কৰ'বাত থাকিব পাৰে কিন্তু আমাৰ নামনী অসমৰ ধানটো কৃষকে উঠাই লৈছে। এই ধান বজাৰত বিক্ৰীও হৈ গৈছে। এতিয়া লৈকে FCI য়ে যিটো প্ৰতিশ্ৰুতি দিছিলে মন্ত্ৰীয়ে যে FCI ক বাধ্য কৰাম। এইটো আমি দিখিছো এই সংস্থাসমূহক মাত্ৰ ১০ লাখ মেট্ৰিকটন ধান হে ক্ৰয় কৰাৰ নিৰ্দেশনা দিছে আৰু অধিসূচনা জাৰি কৰিছে। কিন্তু মই জনাত কোনো ক্ৰয় কেন্দ্ৰ মোৰ জিলাত মোৰ সমষ্টিত আৰম্ভ হোৱা নাই কিন্তু সিদ্ধান্ত লৈছে, কিন্তু আৰম্ভ হোৱা নাই। যিটো ধান বজাৰত বিক্ৰী হৈ গৈছে এতিয়া মধ্যস্থতাকাৰীৰ হাতত ধানটো যাব আৰু যদি আৰম্ভ হয়, তেতিয়া middle man ধানটো আনি পেলাই NCP ৰ মতে দিব। এইটো বিলম্ব হৈছে, তেওঁলোকে পৰ্টেল সলনি হোৱাৰ কাৰণে বিলম্ব হৈছে, এনেকুৱা কথা বিলাক কৈছে। যদি সময়ত ধানটো ক্ৰয় কৰা নাযায়, তেতিয়া হ'লে ধান কিনাটো মানেই নাথাকে, সেই কাৰণে মই মন্ত্ৰী মহোদয়ক স্পষ্টভাৱে কব বিচাৰিছো, যোৱাবাৰৰ যিটো প্ৰতিশ্ৰুতি দিছিলে, আমাৰ ইয়াতে ৭৫ ৰ পৰা ৯০ লাখ মেট্ৰিকটন ধান উৎপাদন হৈ আছে। ১০ লাখ মেট্ৰিকটন ধান মাত্ৰ FCI কিনিব। তেখেতে স্পষ্ট ভাৱে কওঁক যে আমাৰ ৰাজ্য চৰকাৰে কিমান লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিব, কৃষি বিভাগে কিনিব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ সদনৰ মজিয়াত মাননীয় বিধায়ক তালুকদাৰ ডাঙৰীয়াই উত্থাপন কৰা এটা প্ৰশ্নৰ ওপৰত কৈছিলো যে, হয় যিহেতু আমাৰ ৰাজ্যখনৰ গৰিষ্ঠ সংখ্যক খেতিয়কে ধান খেতি কৰে। আমাৰ ৰাজ্যখনৰ মূল খেতি ক'বলৈ গ'লে ধান খেতি। গতিকে খেতিয়ক সকলৰ অসুবিধা কথা আমি উপলব্ধি কৰিছিলো আৰু সেই কাৰণে কৈছিলো আমি FCI বা অন্য অন্য সংস্থা সকলক আমি ধান ক্ৰয় কৰিবৰ কাৰণে বাধ্য কৰাম। মাননীয় মুখ্যমন্ত্ৰীৰ বিশেষ তৎপৰাত সেই সিদ্ধান্ত লোৱা হ'ল আৰু ইতিমধ্যে FCI আৰু অন্যান্য সংস্থা সমূহে হয়টো তেখেত সকল অৰগত বা তেখেতৰ সমষ্টিত যদি হোৱা নাই মই নাজানো। ইতিমধ্যে সেই প্ৰক্ৰিয়া আৰম্ভ হৈ গ'ল। তেওঁলোকে Peddy Procurement Centre ঠিক কৰিছে। মই ইয়াৰ এখন সম্পূৰ্ণ তালিকা সদনৰ মজিয়াত দাখিল কৰিছো। কোন জিলাত কিমান Peddy Procurement Centre আছে সেই কথাখিনি স্পষ্ট কৰা হৈছে। ধান খেতিয়ে নহয়, বিভিন্ন খেতিত উৎপাদন যথেষ্ট বাঢ়িছে। মই সন্মানীয় সকলো বিধায়ককে মই সহযোগিতা কৰিবলৈ আহ্বান জনাইছো। যাতে Peddy Procurement Centre ৰ ক্ষেত্ৰত খেতিয়ক সকলক নিজৰ নিজৰ সমষ্টিত সহায় কৰে আৰু ক'ত ক'ত হৈছে কাৰণ Peddy Procurement Centre ঠিক কৰিবলৈ হ'লে Rice Mill ৰ প্ৰয়োজন হয়। গুদামৰ প্ৰয়োজন হয় য'ত গুদাম নাই, য'ত Rice Mill নাই, তেনেবোৰ সমষ্টিত কেতবোৰ অসুবিধাই দেখা দিছে। ধন্যবাদ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈ ডিচেম্বৰৰ ২২ তাৰিখলৈ বিক্ৰী কেন্দ্ৰ আৰম্ভ হোৱা নাই। মই ১৯ তাৰিখে তিতাবৰ গৈছিলো। এটা বিক্ৰী কেন্দ্ৰ বিখাল অঞ্চল তাত যেতিয়া কৃষক সকলে ধান বিক্ৰী কৰিবলৈ যায় বহু দূৰৰ পৰা কনোৱাটো দিন হয়টো ধান নিকিনে। কনোৱা দিন বিষয়াৰ বিলম্ব আৰু কৃষকে ধানটো উঠাই আনিব লাগে। ঠিক তেনেকৈ মই বৰপেটা জিলাত যিটো খবৰ পাইছো, উপায়ুক্ত মহোদয়ে সিদ্ধান্ত লৈছে, বৰপেটা ৰোডত এটা বিক্ৰী কেন্দ্ৰ খুলিব। এতিয়ালৈ খুলা নাই। গুদামটো যিহেতু সৰভোগত আছিল। গতিকে বিক্ৰী কেন্দ্ৰটোও স্থাপন কৰিছে বৰপেটা ৰোডত। মই যেতিয়া সৰভোগত বিক্ৰী কেন্দ্ৰটো কিয় সৰভোগত স্থাপন নকৰিলে। তেতিয়া তেওঁলোকে বিভিন্ন ধৰণৰ অসুবিধাৰ কথা উল্লেখ কৰাত কয় যে, সৰভোগত ধানটো থৈ তাৰ পৰা ৰচিদ মনলৈ বৰপেটা ৰোডৰ পৰা পইচাটো লোৱাৰ কথা কয়। কিন্তু খেতিয়ত সকলে গাওঁৰ পৰা ১০ কিঃমিঃ ৰাস্তা আহিব লাগিব। এই ধৰণৰ কিছুমান সমস্যা আছে। ধান ক্ৰয় নকৰাৰ চৰকাৰৰ কিবা চিন্তা-চৰ্চা আছে নেকি ? এই ধান ক্ৰয় কৰাৰ সময়টো ডিচেম্বৰ ৰ আৰম্ভণিৰ পৰাই কৰিব লাগিছিল। কিন্তু ধান ক্ৰয়ৰ ব্যৱস্থা ইতিমধ্যে দালালৰ হাতলৈ গুচি গ'ল। গতিকে এই প্ৰবৃত্তিটো কেতিয়া বন্ধ হ'ব আৰু দালালৰ হাতৰ পৰা কেতিয়া এই ব্যৱস্থা বন্ধ হ'ব ? moister component টো এতিয়া যথেষ্ট হাই হৈ আছে আৰু এই কথাটো FCI য়ে আমাৰ লগত হোৱা আলোচনাত উল্লেখ কৰিছিল। অসমৰ কিছুমান ঠাইত ইতিমধ্যে গুদাম বনোৱাৰ প্ৰক্ৰিয়াটো আৰম্ভ হৈ গৈছে আৰু যিবোৰ ঠাইত হোৱা নাই আৰু য'ত Rice Mill গুদাম আছে, সেইবোৰ ঠাইত অতি ক্ষীপ্ৰতাৰে এই কাম আৰম্ভ হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো Meister percentage ৰ কথা কৈছে। আগতে FCI য়ে সদায় এই অজুহাতটো লৈয়ে ধান ক্ৰয় কৰা নাছিল। এইটোকে লৈ আমি কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে ব্যাপক আন্দোলন কৰিছিলো আৰু

ৰাইজৰ দলেও এই বিষয়ৰ ওপৰত আন্দোলন কৰিছিলো। তাৰ পিছত মাননীয় মুখ্যমন্ত্ৰীয়ে FCI ক নিৰ্দেশ দিছিল যে, ধান যিখিনি কিনিব লাগে। কিন্তু কথা হৈছে যে moisture percentage ৰ কথাটো এনেকুৰা যে ধানখিনি ৰ'দাই দিলেই moisture টো নাইকীয়া হৈ যায়। গতিকে কৃষি বিভাগে আমাৰ খেতিয়কসকলক aware কৰাৰ দৰকাৰ। দ্বিতীয় তে ডিচেম্বৰ মাহলৈকে যদি ধান ক্ৰয় আৰম্ভ নকৰে আৰু কেতিয়াৰ পৰা ধান ক্ৰয় কৰিব আৰু ১০ লাখ মেট্ৰিকটন ধান ক্ৰয় কাৰটো সম্ভৱ হ'ব নে? ইয়াৰ উপৰিও আৰু এটা সমস্যা হৈছে যে, ধান ক্ৰয় কৰিবৰ কাৰণে চাৰ্টিফিকেট ল'ব লাগে। কৃষি বিভাগৰ পৰা। বহু মানুহ আছে আনৰ মাটিৰ আধী খেতি কৰে। তেওঁলোকৰ কাৰণে কৃষি বিভাগৰ পৰা চাৰ্টিফিকেট লোৱাটো সম্ভৱ নহয়। কাৰণ তেওঁলোকৰ নিজা মাটি নাই। গতিকে এই ক্ষেত্ৰত কৃষি বিভাগে mechanism কৰিব যাতে অসমৰ প্ৰত্যেকখিনি ৰাহি ধান FCI বা কৃষি বিভাগে ক্ৰয় কৰে আৰু NSP লৈ ক্ৰয় কৰে।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা (মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কেৱল FCI য়ে ক্ৰয় কৰিব তেনেকুৰা নহয়। কেইবাটাও agency আছে যেনে FCI, FCSL, NCCF, SCL আৰু Agriculture Marketing Board ইত্যাদি। মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে moister ৰ content টোৰ কথা সেইটো FCI য়ে আমাকো কৈছে। তেওঁলোকক আমাৰ ফালৰ পৰা যিখিনি যুক্তি দিব লাগে বা ক'ব লাগে সেইখিনি আমাৰ পূৰ্বৰ অভিজ্ঞতাৰে আমি তেখেতে সকলক এইখিনি কৈছো। মাননীয় অধ্যক্ষ মহোদয়, সমস্যা এটা আছে কিছুমান ঠাইত যিবোৰ ফৰেষ্ট অঞ্চল আৰু সেই অঞ্চলবোৰত আমাৰ যি সকল খেতিয়ক আছে তাত কিছুমান অসুবিধা বা সমস্যা আছে আৰু কিছুমান dispute অঞ্চলত কিছুমান সমস্যা আছে। আমাৰ কৃষি বিষয়া সকলে এই গোটেই কামটোৰ লগত এইবাৰ গভীৰ ভাবে জড়িত হৈ পৰিছে। আমি আশা কৰিছো যে, নিৰ্দিষ্ট সময়তে তেওঁলোকে ধানখিনি ক্ৰয় কৰিব পাৰিব। এই কামখিনি ক্ষিপ্ৰতাৰে কৰা হ'ব। এই ক্ষেত্ৰত বিভিন্ন ঠাইত কাম আগবাঢ়িছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। অলপ আপুনি mechanism উলিয়াব যাতে ফৰেষ্ট অঞ্চলত বা অন্যান্য ঠাইতো mechanism উলিয়ালে যাতে সকলোৰে লাভা-লাভ হয়। এতিয়া মাননীয় সদস্য।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাঁও)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নকৰ্তা শ্ৰী মনোৰঞ্জন তালুকদাৰে উল্লেখ কৰিছে যে প্ৰায় ৮০ লাখ মেট্ৰিকটন ধান উৎপাদন হোৱা ৰাজ্যখনত ১০ লাখ মেট্ৰিকটন ধান কিনাৰ কথা উল্লেখ কৰিছে। ইতিমধ্যে মই দৰং জিলাৰ কথা কৈছো কোনো কৃষি বিষয়াই ক'ত ধান কিনিব আৰু বিধায়ক হিচাবে আমাক জড়িত কৰাৰ কথা তেওঁলোকে ভবা নাই। পোনপতীয়াকৈ মই টেলিফোন কৰিছিলো যে, আপোনালোকে ধান ক্ৰয় কৰা প্ৰক্ৰিয়াটো আৰম্ভ কৰিছে নেকি? মোৰ প্ৰশ্নটো হৈছে আমি জানো যে আমাৰ অঞ্চলবোৰৰ ক'ত বেছি খেতি হয়। কোনখিনি মানুহৰ বেছি অসুবিধা হয় আৰু ক'ত যোগাযোগ ভাল আৰু ধানখিনি কিন উঠি গুদামলৈ যাব পাৰিব। কিন্তু গুদাম পৰ্য্যাপ্ত পৰিমাণৰ নাই। ৰাজ্য চৰকাৰে ইতিমধ্যে ১০০ টা গুদাম তৈয়াৰ কৰাৰ কাৰণে যো-জা কৰিছে বুলি আমি জানিব পাৰিছো। যিহেতু গুদাম পৰ্য্যাপ্ত পৰিমাণৰ নাই। মধ্যভুগীয়ে সুবিধা লোৱা আপোনালোকে দৃষ্টিগোচৰ হৈছে নে নাই? ইতিমধ্যে যোৱা বছৰত যি ধান ক্ৰয় হৈছিল ৭৫ শতাংশ মধ্যভুগীয়ে লোকহে লাভান্বিত হ'ল।

প্ৰকৃত খেতিয়কে নাপালে, যিটো কাৰণত আপোনালোকে এতিয়া purchase কৰা ধান বহু ঠাইত

ধান কিনাৰ ঠাই ঠিক কৰা নাই। গতিকে মই আশা ৰাখিছো প্ৰকৃত খেতিয়কে যাতে পাই তাৰ কাৰণে আপুনি আমাক নিশ্চিত কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা (মন্ত্ৰী, কৃষি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মধ্যভোগীৰ কথাটো এটা নতুন কথা নহয়। কিন্তু আমি মধ্যভোগীৰ ব্যৱস্থাটো নাইকিয়া কৰিবৰ কাৰণে যোৱা সময়ছোৱাত কেতবোৰ ব্যৱস্থা লৈছিলো। ক'ভিডৰ সময়ছোৱাত আমি নতুন নতুন ব্যৱস্থা লৈছো আৰু APART ৰ জৰিয়তে market linkage কেতবোৰ ব্যৱস্থা লোৱা হৈছে। ঠিক ইয়াৰ উপৰিও মাননীয় অধ্যক্ষ মহোদয় ১০০০ খন গাড়ী কৃষকৰ উৎপাদিত ফচল কঢ়িয়াবৰ কাৰণে subsidy ত চৰকাৰখনে দিয়াৰ ব্যৱস্থা কৰিছে আৰু বিভিন্ন ঠাইত সৰু সৰু ৰাইছ মিল দিয়াৰ ব্যৱস্থা কৰিছে। গতিকে এই ব্যৱস্থাখিনি আমি লৈছো, মই আজি সদনৰ মজিয়াত আকৌ কৈছো, সন্মানীয় সদস্যসকলে নিজৰ নিজৰ সমষ্টিত, যাৰ যাৰ সমষ্টিত ধান উৎপাদন হয়, আপোনালোকে কৃষি বিভাগৰ লগত যোগাযোগ ৰাখক আৰু আমিও কৃষি বিভাগৰ বিষয়া সকলক কম যাতে সংশ্লিষ্ট সমষ্টিৰ বিধায়ক সকলৰ লগত যোগাযোগ কৰি এই procurement প্ৰক্ৰিয়াটো যাতে খৰতকীয়া কৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৪৩, সন্মানীয় সদস্য শ্ৰীতেৰছ গোৱালা।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী, জলসম্পদ বিভাগ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত দিয়া আছে।

**শ্ৰীতেৰছ গোৱালা (দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উজনি অসমৰ দুটা নদীৰ ক্ৰমে মহাবাহু ব্ৰহ্মপুত্ৰ আৰু বুঢ়ীদিহিঙৰ গৰাখহনীয়াই আমাৰ বহুত ক্ষতি কৰিছে আৰু শেহতীয়াভাৱে বহু বছৰ পিছত আমি এটা আশাৰ ৰেঙনী দেখিছো, Interpretate Water Resource Management of Buridihing basin নামৰ এটা আঁচনিৰ ৮৩৭.৭০ কোটি টকাৰ ব্যয় সাপেক্ষে আমাৰ যি গৰাখহনীয়া প্ৰতিৰোধ কৰিব বিচাৰিছে। ইয়াৰে দেখা যায় যে ৭ টা বিধান সভা সমষ্টি পাৰ হয়, মাৰঘেৰিটা, দুলীয়াজান, টিংখং, নাহৰকটীয়া, লাহোৱাল, মৰাণ আৰু থাওঁৰা, ইয়াতে ৫১ টা গৰাখহনীয়া অঞ্চল ইতিমধ্যে চিনাক্ত কৰিছে, প্ৰাক্কলন প্ৰস্তুষ্ট কৰিছে। মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জানব খুজিছোঁ যে দুলীয়াজান বিধান সভা সমষ্টিত দুটামান অঞ্চল খুব তীব্ৰতৰে খহনীয়া হৈছে। এইখিনি অতি সোনকালে ৰোধ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী, জলসম্পদ বিভাগ ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কৈছে যে তেখেতৰ সমষ্টিৰ দুটা অঞ্চলত গৰাখহনীয়া হৈ আছে। কিন্তু যোৱা বাৰিষাত তেখেতৰ সমষ্টিৰ দিহিঙহোলা অঞ্চলত খহনীয়াৰ সৃষ্টি হৈছিলে। যদিও **৫১** টা সক্ৰিয় গৰাখহনীয়া অঞ্চল আছে, যোৱা বৰ্ষত বানপানীয়ে বুঢ়িদিহিং নদীয়ে নাহৰকটীয়া বিধান সভা সমষ্টিৰ এক নং উত্তমমাটি গাওঁ আৰু দুলীয়াজানত, এই দুটা ঠাইতে যোৱা বাৰ গৰাখহনীয়া হৈছিলে। দুয়োটাতে temporary কাম কৰিছিলো। তেখেতে যিটো কৈছে এতিয়াও তাতে গৰাখহনীয়া চলি আছে, আমি তাতে অতি সোনকালে temporary protection ৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম।

Permanent protection ৰ কথাখিনি সদস্য গৰাকীয়ে জানে, মই তথাপিও কৈ থৈছো যে আমি World Bank ৰ পৰা **৮৩৭.৭০৩** কোটি টকাৰ আঁচনিৰ কাম কৰিবলৈকে আগবাঢ়িছো। এই আঁচনিৰ কাম মাৰ্চ বা এপ্ৰিলত আৰম্ভ কৰিব পাৰিম। আজিও পেগু বুলি এগৰাকী Engineer, এগৰাকী SDO গগৈ বুলি দয়োগৰাকীয়ে দিল্লীত আছে আৰু অহা **৫** তাৰিখে মই নিজেও দিল্লীলৈ যাম Principal Secretary ৰ সৈতে, CWC Chairman ৰ appointment বিচাৰিছো।

এই কামটোৰ কাৰণে লগতে বৰপেটা জিলাৰ বেকিৰ project টোও আছে, বৰপেটাৰ উপায়ুক্তক ইতিমধ্যে জনোৱা হৈছে, তাত যিখিনি land acquisation ৰ কাম আছে, মই নিজেও বৰপেটালৈ যাম, ডিব্ৰুগড়ত উপায়ুক্তৰ লগত মই নিজে land acquisation ৰ কামটো বাবে কথা পাতি আহিছো, 30% tender ৰ কাম চলি আছে। World Bank ৰ নিয়মটো হ'ল, World Bank য়ে যেতিয়া এটা কামৰ in principle approval দিয়ে, তেতিয়া total approval ৰ আগতে 30% কামৰ tender হ'ব লাগে। গতিকে আমি 30% কামৰ tender প্ৰক্ৰিয়াটো চলাই আছো, মই ভাৱো মাৰ্চ বা এপ্ৰিলত কামটো আৰম্ভ কৰিব পাৰিম।

**শ্ৰীতেৰছ গোৱালা (দুলীয়াজান)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ (চ) প্ৰশ্নটোত বুঢ়িদিহিং খননৰ কথাটো কৈছিলো। উত্তৰত খনন কৰা নাই বুলি কৈছে। মই কৈছো বুঢ়িদিহিংত সৰু সৰু চৰ বিলাক জমা হৈছে। অতি সোনকালে যদি এইবিলাক খনন কৰা হয়, তেতিয়া হলে গৰাখহনীয়াটো প্ৰতিৰোধৰ কাৰণে  অলপ সহায় হ'ব বুলি ভাৱো। গতিকে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাম যে ইয়াৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী, জলসম্পদ বিভাগ ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সমস্যা এটা হৈছে, যিহেতু World Bank ত এই project টো আছে, গতিকে আমি তাত বহুত কাম কৰিব পৰা নাই। কেতিয়াবা কি হয় World Bank ৰ project ত sanction হ'ব, আকৌ আমি permanent কাম কৰিম, গতিকে duplicacy হয়, তেতিয়া World Bank য়ে sanction নিদিয়ে। মই যোৱা ছয় মাহত য'ত বেছি গৰাখহনীয়া আছে, সেই কেইটা কৰিবলৈ যত্ন কৰিছো। এতিয়ালৈ বহুত কাম কৰিবলৈকে যত্ন কৰা নাই, এতিয়ালৈকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই, মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়নীয়ে ১০০০ তকৈ অধিক কোটি টকা Water Resource Department ক দিছে, যিটো আগতে কেতিয়াও হোৱা নাছিল, কিন্তু বুঢ়িদিহিংত কাম ইচ্ছা কৰি কৰিব পৰা নাই, যিহেতু scheme টো world bank ত আছে। যদি বহুত কাম কৰি দিয়া যায় world bank কে সেইটোত objection কৰিব,  কামটো নহ'ব। গতিকে world bank ৰ project ত অতি সোনকালে কামটো কৰিবলৈ যত্ন কৰি আছে, কাম কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আবুল কালাম ৰছিদ আলম।

**শ্ৰী আবুল কালাম ৰছিদ আলম (পূৱ গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা চহৰ ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ  ভাবুকি আছে। up ৰ ফালে  ভৰতমাৰী চৰ আৰু down ত বৰোবজাৰ, হাতীপাৰা আৰু বানিয়াপাৰা আৰু কাৰপাৰা। যোৱা বাৰিষাত ভৰতমাৰী চৰত এনেকুৱা গৰাখহনীয়া হ'ল, চহৰখন এনেকুৱা হ'ল যে ব্ৰহ্মপুত্ৰ নদী চহৰৰ মাজেৰে ওলাই যাব। কিন্তু সৌভাগ্যক্ৰমে মন্ত্ৰী মহোদয়ক মই অৱগত কৰিলো আৰু বিভাগে অতি সোনকালে ব্যৱস্থা লোৱাৰ কাৰণে চহৰখন বাছি গ'ল। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খোজে যে, এই গৰাখহনীয়া ৰোধৰ কাৰণে যদি এটা permanent ব্যৱস্থা গ্ৰহণ নকৰে, তেতিয়াহ'লে অহা বাৰিষাকালত ভাবুকি আহিব।

**শ্ৰীপিয়ুষ হাজৰিকা (মন্ত্ৰী, জলসম্পদ বিভাগ ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সদস্য গৰাকীক ধন্যবাদ জনাইছো যে তেখেতে আমাক কাম কৰা কথাটো স্বীকাৰ কৰিছে। মই এটা কথা ক'বলৈ খুজিছো যে অসমৰ বানপানী আৰু গৰাখহনীয়াৰ সমস্যা অতি বেছি। আমি প্ৰতিশ্ৰুতিবদ্ধ যে আমি বানপানী মুক্ত অসম কৰিম। মই আকৌ কওঁ যে প্ৰকৃতিৰ লগত যুঁজ দিয়াটো সহজ কথা নহয়। কিন্তু যদি  ভাল মনেৰে কাম কৰো, মই ভাৱো যে আমি পাঁচটা বছৰত ৮০ শতাংশ  বানপানী বা

গৰাখহনীয়া নাইকীয়া কৰিব পাৰিম। এইবাৰ আমি বেছি গুৰুত্ব দিছো বানপানীৰ পৰা মুক্ত কৰিবৰ কাৰণে। এই বছৰ প্ৰায় **২৫০** ৰ পৰা **৩০০** কিলোমিটাৰ অসম চৰকাৰৰ পুঁজিৰে মথাউৰি বনোবাৰ কাৰণে সাজু হৈছে আৰু য'ত বেছি protection কৰিবলগীয়া আছে, protection ও কৰিছোঁ। কিন্তু এই বছৰ আমি যিখিনি temporary কাম কৰি আৰু এটা বছৰৰ ৰাখিব পাৰি, সেইখিনি আমি permanent protection ৰ কাৰণে আগবঢ়া নাই। য'ত নদীখন **৩ শ** কিলোমিটাৰ দূৰত আছে বা **৫ শ** কিলোমিটাৰ দুৰত আছে, সেইটো ঠাইত মথাউৰি নাই, মথাউৰি তাত অতি সোনকালে বনোৱাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। মই এটা উদাহৰণ দিওঁ, লাহৰি ঘাট সমষ্টিত দুটা stage ত **১৩** কিলোমিটাৰ মথাউৰি নাই। এইবাৰ তাত মথাউৰি বনাম, already tender হৈ গ'ল, work order ও হৈ গ'ল। **৬০** কোটি টকাৰ কাম আমি অহা সপ্তাহৰ পৰা আৰম্ভ কৰিম। তাৰ পৰা নদীখন **৫ শ, ৬ শ** কিলোমিটাৰ দূৰত আছে। তাত অলপ অলপ কৰবাত গৰাখহনীয়া আছে। কিন্তু এইবাৰ তাত protection ৰ কাম কৰিবলৈ হলে গোটেই অসমৰ পইচা তাত দি দিবও নোৱাৰি। গতিকে এইবাৰ আমাৰ planning টো হ'ল, তাতে আমি এইবাৰ মথাউৰি বনাম। অহা বাৰ আমি protection কৰিম। কিন্তু তাত আমি যদি এইবাৰ temporary protection কৰিব লাগে, এইবাৰো কৰিম। দুটা প্ৰক্ৰিয়াৰে কাম কৰিছো permanent protection & temporary protection। ভৰতমাৰী চহৰৰ কথা যিহেতু মাননীয় সদস্য ডাঙৰীয়াই কৈছে, মই তেখেতৰ লগত আলোচনা কৰিম, অতি সোনকালে যদি কৰিব লগা হয়, কৰিম , নহলে temporary protection দি আৰু এটা বছৰ পাৰ কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী প্ৰশান্ত ফুকন।

**শ্ৰী প্ৰশান্ত ফুকন (ডিব্ৰুগড়)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছোঁ যে আমাৰ যিমান বিলাক মথাউৰি আছে যোৱা কেইবাটাও বছৰত ভাঙিল। সেই মথাউৰি বিলাক আমি সম্পূৰ্ণ মেৰামতি কৰি তাত সুস্থ কৰি তুলিছো নেকি? মাননীয় মন্ত্ৰী মহোদয়ে সদনত জনাব নেকি?

**শ্ৰীপিযুষ হাজৰিকা (জলসম্পদ মন্ত্ৰী)** ঃ- অধ্যক্ষ ডাঙৰীয়া, মই যেতিয়া মন্ত্ৰী হিচাপে নিযুক্তি পাইছিলো অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক water resourch বিভাগটো চলাবলৈ দিছিল। তেতিয়া আমাৰ যোৱা বছৰ ২৪ টা মথাউৰি ভঙা আছিল। তাৰে ৬ টাৰ breach fill-up কৰা আছিল। বাকীখিনি কাম আমি ২ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছিলো। এই মুহুৰ্তত breach থকা মথাউৰি অসমত কতো নাই। মই আমাৰ যিখিনি মানুহে গ্ৰাউণ্ডত কাম কৰে তেওঁলোকক যদি ক'ৰবাত সৰুকৈ ধন্যবাদ দিব পাৰো। তাৰ কাৰণে সদনত এটা কথা উত্থাপন কৰিব খুজিছো। অধ্যক্ষ ডাঙৰীয়া ২০০০ চনত অসমত মথাউৰি ভাঙিছিল ৭১ টা,২০০১ চনত ২০ টা। ২০০২ চনত ৫৪ টা, ২০০৩ চনত ৪৫ টা আৰু ২০০৪ চনত Highest in the history in last 20 years ৩৫৪, তাৰ পাছত ৪২ টা, তাৰ পাছত ২৮ টা, তাৰ পাছত ১৯৫ টা তাৰ পাছত ৬৭ টা, তাৰ পাছত ৪১ টা, তাৰ পাছত ৬০ টা, তাৰ পাছত ২৩ টা, তাৰ পাছত ৭৪ টা, তাৰ পাছত ২০১২ চনত ২৮ টা, ২০১৩ চনত ৩২ টা, ২০১৪ চনত ৫০ টা, ২০১৬ চনত ৩৬ টা, এনেকৈ ২০১৮ চনত ৩৮ টা, ২০২০ চনত ২৪ টা আৰু ২০২১ চনত ১ টা মাত্ৰ ভাঙিছিল। মই Credit লোৱা নাই, মই Credit ল'ব খোজা নাই, যদি অলপ Credit পায়, আমাৰ বিষয়া কৰ্মচাৰী সকলে পায়। আমাৰ বিষয়া সকলক dedication ৰ এটা উদাহৰণ দিওঁ। অধ্যক্ষ ডাঙৰীয়া অভয়াপুৰী সমষ্টিত এটা মথাউৰি ভাঙিলে। অভয়াপুৰীত মই ২ দিন নিজে আছিলো, মই বিপৰীত

দিশত থাকিলো। এটা মথাউৰি বচাবলৈ গৈ দুদিন মই পাৰত আছো, আমাৰ জয়ন্ত আছিল আৰু বিজনীৰ বিধায়কো আছিল। তাৰ পাছটো এটা মথাউৰি ভাঙিলে। এটা মথাউৰি ৰখোৱাৰ এটা সৰু কথা কওঁ, অফিচাৰ সকলক ক'ৰবাত ক'ৰবাত Credit দিব লাগে। এদিন ডি চি বঙাইগাওঁয়ে মোক ফোন কৰিছিল, নামটো পাহৰিছো, এটা নিৰ্দিষ্ট মথাউৰি ভাঙিব, আৰু আধা ঘন্টাত ভাঙি যাব। মই তেখেতক এটা অনুৰোধ কৰিলো, বাইদেউ এটা কাম কৰিব, আপুনি এটা ভাল ঠাইত থাকক, এটা সুৰক্ষিত ঠাইত থাকক, সম্পূৰ্ণভাবে মথাউৰিটো নভঙাকে আপুনি গুছি নাহিব। তেখেত এগৰাকী মহিলা, নাম আছিল লক্ষ্মীপ্ৰিয়া। তেখেতক মই অনুৰোধ কৰিলো, কিন্তু তেখেত নগ'ল। তেখেত নগৈ এই ঠাইতে থাকিল আৰু কামটো কৰাই থাকিল, আৰু জলসম্পদ বিভাগৰ মানুহখিনিয়ে কামটো কৰি থাকিল ফলত মথাউৰিটো নাভাঙিল। গতিকে আমি যদি actively কাম কৰো ক'ৰবাত মথাউৰি বচাব পাৰিম বুলি মোৰ অভিজ্ঞতা হৈছে। মই নকওঁ যে অহাবাৰ এটাও নাভাঙে, কাম কৰিলে অলপ বাচিব বুলি মই দৃঢ়বিশ্বাসী ।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ। এতিয়া ওয়াজেদ আলি চোধুৰী। চাপ্লিমেন্টৰী মাননীয় মন্ত্ৰী,

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী)** ঃ- অধ্যক্ষ ডাঙৰীয়া, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ২০১৪ চনত, অসমৰ প্ৰায় জিলাতেই একাদশ আৰু দ্বাদশ পৰিকল্পনাৰ অধীনত অসমত ৰূপায়ণ কৰা বান ব্যৱস্থাপনা সূচীত, F.M.P. আঁচনিত এই কামবিলাক কৰিছিল। ৰাজ্য চৰকাৰৰ যি শ্বেয়াৰ আছিল সেইখিনি তেওঁলোকে অলপ অলপ পালে, কিন্তু মূল টকাখিনি এতিয়াও পোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ টকাখিনি এতিয়াও মোকলাই দিয়া নাই। আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কেন্দ্ৰীয় চৰকাৰে এই টকাখিনি কেতিয়ালৈ মুকলি কৰি দিব আৰু ২০১৪ চনত কাম কৰা ঠিকাদাৰসকলে পইচা কেতিয়া পাব?

**মাননীয় অধ্যক্ষ** ঃ- মাননীয় মন্ত্ৰী, চমুকৈ ক'ব।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী)** ঃ- অধ্যক্ষ ডাঙৰীয়া হয়, মই স্বীকাৰ কৰিছো, এতিয়াও ২০১২-২০১৩ আৰু ২০১৪ চনত কৰা F.M.P. আঁচনিৰ ৩৯৫.৬৫ কোটি টকা কেন্দ্ৰীয় চৰকাৰে দিবলৈ আছে। কিয় দিব লগা আছে, সেইটো অলপ সুবিধা লৈ ক'ব লাগিব। অধ্যক্ষ ডাঙৰীয়া, ইয়াতে A.G. ৰ অৱজেকশ্যন আছে। প্ৰত্যেকটো কামৰ বিপৰীতে disallowed লিখা আছে, কাৰণ সেই সময়ত টেণ্ডাৰ প্ৰক্ৰিয়া ভুল আছিল। সেইখিনি সময়ত আমাৰ যিটো Flood & River Erosion Management Agency আছে,FREMAA ই সেই সময়ত পলাশবাৰীত ভূমিৰ কাৰণে project ত ট্ৰেণ্ডাৰ কৰোতে এটা জি'অ বেগৰ দাম আছিল ১২২টকা আৰু F.M.P. আঁচনিৰ জি'অ বেগৰ দাম হ'ল ১৭০ টকা। অধ্যক্ষ ডাঙৰীয়া ইয়াতে কি কোৱা আছে, উত্তৰ লক্ষীমপুৰৰ যিটো স্কীম ৰঙা নদীৰ প্ৰটেক'শ্যন এইটো ৩৬১ কোটি। disallowed by AG 62.43 crore, ইয়াতে তেজপুৰ দিভিজনত কাম লিখা আছে বিশ্বনাথ পানপুৰ। পানপুৰৰ কাম total estimeted amount 167.09 crore আৰু disallowed by AG 23.83 crore মই গোটেই কেইটা কোৱাই নাই গোটেই কেইটাতে disallowed আছে। disallowed মানে কি, এ,জি, য়ে অবজে'কশ্যন কৰিছে যে কামটোত এই টকাখিনিৰ ঘোটালা হৈছে। এ, জি, ৰ ওপৰত টো আমি একো ক'ব নোৱাৰো। গতিকে অধ্যক্ষ ডাঙৰীয়া আমি এই টকা বিচাৰিলে, লাজত পৰো। তথাপিও ঠিকাদাৰে ভুল কৰাৰ কাৰণে মই দুবাৰ কেন্দ্ৰীয় মন্ত্ৰীক কৈছো। কিন্তু কেন্দ্ৰীয় মন্ত্ৰীয়ে মোক এই কথাকেইটা কৈ দিয়ে। অধ্যক্ষ ডাঙৰীয়া এই কামৰ কাৰণে যেতিয়া

টেণ্ডাৰ হৈছিল, ৩৬ টা কামৰ টেণ্ডাৰ হ'ল। ২৬ জন ঠিকাদাৰক একে কেইটা নিয়মৰ কাৰণে কামটো দিলে। একেকেইটা ক্ৰাইটেৰিয়াত কামটো দিলে, কিন্তু ৯ জন ঠিকাদাৰৰ একেকেইটা ক্ৰাইটেৰিয়াৰ কাৰণে objection কৰিলে, reject কৰিলে, ক্ৰাইটেৰিয়া একেকেইটাই। ২৬ জনক একেকেইটা ক্ৰাইটেৰিয়াত select কৰিলে, আৰু ৯ জনক একেকেইটা ক্ৰাইটেৰিয়াত reject কৰিলে । অধ্যক্ষ ডাঙৰীয়া, এই কামটোত মুঠতে ৯ জন ঠিকাদাৰ আছে, ডাঙৰ কাম। ৯ জন ঠিকাদাৰে টেণ্ডাৰত পাৰ্টিচিপেট কৰা নাই, but they got work. এইটো কাৰ ভুলৰ বাবে হ'ল? কাৰ দিনত কেনেকৈ হৈছিলে কওঁক? ১১ৰ পৰা ১৫ লৈকে মই কি আছিলো আপোনালোক সকলোৱে জানে। ১১ৰ পৰা ১৫ লৈকে মই কাজিয়া লাগিয়েই থাকিলো। তেতিয়া মন্ত্ৰী কোন আছিল, মুখ্যমন্ত্ৰী কোন আছিল, তেখেত পৰলোক হ'ল মই ক্ষমা খুজিছো, ক'ব নালাগিছিল। কিন্তু কথাটো অলপ চিন্তা কৰি চাব। কেতিয়াবা কেতিয়াবা অলপ ভিতৰুৱা কথাটোও চালে, ঠিকাদাৰে মোকো কয়, আপোনাক যেনেকৈ ঠিকাদাৰে কৈ কথাটো আনিছে। ঠিকাদাৰখিনিয়ে মোকো কৈ থাকে, কিন্তু ভিতৰুৱা কথাটো নাজানে ওয়াজেদ দাই। এই বিষয়টোত বহুত কেলেংকাৰী হ'ল। এ.জি.ৰ ৰিপোৰ্টি মই গোটেইখিনি দি দিম।

**মাননীয় অধ্যক্ষ** ঃ- 2nd suplimentary. ওয়াজেদ আলী চৌধুৰী।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, প্ৰকৃত ঘটনাটো আজিহে মন্ত্ৰীৰ পৰা গম পালো। কিন্তু সেই সময়ত মোৰ সমষ্টিত টো এটা কাম হৈছিল, এই যে ঠিকাদাৰ সকলৰ কথাটো জানেই, কাৰোবাৰ পৰা পইচা লৈ কামটো কৰে। গতিকে তেওঁলোকে অন্য ঠাইত ঘোটালা কৰিব পাৰে, কিন্তু মোৰ সমষ্টিত যিখিনি কাম কৰিছে, সেই কামটোত যথেষ্ট আমাৰ উপকাৰো হৈছিল। যি নহওঁক মোৰ তাত ঘোটালা হোৱা নাই, সেয়েহে মই কৈছো।
মাননীয় মন্ত্ৰী মহোদয়ে কৈছে মোৰ তাত ঘোটালা হোৱা নাই গতিকে মই কৈছো।

**মাননীয় অধ্যক্ষ ঃ** আপুনি প্ৰশ্ন কৰক। কি কৰিব লাগে।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** আমাৰ দ্বিতীয় চাপ্লিমেণ্টৰীটো হৈছে যে, যোৱা বানপানীত আমাৰ তাতো এটা মথাউৰি আছিল সেইটো erosion ত এটা portion ত খহি গৈছে। মন্ত্ৰী মহোদয়ে এইটো মেৰামতি কৰাৰ কিবা ব্যৱস্থা কৰিব নেকি?

**শ্ৰীপীয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** সেই কামটোতো আছে। মই আৰু নকওঁ। Disallowed মানে ধুবুৰীৰ কামটোতো আছে। হালধীয়াখিনি disallowed. মাননীয় অধ্যক্ষ ডাঙৰীয়া, তেখেতে যি কথা কৈছে তেখেতৰ সমষ্টিৰ বিষয়ে মোৰ নিজ কৰণীয় কৰিব লগা আছে। তেখেতৰ লগত মই কথা পাতিম এই বিষয়ে ঠিক-ঠাক কৰি ল'ম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা চাপ্লিমেণ্টৰী দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** চাপ্লিমেণ্টৰীৰ কথা নাই। চাপ্লিমেণ্টৰী যোৱাৰ পিছত অন্য এটা চাপ্লিমেণ্টৰী আপুনি কৈছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয় ধন্যবাদ। World Bank ৰ যিটো Project আছে, তাত বেকী নদীয়ো অন্তৰ্ভুক্ত। আপুনি যিটো ক'লে। তাতে যিটো মোৰ মইনবড়ীৰ পৰা চটলা সাংঘাতিক খহনীয়া হৈ আছে, আপুনি কৈ আছে য'ত বেছি হৈ আছে সেইখিনি প্ৰাধান্য দিব। কিন্তু মই জনা মতে যিটো পেকেজিং কৰি আছে মইনবড়ীৰ পৰা চটলা এই বছৰত নপৰিব। মই আপোনাৰ kind intervention বিচাৰিছো because of intensive

erosion. যাতে এইটো পৰে।

**माननीय অধ্যক্ষ ঃ** হ'ব। তেখেতে বুজি পাইছে। তেখেতে ৰিপ্লাই কৈ দিব।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পকী কৰিব আমি ভাল পাইছো, কিন্তু দুখ পাইছো আমাৰ মথাউৰি পাঁচ কিলোমিটাৰ কাটি দিছে। সেইখিনি নহ'ব বুলি শুনিছো। সেই পাঁচ কিলোমিটাৰ অন্তৰ্ভুক্ত নহ'ল। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এখন লিখি দিছিল পাঁচ কিলোমিটাৰ ড্ৰ'প পৰিলে মথাউৰি হিচাপে নিৰ্মাণ কৰিব বুলি। এতিয়া সেইখিনি মোৰ নহ'ব। পিছৰ কথাটো একেবাৰে শেষ কৰি লওঁ। আইমানা নদীৰ মাননীয় মন্ত্ৰী মহোদয়ে এইটো কোৰ্টত কিবা ডি পি আৰ বনোৱাৰ কেছ চলি আছে বুলি শুনিছো। হয়তো অলপ সময় লাগিব। Siltation টো ইমান বেছি হৈছে অলপমান খান্দি দিলে অন্ততঃ আইমানা নদীখন এবছৰলৈ ভালে থাকিব। গতিকে আইমানা নদীখন খন্দাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী চৰণ বড়ো। নাই যদি নালাগে। মই পৰৱৰ্তী প্ৰশ্নলৈ আহো।

**শ্ৰী চৰণ বড়ো (মাজবাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাপ্লিমেণ্টৰী আছিল মই আহিব বুলি ভাবিছিলো ইয়াত লিখি দিছিল। এটা আছিল ধান কিনাৰ কথা সুধিছিলো।

**মাননীয় অধ্যক্ষ ঃ** নালাগে। হৈছে আৰু প্ৰশ্ন নং ৪৫, শ্ৰীছামছুল হুদা।

**শ্ৰীছামছুল হুদা (পূব বিলাসীপাৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্ন কৰিছিলো তাৰ উত্তৰ মন্ত্ৰী মহোদয়ে দিছে তথাপিতো তেওঁ যিটো উত্তৰ দিছে যে আমাৰ বিলাসীপাৰাত হিমঘৰ নাই। কৃষকৰ কাৰণে আমি অলপ বেছি চিন্তা কৰিব লাগে যে, কাৰণ আমাৰ অসমখন এতিয়া কৃষিপ্ৰধান দেশ। গতিকে আমাৰ বিলাসীপাৰাত হিমঘৰৰ বহুত প্ৰয়োজন। ইয়াত লিখিছে যে 55% ৰাজ সাহাৰ্য্য দি পাঁচ কোটি টকাৰ এটা হিমঘৰ কৰিব পাৰি আৰু সেই হিমঘৰটো কৃষকে কৰিব লাগিব। এতিয়া আঢ়ৈ কোটি টকা কৃষকে দিব লাগিব। তেনেকুৱা কৃষক মোৰ তাততো নাই। গোটেই অসমত আছে যদি মই নাজানো। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খুজিছো যে, এশ শতাংশ চৰকাৰী ধনেৰে যদি কৃষকৰ সুবিধাৰ্থে আমাৰ তাত কেচামালৰ জলকীয়া বা বিভিন্ন ধৰণৰ কেঁচামাল উৎপাদন হয়, তেওঁলোকৰ সুবিধাৰ্থে যাতে এশ শতাংশ ৰাজসাহাৰ্য্য দি আমাৰ তাত হিমঘৰ কৰা হয়, তাৰ কাৰণে কোনো ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাঁচ কোটি টকাৰে হিমঘৰ নিৰ্মাণ কৰিবৰ কাৰণে উদ্যান শস্য বিভাগৰ এচিমিনিয়াচ আঁচনিত ব্যৱস্থাটো আছে। ৰাজ্যখনত প্ৰায় ৪০ টা হিমঘৰ, Cold storge আছে। চৰকাৰী হিমঘৰ Cold storge কম আছে যদিও private sector ত ৰাজ্যখনত বিভিন্ন ঠাইত cold storge আছে। যি কাৰণতে নহওঁক কিয় আমি দেখিছো যে পাৱাৰ বা আন্যান্য বিভিন্ন কাৰণত এই হিমঘৰ বিলাক functional হৈ থকা নাই বা defunk হৈ আছে। তথাপিও আমি যোৱা বছৰটোত ছয়গাওঁ আৰু দলগাওঁত দুটা কৰিছো। এতিয়া এটা বৰাগাওঁত আৰু হোজাইত নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। প্ৰায় এটা এটা হিমঘৰত পচিশ কোটি টকাৰে কৰিবলৈ লোৱা হৈছে। গতিকে চৰকাৰৰো আঁচনি আছে আৰু হিমঘৰৰ প্ৰয়োজনীয়তাও আছে। কিন্তু এইটো ঠিক ৰাজ্যখনৰ কেতবোৰ ঠাইত অত্যাধিক মাত্ৰাত ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰাৰ কাৰণে সেই উৎপাদিত ফচল, সেইবোৰ অঞ্চলত উৎপাদিত ফচল যদি হিমঘৰতো ৰখা হয়, যিহেতু perishable item ইয়াৰ আয়ুস বেছি দীঘলীয়া নহয়।ইয়াৰ উপৰিও cold room দিয়াৰ ব্যৱস্থা আছে। সৰু সৰু ৰুম মই ভাৱো যে, সেইটো feasible

হয়। গতিকে cold room ললেও তাতো চাবচিদিৰ ব্যৱস্থা আছে ৫০ শতাংশ। গতিকে সেইখিনি কৰিব পৰা যায়। বিলাসীপাৰাৰ কথাটো তেখেতে সদনত অনুৰোধ জনাইছে, আমি বিষয়টো বিবেচনা কৰিম। হ'ব বুলি নকওঁ যদি তাত feasible হয়, তেতিয়াহ'লে আমি এই দিশটো বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় চাপ্লিমেণ্টৰী।

**শ্ৰী ছামছুল হুদা (পূব বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে, তাত হ'ব বুলি ক'লে ভাল হ'ব। আমাৰ তাত খুব দৰকাৰ। এতিয়া দ্বিতীয় প্ৰশ্ন এটা আছে আমাৰ তাত মৰাপাট, ধান, জলকীয়া, সৰিয়হ, মাটিমাহৰ প্ৰচুৰ পৰিমাণে খেতি হয়। বিশেষকৈ জলকীয়াৰ পৰিমাণটো বেছি হয়। কিন্তু ধানৰ ক্ষেত্ৰত আমাৰ তাত উচিত মুল্য নাপায়। ইতিমধ্যে আমাৰ ইয়াত এটা প্ৰশ্ন হৈ গৈছে যে, কৃষকে উচিত মুল্য নাপায়। মধ্যভোগী তেওঁলোকে সুবিধাখিনি লয়। গতিকে মই তেওঁক অনুৰোধ জনাইছিলো যে আমাৰ তাত উচিত মূল্য পোৱাৰ কাৰণে কিবা বজাৰ হ'ব নেকি? তেওঁ ইয়াত এটা পি পি চেণ্টাৰৰ কথা কৈছে, সেই পি পি চেণ্টাৰটো আমাৰ তাত কাৰ্য্যকৰী হোৱা নাই আৰু জলকীয়াৰ কাৰণে বিশ্ববেংকৰ পৰা এখন বজাৰৰ কথা কৈছে কিন্তু মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে আমাৰ বিলাসীপাৰাত কৃষি সামগ্ৰীসমূহ উচিত মূল্য পোৱাৰ কাৰণে চৰকাৰে এখন ভাল বজাৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ কোন জিলাত, কোন ঠাইত কি কৃষিৰ কাৰণে উপযোগী তাৰ ওপৰত ভিত্তি কৰি কেতবোৰ সিদ্ধান্ত লোৱা হৈছে আৰু বিলাসীপাৰাত এপাৰ্টৰ অধীনত এখন বজাৰ নিৰ্মাণ হৈ আছে, সেইখন জলকীয়া বজাৰ হ'ব তাত যথেষ্ট জলকীয়া উৎপাদন আৰু বাকী paddy procurement center আমাৰ হাতত থকা তথ্য মতে বিলাসীপাৰত আছে। মই সন্মানীয় সদস্য গৰাকীক অনুৰোধ জনাম যাতে এই procurement ৰ প্ৰক্ৰিয়াৰ লগত তেখেত বিশেষকৈ কৃষকৰ লগত জড়িত হৈ কামখিনি ভালকৈ হয়, কৃষকে যাতে সকলো ফালৰ পৰা তেখেতৰ সমষ্টিত সুবিধা পায়। তাৰ কাৰণে যাতে ব্যৱস্থা লয়।

**মাননীয় অধ্যক্ষ ঃ** পিছৰ চাপ্লিমেণ্টৰী শ্ৰীনুৰুল হুদা।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৃষিজাত সামগ্ৰীৰ বজাৰ ব্যৱস্থা যিটো কোৱা হৈছে, এই বজাৰ ব্যৱস্থা ইতিমধ্যে আলোচনা হৈ গৈছে। ধান ক্ৰয়ৰ যিটো চেণ্টাৰ পি পি, পি পি চি এই পি পি সমূহত যি ধৰণে ধান ক্ৰয় কৰিব যিটো ক্ৰাইটেৰিয়া দিয়া হৈছে, এইটো যদি অলপ ভালকৈ কৰা হয়, তেনেহ'লে কৃষক সকলৰ কাৰণে সুবিধা হ'ব। এইটো চিষ্টেমটো দিছে যে প্ৰথমে কৃষকে অনলাইন আবেদন কৰিব লাগিব, মাটিৰ পট্টা, আধাৰ কাৰ্ড, ফটো এইসমূহ দিব লাগিব। এচ ইউ এৰ চাৰ্টিফিকেট দিব, সেইমতে গৈ বিভাগৰ পৰা যিটো চাৰ্টিফিকেট পাব, সেই চাৰ্টিফিকেট লৈ তাৰ পাছত পি পি চি ত যাব, ক'ব যে মোৰ ধান আছে, মই বিক্ৰী কৰিম। PPC য়ে তেতিয়া এটা ডেট দিব। সেই ডেট মতে ধানখিনি লৈ যাব লাগিব আৰু লৈ যোৱাৰ পিছত ধানখিনি ৰাখিব আৰু একাউণ্টত পইচাখিনি ট্ৰেন্সফাৰ কৰিব। ২০-২৫ দিনৰ পিছত পইচাখিনি একাউণ্টত ট্ৰেন্সফাৰ কৰিব। কিমান দিন হ'ব নাজানো। কিন্তু দেৰি হ'ব। আমাৰ কৃষক সকলৰ ধান বিক্ৰী কৰাৰ প্ৰয়োজন কেতিয়া হয়? কৃষক সকলে বজাৰত ধান বিক্ৰী কৰাৰ লগে লগে পইচাখিনি পাব লাগে। গতিকে এই চিষ্টেমটো যদি অলপ সোনকালে পইচাটো পাই আৰু দীঘলীয়া প্ৰক্ৰিয়া নকৰি অলপ চমুকৈ যদি মাননীয় মন্ত্ৰী মহোদয়ে প্ৰক্ৰিয়াটো কৰে তেতিয়া কৃষকসকলো উপকৃত হ'ব। মই এটা অনুৰোধ কৰিম PPC ৰ এটা Centre মোৰ সমষ্টি জুৰীয়াত দিয়াৰ বাবে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা (মন্ত্ৰী, কৃষি, শস্য উদ্যান ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Procurement Policy টো বহু আলোচনাৰ অন্তত ঠিক কৰা হৈছে আৰু এইটো অলপ শিথিল কৰিবলৈ গ'লে মধ্যভোগী সকলে, এচাম লোক আছে, যিসকলে সদায় ইয়াৰ মুনাফা লোটে আৰু প্ৰকৃত কৃষকে ইয়াৰ বেনিফিটটো নাপায়। গতিকে সেইসকলে সুযোগ ল'ব। গতিকে প্ৰকৃত কৃষকে যাতে বেনিফিটটো পায়, তাৰ প্ৰতি লক্ষ্য ৰাখি এনে ব্যৱস্থা কৰা হৈছে।

**ড০ হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা ক'ব খুজিছো যে এইবাৰ ভাৰত চৰকাৰে প্ৰথমবাৰৰ বাবে অসমৰ কৃষকৰ পৰা ১০ লাখ মেট্ৰিকটন চাউল কিনাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। আগতে আমি যিখিনি চাউল কিনো তাৰ পৰিমাণ আছিল ১ লাখ আৰু কেতিয়াবা ৯০ হাজাৰ। এইবাৰ আমাৰ খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী শ্ৰী পিযুষ গোৱেল, শ্ৰী অশ্বিনী শ্বৌবে তেখেত সকলে আঠ মাহত দুই-তিনিবাৰ এই গুৱাহাটীলৈ আহিছে আৰু এফ চি আই ত ১০ লাখ মেট্ৰিকটন চাউল কিনাৰ বাবে সক্ষম হৈছে। ইয়াত যিটো Payment ৰ System আছে, সেইটো Nation Wide System, প্ৰথমে চাউল ল'ব, তাৰ পিছত পইচাটো একাউণ্টত দিব যাতে কোনো মধ্যভোগী সোমাব নোৱাৰে। হাৰিয়ানা, পাঞ্জাৰ, মধ্যপ্ৰদেশ আদি ৰাজ্যত যিটো System আছে, সেই ধৰণৰ হ'ব। মই ভাৱো কৃষক সকলে ১০-১৫ দিনৰ ভিতৰত এই System টোৰ লগত adjust হৈ যাব। যেনেকৈ গেচ কিনিলে অলপ দিন পিছত একাউণ্টত জমা হয় তাত একো অসুবিধা নাই। আমি এতিয়া সাজু হ'ব লাগে যে আমাৰ নিজৰ নিজৰ সমষ্টিত মই এই বিষয়ে আমাৰ মাননীয় বিধায়ক সকলকো কৈছো যে এফ চি আই এ নিজে নিজে চাউল নিকিনে যেতিয়ালৈকে বিধায়ক সকলে অকনমান ইণ্টাৰেষ্ট নিদিয়ে। কেইদিনমান আগতে তিতাবৰৰ বিধায়ক ডাঙৰীয়াকো বুজাই দিছো। তেওঁ নিজে আগবঢ়াত তাত এতিয়া অলপমান কাম হৈছে। Procurement Centre হ'ব আৰু ক'ত Procurement Centre লাগে সেইটো আমাক ক'লে এইবাৰ নহ'লেও অহাবাৰ কৰি দিব পাৰো। কিন্তু গুদাম লাগে আৰু চাউলৰ মিল লাগে। মুখ্যমন্ত্ৰী গ্ৰাম যোজনাৰ পৰা আমি কিছুমান চাবচিডি স্কীম লৈছো যে চাউলৰ মিল আৰু ৱেৰহাউচ বনাবাৰ বাবে। তাৰ বাবে বিজ্ঞাপন দুই এদিনতে প্ৰকাশ কৰা হ'ব। এই বছৰ আমি কিমান সফল হওঁ নাজানো কিন্তু এফ চি আই এ এটা Mindset বনাই লৈছে যে ২০ লাখ মেট্ৰিকটন হ'লেও চাউল অসমৰ পৰা কিনিব আৰু কৃষকে ১৮০০ টকা পাব যিটো তেওঁলোকে এনেই ১২০০-১৩০০ টকাকৈ পায়। সেয়েহে আমাৰ মাননীয় বিধায়কসকলে নিজৰ সমষ্টিত গুদাম আৰু চাউলৰ মিল বনোৱাৰ বাবে চেষ্টা কৰিব। এইকেইটা নহ'লে Procurement আধা হৈ থাকিব। তৃতীয়তে, লাহে লাহে কৃষক সকলৰ মাজত সজাগতা অনা । আৰু এটা এফ চি আইৰ নিয়ম আছিল যে যাৰ মাটিৰ কাগজ আছে, তাৰ পৰাহে চাউল কিনিব। বেলেগৰ পৰা নিকিনে। কিন্তু অসমৰ এইবাৰ Procurement ত মাটিৰ কথাটো উঠাই লৈছে। অহাবাৰ কিন্তু মাটিৰ কাগজ লাগিব। সেইকাৰণে বসুন্ধৰাৰ জৰিয়তে আমাৰ মাটিৰ ওপৰত স্বত্ব ডিজিটেলাইজেশ্যনৰ জৰিয়তে কাম চলি আছে। আনহাতে Non Cadastral Village সমূহক Cadastral কৰাৰ যি কাম চলি আছে, তাতো মই মাননীয় বিধায়কসকলক সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ৰফিকুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো প্ৰশ্নত কৃষিজাত সামগ্ৰীৰ উচিত মূল্য আৰু বজাৰৰ কথা কোৱা হৈছে। ইতিমধ্যে কিছু কথা আহিছে আৰু মাননীয় মুখ্যমন্ত্ৰী

ডাঙৰীয়াই ও কৈছে। ধানৰ ক্ষেত্ৰত আমি দেখিছো যে ২০১৭-১৮, ২০১৮-১৯, ২০১৯-২০ চনত ধানৰ উৎপাদন কমিছে। ২০১৭-১৮ চনত আছিল ৮১ লাখ মেট্ৰিকটন, ২০১৮-১৯ ত গৈ ৮৯ লাখ হ'ল আৰু ২০১৯-২০ চনত ৮০ লাখ মেট্ৰিকটন হ'ল। ২০১৮-১৯ তকৈ ২০১৯-২০ চনত প্ৰায় ৯ লাখ মেট্ৰিকটন ধানৰ উৎপাদন কমি গ'ল। ইয়াৰ কাৰণ এইটোৱেই যে উচিত মূল্য নাপায়। বজাৰত প্ৰায় ১০০০-১২০০ টকা কুইণ্টলত চাউল বিক্ৰী কৰি আছে। কিন্তু মোৰ জনীয়া সমষ্টি, বাঘবৰৰ এটা অংশত এতিয়াও ধান কিনাৰ কোনো চেণ্টাৰ নাই। যি অঞ্চলত ধান বেছি উৎপাদন হয় সেই অঞ্চলবোৰত কিন্তু মিলো নাই আৰু গুদামো নাই। সেয়েহে যিবোৰ অঞ্চলত ধান বেছি উৎপন্ন হয়, যেনে- কলগছিয়া, গোৱালপাৰা, ধুবুৰী, মৰিগাও, নগাঁও এই অঞ্চলবোৰক প্ৰাধান্য দি তাত গুদাম আৰু মিলৰ ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা কৰিবৰ বাবে অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ উত্তৰ ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দিছে।

**ড০ হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়কসকলে ৰাস্তাৰ স্কীম লৈ যিমান আগ্ৰহেৰে দৌৰা-দৌৰি কৰি থাকে, একেটা কাম বৰ্তমান ৰাইচ মিল আৰু গুদামৰ কাৰণে যদি আপোনালোকে কৰে, আনকি যদি বিধায়ক সকলৰ পুঁজিও ইয়াত দিব খোজে আমি তাতো অনুমতি দিম। Central Warehousing Coroporation ও বহুতো স্কীম আছে। ৫০ শতাংশ, ৫০ শতাংশ, চাবচিডি। গতিকে এজন বিধায়কে ৫ বছৰত এটা গুদাম ঘৰ আৰু চাউলৰ মিল নিজৰ সমষ্টিত কৰাটো ডাঙৰ কথা নহয়। চৰকাৰে সহযোগিতা কৰিব। মই আপোনালোকৰ কোৰ্টত বল দিছো আপুনি আকৌ যদি মোৰ কোৰ্টত দিয়ে, জনীয়া, বাঘবৰ সমষ্টিত এনেয়েও আমাৰ আহা-যোৱা নহয়। গতিকে জীৱনতো নহ'ব। গতিকে আপুনি ইণ্টাৰেষ্ট লৈ কৰিলে আমি সহযোগিতা কৰিম। ধন্যবাদ।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা অনুৰোধ যে চৰকাৰে ধাৰ্য্য কৰা Minimum Support Price (MSP) ৰ ভিত্তিত যাতে লয়। সেই কথাটো চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-৪৬। শ্ৰী জয়ন্ত বসুমতাৰী ডাঙৰীয়াই কওক।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, জলসম্পদ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া পৰিপূৰক প্ৰশ্ন।

**শ্ৰী জয়ন্ত বসুমতাৰী (চিডলী) ঃ**..... বড়ো.....

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। চিডলী সমষ্টিত Protection measures ৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে?

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, জলসম্পদ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বানপানীৰ সময়ত চিডলী সমষ্টিলৈ গৈছিলো আৰু জয়ন্ত বসুমতাৰী ডাঙৰীয়া আৰু মই বহু ঠাই চাইছিলো। তেখেতৰ সমষ্টিত কৰিবলগীয়া বহু আছে, সেই কথা মই অস্বীকাৰ নকৰো। ভূটানৰ পৰা যিখিনি নদী নামি আহে সেই নদীসমূহে যথেষ্ট গড়াখহনীয়াৰ সৃষ্টি কৰে। মানাহ, বেকী, পাগলাদিয়া আদি নদীসমূহ। এই মূহুৰ্ত্তলৈকে ৫ টা আঁচনি লৈছে। এখন হৈছে-1. A/E Measures to protect village Porbatipur and South Gandabeel আৰু এটা লৈছো-Immediate measures to restore the damage of village Angalbari of river Nangalbhanga আৰু এটা লৈছো-Immediate measures to restore the damage of village West Kaliagaon of river Nangalbhanga. আৰু

এটা হৈছে- Village Udaipur Samsanghat area of river Taklai আৰু- এটা হৈছে- Village Kakobori area of river Lankar. এই কেইখন আঁচনি তেওঁৰ সমষ্টিত লৈছো আৰু কাম আৰম্ভ কৰিছো। মই আকৌ কৈছো তেওঁৰ সমষ্টিত যথেষ্ট কৰিবলগীয়া আছে। ভূটানৰ পৰা যিখিনি নদী নামি আহে সেই নদীসমূহৰ একেবাৰে ওপৰলৈ উঠি অহা বালিময়। সেইকাৰণে সোনকালে খহনীয়া হয়। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিও একেধৰণৰ। আমি এইবঙ্গৰ প্ৰথম বাৰৰ বাবে এচ অ' পি ডিৰ পৰা ৪০ লাখ টকা বি টি চিত দিছো। এচ ডি আৰ এফৰ পৰাও যথেষ্ট খিনি টকা দিবলৈ চেষ্টা চলাই আছো। মুঠতে বি টি আৰৰ ওপৰত কাম কৰিবলৈ আমি বদ্ধপৰিকৰ। ধন্যবাদ।

**শ্ৰী জয়ন্ত বসুমতাৰী (চিডলী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাব বিচাৰিছো যে মই ৮ টা স্কীম দিছিলো আৰু আমাৰ মাননীয় মন্ত্ৰী মহোদয়েও তাত গৈ নিজ চকুৰে দেখিছে। সেয়েহে পাঁচটা স্কীমেৰে প্ৰটেক্ট কৰা নহ'ব। অলপ ইনিচিয়েটিভ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ফালৰ পৰাও ল'বলৈ অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্নকালীন ঘণ্টা শেষ হৈছে।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Point of Order.

**মাননীয় অধ্যক্ষঃ** আমাৰ আমিনুল ইছলাম (কনিষ্ঠ) ডাঙৰীয়াই Members' Hour ত লোকনিৰ্মাণ বিভাগৰ ওপৰত উত্থাপন কৰা বিষয়টোৰ উত্তৰ দিবলৈ আছিল। মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰটো কাইলৈ দিব বুলি কৈছে।

(মাননীয় সদস্য নুৰুল হুদাক উদ্দেশ্যি) আপোনাৰ Point of Order টো কি আছিল?

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমৰ কাৰণে এটা ভাল খবৰ আছে। সৌভাগ্যক্ৰমে আমাৰ মুখ্যমন্ত্ৰী মহোদয় সদনত আছে। ৰূপহীহাট বিধান সভা সমষ্টিৰ ভিতৰুৱা গাঁৱৰ এজনী ছোৱালীয়ে বৈজ্ঞানিক হিচাপে নিযুক্তি পাইছে। যদি সময় হয়, সদনে এটা অভিনন্দনসূচক প্ৰস্তাৱ ল'লে খুব ভাল আছিল। এই সম্পৰ্কত আমাৰ দলপতিয়েও এখন পত্ৰ দিছিল। গতিকে, মোৰ আপোনালৈ অনুৰোধ থাকিল যাতে ধন্যবাদসূচক প্ৰস্তাৱ এটা লোৱা হয়।

**মাননীয় অধ্যক্ষঃ** মই ইতিমধ্যে পত্ৰখন পাইছো আৰু তাৰ ওপৰত ব্যৱস্থা ল'বলৈ কৈছো। এইটো হৈ যাব।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Point of Order. আজি তৰাচিহ্ন প্ৰশ্ন নং ৪৭ ত হাতী-মানুহৰ সংঘাতৰ ওপৰত সোধা হৈছিল। মই আপোনাক অনুৰোধ জনাম যে এই বিষয়টো ৩০১ বা শূণ্যকালীন ঘণ্টা বা অন্য যিকোনো device ত আলোচনাৰ বাবে ল'ব লাগে।

**মাননীয় অধ্যক্ষঃ** হ'ব, মই চাই ল'ম।

**শ্ৰী মতী নন্দিতা দাস (বকো)ঃ** চাৰ, হাতী-মানুহৰ সংঘাতত ক্ষতিগ্ৰস্ত সেই শিশুটোৰে এতিয়ালৈকে ক্ষতিপূৰণ পোৱা নাই। সেইকাৰণে মই আজি মন্ত্ৰী মহোদয়ক অৱগত কৰিছো।

**মাননীয় অধ্যক্ষঃ** হ'ব, শূণ্যকালীন ঘণ্টাত বিষয়টো ল'ম।

**ডº হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইদিনাখন ABSU ৰ প্ৰতিনিধিৰ দল আহিছিল আৰু শিশুটিৰ পৰিয়ালক ৫ লাখ টকাৰ সাহাৰ্য্য দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মেডিকেলত মাকজনীৰ চিকিৎসা মই নিজেই চাই আছো।

**শ্ৰী মতী নন্দিতা দাস (বকো)ঃ** চাৰ, লগতে, বন বিভাগৰ পৰা পাবলগীয়া ex-gratia টো পালে

১০ লাখ মান পাই যাব।

**माननीय अध्यक्षः** এই বিষয়ে আপুনি মুখ্যমন্ত্ৰীক ডাঙৰীয়াক লিখি দিব।

এতিয়া কাৰ্য্যসূচী নং ২ লৈ আহিছো। যোৱা ২০-১২-২০২১ তাৰিখে অনুষ্ঠিত হোৱা কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকৰ সিদ্ধান্ত মৰ্মে নিম্নোক্ত মঞ্জুৰী দুটা অগ্ৰাধিকাৰ ভিত্তিত আলোচনা কৰিবলৈ বাচনি কৰা হয়। বাকী মঞ্জুৰীসমূহ ক্ৰম অনুসৰি আলোচনা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। মঞ্জুৰী দুটা হ'ল- মঞ্জুৰী নং -৫- 'বিক্ৰী কৰ আৰু অন্যান্য কৰ' আৰু মঞ্জুৰী নং ৬২- 'শক্তি (বিদ্যুৎ)'। এতিয়া মই মাননীয় বিত্ত মন্ত্ৰী মহোদয়াক মঞ্জুৰী নং ৫ 'বিক্ৰী কৰ আৰু অন্যান্য কৰ' ৰ প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী মতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে- ২০২২ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং- ৫ 'বিক্ৰী কৰ আৰু অন্যান্য কৰ'ৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ১০১৪২.২৬ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** মঞ্জুৰী নং- ৫ ৰ ওপৰত তলত উল্লেখ কৰা মাননীয় সদস্য-সদস্যা সকলৰ নামত চাৰিটা কৰ্তন প্ৰস্তাৱ আছে। মাননীয় সদস্য-সদস্যা সকল হ'ল- শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী ৰকিবুল হুছেইন, শ্ৰী ওয়াজেদ আলী চৌধুৰী, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, শ্ৰী আব্দুল ছোৱাহান আলী চৰকাৰ, শ্ৰীমতী শিৱামণি বৰা, শ্ৰী দিগন্ত বৰ্মন, ডাঃ আছিফ মহম্মদ নাজাৰ, শ্ৰী বসন্ত দাস, শ্ৰী আব্দুল বাতিন খন্দকাৰ, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰীমতী নন্দিতা দাস, শ্ৰী ৰেকিবুদ্দিন আহমেদ, শ্ৰী আব্দুৰ ৰহিম আহমেদ, শ্ৰী মিসবাহুল ইসলাম লস্কৰ, শ্ৰী নুৰুল হুদা, শ্ৰী খলিল উদ্দিন মজুমদাৰ, হাফিজ বচিৰ আহমেদ, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), হাফিজ ৰফিকুল ইছলাম, শ্ৰী নজৰুল হক, শ্ৰী নিজানুৰ ৰহমান, শ্ৰী সুজাম উদ্দিন লস্কৰ, শ্ৰী নিজাম উদ্দিন চৌধুৰী, মোঃ আমিনুল ইছলাম, শ্ৰী কৰিম উদ্দিন বৰভূঞা, শ্ৰী জাকিৰ হুছেইন লস্কৰ, শ্ৰী আশ্ৰাফুল হুছেইন, শ্ৰী ছামছুল হুদা, শ্ৰী ছিৰাজ উদ্দিন আজমল, শ্ৰী আব্দুল আজিজ, শ্ৰী মজিবুৰ ৰহমান, শ্ৰী মনোৰঞ্জন তালুকদাৰ আৰু শ্ৰী অখিল গগৈ।

কৰ্তন প্ৰস্তাৱক সকলক এজনৰ পিছত আনজনে প্ৰস্তাৱ উত্থাপন কৰি বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলোঁ। এতিয়া শ্ৰী ৰকিবুল হুছেইন।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, শ্ৰী দেৱব্ৰত শইকীয়া প্ৰমুখ্যে আমাৰ কংগ্ৰেছৰ বিধায়ক সকলে- "২০২১-২২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকা ২৬-৩১ পৃষ্ঠাত থকা 'বিক্ৰী কৰ আৰু অন্যান্য কৰ' ৰ শিতানৰ ৫ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১০১৪২.২৬ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১০১৪২.২৬ লাখ টকা ১০০ টকালৈ হ্ৰাস কৰা হওঁক" বুলি কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিলো।

**হাফিজ বচিৰ আহমেদ (পশ্চিম বিলাসীপাৰা)ঃ** মই হাফিজ বচিৰ আহমেদ আৰু সতীৰ্থ বিধায়কে প্ৰস্তাৱ কৰোঁ যে-২০২১-২২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকা ২৬-৩১ পৃষ্ঠাত থকা 'বিক্ৰী কৰ আৰু অন্যান্য কৰ' ৰ শিতানৰ ৫ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১০১৪২.২৬ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১০১৪২.২৬ লাখ টকা ১০০ টকালৈ হ্ৰাস কৰা হওঁক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)ঃ** ২০২১-২২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ

তালিকা ২৬-৩১ পৃষ্ঠাত থকা 'বিক্ৰী কৰ আৰু অন্যান্য কৰ' ৰ শিতানৰ ৫ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১০১৪২.২৬ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১০১৪২.২৬ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হ২০২১-২২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকা ২৬-৩১ পৃষ্ঠাত থকা 'বিক্ৰী কৰ আৰু অন্যান্য কৰ' ৰ শিতানৰ ৫ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১০১৪২.২৬ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১০১৪২.২৬ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** ২০২১-২২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকা ২৬-৩১ পৃষ্ঠাত থকা 'বিক্ৰী কৰ আৰু অন্যান্য কৰ' ৰ শিতানৰ ৫ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১০১৪২.২৬ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১০১৪২.২৬ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মই এজনৰ পিছত আনজনক আলোচনা কৰিবলৈ দিম। এতিয়া কমলাক্ষ দে' পুৰকায়স্থ। আপোনাক দলে ১০ মিনিট সময় দিছে, এইখিনি সময়ৰ ভিতৰতে গুৰুত্বপূৰ্ণ কথা কেইটা ক'ব।

**শ্রীকমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ)** -মাননীয় অধ্যক্ষ মহোদয়, কর্তন প্রস্তাবের সমর্থন করে আমি আমার বক্তব্য শুরু করছি। প্রথমেই আমি সায়রি দিয়ে আরম্ভ করছি "মত কর ইতনা গুরুর আপনে আপ পর ইয়া ইনসান, মত কর ইতনা গুরুর আপনে আপ পর ইয়া ইনসান, না জানে খুদা নে তেরে জ্যসা কিতনে কো বনা কে মিটা দিয়া।"

অধ্যক্ষ মহোদয় ,আমি সমর্থন করে কথাগুলো বলছি। আমাদের এই সরকাবের উদ্দেশ্য ছিল যে জিএসটি যখন পাস হয়েছে তখন বলা হয়েছিল 'এ' ফর আসাম। অর্থাৎ এই অসমকে, আমাদের রাজ্যকে যাতে ভারতবর্ষের মধ্যে শ্রেষ্ঠ রাজ্যে রূপান্তরিত করা । পাঁচটি রাজ্যের মধ্যে যাতে একটি ভালো রাজ্যে রূপান্তরিত করতে পারি ভারতবর্ষের মধ্যে, সেটাই আমাদের একটি সংকল্প ছিল। অধ্যক্ষ মহোদয়, সেটা আমার কথা নয়, নীতি আয়োগের কথা মতে দরিদ্র সীমার নীচে ভারতবর্ষের যে তালিকা আছে, সেই তালিকায় সর্বশেষ নাম হচ্ছে বিহারের। এবং পাঁচটি রাজ্য বলা হয়েছে তার মধ্যে তালিকার নীচের দিক থেকে চার নম্বর হচ্ছে অসমের। অর্থাৎ ২৯টি রাজ্যের মধ্যে আমাদের স্থান হচ্ছে ২৫ নম্বর। আমাদের মাথা পিছু আয় হচ্ছে ৩২.৫৭ শতাংশ। এবং ভারতবর্ষের নেশন্যাল এভারেজ যদি দেখি তাহলে আমাদের অসমের এভারেজ হচ্ছে ২৫শেতাংশ। অর্থাৎ ভারতবর্ষের যে এভারেজ সেই এভারেজ থেকে আমাদের অনেক বেশি অর্থাৎ আমাদের অর্থনৈতিক যে দুরাবস্থা আমাদের অর্থনীতির যে বেহাল অবস্থা সেটা আমরা দেখতে পাই। আমরা পারকেপিটা ইনকাম যদি দেখি তাহলেও সেই অবস্থা। আমাদের ভারতবর্ষের মধ্যে অসমের অর্থনৈতিক অবস্থাটা একটা বেহাল অবস্থা। আমাদের ফাইনেন্স মিনিষ্টার এখানে আছেন, গতকাল আমাদের মাননীয় বিধায়ক একজন প্রশ্নে বলেছিলেন যে বিশেষ রাজ্যের মর্যাদা অসম সরকার হারিয়েছে। তাতে আমাদের কোন ক্ষতি হয়নি। নর্মাল প্লেন এসিসটেন্ট আমাদের ৯০ জন ছিল। স্পেশাল সেন্ট্রাল এসিসটেন্ট ১০০ শতাংশ আমাদের সেন্ট্রালের শেয়ার ছিল। বৈদেশিক সাহায্য ৯০ শতাংশ আমরা পেতাম, আমাদের ১০ শতাংশ দিতে হত। অর্থাৎ অধ্যক্ষ মহোদয়, এই যে স্কীম ছিল সেই স্কীমগুলো থেকে আমরা ডিপ্রাইভ হয়েছি। অধ্যক্ষ মহোদয়,বর্তমান মুখ্যমন্ত্রী তখন ফাইন্যান্স মিনিষ্টার ছিলেন, এবং আজ যে ফাইন্যান্স মিনিষ্টার তিনি তখন একজন বিধায়িকা

ছিলেন। তিনি তখন বলেছিলেন যে এই বিশেষ রাজ্যের মর্যাদা হারানোর ফলে আমাদের অনেক ক্ষতি হল। আমাদের অনেক তর্ক হল, আমরা অসম বিধান সভায় অনেক যুক্তি-তর্ক করেছিলাম । তখনকার অর্থমন্ত্রী আপনাদের বলেছিলেন এতে অসমের কোন লস হয়নি। কিন্তু আমাদের বিধায়িকা বলেছিলেন এতে অসমের একটা বিরাট ক্ষতি হল, এবং সেই ক্ষতি আমরা কোনদিন পূরণ করতে পারব না। কিন্তু এখন দেখতে পাচ্ছি যে আমাদের বর্তমান বিত্তমন্ত্রী বলছেন যে তাতে অসমের কোন লস হয়নি। অধ্যক্ষ মহোদয় আমরা যদি বিগত দিনের প্রসিডিং দেখি , সেই প্রসিডিং এ বেরিয়ে আসবে। সেটা আমার কথা নয়, অধ্যক্ষ মহোদয়। আজ থেকে প্রায় দেড়-দু বছর আগে প্রসিডিং রেকর্ড যদি দেখা যায় তাহলে সব কথা বেরিয়ে আসবে। আগেই যদি খারাপ ছিল এখন কিভাবে ভালো হয়ে যাবে। সেটা কোন মেজিক নি কি? যে আগে খারাপ ছিল এখন ভালো হয়ে গিয়েছে। যদি আগে খারাপ হয়, তাহলে এখনও খারাপ হবে।

অধ্যক্ষ মহোদয়, ২০২০-২১ এর বাজেটে আমাদের ফকাস ছিল সাবসিডি স্কিম,এন্টারপ্রিনারশিপ,ইণ্ডাস্ট্রি এবং স্কিল ডেভেলপমেন্টের উপর। বলা হয়েছিল, এই চারটি ক্ষেত্রে আমাদেরকে বিশেষ গুরুত্ব দেওয়া হবে। আমাদের Tax বাড়ানো হয়েছে, সেটা আমরা অস্বীকার করতে পারিনা। আমাদের Excise minister আছেন, আমাদের Excise Tax বাড়ানো হয়েছে প্রত্যেকটা ক্ষেত্রেই Tax বাড়ানো হয়েছে, মূল্যবৃদ্ধি হয়েছে, গ্যাসের দাম ১০০০ টাকা বেশি হয়েছে। কিন্তু অধ্যক্ষ মহোদয়, সব থেকে বড় ব্যপার হচ্ছে Tax বাড়ানো হয়েছে কিন্তু আমাদের হিন্দুস্থান পেপার মিল বন্ধ হয়েছে, নগাওঁ পেপার মিল বন্ধ হয়েছে। Tax বাড়ানো হয়েছে, কিন্তু অসমের যেগুলো সম্পদ সেগুলো ধ্বংস করা হয়েছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে তেখেতক ক'বলৈ দিয়ক। কমলাক্ষ আপুনি continue কৰক।

**শ্রী কমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ)ঃ**- শোনার যদি ধৈর্য্য না থাকে তাহলে বলবেন না। শুনুন আপনারা। যদি আপনাদের কোন বক্তব্য থাকে।

**মাননীয় অধ্যক্ষ ঃ**- আপোনালোকর যেতিয়া সময় আহিব তেতিয়া কব। কমলাক্ষ্য আপুনি continue কৰক

**শ্রী কমলাক্ষ দে পুরকায়স্থ (উত্তর করিমগঞ্জ)ঃ**-বিশেষ করে বলছি, পেপার মিলগুলো কোন সময় বন্ধ হয়েছে, কোন দিন বন্ধ হয়েছে। দ্বিতীয়ত, অধ্যক্ষ মহোদয়, বিজ্ঞাপনে যে টাকা খরচ করা হচ্ছে অসমের ইতিহাসে সরকার বিজ্ঞাপনের জন্য এত টাকা কোনদিন খরচ করা হয়নি। আজকের দিনে যতগুলো টাকা খরচ করা হচ্ছে। ধিক্কার জানাই অধ্যক্ষ মহোদয় সেই মানষিকতার জন্য। আজ এই ইণ্ডাস্ট্রিগুলো না থাকার জন্য আমাদের সম্পদগুলো ব্রেন-ড্রেন হচ্ছে। আমাদের ছেলে-মেয়েরা অসমে চাকুরি পাচ্ছে না, ওদের অসমের বাইরে গিয়ে চাকুরি করতে হচ্ছে। সেটাই সত্য। হয়তো বা আমাদের বিরোধী দলের ভাইদের কথাগুলো খারাপ লাগবে। অধ্যক্ষ মহোদয়, অসমে পলিটিক্যাল টোরিজম চলছে,বিভিন্ন জায়গায় গিয়ে কেবিনেট মিটিং করা হচ্ছে,২৭, ২৮ পদ দিয়ে লাঞ্চ, ডিনার করা হচ্ছে, তাতে অসমের মানুষের কি উপকার হচ্ছে? সেই কেবিনেট মিটিংগুলো দিশপুরে করা উচিৎ ছিল।পলিটিক্যাল টোর করে টাকা খরচ করা হচ্ছে, সেই কেবিনিট মিটিং গুলো যদি মুখ্যমন্ত্রী দিশপুরে করতেন তাহলেও একেই থাকত।

**শ্রী মতী অজন্তা নেওগ (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে Cut Motion ৰ ওপৰত কৈছে নে কিহৰ ওপৰত কৈছে?

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটাই কথা কওঁ

যে কংগ্ৰেছৰ culture আছিল ক'লো গুৱাহাটীত ৰখা আৰু আমাৰ culture হ'ল গাওঁত যোৱা। আৰু এটা কথা হ'ল আমাৰ সন্মানীয় প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই আনকি গুৱাহাটী বিমান বন্দৰতো কেবিনেট মিটিং পাতিছিলে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ-** অধ্যক্ষ মহোদয়, তখন ২৭, ২৮ পদ দিয়ে খাওয়া হয়নি।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদন এতিয়া order ত চলি থকা নাই। যদি এনেধৰণে চলে তেতিয়াহ'লে বিধান সভাত আমি থকাৰ কোনো গুৰুত্ব নাই। ---হুলস্থূল---

আজি লোকসভাতো বিভিন্ন ধৰণৰ সমালোচনা হৈছে, কিন্তু মাজত উঠি এনেদৰে হুলস্থূল কৰাৰ পৰিৱেশ নাই। গতিকে অধ্যক্ষ মহোদয়, সদনখন order লৈ আনক।

**মাননীয় অধ্যক্ষ ঃ** সদনত সকলোৰে কোৱাৰ সুযোগ আছে। গতিকে যেতিয়া নিজৰ সুযোগ আহে, আগৰ বক্তাজনৰ কথাবোৰ ভালদৰে শুনি লৈ point সমূহ note কৰি থৈ দিব লাগে। যেতিয়া এই বিষয়ৰ ওপৰত যদি কোনো clarification দিব লাগে তেতিয়া সেইটো সময়ত ক'লেই হ'ল। তেতিয়া সদনখন সুস্থিৰভাৱে চলে। আপোনালোকে যদি প্ৰতিটো word ৰ লগে লগে counter কৰে, তেতিয়া কেনেকৈ হ'ব? আমাৰ এতিয়া বিভিন্নজনৰ ভাষণ আছে। সেই ভাষণবিলাকত তেনেকুৱা clause হ'বই। এতিয়া মুখ্যমন্ত্ৰী ডাঙৰীয়া ইয়াত present থকাৰ কাৰণে তেখেতে কিছুমান কথা কৈছে as a leader of the House. গতিকে এতিয়া কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াক continue কৰিবলৈ দিছো। আপোনাৰ সময় প্ৰায় শেষেই হৈছিল, কিন্তু তিনি মিনিট সময় আপোনাক অতিৰিক্ত দিছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ-** আমাক তো কবলৈ দিয়া নাই। অধ্যক্ষ মহোদয়, আমাদের বিত্ত মন্ত্রী এখানে আছেন, আসলে টেক্সের টাকা দিয়ে কি করা হয়--রেভিনিউ এক্সপেনডিচার এবং কেপিটেল এক্সপেনডিচার। কিন্তু আজকের দিনে যে টাকাগুলো খরচ করা হচ্ছে মেক্সিমাম টাকাগুলো রেভিনিউ এক্সপেনডিচার করা হচ্ছে। এসেট ক্রিয়েট করার জন্য, ইণ্ডাষ্ট্রি করার জন্য কোন ধরনের পদক্ষেপ আমরা কিন্তু দেখিনি। বিষেশ করে নীতি-আয়োগের রিপোর্ট মতে এবং আমাদের বিগত সরকার সাসটেনেবল ডেভেলপমেন্ট গোলের উপর বিশেষ গুরুত্ব দেওয়া হয়েছিল, তখন নীতি-আয়োগ বলেছিল যে আপনারা সাসটেনেবল ডেভেলপমেন্টের ক্ষেত্রে অসমকে ক্রিটিসাইস করেছিল যে অসমে সাসটেনেবল ডেভেলপমেন্টের কাজ করছে না। আপনারা ভালো করে কাজ করেন। তখন আমাদের মুখ্যমন্ত্রী বলেছিলেন যে ডাটায় ভূল আছে। হয়তোবা নীতি-আয়োগে যেগুলো ডাটা দেওয়া হয়েছে সেগুলো শুদ্ধ নয়। তার জন্য হয়তোবা ঠিক-ঠিক তথ্য আসেনি। তখন যদি আমাদের মুখ্যমন্ত্রী মনোনিবেশ দিয়ে কাজ করতেন তাহলে হয়তোবা এমএলএ ফাণ্ড কমত না, সুহৃদ ফাণ্ড কমত না, আনটাইড ফাণ্ড কমত না। আমাদের বিভিন্ন সমষ্টিতে যে আরআইডিএফ-র টাকা দেওয়া হয়েছে সেই টাকাগুলো কমত না। অনেকগুলো স্কিম কর্তন করা হচ্ছে, অনেক স্কিম কমানো হচ্ছে, অনেক বিধায়ককে টাকা দেওয়া হয়নি । কারন আপনাদের হাতে টাকা নেই,তাই দিতে পারেননি। আপনারা করের টাকা নিচ্ছেন, নিয়ে পলিটিক্যাল টোরিজম চলছে। কিন্তু আলটিমেটলি ডেভেলপমেন্টের ক্ষেত্রে আপনারা কোন কাজ করতে পারছেন না। আপনা রা অসমকে 'এ্যা' ফর অসম হিসাবে, অসমকে শ্রেষ্ঠ রাজ্য হিসাবে রূপান্তরিত করবেন। ভালো কথা, আমরা আপনাদের সঙ্গে আছি। বিশেষ করে প্রাইভেট সেক্টরে গুরুত্ব_দেওয়ার কথা

ছিল, প্রাইভেট সেক্টরে যারা কাজ করছেন তাদের বেতন বৃদ্ধির জন্য একটা সিদ্ধান্ত নেওয়ার কথা ছিল, সেই সিদ্ধান্ত আমরা নিতে পারিনি। বিজনেসের ক্ষেত্রে যে Tax সংগ্রহ করা হবে সেই বিজনেসের ক্ষেত্রেও কোন পদক্ষেপ নেওয়া হয়নি। লেণ্ড পোর্ট অথরিটি আজ থেকে ৫ বছর আগে প্রায় ৪০০ কোটি টাকা সেংশন হয়েছিল কিন্তু এই সরকার আসার পর থেকে আমরা দেখছি যে লেণ্ড পোর্ট অথরিটির কাজ হচ্ছে না । আজ কমার্সের ক্ষেত্রে, উদ্যোগের ক্ষেত্রে, ইনভেস্টমেন্টের ক্ষেত্রে আমরা কোন ধরণের কোন ব্যবস্থা নিতে পারছি না। ভাষা নিয়ে , ধর্ম নিয়ে এইগুলো নিয়ে রাজনীতি চলছে। অসমের যাতে সুন্দর একটা মানচিত্র গড়ে উঠে, অসমের যুবকরা যাতে স্বনির্ভর হতে পারে তার জন্য আপনারা ব্যবস্থা নেবেন। কিন্তু আমরা দেখতে পারলাম যে তার জন্য কোন ব্যবস্থা নেওয়া হয়নি। আপনারা এড্ভানটেজ অসম করলেন, ৪০ থেকে ৫০ কোটি টাকা খরচ করলেন এড্ভানটজ অসম করার জন্য । এখানে পাটোয়ারি স্যার উপস্থিত আছেন, তিনি বলেছিলেন টুইন টাওয়ার হবে, আমাদের অনেক স্বপ্ন দেখানো হয়েছিল। কোথায় সেগুলো করা হল? আপনি বললেন যে ৩০৫ টা কোম্পানি এখানে আসবে , এক হাজার মৌ চুক্তি হয়েছে , কোথায় সেই মৌ চুক্তি? সেগুলো শুধু বিধান সভার ভিতরে, বিধান সভার বাইরে কোন ধরণের পদক্ষেপ নেওয়া হয় না। আমি বিশেষ করে কাটমোশনের সমর্থন এইজন্য করছি আজ কাটমোশনের ক্ষেত্রে আমরা দেখতে পারছি Tax সংগ্রহ করা হচ্ছে কিন্তু Tax দিয়ে অসমের মানুষের জন্য কোন উন্নতি হচ্ছে না। আমি ধিক্কার জানাই এই ধরণের মানসিকতার জন্য। টাকা বেশি দিতে আমাদের কোন সমস্যা নেই। টাকা বেশি নিয়ে অসমের জনসাধারণের জন্য,অসমের কল্যানের জন্য কোন ধরণের কাজ করা হচ্ছে না। Tax এর টাকা অন্যভাবে ব্যবহার করা হচ্ছে। নমস্কার। ধন্যবাদ।

(মাননীয় উপাধ্যক্ষই সদন পৰিচালনা কৰে)

মাননীয় উপাধ্যক্ষ মহোদয় ঃ এতিয়া শ্ৰীবিশ্বজিৎ ফুকন।

**শ্ৰীবিশ্বজিৎ ফুকন (সৰুপথাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ চাপ্লিমেন্টৰী বাজেটৰ যি কাট মোশ্যন বিৰোধী পক্ষই আনিছে ই একেবাৰে অপ্ৰাসঙ্গিক কথা। কাৰণ বিৰোধী দলে অসমৰ জনসাধাৰণৰ ওচৰত অসমৰ বিত্তীয় অৱস্থাৰ এখন ভুল ছবি দাঙি ধৰিবলৈ নিৰন্তৰভাবে চেষ্ট কৰি আছে। চাপ্লিমেন্টৰী বাজেট এই কাৰণে অনা হৈছে যে অসম চৰকাৰে ২৩,০০০ কোটি টকা চাপ্লিমেন্টৰী বাজেট আনিব পৰাকৈ অসম চৰকাৰ অৰ্থনৈতিকভাবে শক্তিশালী। অসমৰ অৰ্থনীতি সবল আৰু শক্তিশালী । আমি যদি বৰ্ত্তমানে অসমৰ অৰ্থনৈতিক অৱস্থাটো চাওঁ তেন্তে বিগত বছৰত আমাৰ টেক্স কলেকশ্যনৰ কথাটোৰে যদি চাওঁ বিশেষকৈ জি এচ টি হোৱাৰ পিচৰে পৰা অসম সাফল্যৰ দিশত গতি কৰিছে। ক'ভিড পিৰিয়ডত সৰ্ব্বভাৰতীয় যি জি এচ টি টেক্স কালেকশ্যন আছিলে সেইটো সৰ্ব্বভাৰতীয় ক্ষেত্ৰত সাধাৰণ কালেকশ্যনতকৈ ১০ শতাংশ নিগেটিভ গ্ৰোথ আছিল। অসমৰ ক্ষেত্ৰত যদি চাওঁ সেই সময়ত অসমে যথেষ্ট ভাল ৰিজাল্ট দেখুৱাইছিল আৰু মাত্ৰ ১ শতাংশ নিগেটিভ গ্ৰোথ আছিল। কিছুমান ৰাজ্য আছিল যেনে পঞ্জাৱৰ নিচিনা ৰাজ্য য'ত কংগ্ৰেছ শাসিত ৰাজ্য আছিলে তেওঁলোকে প্ৰায় ২০ শতাংশ নিগেটিভ গ্ৰোথত জি এচ টি কালেকশ্যন কৰিছিল । গতিকে জি এচ টি কালেকশ্যনৰ ক্ষেত্ৰত অসম চৰকাৰ ইমান সফল হৈছে যে আজি অসম ভাৰতবৰ্ষৰ ভিতৰত এখন আদৰ্শ ৰাজ্য হৈ পৰিছে। আজি সেয়েহে বহু ৰাজ্যই অসমক লক্ষ্য কৰি লৈছে। পোষ্ট ক'ভিড পিৰিয়ডৰ সময়ত আমি ৰেকৰ্ড সংখ্যক জি এচ টি কালেকশ্যন কৰিব পাৰিছো। প্ৰায় ৪০ শতাংশ আমি ক'ভিড পিৰিয়ডত জি এচ টি কালেকশ্যন কৰিছো যাৰ বাবে অসমৰ অৰ্থনৈতিক অৱস্থা শক্তিশালী হৈছে। নন টেক্স ৰেভিনিউওৰ ক্ষেত্ৰতো যথেষ্ট বৃদ্ধি

হৈছে। আৰু এটা কথা আমি লক্ষ্য কৰিছো। বিৰোধী দলে অসমৰ ভুল প্ৰতিছবি দিবলৈ গৈ অসম চৰকাৰে বিভিন্ন ক্ষেত্ৰত বা কেপিটেল গ্ৰোথৰ ক্ষেত্ৰত বেংকৰ পৰা বা অন্যান্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা আমি যি ঋণ লৈছো তাৰ ভুল ব্যাখ্যা কৰিছে। ঋণ কেতিয়া লোৱা হয়, ঋণ ব্যক্তি হিচাপে হওঁক বা অনুষ্ঠান হিচাপে হওঁক বা চৰকাৰ হিচাপে হওঁক ঋণ হ'ল মানুহৰ উন্নতিৰ কাৰণে ল'বলগীয়া হয়। এটা নিতান্তই প্ৰয়োজনীয় বিষয়। ঋণ সেইসকল ব্যক্তিকহে দিয়ে যাৰ ঋণ ল'ব পৰা কেপাচিটি থাকে। আজি ক্ৰেডিট ডেবিট ৰেচিঅ'ৰ ক্ষেত্ৰত অসম সৰ্ব্বভাৰতীয় ক্ষেত্ৰত যথেষ্ট পিছপৰা। চি ডি এচৰ ক্ষেত্ৰত যিবিলাক ৰাজ্য আগবঢ়া সেই ৰাজ্যবিলাক অৰ্থনৈতিকভাৱে শক্তিশালী হ'বলৈ সুবিধা পায়। এটা উদ্যোগ স্থাপন কৰাৰ বাবে যদি ঋণ লোৱা হয় সেই উদ্যোগৰ লাভাংশৰে ঋণ পৰিশোধ কৰিব লাগিব। অন্যান্য ক্ষেত্ৰতো ঋণ লোৱাৰ ফলত এটা ইকোনোমিক গ্ৰোথ হয় যিটো গ্ৰোথৰ জৰিয়তে আমাৰ অৰ্থনৈতিক অৱস্থা আগবঢ়াই লৈ যাব পাৰো। কিন্তু বিগত সময়ছোৱাত দেখিছো যে বিৰোধী দলে সদনৰ ভিতৰতেই হওঁক বা বাহিৰতেই হওঁক ঋণ লোৱা প্ৰক্ৰিয়াটো এক নেগেটিভ দৃষ্টিভঙ্গীৰে বুজাব খুজিছে যে চৰকাৰে ঋণ লয় আৰু জনসাধাৰণৰ মূৰত ঋণৰ বোজা জাপি দিছে। আমি ঋণ এইকাৰণে লৈছো যে আমি ঋণ পৰিশোধ কৰিব পৰা ক্ষমতা আছে বা ৰাখিছো। যদি ঋণ লৈ এখন দলং বনাইছো সেইখন যদি আজি নবনাই যদি পাঁচ বছৰৰ পিছত বনাও তেন্তে আজি যিটো খৰচ হৈছে তাতকৈ তিনিগুন টকা দলংখনৰ ওপৰত খৰচ হ'লহেঁতেনে । আজি ১০০ কোটি টকা খৰচ কৰি এখন দলং বনাও আৰু সুতে- মূলে ১০ বছৰৰ মূৰত ১২০-১২৫ কাটি টকা দিওঁ তেতিয়া আমি আগতীয়াকৈ দলংখন পালো। তাকে নকৰি ১০ বছৰৰ মূৰত যদি আমি বনাবলৈ যাওঁ তেনেহ'লে দলংখন বনাবলৈ আমাৰ ৩০০-৪০০ কোটি টকা খৰচ হ'ব যিটো আমাৰ কাৰণে ডাঙৰ কথা হ'ব, আমাৰ উন্নয়ণ ব্যাহত হ'ব।

মই সেইকাৰণে বিৰোধী পক্ষক অনুৰোধ কৰিছো যে, তেওঁলোকে এইটো ক্ষেত্ৰত চৰকাৰক সমালোচনা কৰাতকৈ চৰকাৰক সহযোগ কৰক। যোৱা সময়ত আপোনালোকে দেখিছিল যে পেট্ৰ'লিয়াম জাতীয় সামগ্ৰীৰ যথেষ্ট দাম বৃদ্ধি হৈছিল। আন্তৰাষ্ট্ৰীয় বজাৰত দাম বৃদ্ধি হোৱা বাবে ভাৰতবৰ্ষতো দাম বৃদ্ধি হৈছে। সেই সময়ত অসম চৰকাৰে নিজাববীয়াকৈ ভেট হ্ৰাস কৰিছিলে যাৰ ফলস্বৰূপে অসম চৰকাৰে প্ৰায় ১৩০০ কোটি টকা ভেট এৰি দিছিল। আমি জনসাধাৰণৰ কল্যাণৰ কাৰণে১৩০০ কোটি টকা টেক্স এৰি দিব পৰা আমাৰ চৰকাৰৰ যি সামৰ্থ্য আছিল । যিটো সময়ত ৰাজ্যৰ ইমুৰৰ পৰা সিমুৰ লৈকে উন্নয়নৰ অগ্ৰগতি হৈছে, প্ৰতিখন জিলাত স্কুল-কলেজ স্থাপন হৈছে, মেডিকেল কলেজ হৈছে। সেইসময়ত আমাৰ মথাউৰি নিৰ্মাণ হৈছে, নদীবান্ধ নিৰ্মাণ হৈছে। প্ৰত্যেকটো ক্ষেত্ৰত অসমখন উন্নতিৰ দিশত গতি কৰিছে। আজি ২৩,০০০ কোটি টকাকৈ চাপ্লিমেন্টৰী বাজেট দিব পৰাকৈ আমাৰ চৰকাৰ সক্ষম। এই সময়ত আমাৰ অৰ্থনৈতিক অৱস্থা বেয়া বুলি কোৱাটো অসমৰ জনসাধাৰণক বিপথে পৰিচালিত কৰে। গতিকে এইটো কৰিবলৈ সদনখন ব্যৱহাৰ কৰিব নালাগে। এই পবিত্ৰ সদনৰ জৰিয়তে শুদ্ধ বাৰ্তা দিব লাগে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী যেতিয়া বিত্ত মন্ত্ৰী আছিল সেই সময়ৰে পৰা অসমৰ বিত্তীয় অৱস্থা শক্তিশালী ৰূপে গঢ় দিয়া হৈছে। বিত্তীয় অৱস্থা শক্তিশালী হোৱা বাবে আজি অসম প্ৰগতিৰ দিশত আগবাঢ়িছে। এইখিনি কৈ মই বিৰোধী দলৰ যিটো কৰ্ত্তণ প্ৰস্তাৰ সেইটো বিৰোধিতা কৰিছো । ধন্যবাদ

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) (মানকাছাৰ) ঃ** ধাৰখিনি আজি যি হিচাপে লৈছো বা আজি ধাৰৰ ওপৰত যেনেকৈ সুত হৈছে, যি সুত হৈছে সেই সুতটো কেনেকৈ মৰিবৰ সময়ত। এনেকৈ যদি ধাৰ ক্ৰমবৰ্দ্ধমানভাৱে গৈ থাকে এটা সময়ত গৈ কি অৱস্থা হ'ব, সেইটো কিন্তু এটা ভয়ানক পৰিস্থিতি

আমাৰ সন্মুখত আহি আছে। এতিয়া আমি দেখিছো ২০২০-২১ ত কভিড থকাৰ পিছতো আমাৰ ৰাজহ ০.৬ শতাংশলৈ বৃদ্ধি হৈছে। এইটো ২০১৯-২০ ত ৫ শতাংশ আছিল। ৰাজহৰ পৰিমাণটো বাঢ়িছে। কিন্তু ইয়াৰ মাজত ধাৰৰ সংখ্যাটো বাঢ়িছে। এই ধাৰটো আমি দেখিছো Fifteenth Finance Commission ৰ যিটো Estimation বা Estimate মতে ২০১৮-১৯ বৰ্ষৰ GDP 70% ৰ পৰা ২০২০-২১ বৰ্ষলৈ 90% বাঢ়িছে। ২০১৯-২০ ৰ পৰা ২০২০-২১ লৈ ধাৰৰ যিটো পৰিমাণ আমি দেখিছোঁ ৭০ শতাংশ পৰা ৯০ শতাংশলৈ বৃদ্ধি পাইছে। যদিও চৰকাৰে এটা Estimation কৰিছে যে ২০২৫-২৬ বৰ্ষৰ ভিতৰত এই পৰিমাণ ৮৫.৭ শতাংশ হ'ব বুলি ধাৰণা কৰা হৈছে। তথাপিও আমি ধাৰৰ ক্ষেত্ৰত দেখিছো যে বিভিন্ন হোৱাৰ পিছতো, যেনেকৈ বিভিন্ন চেক্টৰত হ'ব লাগিছিল আমি লক্ষ্য কৰিছোঁ ইয়াত যে আমাৰ যিবিলাক বাজেট, বৰ্তমান যিটো বাজেট হৈছে বা যেনেকৈ আমাৰ ধাৰ্য্য কৰা হৈছে RIDF ৰ পইচা আজি অকল শাসক পক্ষৰ মানুহক দি থকা হৈছে। অকল শাসক পক্ষৰ বিধায়কসকলৰ অঞ্চলবিলাক উন্নয়ন হ'লেই বাকী অঞ্চল বিলাক উন্নয়ন হ'ব নেকি? এইটো RIDF ৰ পইচা খিনি অকল চৰকাৰী পক্ষৰ বিধায়ক সকলক দি থকাৰ ফলত, বিৰোধী সকলক যদি ইয়াৰ পৰা বঞ্চিত কৰি থকা হয়, এই বিৰোধী পক্ষৰ খিনিক নিদিয়াৰ কাৰণটো কি?

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** অখিল গগৈ ডাঙৰীয়াই পাইছে।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) (মানকাছাৰ) ঃ** আজি মই অনুৰোধ কৰিম যে অলপ ক'ব দিলে ভাল।

**মাননীয় উপধ্যক্ষ ঃ** Silence please.

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) (মানকাছাৰ) ঃ** এইটোত interrupt কৰিলে অলপ অসুবিধা হয়। কথাটো হৈছে এই RIDF ৰ অখিল গগৈক আপোনালোকে দিছে কাক দিছে আমি নাজানো। কিন্তু আমি পোৱা নাই। কিয় চৰকাৰী পক্ষই এই প্ৰাধান্যটো পালে?

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** আজমল ডাঙৰীয়াইও পাইছে।

**মাননীয় উপধ্যক্ষ ঃ** Silence please.

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** উপাধ্যক্ষ ডাঙৰীয়া, এনেকুৱা কি তৰল মন্তব্য দিয়ে।

**মাননীয় উপাধ্যক্ষ ঃ** ক'ব দিয়ক, আপোনালোকৰ সময়ত নাম আছে।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) (মানকাছাৰ) ঃ** RIDF ৰ যি পইচা সেই পইচাখিনি ১০ কোটিকৈ সেই সমষ্টিবোৰত উন্নয়নৰ কাম আৰম্ভ হৈছে, টেণ্ডাৰ প্ৰচেচৰ কাম আৰম্ভ হৈছে, এৱাৰ্ড হ'ব। কিন্তু আমাৰ বিৰোধীৰ বিধায়কসকলে কি কৰিছো আমাৰ সমষ্টিৰ জনসাধাৰণৰ দোষটো কি? তেখেত সকলে কিয় এইটোৰ পৰা বঞ্চিত হ'ব? দ্বিতীয় কথা, সুহৃদ ইমান বছৰে, সুহৃদৰ জৰিয়তে দুখীয়া নিচলা যি সকল অৰ্হতা থকা ছাত্ৰ-ছাত্ৰী, তেখেত সকলক এটা পইচা দিব পৰাকে বিধায়ক সকলৰ হাতত এটা পুঁজি আছিল আৰু স্বাস্থ্য বিভাগৰ অপৰেচনৰ কাৰণে, কেন্সাৰ ৰোগী সকলৰ কাৰণে কিবা এটা পইচা বিধায়কসকলে দিব পাৰিছিল। আমি লক্ষ্য কৰিছোঁ যে এই সুহৃদটো বন্ধ কৰি দিয়া হৈছে। মই ব্যক্তিগত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে এই সুহৃদটো Continue কৰিব লাগে। কিন্তু তেখেতে কলে কিবা থাকিলে মোৰ ওচৰলৈ আহিলে হ'ল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া গোটেই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি থাকে। আমি অফিচত কেইবাবাৰো গলো, কিন্তু আমি সেই ব্যৱস্থাটো আজিলৈকে নাপালো। আমাৰ সমষ্টিৰ দুখীয়াবিলাকে বিধায়ক

সকলৰ ওচৰত আহিলে যে দুটকা পাব তাৰ ব্যৱস্থাটো নোহোৱা হ'ল। আনটাইড্ ফাণ্ডৰ বিষয়ে মই আগৰ সদনত কৈছিলোঁ তেতিয়াও মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছিল যে মানকাচাৰত কেইটা মন্দিৰ আমিনুল ইছলামে কৰে সেইটোৰ ওপৰত ভিত্তি কৰি আনটাইড্ ফাণ্ড দিয়া হ'ব। বিধায়ক সকলৰ যিটো Discretionary Power কৰবাত প্ৰয়োজন হলে আন্টাইড ফাণ্ডৰ পৰা ব্যৱহাৰ কৰিব পৰা যিটো ক্ষমতা সেই পইচাখিনি আজি নোহোৱা কৰা হ'ল। আজি আমাৰ চুবুৰীয়া ৰাজ্যবিলাকত ৫ কোটিকৈ, আজি অৰুণাচল হওঁক বা বিভিন্ন ৰাজ্যত ৫ কোটিকৈ বিধায়ক সকলক পুঁজি দিয়া হৈছে। আমাক এক কোটিকৈ দিয়া হৈছে। মাজত শুনিলোঁ ৮০ শতাংশ দিয়া হ'ব। এতিয়া ডি চি অফিচৰ পৰা জনাইছে ৫৬ লাখহে দিয়া হৈছে। তাৰ পিছতো যদি কোৱা হয় যে আমাৰ উন্নয়নৰ ঘোঁৰা দৌৰিছে, আমাৰ উন্নয়নৰ ঘোঁৰা অসমৰ ইমূৰৰ পৰা সিমূৰলৈ দৌৰিছে, তেতিয়াহ'লে আমি চিন্তা কৰিবলগীয়া আছে। আমি জানো অসম এটা investment hunger state, আমি সদায় investment, বিচাৰি থাকো। At the same time যদি আমাৰ ৰাজ্যই এই কথাটো স্পষ্ট কৰে যে আমি private investorৰ পৰা ধাৰ বিচাৰিছোঁ। প্ৰাইভেট কোম্পানীৰ পৰা যিখিনি বেংকিং ধাৰ বিচাৰিছো তেতিয়াহলে বাহিৰা ৰাজ্যৰ বা বাহিৰা দেশৰ বা বাহিৰৰ investorৰ খিনিয়ে আমাৰ তাত কিয় invest কৰিব? আমি সেই investorৰ কাৰণে কি ব্যৱস্থা কৰি দিছোঁ? তেখেতসকলক বিদ্যুৎ কিমান শতাংশ বিনামূলীয়াকৈ দিব পাৰিছোঁ? আমি তেখেত সকলক land বিলাক কেনেকৈ দিব পাৰিছোঁ? আমাৰ ৰাজ্যৰ industrial policy কি? আমাৰ financial stand কিমান strong? এইটোৰ ওপৰত based কৰিব আমাৰ ৰাজ্যত investment কিমানখিনি আহিব? আজি ইয়াৰ ফলত কি হৈছে বেকাৰ সমস্যা বাঢ়িছে, ইয়াৰ ফলত কি হৈছে ৰাইজৰ ক্ৰয়ৰ যিটো ক্ষমতা সেইটো লোপ পাইছে। আমি দেখিছো যে এটা system কৰিছে, এই purchase capability বঢ়োৱাৰ কাৰণে individual beneficiary create কৰি থকা হৈছে। PM Kisanৰ নামত হওঁক আৰু কিবা অনুৰোধৰ নামত হওঁক কিবা কিবি কৰি থকা হৈছে। এইবিলাক কোনো স্থায়ী সমধানঙ্গ আজি এটা পৰিয়ালে দুই হাজাৰ টকা পালে সেই পৰিয়ালটোৰ run কৰাৰ ব্যৱস্থাটো কি? দুই হাজাৰ টকাৰে এক সপ্তাহ, ডেৰ সপ্তাহ। তাৰ পিছত সেই পৰিয়ালটোৱে চলা ব্যৱস্থাটো কি? আমাৰ কথাটো হৈছে যে ইমান ডাঙৰ এটা অৰ্থ আমি যদি এনেকৈ ক্ষয় কৰি থাকো, আমি যদি এনেকৈ Distribute কৰি থাকো, আমাৰ asset কেতিয়া হ'ব, আমাৰ অৰ্থনৈতিক sustainability কেতিয়া আহিব? আমাৰ অৰ্থনৈতিকটো শক্তিশালী কৰিবলৈ ব্যৱস্থা আমি ক'ত ল'ম? আমি দেখিছো অকল বিজেপি চৰকাৰৰ নিৰ্বাচনী ইস্তাহাৰত আজি বেংকৰ লোন মাফ কৰি দিয়া কথা, মাইক্ৰ ফাইনেন্সৰ লোন মাফ কৰি দিয়া কথা আছিল। কেৱল ৭২০০ কোটি এই মাইক্ৰ' ফাইনেন্সক মাফ কৰিবলৈ টকাটো লাগিব। এই টকাটো ক'ৰ, ক'ৰ পৰা আহিব এই পইচাটো? এই পইচাটো ধাৰ কৰি আনি কৰিছোঁ নেকি, debt কৰি আমি কৰিছো নেকি? কালি আমি দেখিছো অখিল গগৈ বুকুত লিখা যাৱদ জীৱে সুখন জীৱেদ, ঋনং কৃত্তা ঘৃতং পিবেদ, যাৱদ জীৱন সুখত থকা ঋণ কৰি হলেও ঘি খোৱা। এইটোৱে নেকি আজি আমাৰ যিটো পদ্ধতি, সেই পদ্ধতি এইটোৱে হ'ব নেকি? ধাৰ কৰি হলেও আমাৰ মহিলা সকলক দিব লাগিব নেকি? বা বা ল'ব লাগিব নেকি, একেলগে নৃত্য কৰি থাকি দেখুৱাব লাগিব নেকি we are the sustainable আমাৰ বিত্তীয় অৱস্থা টনকিয়াল হৈছে, এইটো আমি দেখুৱাব লাগিব নেকি? আমাৰ প্ৰশ্নটো হৈছে যে ইয়াৰ কাৰণে যিখিনি বাজেট আমি দেখিছো education sector ত ১৫.২ শতাংশ, সমগ্ৰ শিক্ষা আৰু মিড্‌ডেমিলৰ নামত দিয়া হৈছে।

আজি আমি দেখিছো social welfareত ৬.৩ শতাংশ দিয়া হৈছে, agriculture 6.2%, য'ত ৬৯ শতাংশ মানুহে নিৰ্ভৰ কৰে কৃষিৰ ওপৰত, total population 69% of the people আজি কৃষিত নিৰ্ভৰ কৰে। কৃষিৰ সাৰবোৰ সময়ত নাপায়। সাৰৰ যিটো আজি মুক্ত বজাৰ চলিছে আমি লক্ষ্য কৰিছোঁ। আজি pesticidesত যি ব্যৱস্থা হ'ব লাগিছিল, অলপ আগত আমাৰ আগৰ প্ৰশ্নকালীন ঘন্টাত মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে সাৰখিনি আমি বেছি বেছিকৈ ইউৰিয়া দিওঁ, সেই কাৰণে আমাৰ সিহঁতৰ লাইফ নাথাকে, তাৰ কাৰণে হিমঘৰত থাকিব নোৱাৰে। সেইখিনি দিবৰ কাৰণে কিমান জনকৈ গাওঁসেৱক আছে, কিমানজনকৈ কৃষি বিষয়া আছে মোৰ জিলাত মোৰ সমষ্টিত ৩৫ জন গাওঁসেৱক লাগে দুজন আছে। ঠিক তেনেকুৱা এটা অৱস্থাৰ পৰা আপোনালোকে কৃষিটো কিমানখিনি আগবঢ়াব পাৰে। আমি দেখিছোঁ এই ক্ষেত্ৰত যথেষ্ট খিনি ব্যৱস্থা হাতত ল'ব লগা আছে। জি এছ টি ৰ কাৰণে যিখিনি ব্যৱস্থা ল'ব লাগে, sale tax, vat, excise, state excise যি বিলাক কৰিব লাগে সেই বিলাকৰ ওপৰত তাৎক্ষনিক ভাবে এটা ব্যৱস্থা কৰিব লাগে । আৰু যিখিনি small industry system আছে সেই খিনিক লোন দিয়া হয় তেখেত সকলে সেই ইণ্ডাষ্ট্ৰী হৈছে নে নাই follow of the lisioning system চৰকাৰৰ পৰা কিমান হৈছে যিবিলাক লোন দিয়া হয় সেই বিলাক লোন লোৱাৰ সময়তে বেংকক এটা শতাংশ দিয়া হয় । সেই খিনি লৈ কোনেও এটা উদ্যোগ কৰিব নোৱাৰে, কোনোৱাই বাইক কিনে , কোনোৱাই বিয়া পাতে , কোনোৱাই কম্পিউটাৰ কিনে, ক্বেনোৱাই লেপটপ কিনে। সেই বিলাক কৰিয়েই পইছাবিলাক খৰছ কৰি থাকে । সেই কাৰণে আমি...

**মাননীয় উপাধ্যক্ষ ঃ**.Try to conclude.

**শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ) (মানকাছাৰ) ঃ**....ক্ৰমশঃ...আৰু আমি দেখিছো এই বিলাক কৰিবৰ কাৰণে কেগ'ৰ কিছু কথা মতে আমি দেখিছো যে অসম অৰ্থনৈতিকভাবে দুৰৱস্থা আৰু তাৰ কাৰণ বোৰ কি কি যে financial poor managment, expenditure monitoring control যথেষ্ট দুৰ্বল আমি দেখিছো যে আমাৰ ৰেভিনিউ যিটো সেইটো যথেষ্টখিনি কম। exsice expenditure টো যথেষ্টখিনি কৰা হয় যিটো প্ৰয়োজন নহয় বা যিখিনি কমকৈ কৰিব পৰা হয়, যেনেকৈ আমাৰ কেবিনেটত কোৱা হৈছে আৰু মিটিং বিলাকত চাৰ্টাৰ্ড ফ্লাইট লৈ উৰাৰ কথা কৈছে এই বিলাক আমি মিনিমাইজ কৰিব পাৰো। আমাৰ expenditure ৰ মনিটৰিং কন্ট্ৰ'লটো যথেষ্ট খিনি দুৰ্বল । যিয়েই নহক উপাধ্যক্ষ মহোদয় মই দুই-চাৰিটা কথা কথা ইয়াত কব বিচাৰো। আমাৰ চৰ অঞ্চলত যথেষ্টখিনি উচ্ছেদ হৈ আছে গৰুখুঁটিকে আদি কৰি বিভিন্ন ঠাইত। সেই উচ্ছেদ বিলাকত আমি বিভিন্ন পৰ্বতাঞ্চল বা চৰ অঞ্চলৰ মাটি আছে আৰু আমি অস্বীকাৰ কৰিব নোৱাৰিম যে সেই বিলাক ভাৰতীয় মানুহ নহয়, তেখেতসকলক অত্যাচাৰ কৰি উচ্ছেদ কৰাটো আমাৰ কৰ্তব্য নহয় । আমি এখন কল্যাণকামী ৰাজ্য হিচাপে আমাৰ উদ্দেশ্য হ'ল যে সেই খিনি মানুহ যদি পাট্টা দিওঁ আৰু যদি এটা টেক্স ইমপোৰ্ট কৰাৰ ব্যৱস্থা কৰো মই ভাবো ৰাজ্যত আৰু যথেষ্ট খিনি ভাল হ'ব। যোৱা পৰহি দেখিছো যে যথেষ্টখিনি আমাৰ ঘৰুৱা চুপাৰী জ্বলাই দিয়া হৈছে হাইলাকান্দিত। লোকেল চুপাৰী আজি হাউলীত ধৰা পৰে, মানকাচাৰৰ পৰা আহিলে ৰাস্তাত ধৰে, বিজয় নগৰত ধৰে, বিভিন্ন ঠাইত আমাৰ লোকেল প্ৰডাক্সন মেঘালয়ৰ প্ৰডাক্সন অসমত বিক্ৰী কৰে, সেই খিনি আমাৰ ধৰা পৰে। আজি বাৰ্মিজ চুপাৰীৰ নামত আমি কিমান টেক্স হেৰাইছো আৰু এতিয়া বেপাৰী বিলাকে চুপাৰী বিলাক নুশুকাই। কেচা চুপাৰীটো বেংগলত পঠাই আছে আৰু গোটেই বেনিফিটতো আৰু ৰাজহটো বেংগলে পাই আছে । আমি জানো যে এক ট্ৰাক চুপাৰীৰ

নামত প্ৰায় ডেৰ লাখ টকাকৈ জি এছ টি হয় । আৰু যদি সেই বাৰ্মিজ চুপাৰী আমাৰ কাৰণে ক্ষতিকৰাক নহয় এই চুপাৰী খিনি যদি ভাৰতৰ বিভিন্ন অংশত যায় আৰু যাওতে আমাৰ অকল ৰ'ডটো ব্যৱহাৰ কৰে তাৰ কাৰণে যদি আমি টেক্স ইম্প'ৰ্ট কৰো, আমি যদি লিগেলাইজ কৰি লওঁ তেতিয়াহ'লে টেক্সতো আমাৰ বাঢ়িব । আমাৰ ইয়াত যিখিনি বিভিন্ন সময়ত কথা উঠে যে আমাৰ ৰাজ্যত চিণ্ডিকেট চিচটেম, আমি বিহাৰত চিণ্ডিকেট চিচটেমটো লিগেলাইজ কৰি দিছে । সেই বিহাৰত আমাৰ মেঘালয়ৰ কয়লাই হওঁক কিমান illegaly গৈ আছে আমি গম পাই আছো, সৌ-সিদিনা মুখ্যমন্ত্ৰীৰ বক্তব্য আমি শুনিছো তাৰ পিছতো আমাৰ ৰ'ডটো ব্যৱহাৰ কৰি আজি ইউ পি, বিহাৰ, নেপাল, ভূটান বিভিন্ন ঠাইলৈকে কয়লা বিলাক গৈছে । আমাৰ ৰ'ডটো ব্যৱহাৰ কৰাৰ কাৰণে আমি যিখিনি পইছা illegaly কৈ লৈ আছো সেই খিনি টকা যদি বৈধ ভাবে সংগ্ৰহ কৰিব পাৰো প্ৰতিখন ট্ৰাকৰ পৰা ৫০ হাজাৰ বা ১ লাখ কৈ লয়, এইটো মোৰ ব্যক্তগত অনুভৱ । আমাৰ ইয়াত কৰ ফাকি দিয়া ব্যৱস্থাটো নিস্ক্ৰীয় কৰাৰ কাৰণে কঠোৰ আইন বলবৎ কৰিব লাগে কাৰণ আমাৰ ইয়াত উদ্যোগ, প্ৰতিষ্ঠান, বিদ্যুৎ সংযোগ আদি বিভিন্ন উৎসৰ দ্বাৰা কৰ ফাকি দিয়া কাৰ্য্য চলিয়েই আছে। প্ৰয়োজন সাপেক্ষে চৰকাৰে টাস্ক ফৰ্চ আদি গঠন কৰিব লাগে যাতে অসমৰ সম্পদ সমূহ বিনষ্ট নহয় । সেই বাবে মই আজি যি কৰ্তন প্ৰস্তাৱ আনিছো সেইটো বিৰোধীতা কৰি মোৰ বক্তব্য ৰাখিলো। মোৰ মূল কথাটো হ'ল কৰ ফাঁকিৰ বিৰুদ্ধে কঠোৰ আইন প্ৰণয়ন হ'ব লাগে, প্ৰয়োজন সাপেক্ষে টাস্ক ফৰ্চ গঠন হ'ব লাগে যাতে কোনেও ফাকি দি সাৰি যাব নোৱাৰে ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া বক্তব্য ৰাখিব মাননীয় সদস্য জয়ন্ত মল্ল বৰুৱা ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি সদনত বিত্ত বিভাগৰ ওপৰত অনা কৰ্তন প্ৰস্তাৱটো অপ্ৰাসংগিক বুলি ক'ব বিচাৰো। কাৰণ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিদিনাখনৰ পৰা বিত্ত বিভাগৰ দায়িত্ব গ্ৰহণ কৰিলে সেই দিনা খনৰ পৰায়ে অসমৰ বিত্ত ব্যৱস্থাৰ এনেকুৱা পৰিবৰ্তন হ'বলৈ ধৰিলে যিটো দেখি কিছুমান লোকে এনেয়ে ক'বলৈ ধৰিছে যে চৰকাৰে ঋণ লৈ কাম কৰিছে। কালি মই দেখিছো যে মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াই এটা টি-চাৰ্ট পিন্ধি আহিছে তাত লিখা আছিল যে -যাৱতজীৱন সুখং জীৱে ঘৃণাংকৃত্তা ঘৃতং হীৱে,- এতিয়া কথা হ'ল যে অখিল গগৈ ডাঙৰীয়াই আধা আধা পঢ়ে, তেওঁৰ স্বভাৱটো হৈছে যে কমকৈ পঢ়ে পিছৰ খিনি নপঢ়ে। আমাৰ যেনেকৈ ভগৱান নমনা মানুহ আছিল, পিছত যেতিয়া সৰ্বাক মুনীয়ে লিখিলে সেই খিনি নপঢ়িলে। সেই কাৰণে তেখেতে এই কথা খিনি কৈছে যে ধাৰ লৈ হ'লেও জাৱজ্জীৱন সুখত থাকিবলৈ হ'লে ঘী কিনিব লাগে, তেতিয়া তেওঁৰ শিষ্যই সুধিলে যে ঋণ যে ল'ব লাগে ঋণটো কেনেকৈ পৰিশোধ কৰিম। তেতিয়া সৰ্বাকমুনীয়ে এটা ডাঙৰ কথা কৈছিল - ঘৃতং কৃত্তা স্বমং কৃত্তা ঋণং প্ৰত্যাপত জন্যে। তাৰ মানে ঘী খাই শ্ৰম কৰা শক্তি গোটোৱা আৰু ঋণ ঘূৰাই দিয়া এই কথাটো তেওঁ নাজানে। সেই কাৰণে তেওঁ এই কথাটো কৈছে তলৰ কথাখিনি লিখি আনিলে গোটেই কথা খিনি ওলাই পৰিলোহেঁতেন। গতিকে অখিল গগৈ ডাঙৰীয়াক মই এটা কথা অনুৰোধ কৰিম যে তেওঁ যি পঢ়ে গোটেই কথা খিনি পঢ়ে যাতে । নহ'লে তেওঁ অসমত বহু বে-লাইনত কথা খিনি কৈ দিয়ে। এতিয়া মই কথাখিনি ক'লো। আমি শ্ৰম কৰা মানুহ আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া শ্ৰম কৰা মানুহ, আমাৰ বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ো এগৰাকী শ্ৰম কৰা মহিলা বিত্ত মন্ত্ৰী। গতিকে আপোনালোকে চিন্তা নকৰিব আমি যি ঋণ লৈছে সেই ঋণৰে শক্তি বৰ্ধন কৰি আপোনাৰ সমষ্টিটো সুন্দৰ আন্তঃগাঁথনি হ'ব। গতিকে আপোনালোকে এই কথা বিলাক ৰাইজক ভুল পথেৰে নিব চিন্তা নকৰিব। এতিয়া কথা হ'ল যে ঋণ লোৱা কথা বিলাকে বেছিকে আলোচনা কৰিছে, মই তেতিয়াহ'লে

ঋণৰ ওপৰতে কওঁ তেতিয়াহ'লে। ঋণ লোৱা কথা বিলাক এনেকুৱা যে পৃথিৱীত দুখীয়া মানুহক ঋণ নিদিয়ে, ঘূৰাব নোৱাৰা মানুহক ঋণ নিদিয়ে, ঋণ দিয়াৰ বাবে এটা ব্যৱস্থা আছে । চৰকাৰী মাধ্যমতে যিটো ঋণ দিয়াৰ ব্যৱস্থা সেইটো হ'ল জি এছ ডি পি ৰ ৩ ৰ পৰা ৪ শতাংশ। জি এছ ডি পি ৰ ৩ শতাংশ আৰু ৰিটাৰ্ণৰ পজিশ্যনটো চালে ৪ শতাংশলৈ যাব পাৰে। গতিকে ৩ ৰ পৰা ৪ শতাংশ জি এছ ডি পিৰ ওপৰত ঋণ দিয়ে। আপোনালোকে যেতিয়া চৰকাৰ চলাইছিল তেতিয়া ২লাখ ২৬ হাজাৰ কোটি মান টকাৰ জি এচ ডি পি আছিল । আজি আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানী আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিত্ত মন্ত্ৰী হোৱাৰ পৰাই আজিৰ পৰ্য্যায়ত ৩ লাখ ৫১ হাজাৰ কোটিলৈ আহিলো । গতিকে ৩ লাখ ৫১ হাজাৰ কোটি টকাৰ ৩ শতাংশ ঋণ দিব। এইটো এটা সাধাৰণ অংক । গতিকে আগৰ যিটো ঋণ দিছিলে যেতিয়া আপোনাৰ আয় ১ লাখ থাকিব তেতিয়া ৩ হাজাৰ কোটি টকা ঋণ পাব। যেতিয়া আপোনাৰ জি এচ ডি পি গৈ ৩ লাখ পাব তেতিয়া ৯ হাজাৰ কোটি পাব। গতিকে ঋণটো বিশ্ব বেংক, জাইকা, এন ডি বি এই বিলাক কি এনেয়ে বহি আছে নেকি ঋণ দিব কাৰণে তেওঁলোকে ভুলতে ঘূৰাব নোৱাৰা মানুহক ঋণ দিব নেকি? গতিকে ঋণ ল'ব পৰা ক্ষমতা যে আছে তাত লৈ মুখ্যমন্ত্ৰী বিত্ত মন্ত্ৰী আমাৰ চৰকাৰ খনক ধন্যবাদ দিয়ক। ওলোটা কথা বিলাক অসমৰ কাৰণে বিৰাট দুখ লগা কথা। অসমৰ মানুহক সঁচা কথাটো কোৱাৰ দ্বায়িত্ব অসম বিধান সভাৰ সদস্য সকলৰ। এতিয়া অসম বিধান সভাৰ সদস্য সকলে এটা ডাঙৰ ট্ৰেণ্ড আৰম্ভ হৈছে কিছুমান সদস্যৰ যে তেওঁ জানে কেনেকৈ মনটো ডাইভাৰ্ট কৰিব লাগে। এইবিলাক আমি আপোনালোকৰ পৰা শিকিছো, গতিকে আপুনি চিন্তা নকৰিব আমি ডাইভাৰ্ট নহওঁ, ডাইভাৰ্ট আমাক কৰিব নোৱাৰে। এতিয়া কথাটো হ'ল মানি লওঁক যে হয় , অসমৰ চৰকাৰখনে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত এক আমূল পৰিৱৰ্তন কৰিছে। আজি তেখেতে কৈ আছে যে কেপিটেল এক্সপেনডিচাৰৰ ৰেভিনিউ বাঢ়ি গৈছে। তেওঁ নাজানে, বিধানৰ নিয়ম নাজানে, চৰকাৰী নিয়ম নাজানে। কেপিটেল সদায় বেছিকৈ থাকিবই লাগিব। এতিয়া অসমত যে ১০টাকৈ ডি চি কোৰ্ট হ'ব, ১০ খনকৈ ডিষ্ট্ৰিক্ট ষ্টেডিয়াম হ'ব, ৪০ টাকৈ সমষ্টিত ষ্টেডিয়াম হ'ব, গাঁৱে গাঁৱে অঙ্গনবাড়ী কেন্দ্ৰ হ'ব, গাঁৱে গাঁৱে ষ্টেট অব আৰ্ট স্কুল হ'ব, ৮,৯ খনকৈ মেডিকেল কলেজ, ইঞ্জিনীয়াৰিং কলেজ হৈ আছে এইবিলাক কেপিটেল ইনফ্ৰাষ্ট্ৰাকচাৰ নহয়নেকি? কেপিটেল ইনফ্ৰাষ্ট্ৰাকচাৰ কাক কয় তেতিয়াহ'লে? নিয়মটোৱে এইটো যে কেপিটেল ইনফ্ৰাষ্ট্ৰাকচাৰ ৰেভিনিউ এক্সপেনডিচাৰৰ বেছি হবই লাগিব। এইটো বাজেটৰ কথা । গতিকে এই সামান্য কথাবিলাকো নাজানি অদ্ভুত অদ্ভুত কথা কিছুমান কৈ দিয়ে। কিয় ৱৰ্ল্ড বেংকে আমাক মাইক্ৰ'ফাইনেন্সৰ লোনৰ কাৰণে পইচা দিবঙ্গ কিয় এডিবিয়ে মাইক্ৰ'ফাইনেন্সৰ লোন ঘূৰাই দিবৰ কাৰণে আমাক পইচা দিবঙ্গ সিমানটো বেছিক কথা নাজানে যে মাইক্ৰ'ফাইনেন্সৰ লোন আমি হেনো লোন লৈ ঘূৰাই দিছো , এনেকুৱা কথা কয়। লোন লৈ মাইক্ৰ'ফাইনেন্সৰ লোন ঘূৰাই দিবৰ কাৰণে কোনোবাই এলাও কৰিব নেকি? কোনোবা বেংকে আমাক লোন দিব নেকি? এইয়া আমাৰ পইচা। আমাৰ চৰকাৰ আজিৰ তাৰিখত ইমানখিনি কেপেবোল যে মাইক্ৰ'ফাইনেন্সৰ ৮ হাজাৰ কোটি টকা অসম চৰকাৰে খৰচ কৰিব পাৰে সেইটো মানি লওঁক। আজি আমাৰ চৰকাৰখন ইমান কেপেবোল যে ৮ হাজাৰৰ পৰা ১২ হাজাৰ কোটি টকা হ'লেও দিব পাৰিব যিটো অসমৰ কোনো চৰকাৰে ভাৰিবই পৰা নাছিল। আজিমাইক্ৰ'ফাইনেন্সৰ লোনৰ ৮ হাজাৰৰ পৰা ১২ হাজাৰ কোটি টকা ঘুৰাই দিব পৰা কেপেবোল এখন চৰকাৰ এইটো আপোনালোকে স্বীকাৰ কৰক। এতিয়া আমাৰ আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে লোন লোৱাৰ বাবে আমাৰ ইনভেষ্টাৰ সকলে ভয় খাই যাব যে লোন লোৰ দেশ। এটা

অদ্ভুত কথা কয়। লোন লবলৈ সক্ষম কাৰণে মানুহে ভাৰিব যে এইখন কেপেবোল ষ্টেট, ইয়াত ইনভেষ্ট কৰিব পাৰি। ইনভেষ্ট কিয় কৰিব নোৱাৰি, আপোনালোকৰ কাৰণে নোৱাৰি। অখিল গগৈ ডাঙৰীয়া যেতিয়া আছিল তেখেতৰ কাৰণে ইনভেষ্ট কৰিবলৈ মানুহবিলাকে ভয় পায়। কথা নাই, বতৰা নাই 'কা' আন্দোলন, কথা নাই, বতৰা নাই আন্দোলন, অসমখনক জ্বলাই মৰাৰ পিছত অসমত ইনভেষ্ট কৰিবলৈ মানুহে ভয় পায়। ইনভেষ্ট কৰিবলৈ যদি ভয় খাইছে, আপোনালোকৰ কাৰণে ভয় খাইছে। আপোনালোকে পৰিৱেশ বনায় দিয়ক। আজি ইনভেষ্ট কৰিবলৈ মানুহ যেতিয়া আগুৱাই আহে আপোনালোকে আৰম্ভ কৰি দিয়ে 'কা' আন্দোলন। আপোনালোকে চাওঁক, যেতিয়া জাপানৰ প্ৰাইম মিনিষ্টাৰ আহিছিল মই তেতিয়া টুৰিজিমৰ দায়িত্বত আছিলো, গোটেই গুৱাহাটীখন মই কিমান কষ্ট কৰি সজাইছো মই জানো। গুৱাহাটীত জাপানৰ প্ৰাইম মিনিষ্টাৰ আহিব, কিমান ডাঙৰ ইনভেষ্টমেন্ট আহিব আমি তেনেকৈ ভাৰি আছিলো। আৰম্ভ কৰি দিলে টায়াৰ জ্বলোৱা, আৰম্ভ কৰি দিলে ঘৰ ভাঙা । এই ধৰণৰ এটা পৰিৱেশ কৰি পূৰা ইনভেষ্টমেন্ট শেষ কৰি পেলালে, তাৰ কাৰণে আপোনালোক দায়ী। আপোনালোকে গোটেই পৰিৱেশটো নষ্ট কৰিছে আৰু ইনভেষ্টমেন্ট অনাত বাধাৰ সৃষ্টি কৰিছে। গতিকে আপোনালোকে এই কথাটো স্বীকাৰ কৰি লওঁক। আপোনালোকে সুখেৰে-শান্তিৰে ঘৰত বহি থাকক,আমাক সুন্দৰভাৱে চলাবলৈ দিয়ক, আমি আপোনালোকক এই যে পাঁচ বছৰ পিছত কেনেকৈ উপহাৰ দিম আৰু অসমৰ ৰাইজে ইয়াক দেখি ৫০ বছৰৰ কাৰণে বিজেপি দলক সুন্দৰভাৱে দিব তাৰ কাৰণে চিন্তা কৰিব নালাগে। আপোলোকে শাসনত আহিব নোৱাৰে বুলি জানিলেই। এতিয়া সৰ্বসাধাৰণ দুই-চাৰিজন মানুহে মোক ফোন কৰি কি মানুহক এম,এল,এ বনালো বুলি কয়। এতিয়া মানুহৰ দুখ। কিবা-কিবি কৰি যেতিয়া জেলত আছিলে, তেতিয়া আবেগ এটাৰ সৃষ্টি কৰিছিলে, মানুহে ভাৰিছিলে কিবা এটা তেওঁৰ পৰা হব নেকিঙ্গ

(সদনত হুলস্থূল)

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এয়াই বিজেপিৰ বাজেট নেকি? এইখন অসম বিধান সভা। এনেকুৱা কথা ক'ব নালাগে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সঁচা কথাটো কব লাগিব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, পাৰচ'নেল এটেক্ কৰিবলৈ আপুনি যদি এলাও কৰে আমাকো কৰিব লাগিব। আমি সেইখিনিলৈকে যোৱা নাই।

(সদনত হুলস্থূল)

**শ্ৰী জয়ন্ত মল্ল বৰুৱা (মন্ত্ৰী) ঃ** সত্য কথা শুনাৰো ধৈৰ্য্য থাকিব লাগে। এতিয়া ভাল লাগিলে যে ৰকিবুল হুছেইন, কমলাক্ষ পুৰকায়স্থৰ দৰে মানুহেও অখিল গগৈৰ সমৰ্থনত কথা কোৱাৰ পৰিৱেশ আহিছে, এইটোৱে আটাইতকৈ ভাল কথা।

(সদনত হুলস্থূল)

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** আপোনালোকে আলোচনা কৰক, আলোচনা কৰিম । খোচ মাৰি কথা কলে আমি খোচ মাৰিলে আপোনালোকৰো শুনাৰ ধৈৰ্য্য থাকিব লাগিব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** আমাৰ শুনাত কোনো আপত্তি নাই সঁচা কথা কলে। পাৰ্চিয়েল নকৰিব।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা (মন্ত্ৰী) ঃ** সঁচা কথাই কৈছো, কোনটো মিছা কথা কৈছো? এটা মিছা কথা কৈছো যদি কওঁক। এতিয়া আমাৰ বিধায়কসকলে ভাৱে যে আনটাইড্ ফাণ্ডটোত তেওঁৰ অধিকাৰ। হয়, চৰকাৰখনে আনটাইড্ পুঁজিৰ ক্ষেত্ৰত বিধায়ক সকলৰ পৰামৰ্শ ল'ব পাৰে। এম,এল,এ ফাণ্ডটোত

তেওঁৰ অধিকাৰ। এতিয়া গোটেই ভাৰতবৰ্ষত এম,এল,এ আৰু এম,পি ফাণ্ড লৈ বিতৰ্ক চলি আছে। এম,এল,এ আৰু এম,পি ফাণ্ড টো দিয়াৰ পক্ষটো বহুত মানুহ আছে, নিদিয়াৰ পক্ষটো বহুত মানুহ আছে। গতিকে আন-টাইড ফাণ্ডটোত তেওঁৰ অধিকাৰ আছে, আন-টাইড ফাণ্ডৰ ইমান টকা তেওঁক দিবলাগিব এই ধৰণৰ কথা ভাৱি যদি তেওঁ আন-টাইড ফাণ্ড কটা বুলি কয়, মই কব খোজো আন-টাইড ফাণ্ড কতো কটা নাই, এই ফাণ্ড ঠিকেই আছে। বাজেটত যিমান হাৰত আন-টাইড ফাণ্ড ৰাখিব লাগে, য'ত খৰচ কৰিব লাগে, যি ধৰণে চৰকাৰৰ ব্যৱস্থাত হ'ব লাগে সেইটো হৈ আছে। আৰু এটা কথা, অসমৰ অৰ্থনীতিটো বহুত মানুহে এইকাৰণে দুৰ্বল বুলি ভাৱিছে, বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যিটো সবল পদক্ষেপেৰে আগবঢ়াই নিছে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই গৃহ বিভাগটো ইমান সফলতাৰে চলোৱাৰ পিছত বহুত মানুহে চাণ্ডা নুঠোৱা হৈছে আৰু সেইকাৰণে তেওঁলোক অৰ্থনৈতিকভাৱে দুৰ্বল হৈ গৈছে আৰু সেই কাৰণে তেওঁলোকে অসমৰ অৰ্থনীতিটোও দুৰ্বল বুলি ভাৱে। অসমৰ অৰ্থনীতি সবল হৈছে। গতিকে বিত্ত বিভাগত বিত্তীয় সংকট হৈছে এই ধৰণৰ যিটো মিছা কথা মানুহক কোৱা হৈছে, এই কথাবিলাক কব নাপায়। কথাটো হ'ল যে অসম চৰকাৰৰ বিত্ত বিভাগ ইমানেই সফল হৈছে যে যোৱা বছৰ হাইয়েষ্ট এক্সপেনডিচাৰ কৰিছে। এই বছৰ তাকো ক্ৰছ কৰিব। ক'ভিডৰ মহামাৰীৰ পৰিৱেশৰ মাজতো এইবাৰ ৮৫ৰ পৰা ৯৫ হাজাৰ কোটি টকাৰ এক্সপেনডিচাৰ হোৱাৰ এটা পৰিৱেশ হৈছে, চিন্তা কৰক। অসম চৰকাৰ এই পৰ্যায়লৈকে গৈছে যে যোৱা বছৰ হাইয়েষ্ট ৭৬ নে ৭৮ খৰচ কৰিছে কিন্তু এইবাৰ ৮০ হাজাৰ,৮৫ হাজাৰ টকা খৰচ কৰিছে। আপোনালোকে ২০১৬ চনলৈ চৰকাৰ চলাওতে কিমান খৰচ কৰিছিল?

আপোনালোকৰ দিনত এবাৰ নিজেই খৰৰটো লৈ নিজেই কৈ দিয়ক। ২০১৬ চনলৈকে চৰকাৰ চলোতে আপোনালোকে কিমান খৰচ কৰিছিল সেইটো কওঁক। এক্সপেনডেচাৰ কিমান শতাংশ কৰিছিল কওঁকচোন। এক্সপেনডেচাৰ কৰিব পৰা সক্ষমতা এইখন চৰকাৰৰ আছে। আপোনালোকে কৰা ৰেভিনিউ কালেকশ্যন আৰু আমি যোৱা ছয় বছৰত কৰা ৰেভিনিউ কালেকশ্যনৰ কিমান বৃদ্ধি কৰিলো তাৰ তুলনা কৰক। তেতিয়া ক'ব আমাক সমালোচনা কৰিব। গতিকে সমালোচনাৰ স্বাৰ্থত সমালোচনা নকৰিব। মানি লওঁক যে হয় আমি কৰিব পৰা নাছিলো, আপোনালোকে কৰিছে, আপোনালোকৰ মুখ্যমন্ত্ৰী জন এজন সফল মুখ্যমন্ত্ৰী। যাৰ কাৰণে আপোনালোকৰ ওচৰত মানুহেই নাথাকা হ'ল। সফল মুখ্যমন্ত্ৰীক দেখি মানুহ লাইন পাতি পাতি আহি আছে। এনেকুৱা এটা পৰিস্থিতি হৈছে। তাৰ পিছতো আপোনালোকে এইবিলাক কথা ক'বলৈ সাহস কৰে। এই বিলাক কথা বিধান সভাত কয়, মানুহৰ মাজত কয়। মোৰ অনুৰোধ যে অসমৰ মানুহক বিপথে পৰিচালিত নকৰিব। সঁচা কথাটো কওঁক যে অসমৰ বিত্তীয় অৱস্থা সুস্থ। অসমৰ বিত্তীয় অৱস্থা এনেকুৱা পৰ্য্যায়ত যে অসম ভাৰতবৰ্ষৰ ভিতৰত এখন উন্নত ৰাজ্য হ'বলৈ গৈ আছে আৰু সেই বিষয়ত আমি আগবাঢ়ি গৈ আছো আৰু সেইকাৰণে মই আমাৰ বিত্ত মন্ত্ৰী মহোদয়াক ধন্যবাদ দিছো এখন সুন্দৰ বাজেটৰ কাম আৰম্ভ কৰিছে। এইবাৰ চাপ্লিমেণ্টৰী যিখিনি, অত্যন্ত প্ৰয়োজনীয়, সেইখিনি তেখেতে দাঙি ধৰিছে আৰু সেই গোটেইখিনি গৃহীত কৰি সদনে তেওঁলোকক আৰ্শীবাদ দিব লাগে যাতে তেখেতে সদায় সুন্দৰ ভাৱে কাম কৰক, উন্নয়নৰ কাৰণে কাম কৰক। এই ধৰণৰ যিসকল মানুহে অসমৰ মানুহক বিপথে পৰিচালিত কৰে, সেইবিলাকৰ বাৰ্তা ও অসমলৈ লৈ যোৱাৰ দায়িত্ব আমাৰ। আমি এই বিধান সভাৰ মাজৰ পৰাই লৈ যাব লাগিব তেওঁলোকে যে উদ্দেশ্য প্ৰণোদিত ভাৱে কথাবিলাক কয়, সেই কথাটো খুলি দিব লাগিব আৰু ৰাইজক জনাব লাগিব আৰু এই জনোৱাৰ দায়িত্বটো হৈছে আমাৰ। সেয়ে বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক পুনৰবাৰ ধন্যবাদ জনাই, চাপ্লিমেণ্টৰী

ডিমাণ্ডৰ কাৰণে ধন্যবাদ দি আৰু এই কাট মোশ্যনৰ সম্পূৰ্ণৰূপে বিৰোধিতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা।

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা (তিতাবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰখনে প্ৰথম অৱস্থাত কেনেদৰে ৰেভিনিউ আনিব পাৰো, সেই বিষয়ে মই আৰম্ভ কৰিছো। কালিও মই এই বিষয়ে বক্তব্য ৰাখিছিলো, কেনেকৈ আমাৰ চৰকাৰখনে ৰেভিনিউ আহৰণৰ ক্ষেত্ৰত সফল ভাৱে আগবাঢ়িব পাৰে। এই ক্ষেত্ৰত মোৰ কেইটামান চলিউশ্যন আছে। প্ৰথমটো হৈছে, উদ্যোগিকৰণ অৰ্থাৎ টেক্স আহৰণৰ কাৰণে উদ্যোগৰ ক্ষেত্ৰত জোৰ দিব লাগিব। উদ্যোগৰ কথা ক'বলৈ যাওঁতে প্ৰথমতে আমি অৰ্থনীতিটো সবল কৰিবলৈ হ'লে উদ্যোগ ক্ষেত্ৰখন ভাল কৰিব লাগিব। বহুদিনৰ পৰা আমি চুপাৰী চিণ্ডিকেটৰ কথা দেখি আহিছো আৰু এই যিটো চুপাৰীৰ চিণ্ডিকেট চলি আছে সেইখিনি আমি অসমতে শেষ কৰিব পাৰো। যিটো চুপাৰী বাহিৰলৈ যায়, তাৰ ৰ' মেটেৰিয়েল বাহিৰলৈ নোযোৱাকৈয়ে যদি আমি ইয়াত এটা চুপাৰী উদ্যোগ গঢ়ি তুলিব পাৰো যেনে - মিঠা চুপাৰীয়ে হওঁক বা ৰজনীগন্ধাৰ কাৰণে যিটো ৰ' মেটেৰিয়েল যায়, সেই গোটেই চুপাৰীখিনি যদি আমি ভেল্যু এডিশ্যন কৰি ঠায়ে ঠায়ে যদি আমি উদ্যোগ গঢ়িব পাৰো, তেতিয়াহ'লে চুপাৰী চিণ্ডিকেটৰ এই অধ্যায়টো শেষ হ'ব বুলি মই ভাৱো। গতিকে চুপাৰী উদ্যোগৰ ক্ষেত্ৰত চৰকাৰে নতুন নতুন টেকন'লজি আনি আমাৰ থলুৱা যুৱক-যুৱতী সকলক যদি উৎসাহ দিয়ে, তেতিয়াহ'লে চুপাৰীৰ কথাটো ইয়াতেই অন্ত পৰিব। তৃতীয়তে, অসম খনত আমাৰ যথেষ্টখিনি সম্ভাৱনীয়তা আছে। ট্যুৰিজিমৰ ক্ষেত্ৰত যথেষ্ট সম্ভাৱনীয়তা আছে। বিশেষকৈ বৰ্ডাৰ বিলাক যদি আমি অপেন কৰো তেনেহ'লে যথেষ্ট সম্ভাৱনা আছে। এতিয়া মই এখন বাইঅ'ডাইভাৰচিটি পাৰ্কৰ কথা লৈ আয়ুস মন্ত্ৰাণালয়ৰ লগত কথা পাতিছো , আসাম এগ্ৰিকালচাৰ ইউনিৰ্ভাচিটিত মই কথাটো উত্থাপন কৰিছিলো যিহেতু তাৰ বোৰ্ডৰ মই এজন সদস্য। এই ক্ষেত্ৰ ত সকলোৱে সমৰ্থন জনাইছে। গতিকে তেনেকুৱা ধৰণৰ কিছুমান যদি উদ্যান কৰি কাজিৰঙাৰ নিচিনাকৈ পৰিবেশৰ সহায় হোৱাকৈ যাতে ব্যৱস্থা লয়, তাৰ কাৰণে মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে অনাগত সময়ত যেতিয়া প্ৰপোজেল লৈ যাম তেতিয়া চৰকাৰে সহায় কৰে আৰু অসম খনক এখন সুন্দৰ বাইঅ'ডাইভাৰচিটি পাৰ্ক কৰি বিভিন্ন ধৰণৰ এমেনিটিজৰ সুবিধা কৰি, বাহিৰৰ মানুহ যাতে ইয়ালে আনিব পাৰো। যিহেতু মই বিভিন্ন উদ্যোগৰ লগত জড়িত গতিকে উদ্যোগৰ কথা ক'বলৈ যাওঁতে কালিও মই সদনত কথাটো উপস্থাপন কৰিছিলো যে যদি আমি টি-পেকেজিঙৰ উদ্যোগটো অসমতে কৰিব পাৰো, তেতিয়াহ'লে ভাল হ'ব। আমি যেতিয়া অসমৰ বাহিৰলৈ যাওঁ তেতিয়া আমি ভাল চাহ খাবলৈ নাপাওঁ। টি-পেকেজিঙৰ উদ্যোগটো বাহিৰৰ ডাঙৰ ডাঙৰ উদ্যোগ যেনে- টাটা ইত্যাদিত যদি চৰকাৰে কিবা এটা ইনচেনটিভ দি তেওঁলোকক যদি আমি আকৰ্ষিত কৰিব পাৰো যে অসমৰ চাহ আপোনালোকে অসমৰ ভিতৰতে পেকিং কৰক আৰু ষ্ট্ৰিকলি তাত "প্ৰডিউচড্ অব আসাম" বুলি লিখা থাকিব লাগে। এতিয়া অসমৰ চাহ বাহিৰলৈ গৈ ডুবাই ইত্যাদিত ডাঙৰ ডাঙৰ পেকেজিং উদ্যোগ হৈছে, কিন্তু অসমৰ চাহৰ লগত শ্ৰী লংকাৰ চাহ, চাউথ ইণ্ডিয়াৰ চাহ, নেপালৰ চাহ ইত্যাদিৰ চাহ বিলাক সোমাই যিটো আঁচল চাহৰ সোৱাদ সেই সোৱাদটো নাইকিয়া হৈ গৈছে। গতিকে অসমৰ চাহৰ যিটো নাম আছিলে সেই নামটো এতিয়া নিম্নগামী হৈ গৈছে। সেয়ে মই আপোনাক আহ্বান জনাইছো যে আমাৰ অসমত এটা স্পেচিয়েল পেকেজ দিয়ক যাতে বাহিৰৰ মানুহে আহি ইয়াতেই পেকিং কৰিব পাৰে। যোৱাকালিও মই কৈছো যে পাণ্ডু ঘাটক আপোনালোকে

আৰু উন্নত কৰক, তেতিয়া পাণ্ডু ঘাটেদি আমাৰ চাহ, নেমু টেঙা, শাক-পাঁচলি যদি আমি ৰপ্তানি কৰিব পাৰো তেতিয়াহ'লে আমি এটা এক্সপোৰ্ট হাব বনাব পাৰিম। তাৰ কাৰণে চৰকাৰে আমাক যথেষ্টখিনি সহায়, চাবচিডি বা অন্যান্য ইনচেনটিভ দিব লাগিব। চাহ পেকেজিঙৰ উদ্যোগটো কিন্তু এটা খুব সম্ভাৱনীয়তা থকা উদ্যোগ। অসমৰ চাহ বজাৰলৈ যেতিয়া ওলাব প্ৰডিউচড অব আসাম লিখা থাকিব, তেতিয়া আপোনালোকেও যিকোনো এটা চাহৰ পেকেট কিনি অসমৰ চাহ বুলি খাব পাৰিব আৰু বাহিৰৰ চা হ অসমৰ চাহৰ পেকেটত সোমোৱাটো চিৰদিনৰ কাৰণে বন্ধ হৈ যাব।

ফিচাৰীৰ ক্ষেত্ৰত মই তেতিয়া সামান্যভাৱে উপস্থাপন কৰিব পাৰিছো, এতিয়া যিহেতু সময় পাইছো সেয়ে মই অলপ ক'ব বিচাৰিছো। আমাৰ এডভাঞ্চ দেশ বিলাকত য'ত ডাঙৰ ডাঙৰ ফিচাৰী উদ্যোগ আছে, তাত খেতিয়ক সকলে ফিচাৰীৰ দ্বাৰা বিভিন্ন ধৰণৰ উদ্যোগ বিলাক চলাই আছে। এতিয়া নতুন নতুন টেকনলজিৰ উদ্ভাৱন হৈছে আৰু তাত খুব স্পেচিয়েল মাছ পোহা কিছুমান পুখুৰী আছে আৰু সেই পুখুৰী বিলাকত চেনচৰ লগোৱা থাকে। এই চেনচৰবিলাকে প্ৰত্যেকটো মাছৰ গতিবিধি দি থাকে আৰু মানুহে অফিচত বহি মাছ পুহি আছে। কোন খিনি পানীত মাছৰ খাদ্য কম হৈছে, ক'ত মাছৰ সংখ্যা বৃদ্ধি পাইছে, কোনখিনি মাছৰ চাইজ কেনেকুৱা হৈছে, তেনেকৈ বেলেগ বেলেগ চাইজত তেওঁলোকে মাছ বিলাক লৈ যায় আৰু সেই মতে তাত ডাক্তৰ থাকে আৰু তাত যিখিনি ডাইয়েটিচিয়ান হওঁক বা অন্যান্য যিবিলাক মাছৰ খাদ্যৰ লগত জড়িত মানুহ থাকে, চাইন্সে আজি সকলো উদ্ভাৱন কৰিছে। মাছৰ উদ্যোগটো আমি কেনেকৈ আ গবঢ়াই লৈ যাব পাৰো আৰু তাৰ বাবে দৰকাৰ হ'লে যিবিলাক ক্ৰাণ্টি আছে যেনে - ফিলিপাইনচ্, ইন্দোনেচিয়া, টাইৱান, সেইবিলাক দেশলৈ আমাৰ এটা সঁজাতি দল যাব পাৰে, লগত আমি কিছুমান চাহৰ উদ্যোগ লৈ যাব পাৰো, যিসকল মাছৰ লগত জড়িত তেনেকুৱা মানুহক নি যদি আমি সেই দেশবিলাক দেখুৱাওঁ, তেতিয়া আমাৰ নিজৰো এটা আইডিয়া হ'ব । আজি টাইৱানত দৈনিক ডাঙৰ ডাঙৰ কণ্টেইনাৰ অল অভাৰ ইউৰোপ, ইউ এচ এ লৈ গৈছে। আজি আমাৰ দেশত কণীৰ প্ৰডাকশ্যন বহুত হৈছে আৰু আগতকৈ ভাল হৈছে। ইয়াৰ ফলত আমাৰ উদ্যোগিকৰণ হ'ব আৰু পৰিবেশৰ লগতো একো অসুবিধা নহয়। যিমানেই ব্ৰইলাৰৰ ফাৰ্ম হ'ব সিমানেই আমি অৰগেনিক মেডিয়াম পাম। এই ব্ৰইলাৰ ফাৰ্ম আৰু ফিচাৰী বিলাকে পৰিবেশৰ লগত সহায় কৰিব। ইতিমধ্যে মই ৰাইচ প্ৰডাকশ্যনৰ কথা কৈছো। আমি আমাৰ ৰাজ্যত বাচমতি ধানৰ খেতি কৰিব পাৰো, কিন্তু বাচমতি চাউলটো যিহেতু দীঘল দীঘল গতিকে মিলিং কৰিবৰ কাৰণে আমাৰ ইয়াত মিল নাই। যদি আমি স্পেচিয়েল ৰাইচ যেনে- জহা ধান, বাচমতি ধানৰ খেতি কৰো, যিহেতু লাহে লাহে জলবায়ু পৰিবৰ্তন হৈছে আৰু আমাৰ চইলত বাচমতি ধানৰ এড'পটেবিলিটি আহিব, তেতিয়াহ'লে আমি আমাৰ চাউল ও বাহিৰলৈ ৰপ্তানি কৰিব পাৰিম। যিহেতু আমাৰ অসমখন কৃষিৰ লগত জড়িত আৰু তাৰ পৰা আমি যথেষ্টখিনি টেক্স ল'ব পাৰিম।

মেডিকেল ফেচিলিটিৰ ক্ষেত্ৰত আজি ৰেষ্ট বেংগলত গৈ বেছিভাগ মানুহে কিডনি ট্ৰান্সপাৰেণ্টৰ পৰা আদি কৰি বিভিন্ন ধৰণৰ বেমাৰৰ চিকিৎসা লৈ আহে। আমাৰ অসমৰ ল'ৰা ছোৱালী বিলাকৰ হাত ইমানেই ভাল যে ভাল ভাল চাৰ্জন আদি গৈ এইমচ্, এপ'ল আদিত গৈ নাম কৰিছে। গতিকে আজি মেডিকেল কলেজ খোলাতো আমাৰ কাৰণে অতি ভাল কথা। গতিকে চৰকাৰীয়েই হওঁক বা ব্যক্তিগত খণ্ডৰেই হওঁক, যদি আমি আমাৰ মেডিকেল বিলাকত এনেকুৱা

ধৰণৰ ফেচিলিটি বিলাক ৰাখিব পাৰো, তেতিয়াহ'লে আমাৰ উত্তৰ-পূবৰ মানুহৰ পইচা বাচি যাব আৰু যিখিনি টেক্স, সেইখিনি চৰকাৰে পাব। মাননীয় উপাধ্যক্ষ মহোদয়, ভালুক পুঙৰ পৰা যথেষ্ট revenue আহিবলৈ লৈছে। এইখিনিতে এটা কথা মই কৈছো আপোনালোকে যিহেতু Tax ৰ কথা কৈ আছো। মই বিৰোধ কৰিব গৈ আছো এই কাৰণে যদি আমি বেছিকৈ টেক্স লগাও no doubt আমাৰ চৰকাৰখন চলাবলৈ কষ্ট হ'ব। আমাক উন্নতি লাগে। আমাক টেক্স কালেকশ্যন কৰিব লাগে। সেই কাৰণে আমি টেক্স লগাব লাগিব। চৰকাৰে তেনেকুৱা ধৰণৰ বিভিন্ন সময়ত সিদ্ধান্ত লয়, আমি যদি revenue বঢ়াব পাৰো তেতিয়া হ'লে টেক্স কালেকশ্যন ভাল হ'ব। এটা ডাঙৰ কথা আপোনালোকে জানে নে নাই মই নাজানো Oil and Wine যিটো আমাৰ মদৰ দোকান বিলাক আছে, সেই বিলাকত আমাৰ GST নাই। GST নোহোৱাৰ কাৰণে তাত ৬২ ৰ পৰা ৭০ শতাংশ ভেট লাগি আছে। আজি যদি Oil Sector ত GST লগাই দিয়ে, তেতিয়া তেলৰ দাম কমি যাব। টেক্স আছে ২৮ % maximum. আমাৰ ভাৰতবৰ্ষত এটা Problem হৈছে যে যিমানখিনি advance Country আছে There is a one tax. আমাৰ ইয়াত ৫ শতাংশ আছে, ১২ শতাংশ আছে, ১৮ শতাংশ আছে, ২৮ শতাংশ আছে It is a very complex system. এই কাট মোচনৰ মই বিপক্ষে মোৰ বক্তব্য ৰাখিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় বিধায়ক, শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী আপোনাৰ টাইম ১২ মিনিট।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী (ওদালগুৰি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে কৰ বিক্ৰী বা অন্য অন্য কৰৰ ক্ষেত্ৰত দাবী মঞ্জুৰীৰ ওপৰত বিৰোধী দলে যি হ্ৰাস কৰিব লাগে বুলি দাবী কৰিছে তাৰ মই বিৰোধীতা কৰিছো। দেশখন আগুৱাই নিবৰ বাবে আমাক অৰ্থনীতি টনকিয়াল হ'ব লাগে। আজি যি সকলে বিৰোধী দলৰ পৰা বক্তব্য দাঙি ধৰিছে তেখেত সকলৰ প্ৰতিজনৰ মুখতে উন্নয়নৰ কথায়ে ওলাই পৰিছে। শিক্ষাৰ ক্ষেত্ৰত স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত পৰিবহন ইত্যাদিৰ ক্ষেত্ৰত উন্নয়ন হ'ব লাগে। যদি অৰ্থনীতি টনকিয়াল হ'ব লাগে,তেতিয়া হ'লে কৰ বা ৰাজহ সংগ্ৰহ কৰাৰ বাবে অন্য উপায় নাই। আমি দেখিছো যে, অসম চৰকাৰে বহুটো বিষয়ত এটা পৰিকল্পনা লৈছে, নতুনকৈ শিক্ষানুষ্ঠান স্থাপন কৰা, পথ নিৰ্মাণ কৰা, দলং ইত্যাদি নিৰ্মাণ কৰা, আমাৰ স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত বিভিন্ন মেডিকেল কলেজ ইত্যাদি স্থাপন কৰাৰ ক্ষেত্ৰত। লগতে উদ্যোগ স্থাপন কৰা কথা প্ৰস্তাৱ লৈছে আৰু এইখিনি যদি আমি সফল ৰূপে কাৰ্য্যকৰী কৰিব লাগে তেতিয়া হ'লে আমাৰ যথেষ্ট পুঁজিৰ দৰকাৰ হয়। সেই কাৰণে এই পুঁজিৰ আমাৰ যেতিয়া অৰ্থনীতি সৱল হ'ব গোটেইখিনি কাম আমি সমাধান কৰিব পাৰিম। অন্য এৰিয়াৰ তুলনাত BTR অঞ্চল যথেষ্ট সমস্যা আছে। বহুটো নদ-নদী থকা কাৰণে যাতায়তৰ অসুবিধা আছে, তাৰ ফলত আমাৰ ৰাস্তা ঘাট নিৰ্মাণ কৰা লগতে দলং ইত্যাদি বনোৱা। তাৰ উপৰি আমাৰ এই অঞ্চলত বিভিন্ন শিক্ষানুষ্ঠান, ইউনিভাৰচিটি, মেডিকেল কলেজ গঠন কৰা ইত্যাদি প্ৰস্তাৱনা বহুত আছে। তাৰ উপৰি চিৰাং জিলাৰ, ওদালগুৰি জিলাৰ নদ-নদী থকা কাৰণে গড়াখহনীয়া হৈ আছে, সেইখিনি মথাউৰি দিয়াৰ ব্যৱস্থা আমাক লাগে আৰু যদি সেইখিনি আমি যদি কৰিব নোৱাৰো তেতিয়া হ'লে আমি বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। আমাৰ বহুতৰে সম্পত্তি নষ্ট হোৱা সম্ভাৱনা আছে, আমাৰ কৃষি পথাৰ নষ্ট হোৱাৰ সম্ভাৱনা আছে। সেইখিনি কাম কৰিব লাগিলে আমি যথেষ্ট অৰ্থনীতিৰ প্ৰয়োজন হ'ব। অসম চৰকাৰে যদি আৰ্থিক ভাবে দুৰ্বল হয় তেতিয়া হ'লে গোটেইখিনি সমস্যা সমাধান কৰাত অপাৰগ হ'ব। বৰ্তমানৰ সমাজ সদায় পৰিৱৰ্তনশীল, আৰু আমি আগুৱাই যাব বিচাৰিছো। যিহেতু ভাৰতবৰ্ষ এখন Development দেশ। অসম ভাৰতৰ এটা অংশ হিচাবে

আমিও Development অৱস্থাতে আছো। আমি আমাৰ দেশখন আগুৱাই নিয়াৰ কাৰণে বহুতো পৰিকল্পনা হাতত লৈছো। সেইখিনি আমি সম্পূৰ্ণ কৰিব লাগিব। কেৱল মুখৰ কথাৰে আমি সমাজক আগুৱাই নিব নোৱাৰো। আমি সকলো দিশতে কাম কৰিব লাগিব। আমাৰ মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে বিক্ৰী কৰ আৰু অন্যান্য কৰৰ ক্ষেত্ৰত ১০১৪২.২৬ লাখ কাটমোচন মঞ্জুৰী দাবী কৰিছে। এই মঞ্জুৰী দাবী কৰাৰ ক্ষেত্ৰত আমি সমৰ্থন কৰো। যিহেতু অসম আগুৱাই যাব লাগিব। যিহেতু নিৰনুবা সমস্যা সমাধানৰ ক্ষেত্ৰত এটা পৰিকল্পনা আছে বিশেষকৈ অসম চৰকাৰে অহা এবছৰৰ ভিতৰতে ১ লাখ নিৰনুৱাক চাকৰি দিয়াৰ ব্যৱস্থা আছে। সেইখিনি কৰিব লাগিলে আমাক পুঁজি টনকিয়াল হ'ব লাগিব। বিৰোধী যিসকল সদস্যই বক্তব্য ৰাখিছে, সেই কথাখিনি উপলদ্ধি কৰিছো। যদি সমস্যাখিনি সমাধান কৰিব লাগে, তেতিয়া আমাক পুঁজি লাগিব আৰু অসম চৰকাৰে পুঁজি টনকিয়াল কৰাৰ কাৰণে যি ব্যৱস্থা লৈছে সেই ব্যৱস্থাখিনি আমি সকলোৱে গ্ৰহণ কৰিব লাগিব। বিগত ক'ভিড-১৯ আক্ৰমণৰ সময়ত আমাৰ ভাৰত বৰ্ষৰ বিভিন্ন ৰাজ্যৰ যিখিনি অৱস্থা আছিল, তাৰ তুলনাত অসম চৰকাৰ বহুত সৰল হৈ আছিল আৰু অন্তত আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ সৰল নেতৃত্বত তেনেকুৱা মুহূৰ্তত আৰ্থিকভাবে তেনেকুৱা সমস্যাৰ সন্মুখীন নোহোৱাকৈ কৰ'ণাৰ পৰা যি মণ্ডা অৱস্থা আহিছিল তাৰ সৈতে আমি মোকাবিলা কৰি অসমখন আগুৱাই নিয়াত সক্ষম হৈছো। তাৰ কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিয়াটো উচিত। বৰ্তমান অসম চৰকাৰে ক্ৰীড়া ক্ষেত্ৰ আগুৱাই নিবৰ কাৰণে প্ৰতিটো জিলাতে একোখনকৈ mini stadium গঠন কৰাৰ কাৰণে সিদ্ধান্ত লৈছে। সেইবিলাক পৰিকল্পনা আমি সম্পূৰ্ণ কৰিব লাগিব। কাৰণ ইয়াৰ জৰিয়তে অসমত ক্ৰীড়াৰে ক্ষেত্ৰত নতুনত্ব আনিব পাৰিম। এটা স্বাৱলম্বী ব্যৱস্থা আনি দিব পাৰিম। আমি অকল পৰিকল্পনাতে ব্যস্ত নাথকি ৰূপান্তৰ কৰিব লাগে, তেতিয়া হলে আমাক পুঁজিৰ দৰকাৰ হ'ব। আৰু গোটেইখিনি অসমৰ অৰ্থনৈতিক ক্ষেত্ৰত আমি সকলো দিশত আগবাঢ়িব লাগিলে, কৃষিৰ ক্ষেত্ৰত, স্বাস্থ্য সেৱা, উদ্যোগ আদি বিলাকত আগবাঢ়ি যাব লাগিব আৰু ক্ৰীড়াৰ ক্ষেত্ৰত অসম চৰকাৰে সফল হৈছে।

আমাৰ সমাজখনক পৰিবৰ্তন অৱস্থাত দেখিবলৈ বিচাৰো। আমাৰ প্ৰতিখন গাঁৱৰ চুকে-কোণে থকা গএগ্ৰাসকলে শিক্ষাদিক্ষাত আগবাঢ়ি যোৱাতো বিচাৰো। কাৰণ গাঁও অঞ্চল উন্নত হ'লেহে আমাৰ দেশখন উন্নত হ'ব। সেই কাৰণে গাওঁ অঞ্চলৰ উন্নয়নৰ কাৰণে অসম চৰকাৰে যিখিনি ব্যৱস্থা গ্ৰহণ কৰিছে, সেই ব্যৱস্থাখিনিক আমি প্ৰশাংসা কৰিব লাগিব, শলাগ ল'ব লাগিব। গাঁও অঞ্চল উন্নয়নৰ কাৰণে কৃষি ক্ষেত্ৰত বিভিন্ন সা-সুবিধা দিছে। বিশেষকৈ ৰাস্তা-পদুলি উন্নয়নৰ কাৰণে যথেষ্ট কাম কৰি আছে। গাঁও অঞ্চলত খোৱা পানীৰ যোগানৰ ব্যৱস্থা অসম চৰকাৰে কৰি আছে। যিহেতু অসম চৰকাৰে প্ৰতিটো গাঁৱতে খোৱা পানীৰ ব্যৱস্থা গ্ৰহণ কৰিছে, তাৰ লগতে স্বাস্থ্যসেৱাৰ ক্ষেত্ৰতো অসম চৰকাৰে যথেষ্ট কাম কৰি আছে। বিশেষকৈ গাঁও অঞ্চলত থকা যিবিলাক sub-center সেই বিলাক state dispensary লৈ ৰূপান্তৰিত কৰা বা state dispensary বিলাকক Public Health center লৈকে ৰূপান্তৰ কৰিবলৈ যিখিনি আঁচনি লৈছে, আশা কৰো সেইখিনি সম্পূৰ্ণ কৰাতোত আৰু আগুৱাই যোৱাত সহায় হ'ব স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত। আমাৰ এইবিলাক কৰিবৰ কাৰণে যথেষ্ট পুঁজিৰ দৰকাৰ হ'ব। অসম চৰকাৰে গোটেই সমস্যাখিনি সমাধান কৰাৰ কাৰণে যিখিনি ব্যৱস্থা গ্ৰহণ কৰিছে, যিখিনি আৰ্থিক ক্ষেত্ৰত আগুৱাই গৈছে, তাক আমি প্ৰশংসা কৰিব লাগিব। সেই কাৰণে আজি বিৰোধী দলৰ ফালৰ যিটো অতিৰিক্ত দাবী মঞ্জুৰীৰ যিটো ঘাটি বা হ্ৰাস কৰিবৰ কাৰণে দাবী উত্থাপন কৰিছে, তাৰ বিৰোধিতা মই কৰো।

অসমত বিভিন্ন জাতি-জনগোষ্ঠী লোক আছে। প্ৰতিটো জনগোষ্ঠীয়ে নিজস্ব ভাষা, সংস্কৃতি জীয়াই থকাতো বিচাৰে, বিশেষকৈ খিলঞ্জীয়া জনগোষ্ঠীসকলে। তাৰ কাৰণে অসম চৰকাৰে খিলঞ্জীয়া জনগোষ্ঠী সকলৰ ভাষা, সংস্কৃতি আৰু ধৰ্ম পৰম্পৰা সুৰক্ষিত কৰিব কাৰণে যিটো ব্যৱস্থা গ্ৰহণ কৰিছে, তাকো আমি প্ৰশংসা কৰো। কাৰণ এইখিনি ব্যৱস্থা নথকাৰ ফলত খিলঞ্জীয়া জনগোষ্ঠী সকলে নিজৰ অধিকাৰ বিচাৰি আন্দোলন কৰিছিল। অন্ততএই ব্যৱস্থাৰ জৰিয়তে আমাৰ খিলঞ্জীয়া জনগোষ্ঠীয়ে চৰকাৰৰ দ্বাৰা উপেক্ষিত বুলি অনুভৱ নকৰিব আৰু অসমৰ main stream যি চৰকাৰ সেই চৰকাৰৰ লগতে সহযোগ কৰি সফল অনাটো অসম আগুৱাই যোৱাৰ ক্ষেত্ৰত আন্তৰিকতাৰে কাম কৰিব আৰু সহযোগ কৰিব লগতে অসমত অন্ততঃ এটা অস্থিৰতাৰ পৰিবেশ নহ'ব, শান্তিৰ পৰিবেশ আহিব। আমি জানো যে শান্তি পৰিবেশৰ মাজতে সদায় উন্নতি পথত কামবিলাক আগুৱাই গৈ থাকে। তাৰ কাৰণে অসমৰ প্ৰতিটো জনগোষ্ঠীবিলাকে নিজকে নিৰাপদ অনুভৱ কৰিব ভাষা, সংস্কৃতি আদি বিভিন্ন দিশত। নিৰাপদ অনুভৱ কৰাৰ লগতে অসমৰ শান্তিৰ মাজতে অসমত সৰ্বাংগীন উন্নতিৰ কাৰণে বিভিন্ন জনগোষ্ঠীয়ে নিজকে নিয়োজন কৰিব পাৰিব। এই খিনি সুবিধা অসম চৰকাৰে বৰ্তমান দিয়াৰ কাৰণে অসমত থকা সকলো জনগোষ্ঠীয়ে সমানে সমানে আগবাঢ়ি যাব পাৰিব। ইয়াৰ কাৰণে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাওঁ।

অসম আগুৱাই যাব লাগে আৰ্থিক, সামাজিক সকলো দিশতে, তাৰ কাৰণে আমাৰ অসমৰ আৰ্থিক দিশ সৱল হ'ব লাগিব। সৱল হোৱাৰ কাৰণে মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে যিখিনি ব্যৱস্থা গ্ৰহণ কৰিছে, তাক আমি সমৰ্থন কৰো আৰু বিৰোধী পক্ষই মঞ্জুৰী হ্ৰাস কৰিবৰ কাৰণে দাবী উত্থাপন কৰিছে তাৰ আমি বিৰোধিতা কৰো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰী দিগন্ত কলিতা।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ)** ঃ নমস্কাৰ। cut motion ৰ বিপক্ষে কিছু বক্তব্য ৰাখিব বিচাৰিছো, বিশেষকৈ বিত্ত বিভাগৰ **১০,১০,১৪২.২৬** কোটি টকা যি ধাৰ্য্য কৰা হৈছে। সেইটোৰ ওচৰত অকনমান ক'বলৈ বিচাৰিছো।

আপোনালোকে সকলোৱে জানে যে আমাৰ দুটা expenditure আছে, capital & revenue । যিটোৰ ওপৰত চৰ্চা হৈ আছে, capital expenditure ৰ কথা আমি য'ত বহি আছো infrastructure ৰে হওঁক, Building, Bridge, Hostpital ইত্যাদি এনেকুৱা ধৰণৰ আৰু Revenue expenditure হ'ল salary, Govt. Scheme ইত্যাদি। আপোনালোকে জানে যে আজিৰ মাননীয় মুখ্যমন্ত্ৰী সেই সময়ৰ বিত্তমন্ত্ৰী হৈ আছিল, কিছুমান সৰু সৰু দুই এটা data মই ক'ব বিচাৰিছো। বিশেষকৈ আমাৰ GST growth ৰ কথা। **২০২০-২১** চনত all India ত minus growth আছিল 10%, যিবিলাক খুব ভাল ভাল ৰাজ্য আছে, যেনেকৈ পাঞ্জাৱ, দিল্লী, ৱেষ্ট বেংগল, মহাৰাষ্ট্ৰ , এই বিলাকত growth rate আছিল ঃ পঞ্জাৱত - (minus) 11.48, Delhi - (minus) 20.01, West Bengal - (minus) 9.77, Maharashtra - (minus) 14.58 আৰু সেই সময়ত আমাৰ আছিলে - (minus) 1 % । তাৰ মানে আমাৰ Revenue য়ে হওঁক, Capital য়ে হওঁক, আমাৰ চৰকাৰে কি ধৰণে আগুৱাই লৈ গৈছে। এইবাৰ **২০২০-২১** চনৰ growth rate 40% increase হৈছে। আজি বিৰোধীয়ে বহুত কথা কৈছে আৰু তেখেতসকলৰ বক্তব্যত এনেকুৱা লাগিছে যে তেখেতসকলে বিৰোধী আসনত বহি থকা নাই, তেওঁলোকে নিজা নিজা মন্তব্য দিছে। আমাৰ বক্তব্য দেখিব, আমি একে agenda ত বক্তব্য ৰাখো। আজি অলপ আগতে সন্মানীয় সদস্য পুৰুকায়স্থ ডাঙৰীয়াই কথা কওঁতে আমি বহুত

কিবা কিবি কথা কৈছো, কবওঁ লাগে। চৰকাৰক সমালোচনা কৰক, কিন্তু গঠনমূলক হাঁহিৰে, ভদ্ৰতাৰে এনেকুৰা আক্ৰোশমূলক কৰে যেনে কৌৰৱ আৰু পাণ্ডৱৰ মাজত যে যুদ্ধ চলিছে। কিয় ? ভাল কথাখিনি ক'লে আমি বেয়া নাপাওঁ। প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ সময়তো কংগ্ৰেছ চৰকাৰৰ **১০** হাজাৰ কোটি টকা ধাৰ হৈ গৈছিলে। আমি নাজানো নেকি বা তেখেতসকলে নাজানে নেকি। কিন্তু কথা বিলাক গাৰ জোৰেৰে কোৱা নাই। এই পবিত্ৰ বিধান সভাত বাহিৰত বহি থকা মানুহবিলাকে বা টিভি চাই থকা মানুহবিলাকে ভাবিব যে বি জে পি চৰকাৰ মিছলীয়া আৰু তেওঁলোকে সঁচা। অলপ আগতে সন্মানীয় সদস্য অমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে আমাক RIDF ৰ পইচা দিয়া নাই। মই স্পষ্টকৈ কৈছো তেখেতসকলৰ সন্মানীয় সদস্য চিৰাজুদ্দিন আজমল ডাঙৰীয়া, অখিল গগৈ ডাঙৰীয়া আপোনালোকে RIDF ৰ পইচা পাইছেনে কওক চোন। মিছা কথাবিলাক কিয় ক'ব লাগে। এফালে তেখেতসকলে কৈ আছে যে আমাৰ Suhrid ৰ পইচা কাটিলে, Untied ৰ পইচা নিদিয়ে। আমি মানি লৈছো, আমি কব বিচাৰিছো আপোনালোকে revenue budget তো যদি increase কৰিব নোখোজে, এফালে তেখেতসকলে বিচাৰে যে চৰকাৰখনে খৰছ কৰিব নালাগে আৰু আনফালে তেওঁলোকে কয় আমাক আঁচনি দিয়া নাই। আঁচনি দিব লাগিলে capital expenditure টো increase কৰিবই লাগিব। অলপ আগতে সন্মানীয় সদস্য বৰুৱা ডাঙৰীয়াই এটা ভাল কথা কৈছে, তেখেত revenue ৰ ক্ষেত্ৰত বহুত গুৰুত্ব দিছে। কিন্তু revenue increase কৰিবলৈ হলে আমি infrastructure কৰিব লাগিব। Industry কৰিবলৈ হলে মাটি লাগিব, ঘৰ লাগিব। capital যদি increase কৰিব নোৱাৰো, revenue কেনেকৈ increase হ'ব। মই এই পবিত্ৰ বিধান সভাত এইটোৰে কব বিচাৰিছো যে মাননীয় মুখ্যমন্ত্ৰীয়ে আৰু বিত্তমন্ত্ৰীয়ে যিটো ব্যৱস্থা হাতত লৈছে আমি আদৰণি জনাইছো। আৰু অনাগত দিনত এই বাজেটত যি ধাৰ লোৱাৰ কথা তেখেতসকলে কৈছে এইবিলাক মিছা অপপ্ৰচাৰ। এই ধাৰ আমি উন্নয়নৰ কাৰণে লৈছো, কাৰো পকেটৰ কাৰণে লোৱা নাই। অনাগত দিনত এইখনৰ বিপক্ষে আজি যি মাত দিছো সেইটো আমাৰ কোনো সমৰ্থন নাই। বৰঞ্চ এশ টকা হ্ৰাস কৰিব নালাগে, পাৰিলে আৰু **৫** হাজাৰ কোটি টকা বেছিকৈ লওক আৰু অসমৰ উন্নয়ন কৰক। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ-** ধন্যবাদ, আমাৰ ইয়াত independent আৰু মাওঁবাদী কমিউনিষ্ট পাৰ্টিক ২ মিনিট কৈ দিয়া হৈছে। কিন্তু তেখেতসকলে participate কৰাৰ বাবে কোনো কাগজ দিয়া নাই। গতিকে তেখেতসকলে participate কৰিবনে নাই মই নাজানো। আপোনালোকে জনাব লাগিব। এতিয়া আমাৰ সন্মানীয় সদস্য ৰকিবুল হুছেইন ডাঙৰীয়া। আপোনাৰ সময় দলে দিছে ১৬ মিনিট।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ-** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মঞ্জুৰী নং ৫, বিক্ৰী কৰ আৰু অন্যান্য কৰৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীয়ে যি মঞ্জুৰী ইয়াত দাখিল কৰিছে, তাৰ কৰ্ত্তন প্ৰস্তাৱক সমৰ্থন কৰি মই দুষাৰ কোৱাৰ প্ৰয়াস কৰিছো। উপাধ্যক্ষ মহোদয়, কথাবিলাক শুনি মই বেলেগ এটা কথা ক'ব বিচাৰিছিলো। হঠাৎ মোৰ বেলেগ কথা এটা মনত পৰিল। কথাটো হ'ল, প্ৰথম যেতিয়া তৰুণ গগৈ ডাঙৰীয়াৰ নেতৃত্বত চৰকাৰখন বিৰোধী পক্ষত আহিল, আৰু যেতিয়া বিজেপিৰ নেতৃত্বত চৰকাৰ হ'ল। সেই সময়ত আজিৰ দৰে আমি এনেকৈ বিৰোধী পক্ষত বহি আছিলো আৰু তৰুণ গগৈ ডাঙৰীয়াৰ সন্মুখত থকা-সৰকা কৰি দিছিল। তৰুণ গগৈ ডাঙৰীয়াক হঠাৎ কথাৰে আক্ৰমণ কৰিছিল। কি ক'লে, যে বিগত তৰুণ গগৈ চৰকাৰখনে গোটেই অসমখন ধ্বংস কৰি থৈ গ'ল। ১০ হাজাৰ কোটি টকা ধাৰ ললে তৰুণ গগৈ ডাঙৰীয়াই। তৰুণ গগৈ ডাঙৰীয়া অসহায় হিচাপে বহি

আছিল। পিছত কাকতত লিখিলে যে তৰুণ গগৈ ডাঙৰীয়াৰ চকুলো ওলাইছিল আৰু পকেটত তেওঁৰ চকুৰ ঔষধ থকাৰ কাৰণে দি থাকিব বিচাৰিছিল। কোনে কৈছিল, কি কথা সেই কথাখিনি ব্যক্তিগত কথা, মই নকওঁ ১০ হাজাৰ কোটি টকা ঋণ. Talk show আপোনালোকে চাওক সেই সময়ৰ। ওলাব নোৱাৰে কংগ্ৰেছী সকল, যে আপোনালোকে কৰ্মচাৰীক দৰমহা দিলে, আইন-শৃংখলা পৰিস্থিতি ভাল কৰিলে, সেই সময়ত MOU ৰ যোগেদি চাকৰি বন্ধ আছিল, চাকৰি খুলিলে, সেই কথাবিলাক তল পৰিল। এনেকুৱা এটা পৰিবেশ হ'ল যে তৰুণ গগৈ ডাঙৰীয়াই ধাৰ কৰি থৈ গ'ল ১০ হাজাৰ কোটি টকা। প্ৰত্যেকটো টিভি চেনেলত আপোনালোকে চাওক সেই সময়ত বিতৰ্ক কেৱল তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰে ধাৰ লোৱালে, ধাৰ লোৱালে, ধাৰ লোৱালে। অসমৰ মানুহে ভাবিছিল সেই সময়ত যে নতুন চৰকাৰ আহিছে, ইমান সুন্দৰকৈ কৈছে, এই চৰকাৰে অন্ততঃ ধাৰ নলয়। এই একেখন চৰকাৰে আজি ধাৰ লোৱাৰ যুক্তি দিছে। ধাৰ কি লৈছে উপাধ্যক্ষ মহোদয়, আমি নকওঁ, মই যোৱা কালিৰ কথা নকওঁ। আজিৰ কথা ক'ম। আমাৰ যোৱা কালিৰ আমাৰ কাকতত দিছে যে চৰকাৰৰ তথ্য, দৈনিক জনমভূমি কাকতত দিছে যে যোৱা ৩১ মাৰ্চ পৰ্য্যন্ত চৰকাৰৰ মুঠ ঋণৰ পৰিমাণ হৈছে, ৮২,৭৪১.০৭ কোটিটকা। বিজেপি চৰকাৰে লোৱা ঋণৰ পৰিমাণ ২০২০-২১ বৰ্ষত ৯৯৬.৭৩ কোটি টকা। বিধান সভাত উদঙালে ঋণৰ ধনেৰে চলিছে চৰকাৰ। আমাৰ কথা নহয়, চৰকাৰৰ কথা। বি জে পি চৰকাৰে লোৱা ঋণৰ পৰিমান ২০২০-২১ বৰ্ষৰ পৰ্য্যন্ত ৯৩৬.৭৩ কোটি টকা। আকৌ কৈছো, উপাধ্যক্ষ মহোদয় ঋণটো ঋণেই, এই ৬ বছৰত ২২,২৭০ কোটি টকা সুত দিলে অসমে। জনপ্ৰিয় "নিয়মীয়া বাৰ্তা" এই কাকতখন মোৰ বৰ প্ৰিয়, তাত কি দিছে, যোগান মন্ত্ৰীৰ তথ্যত স্পষ্ট হ'ল ৰাজ্যত দাম বৃদ্ধিৰ বাস্তৱ ছবি। নাজানো কিয় দিছে এইখনত? ২১ মাহতে পিয়াজৰ ৮৮ টকা, মিঠাতেলৰ ৮৪ টকা, মচুৰ দাইলৰ ৫০ শতাংশ দাম বাঢ়িল। খাদ্য সুৰক্ষাৰ চাউল হিতাধিকাৰীক কমকৈ দিয়াৰ অভিযোগ মানি ললে, মন্ত্ৰী ডাঙৰীয়া মই জানো, ব্যক্তিগত কথা মই নকওঁ। সামগ্ৰী, আইজং চাউল ২০২০ ত ২৭ ৰ পৰা ৪০ আছিল, এতিয়া ৩৪ ৰ পৰা ৪০ হ'ল বৰ্তমান মূল্য। মূল্যবৃদ্ধিৰ হাৰ দেখুৱাই দিছে তাত অলপ অংক কৰিছে পেপাৰখনে ২৫.৯৩ শতাংশ। মচুৰ দাইল (সৰু)

(সদনত হুলস্থুল)

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ- উপাধ্যক্ষ মহোদয়, বাজেটখন এখন technical subject. আমি বাজেটত এইখিনি আলোচনা কৰা নাছিলো। মই যেতিয়া বিৰোধী দলত আছিলো, তেতিয়া আমি এইবিলাক technically কৰিছিলো। গতিকে বাজেটৰ কথা এতিয়া supplementary আজি বিত্ত বিভাগে যিখন supplementary আনিছে, তাৰ ওপৰত মূল্যবৃদ্ধিটো কেনেকৈ আহিব? আপুনি কথাটো technically কওক, আমি সমৰ্থন কৰিম।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)** ঃ- উপাধ্যক্ষ মহোদয়, এনেকুৱা উদাহৰণ আছে, সদনত যদি মন্ত্ৰী হিচাপে ভুল তথ্য দিয়ে, তেতিয়াহ'লে মন্ত্ৰীয়ে পদত্যাগ কৰাৰো ৰেকৰ্ড আছে। মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যে তেওঁ বিৰোধী দলত থাকোতে এনেধৰণৰ কথা কোৱা নাছিল, মোক যদি আজি সদনে অনুমতি দিয়ে, মই তেখেতে যে কৈছিল, টেবুলত উঠি যে তেওঁ নাচিছিল, মই তথ্য সহকাৰে দিম।

**মাননীয় উপাধ্যক্ষ** ঃ- প্লিজ, আপুনি এতিয়া আপোনাৰ ডিবেটত আহক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ- উপাধ্যক্ষ মহোদয়, তেখেতে কওক যে সদনত টংকবাহাদুৰ ৰায় মাননীয় অধ্যক্ষ মহোদয়ে বাতৰি কাকতৰ টুকুৰা দেখুৱাবলৈ এই বিধান সভাত অনুমতি দিছিল

নেকি? আৰু ২য়তে এই বিধান সভাত আসাম বেটেলিয়ান

(সদনত হুলস্থুল)

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, এইটো বিতৰ্ক চলিছেনে বক্তৃতা চলি আছে?

(সদনত হুলস্থুল)

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ- উপাধ্যক্ষ মহোদয়, অসম বেটেলিয়ান সোমাই ইয়াৰ পৰা যে বিৰোধী দলৰ পৰা বিধায়কক দাঙি নি বাহিৰত পেলাই দিছিল তেতিয়া অসম বিধান সভাৰ সদস্য সকল মৌন হৈ বহি থাকিব নেকি?

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ** ঃ -Hon'ble Member Please. চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া আপুনি বহক। Please. বহক। আপুনি কওক।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)** ঃ- উপাধ্যক্ষ মহোদয়, এতিয়া ৫ মিনিট সময় মোক বেছি দিব লাগিব।

(সদনত হুলস্থুল)

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি এনেকৈ ৰখি থাকিলে সময়টো নাপাব।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মই ইমান প্ৰখৰকৈ ক'ব নোৱাৰো। মাজৰ কৈ থাকিলে অসুবিধা হয়।

**মাননীয় উপাধ্যক্ষ ঃ** Please disturb নিদিব।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মই ইমান ভাল বক্তা নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** তেখেতে কৈ আছে, আপোনালোকে কিয় উঠিছে। Please sit down. তেনেকৈ নহয়।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ধাৰ লোৱাৰ কথাটোহে কৈছো।

**মাননীয় উপাধ্যক্ষ ঃ** Please.Silence Please.

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ঋণৰ ধনেৰে চলিছে চৰকাৰ Finance ৰ কথা ডড়িত হৈ আছে। আমি কাকত দেখুৱাব নোৱাৰো নেকি? সেইকাৰণে তেওঁক আঁতৰাই এখেতক দিলে।

**মাননীয় উপাধ্যক্ষ ঃ** Please.

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** ইমান গাত লাগে কিয় আপোনাৰ। এতিয়া গাত লগা কথা ক'লে আপোনালোকে বেয়া পাব।

**মাননীয় উপাধ্যক্ষ ঃ** Please.

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** ইমান RSS য়ে কষ্ট কৰিলে ১৯২৩ চনৰ পৰা।

**শ্ৰীদিগন্ত কলিতা (কমলপুৰ) ঃ** RSS ৰ নাম ন'লব।

(সদনত গণ্ডগোল)

**মাননীয় উপাধ্যক্ষ ঃ** Please.

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** যিসকল Original B.J.P. অসহায় হিচাপে বহি আছে, duplicate ৰ জাল্লাত।

**মাননীয় উপাধ্যক্ষ ঃ** এইবিলাকৰ concern নহয়। কোনে জাল্লা পাইছে সেইবিলাক debate ৰ বিষয় নহয়।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ নীতি আয়োগে কৈছে যে.....(সদনত গণ্ডগোল)

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কোনেও অসহায় হিচাপে বহি থকা নাই আৰু B.J.P. য়ে আপোনালোকৰ পৰা চাৰ্টিফিকেট নলয়। এক মিনিট। দুই নম্বৰ কথাটো হ'ল মই সুস্মিতা দেৱক Act East Policy Meeting তাত মই দেখা পাইছো। মই কৈছো যে আপুনি পাৰ্টি এৰিল নেকি? হয়, মই পাৰ্টি এৰিলো। From hopeless to hopefull.

**মাননীয় উপাধ্যক্ষ ঃ** Please sit down. Please conclude.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** শুনক। সেইকাৰণে আপুনি এইবিলাক ন'কব যে পুৰণা B. J. P. অসহায় হৈ আছে। এই কথাবিলাক নক'ব।

(সদনত গণ্ডগোল)

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য সকল বহক।

(সদনত গণ্ডগোল)

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, RSS শব্দটো প্ৰত্যাহাৰ কৰিব লাগিব। RSS Political Party নহয়।

(সদনত গণ্ডগোল)

**মাননীয় উপাধ্যক্ষ ঃ** আপোলোকে বহক, মই কৈ আছো। Please. মই অনুৰোধ কৰিছো মাননীয় বিধায়ক সকলক।

**শ্ৰীদিগন্ত কলিতা (কমলপুৰ) ঃ** Cut Motion ত RSS ৰ নামটো ক'ৰ পৰা আহিল।

**মাননীয় উপাধ্যক্ষ ঃ** মই কৈ আছো। বহকচোন। Silance Please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)ঃ** RSS ৰ কথা আনিব নালাগে। আমি মুছলিম লীগৰ কথা ক'ব লাগিব।

(সদনত গণ্ডগোল)

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি নিয়ন্ত্ৰণ কৰক আপোনাৰ সদন হয়।

(সদনত গণ্ডগোল)

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** এতিয়া মানবেন্দ্ৰৰ শৰ্মাৰ কথা আনিম।

**মাননীয় উপাধ্যক্ষ ঃ** কিয় সেইবোৰ কৈ আছে। Silance Please.

(সদনত গণ্ডগোল)

**মাননীয় উপাধ্যক্ষ ঃ** এক মিনিট বহক। সকলোৱে যদি কয়।সদন চলিব কেনেকৈ। Decorum টো maintain কৰিব লাগে। সকলো respectable person. এতিয়া কথা হৈছে কোন দল কমজুৰি হৈছে কি হৈছে instigating বস্তুটো ক'লে reaction টো আহিব। আপোনালোকৰ Debate এনেকুৱা হ'ব লাগে যে Cut Motion ৰ ওপৰতএইটো Debate হ'ব লাগে। আৰু যিটো objectationable RSS কথা হৈছে সেইটো মই expand কৰিবলৈ কৈছো। গতিকে আপোনালোকে Debate টো কৰিছে। চাওঁক অসমৰ ৰাইজে কি বিচাৰিছে। মই আপোনাক সময় দিম। আপোনাৰ যিমানখিনি সময় আছে।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, hopeless word টো withdraw কৰিব লাগে।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ

কথা এইটো withdraw কৰিব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** Hopeless word টো আমি চাই ল'ম। কাৰোবাক কৈছে নেকি?

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এনেকুৱা কথা ক'ব নোৱাৰে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** সুস্মিতা দেৱে যোৱাকালি মোক লগ পাইছে, মই কৈছো যে পাৰ্টি এৰি দিলে নেকি?

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** প্ৰমাণ দিয়ক ক'ত কি কৈছে। এনেকৈ মুখৰ কথা আনি উৰা বাতৰিৰ নিচিনা ক'লে ন'হব।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে debate টো continue হোৱা বিচাৰে নে নিবিচাৰে? যদি নিবিচাৰে আমি সদন স্থগিত কৰিব লাগিব। আপোলোকে debate ৰ যিটো Cut Motion ৰ ওপৰত আহিছে, সেইটো debate কৰক। Supplementary demand আহিছে অসমৰ ৰাইজৰ ভৱিষ্যতৰ কাৰণে এই বাজেটখন অনা হৈছে Supplementary demand. ইয়াত অলপ respect কৰক আৰু কিছুমান instigating word আপোনালোকে ক'ব নালাগে। ৰাজনৈতিক দলৰ মাজত অলপ খুচা-খুচিটো থাকিবই। যিবিলাক কথা কোৱা উচিত নহয় দলক আঘাত কৰে তেনেকুৱা শব্দবিলাক কৰা অনুচিত।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, point of order.

**মাননীয় উপাধ্যক্ষ ঃ** Point of order নাই।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে এটা কথা কৈছে ।

**মাননীয় উপাধ্যক্ষ ঃ** Point of order কেনেকৈ আহিব ইয়াত।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** আহিব।

(সদনত গণ্ডগোল)

**মাননীয় উপাধ্যক্ষ ঃ** You cannot say all that. please sit down.

(সদনত গণ্ডগোল)

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে ডিবেটত যিটো কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত আনিছে, তাৰ ওপৰত ডিবেট কৰক। পৰিপূৰক দাবী আহিছে অসমৰ ৰাইজৰ ভৱিষ্যতৰ বাবে। সেয়েহে এইখনক অলপ সন্মান দিয়ক। যিবোৰ কথা instigating সেইবোৰ ক'ব নালাগে। ৰাজনৈতিক দলৰ মাজত অলপ খুচা-খুচি থাকিবই। অলপ Sportsman Spirit ত কথা বিলাক লওঁক। যিবোৰ কথাই দলক আঘাত দিয়ে, সেইবোৰ কথা ক'ব নালাগে। এতিয়া ৰকিবুল হুছেইন ডাঙৰীয়াই কওক।

**শ্ৰী ওয়াজেদ আলী চৌধুৰী (দক্ষিণ শালমাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অব অৰ্ডাৰ আছে।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া পইণ্ট অব অৰ্ডাৰ নাহে।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।)

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া rule মতে পইণ্ট অব অৰ্ডাৰ নাহে। আমি rule মতে চলিব লাগিব।

(সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।)

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মই আৰু এচ এচৰ কথা পজিটিভলি কৈছিলো।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, জলসম্পদ বিভাগ ইত্যাদি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই বিৰোধী দলে কোৱা প্ৰায়েই শুনি থাকো যে বিজেপিয়ে পুৰণা মানুহখিনিক কষ্ট দি নতুন খিনিয়ে ল'লে। তেওঁলোকৰ গা জ্বলে। বিজেপিৰ যিখিনি পুৰণা মানুহ আৰু যিখিনি নতুনকৈ বিজেপি লৈ আহিছে, তেওঁলোকৰ মাজত কাজিয়া লগাই দিব বিচাৰে। আমি সকলোৱে ভালকৈ আছো আৰু সুৰক্ষিত হৈ আছো। আপোনালোকে চিন্তা কৰিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** ৰকিবুল হুছেইন ডাঙৰীয়া, আপুনি কণ্টিনিউ কৰক।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধাৰ লোৱা কথাটো যেনেকৈ তেওঁলোকে জাষ্টিফাই কৰিছে, এই একেখন চৰকাৰেই প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰৰ দিনত তৰুণ গগৈ ডাঙৰীয়াৰ উপস্থিতিত তেওঁক থকা-সৰকা কৰি দিছিল যে- ১০ হাজাৰ কোটি টকা তৰুণ গগৈ ডাঙৰীয়াৰ চৰকাৰ খনে ধাৰ লৈ অসম খনক শেষ কৰি থৈ গ'ল। হুৱাইট পেপাৰত প্ৰকাশ কৰিলে। তৰুণ গগৈ ডাঙৰীয়াই অসহায়ভাৱে চাই আছিল আৰু চকুপানী ওলাইছিল। পকেটত থকা চকুৰ ঔষধ লোৱা বুলি কাকতত ওলাইছিল। তেতিয়া মানুহে এটা আশা কৰিছিল যে বি জে পিৰ মিত্ৰজোঁট চৰকাৰখনে ধাৰ নলয়। কিন্তু একেখন চৰকাৰে আজি ধাৰ লৈছে আৰু ধাৰ লৈ কালি সদনত কৈছে যে তেওঁলোকৰ ধাৰ লোৱাৰ পৰিমাণটো হ'ল-৮২,৭৪১কোটি টকা, আৰু ২০২০-২১ বৰ্ষত ৯৩৬.৭কোটি টকা ধাৰ আছে। ঋণৰ ধনেৰে চলিছে চৰকাৰ। সেই কথাটোকে মই আঙুলিয়াই দিছো। লগতে কৈছে যে ৬ বছৰত ২২,২৭০ কোটি টকা সুত দিছে। মই এইখিনি কথাই কৈছো যে আমি এতিয়া অতিৰিক্ত কৰ লাগাব লাগিব। অতিৰিক্ত কৰ লগাইছে আৰু মিতব্যয়ী হ'ব লাগিব। খৰচ কমাব লাগিব। ক'ভিডৰ সময়ত আমি ইয়াত হুলস্থূল কৰি আছো। মানুহৰ হাতত টকা-পইচা নাই। মানুহৰ পাৰ্চেজিং ক্ষমতাটো কমি গৈছে। এই সময়খিনিত নিয়মীয়া বাৰ্তাত দিছে যে বিভিন্ন বয়-বস্তুৰ দাম বাঢ়ি গৈছে। কিমান শতাংশ বাঢ়িছে ইয়াত উল্লেখ কৰিছে। মই তালিকাখন কৈ গৈছো। তেওঁলোকে কৈছে- পিঁয়াজৰ দাম-৮৭ টকা, মিঠাতেলৰ দাম-৮৫-৮৪ টকা, আইজং চাউল-২৫.৯৩ টকা, সৰু মচুৰ ডালিৰ দাম-২২.৫০ টকা, ডাঙৰ মচুৰ ডালিৰ দাম-৫০.৭৯ টকা, বুটৰ ডাইল-২২.৮১ টকা, মগু ডাইল-৫.৫৭টকা। পিঁয়াজ বাঢ়িছে ৮৮.৮৯ শতাংশ, আলু বাঢ়িছে -২৫ শতাংশ। এইখিনি আমাৰ তথ্য নহয়, ৰেডি ৰেফাৰেঞ্চৰ কাৰণে অধ্যক্ষৰ জৰিয়তে মন্ত্ৰী মহোদয়ক দিবৰ কাৰণে মই দিলো। অসমখন অসম চৰকাৰে আগবাঢ়ি যাব বুলি কৈছে। আমি তাত একমত। কেন্দ্ৰীয় চৰকাৰৰ নিটি আয়োগৰ তথ্যত অসম ২৯ খন ৰাজ্যৰ ভিতৰত তলৰ পৰা ৪ নম্বৰ। অৰ্থাৎ ২৫ নম্বৰত আছে। এতিয়া কথাটো হ'ল যে ইমিউনিটি কমি যোৱা বুলি কৈছে। আমাৰ ইমিউনিটি ভাল কৰিব লাগে। ক'ভিড আহিছে। এই সময়ত পুষ্টিকৰ খাদ্য খাব লাগে। চৰকাৰে বিভিন্ন ধৰণৰ ভিটামিন দিছে। এই সময়ত আকৌ চৰকাৰে মদৰ দোকানবোৰ ৰাতিপুৱাৰ পৰা খুলি দিছে।

**ড০ হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** ইয়াৰ বাবে চুপ্ৰিম কোৰ্টে আদেশ দিছে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে চুপ্ৰিম কোৰ্টে খুলি দিয়া বুলি ক'বই। চুবুৰীয়ে চুবুৰীয়ে মদৰ দোকান খোলাৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছে। ......Interruption. ......মাননীয় অধ্যক্ষ মহোদয়, খৰচ কমাব লাগে। নগাওঁলৈ যাবলৈ পথেৰে গ'লে খুব বেছি ১ঘণ্টা ৪০ মিনিট লাগে আৰু ১০-১৫ হাজাৰ টকা লাগে। এক দিনত হেলিকপ্টাৰৰ বাবে ৭-১০ লাখ টকা খৰচ নকৰিলেও হয় বুলি মই ভাৱো আৰু তাৰ বাবে মই অনুৰোধ কৰিছো। আগতে প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াই হেলিকাপ্টাৰৰে যদি জাগীৰোডত গৈছিল, আপোনালোকে

সেইটোকে যদি অনুকৰণ কৰিছে, সেইটো ক'লেই হ'ল যে- সেইকাৰণে আপোনালোকে গৈছে। বিজ্ঞাপনত অলপ খৰচ কমাব পাৰি নেকি অধ্যক্ষ মহোদয়, অলপ চাব। বিজ্ঞাপনৰ বাবদ কমাব পাৰি নেকি চাবচোন। ... interruptions ........ অধ্যক্ষ মহোদয়, MLA fund টো MLA সকলৰ fund নহয়, ..... interruptions .......মই কিছুমান কথা ক'ব বিচৰা নাছিলো, কিন্তু, খোচ মাৰি কথা ক'লে মই ক'বই লাগিব.... MLA fund টো সৰ্বসাধাৰণ ৰাইজৰহে fund, ১২৬ টা সমষ্টিৰ ৩ কোটি ২১ লাখ জনসাধাৰণৰ fund. সেই fund টো এতিয়ালৈ সম্পূৰ্ণকৈ পোৱা নাই, ৫৬ লাখ টকাহে পোৱা গৈছে.... interruptions ........ মাননীয় সদস্য দিগন্ত কলিতাই ৮০ লাখ টকা দিয়া বুলি কৈছে, কিন্তু .... interruptions ........

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ)ঃ** সেইটো first instalment দিছে, আমিও ৫৬ লাখ টকা পাইছো। সেইখিনিৰ utilization দিলে, বাকীখিনি দিব.... interruptions ........

**মাননীয় অধ্যক্ষঃ** দিগন্ত কলিতা, আপুনি বহক। আমাৰ সন্মানীয় জ্যেষ্ঠ সদস্যই কৈ আছে। তেওঁৰ উত্তৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই দি আছে, আপোনালোকে শুনি থাকক।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** মুখ্যমন্ত্ৰী ডাঙৰীয়া যেতিয়া বিত্ত মন্ত্ৰী আছিল তেতিয়া SUHRID আঁচনিখন আনিছিল। সেই আঁচনিৰ অধীনত ২৫ লাখকৈ টকা প্ৰত্যেকটো সমষ্টিত দিছিল। এই fund বোৰ কোনো বিধায়কৰ নহয়, সাধাৰণ দুখীয়া মানুহৰ, ছাত্ৰ-ছাত্ৰী, বেমাৰী মানুহৰ বাবে আছিল। এতিয়া অৰ্থনৈতিকভাৱে ইমান সবল চৰকাৰখনে সেই fund টো কাটি দিলে। গতিকে, অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে সেই fundটো অনুগ্ৰহ কৰি দিয়াৰ ব্যৱস্থা কৰিলে, মই সাহসেৰে কংগ্ৰেছ দলৰ পৰা আপোনালোকক ভূয়সী প্ৰশংসা কৰিম। লগতে, মাননীয় মুখ্যমন্ত্ৰীকো তেওঁৰ দলৰ কিছুমান বিধায়কে, যি সকলে এতিয়া কোৱা নাই, তেওঁলোকেও মুখ্যমন্ত্ৰীক মনে মনে সমৰ্থন কৰিব ..... interruptions ........

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ)ঃ** আপুনি এইবোৰ কথা নক'ব। আপুনি মিছা কথা কৈছে। আমাৰ মনৰ কথা আপুনি কেনেকৈ জানিব ?..... interruptions ........

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, মিছা শব্দ কোৱা বুলি কৈছে, ইয়াত মিছা ক'ব নোৱাৰো..... interruptions ........

**মাননীয় অধ্যক্ষঃ** দিগন্ত কলিতা, আপুনি বহক।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম)ঃ** আমাৰ বিধায়ক সকলে SUHRIDতকৈ বেছি পাইছে। সকলো সন্তুষ্ট আছে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** বিধানসভাত মুখ্যমন্ত্ৰী ডাঙৰীয়াই কোৱা কথাটো মই exactly কৈ দিছো- আমাৰ বিধায়কসকলে SUHRID তকৈ বেছি পাইছে, গতিকে নালাগে। অধ্যক্ষ মহোদয়, সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাত ই সুস্থ পৰিৱেশ নহয়। ই এক অশুভ কথা-বতৰা। 'আমাৰ মানুহ' বুলি মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেৱল বিজেপিৰ কথা কৈছে..... interruptions ........

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** লগত AGP ও আছে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, ই কোনো প্ৰকাৰে সুস্থ পৰিৱেশ নহয়.... interruptions ........ এনেধৰণৰ মানসিকতাৰে মুখ্যমন্ত্ৰীয়ে কোৱা আৰম্ভ কৰে... interruptions .....

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** অধ্যক্ষ মহোদয়, এনেকৈ ক'লে নহ'ব, এফালে নৰম, আনফালে গৰম।

**माননীয় অধ্যক্ষঃ** মই সকলো সদস্যক অনুৰোধ কৰিছো। আৰু বহুত অংশগ্ৰহণকাৰী আছে, আমাৰ যিহেতু সময়ৰ নাটনি, গতিকে, ৰকিবুল হুছেইন ডাঙৰীয়াক পাঁচ মিনিটিৰ ভিতৰত তেওঁৰ বক্তব্যখিনি ৰাখিব দিয়ক।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, কেবিনেট বৈঠক বাহিৰত কৰিছে, তাত আমাৰ কোনো আপত্তি নাই। মই আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়া এসময়ত যেতিয়া মন্ত্ৰী আছিলো, তেখেতৰ যদি মনত পৰে আমি সিদ্ধান্ত লৈছিলো যে যিহেতু আমি দিল্লীলৈ অহা-যোৱা টিকেটৰ খৰচ বহন কৰিব পাৰো, গতিকে ইয়াৰ খৰচ আমি চৰকাৰৰ পৰা নলওঁ। সেয়েহে, মন্ত্ৰীসকলে বৈঠকলৈ যাওঁতে তেলৰ খৰচ তেওঁলোকে নিজে বহন কৰিবলৈ কোৱাৰ বাবে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো। তেতিয়া অন্ততঃ খৰচ কমোৱাৰ বাৰ্তা এটা যাব। য'ত কেবিনেট হয় তাত এনেকুৱা কিছুমান খৰচ কৰা আমি দেখিবলৈ পাইছিলো যে সেইবোৰ যদি কমাই দি সাধাৰণ ভাৱে কৰা হয় তেন্তে ৰাইজেও ভাল পাব। কেবিনেট ইয়াত কৰিলে ভাল, কিন্তু বাহিৰত যদি কৰা হয়, তেন্তে ইয়াৰ খৰচৰ পৰিমাণ বোধকৰো কোটিৰ ঘৰত যাব ..... interruptions ........

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** ৫ লাখ টকা গৈছে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** ৫ লাখ টকাৰে ১০০ টা পৰিয়াল চলিব পাৰিব। বহুতৰ বাবে ৫ লাখ টকা সৰু মূল্য। অধ্যক্ষ মহোদয়, মই এইখিনি কথাকে ক'লো। কথাৰ মাজত যদি নক'বলগীয়া কথা কৈছো ...... interruptions ........ মই কাকো খোচ মাৰি কথা ক'ব বিচৰা নাই...... interruptions ........

**মাননীয় অধ্যক্ষঃ** যিসকলে শুনিব নিবিচাৰে, বাহিৰত গৈ চাহ-পানী খাই আহক।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, মই কাকো ব্যক্তিগত আক্ৰমণ কৰিব বিচৰা নাই। বক্তব্য ৰাখোতে যদি ক'বনলগীয়া কথা কৈছো, তেন্তে মই দোষ-ক্ৰুটি মাৰ্জনা বিচাৰিছো। বিধান সভাত অন্ততঃ কিছুমান কথা-বতৰা ব্যক্তিগতকৰণ কৰিব নালাগে। তেওঁলোকে যি কৈছে সেইখিনি তেওঁলোকৰ লগত আছে। যদি মই কাৰোবাক ব্যক্তিগতভাৱে আক্ৰমণ কৰি কথা কৈছো, তেন্তে মই সেইখিনি উঠাই লৈছো। কাৰণ মই কাকো ব্যক্তিগত আক্ৰমণ কৰিব বিচৰা নাই, যেতিয়া কৰিম মই কৈ কৰিম .... interruptions .....

**মাননীয় অধ্যক্ষঃ** আপোনালোকে কিয় মন্তব্য দি থাকে? শুনি থাকক চোন।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, সকলো কংগ্ৰেছী আছিল, টিকট নাপাই তালৈ গৈছে.. interruptions ..... কিহৰ বাবে এনেধৰণৰ কথা কৈ আছে? ... interruptions .....

**মাননীয় অধ্যক্ষঃ** ইয়াৰ পিছত অমিয় কুমাৰ ভূএগা ডাঙৰীয়াই ক'ব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি)ঃ** অধ্যক্ষ মহোদয়, আৰ্থিকভাৱে আমাৰ অৱস্থা খুব ভাল নহয়। আৰ্থিকভাৱে টনকিয়াল কৰাৰ বাবে আমি যিমানেই নকওঁ কিয় চৰকাৰ থাকিবই। আমাৰ পৰা positively সহায় লওঁক। আমি সহায় কৰিম। আমাৰ যদি সহায় নালাগে, মৌন হৈ থাকিম। তথাপি ভালকৈ কওঁক। শুনিব পৰা সহিষ্ণুতা লাগিব। এইখিনি সহিষ্ণুতা নাৰাখি যদি বিভিন্ন মন্তব্য দি পৰিৱেশ বেয়া কৰে তেন্তে আমাৰ ৰাজ্যৰ মানুহখিনিৰহে অনিষ্ট হ'ব। অধ্যক্ষ মহোদয়, মই এইখিনি কথাকে ক'লো আৰু যিখিনি positive কথা সেইখিনি মুখ্যমন্ত্ৰী ডাঙৰীয়াই চালি-জাৰি চাব বুলি আশা ৰাখিলো আৰু কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলৰ অলপ সময় লৈ মই ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, কেইটামান কথা অকণমান deliberately বেলেগ

ধৰণে প্ৰচাৰ কৰা হৈছে। প্ৰথম কথাটো হ'ল যে চৰকাৰৰ ঋণৰ ওপৰত এটা issue উঠোৱা হৈছে। আমাৰ চৰকাৰে যি ঋণ লয়, that is governed by the Article 293 of the Constitution of India. তাত স্পষ্টভাৱে লিখা আছে যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ অনুমতি অবিহনে কোনো ঋণ ল'ব নোৱাৰে। আজিকালি নতুনকৈ তাত আৰু এটা কথা যোগ হ'ল যে বিধান সভাত সদনৰ অনুমতি নোলোৱাকৈ কোনেও একো ঋণ ল'ব নোৱাৰে। আমি সদনত যোৱা এপ্ৰিল মাহত FRBM Act খন আনিছিলো। FRBM Act ত GDP ৰ 3.5% ঋণ ল'ব পাৰো বুলি এই সদনে unanimously আমাক authority দিছিল। সেই আইনখনত কোনো সংশোধনীও নাছিল। মোৰ এতিয়াও মনত আছে, আমিনুল ইছলাম ডাঙৰীয়াই বৰঞ্চ কৈছিল যে চৰকাৰে লয় যদি আৰু বঢ়াই লওঁক, আমাৰ কাম হ'ব লাগে। এতিয়া confusion টো হৈছে যে House ত কথা ক'লে মানুহে absolute number টো কয়। আচলতে কংগ্ৰেছ চৰকাৰে যিমান লোন লৈছিল আমিও সিমানে লোন লৈ আছো, এটকাও বেছি লোৱা নাই। যেতিয়া লোনৰ কথা ক'ব মানুহে সম্পদৰ কথা পাহৰি যায়। যেতিয়া বছৰত আমাৰ তিনি লাখ টকা সম্পদ হয়, তেতিয়া আমি ১১ হাজাৰ কোটি টকা লোন ল'ব পাৰো। যেতিয়া বছৰত আমাৰ দুই লাখ টকা সম্পদ হয়, তেতিয়া আমি ৬৫০০ কোটি টকা লোন ল'ব পাৰো। আমাৰ issue টো হৈছে যে অসমত যোৱা তিনিটা বছৰত GDP দ্ৰুতগতিত বৃদ্ধি পাইছে। এই বছৰ probably we will go by 12.5 % even during the Covid period.যোৱাকালি মোক নিৰ্মলা সীতাৰমণ ডাঙৰীয়াই কৈছে, আজি AG ৰ report টো ইয়াত আহিছে ------interruption----

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** এইখন চৰকাৰৰ যোৱা ৭ মাহত মুঠ ঋণ কিমান হ'লগৈ?

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** এই বছৰ মোক ভাৰত চৰকাৰে ল'বলৈ অনুমতি দিছে আৰু অসম বিধান সভাই অনুমতি দিছে ১৬ হাজাৰ কোটি টকা। এইবছৰ মই ১৪ হাজাৰ কোটি টকা লোন ল'ম আৰু আঢ়ৈ হাজাৰ কোটি টকা মই ঘূৰাই দিম। মই গৌৰৱেৰে এই টকা ল'ম With lot of courage and conviction. অহাবছৰ মই ১৮ হাজাৰ কোটি টকা লোন লম, তাৰ পিছৰ বছৰত মই ২২ হাজাৰ কোটি টকা লোন ল'ম। I will grow GDP in that way. আজি যিসকলে Economics ৰ ওপৰত study কৰা নাই, তেওঁলোকে এই কথাটো কৈ আছে। ভাৰত চৰকাৰে লোন লৈ আছে GDP ৰ ৪০ শতাংশ, আমি লৈ আছো GDP ৰ ১৯ শতাংশ, বেঙ্গলৰ আছে ৩৫ শতাংশ, পাঞ্জাৱৰ GDP ৰ ৫২.৫ শতাংশ, ৰাজস্থানৰ GDP ৰ ৩৩ শতাংশ আৰু অসমৰ GDP ৰ ২২ শতাংশ। আমি দেশৰ ভিতৰতে lowest.আপোনালোকে সম্পদৰ ওপৰত focus কৰা নাই। প্ৰতিবছৰে যেনেকৈ Reliance ৰ ৬ লাখ কোটি টকা লোন আছে আৰু income আছে ১০০ লাখ কোটি টকা। এই বছৰ ভগৱানে কৰিলে বাৰ্ষিক উৎপাদন ৪ লাখ ১৫ হাজাৰ কোটি টকা চুমগৈ, নহ'লেও ৪ লাখ ১০ হাজাৰ কোটি টকা। এইটো যোৱা ১০ বছৰত highest. তাৰ বিপৰীতে এইখন অসম বিধান সভাই, মোৰ যিমানদূৰ মনত আছে অখিল গগৈ ডাঙৰীয়াও ইয়াত উপস্থিত আছিল, You have allowed to take 3.5% of the loan.আপোনালোকে আমাক allow কৰিব আৰু আপোনালোকেই আমাক বাহিৰত প্ৰশ্ন কৰিব এইটো কেনেকুৱা ধৰণৰ কথা। Cut Motion ত আপোনালোকে আনিব লাগিছিলে যে Don't take 3.5%, take 3% or 2.5%.FRBM আইনত আপোনালোকে কৈছে যে we can take 3.5%. এইবছৰ আমি খৰছ কৰিম ১ লাখ কোটি টকা। ১ লাখ কোটি টকা নহ'লেও ৯৬ হাজাৰ কোটি টকা আমি খৰছ কৰিমেই। Out of

96000 crore our loan is just 14000 crore, it is very less.আপোনালোকে যেতিয়া RIDF ৰ কথা কয়, সেইটো লোন হয়। তেনেকুৱা হ'লে আপোনালোকে যিসকলে objection কৰি আছে কৈ দিয়ক যে আমি RIDF ৰ লোন নলওঁ বুলি। This is a scheme from loan. World Bank বা ADB ৰ যিমান কাম আপোনালোকৰ সমষ্টিত হৈ আছে সকলো World Bank ৰ লোনে হয়। আমি সম্পদৰ ওপৰতহে লোন ল'ব পাৰিছো। চৰকাৰে এনেই লোন নিদিয়ে। প্ৰতিবছৰে আমাৰ লোনৰ পৰিমাণ কমি গৈ আছে কাৰণ আমাৰ GDP টো বাঢ়ি গৈ আছে। আমি লোন বেচিকৈ ঘূৰাই আছো। ৫ বছৰ আগতে অসম চৰকাৰে ৭০০ কোটি টকাৰ ঋণ ঘুৰাই দিছিলে, এতিয়া আমি আঢ়ৈ হাজাৰ কোটি টকা ঘূৰাই আছো। We are not feeling any pain.

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** এতিয়া per capita loan কিমান হৈ আছে?

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** Per capita loan টো কমি গৈ আছে কাৰণ per capita টো বাঢ়ি গৈ আছে। Assam Government is comfortable in taking the loan. AG report এইবাৰ আহিছে যে tax GDP ratio অসমত stable আৰু মই বিচাৰিছো যে capital project ৰ কাৰণে আমি আৰু লোন ল'ব লাগে যাতে অসমে বাকী ৰাজ্যৰ লগত ফেৰ মাৰিব পাৰে। Capital expenditure ৰ কাৰণে মোৰ target হ'ল অসমৰ প্ৰতিখন জিলাত এখন Medical College হ'ব লাগে। আপোনালোকে যদি মোক Capital project ৰ কাৰণে লোন ল'ব নিদিয়ে তেনেহ'লে মই টকাটো কৰ পৰা পাম ? আপুনিও সিদিনাখন মোৰ ওচৰত list লৈ আহিছিলে যে শিৱসাগৰত ইমানখিনি ৰাস্তা বনাব লাগে। যদি মই Capital project ৰ কাৰণে লোন লওঁ it is a deliberate conspiracy to derail Assam development. পাঞ্জাৱ, বেঙ্গল, মেঘালয়, অৰুণাচল সকলোৱে লোন লৈ আগুৱাব আৰু অসম দুখীয়া হৈ থাকিব নেকি ? যিমানে Capital ত investment বেছি হ'ব সিমানেই অসম ধনী হ'ব। কভিড'ৰ সময়ত ১২ শতাংশ GDP growth ধেমালি কথা নহয়। গতিকে যিসকলে এই বিষয়টোৰ ওপৰত কথা ক'বলৈ খোজে তিনিটা thumbrule বুজি ল'ব লাগিব। অসম চৰকাৰে লোন ল'ব নোৱাৰে without permission of the Assam Assembly, অসম চৰকাৰে লোন ল'ব নোৱাৰে without permission of the Government of India,অসম চৰকাৰে লোন ল'ব নোৱাৰে without permission of the RBI.এই তিনিটা criteria fulfill কৰাৰ পাছত আমি লোন ল'ম আৰু লোন ঘুৰাই দিয়াত এদিনৰ কাৰণে দেৰী কৰিলেও আমাক লোন নিদিয়ে। আমি এই সকলোবিলাক obligation meetup কৰি আছো। We are a growing economic today. ৭০ বছৰত মাত্ৰ তিনিখন মেডিকেল কলেজ হৈছিল আৰু বেছি বঢ়াব পৰা নাছিল because of this conservative attitude.We have changed the government policy and the people have voted us for this. এতিয়া আমি দুটা scheme লৈছো যে ধুবুৰীৰ পৰা চিলাপথাৰ লৈকে আমি যদি এটা special economic corridor বনাও গোহাঁই কমল আলিটো লৈ তেতিয়া আমি এতিয়াতকৈ আঢ়ৈ ঘন্টা কম সময়ৰ ভিতৰত চিলাপথাৰত উপস্থিত হ'ব পাৰিম। তাৰকাৰণে ১০ হাজাৰ কোটি টকা ল'ব লগা হয় মই কিয় নল'ম? যোগী আদিত্য নাথে ৫৫ হাজাৰ কোটি টকা লোন লৈছে, মমতা বেনাৰ্জীয়ে লৈছে, কেৰেলাই লৈছে। ভাৰতত আটাইতকৈ বেছিকৈ লোন লয় কেৰেলা চৰকাৰে। আজি মই নাজানো কি ধৰণে CPM ৰ বিধায়কে ইয়াত

লোনৰ বিৰোধিতা কৰি আছে। আজি CPM politburo maximum member আছে কেৰেলা চৰকাৰত। কেৰেলাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই অনুৰোধ কৰিছে যে লোনটো ৩.৫ শতাংশৰ ঠাইত ৪.৫ শতাংশ কৰিব লাগে বুলি ক'ব লাগে। কেৰেলাত GDP ৰ ৬৫ শতাংশ লোন আছে against 22% of Assam.But Kerala is a model state. কেৰেলাক আমি অনুকৰণ কৰো। ইয়াত কোনো দ্বিমত নাই। স্বাস্থ্য খণ্ডত কেৰেলাৰ যিটো বৈভৱ সেইটোত কোনো দোষ নাই। কেৰেলাক যদি মই অনুকৰণ কৰিব পাৰো তেতিয়াহ'লে মই গৌৰৱ অনুভৱ কৰিম। কেৰেলাই ভালদৰে জানে যে আমি যদি ভালদৰে invest কৰো তেতিয়াহ'লে আমি ভাল return পাম। আজি লোনৰ কথা কৈ deliberate conspiracy কৰা হৈ আছে যাতে ৰাজ্যবিলাকৰ প্ৰতিযোগিতাত অসম পিছুৱাই যায়। We have just taken 14000 crore. Next year we will take 18000 crore and in the following year i will take 22000 crore loan. আজি যিসকলে article লিখি আছে লোনৰ ওপৰত বেছিভাগেই leftist economist.Let them go to Kerala. আজি মমতা বেনাৰ্জীৰ দৰে আদৰ্শনীয় নেত্ৰী কোনো নাই। তেওঁৰ ৰাজ্যত গৈ চাই আহক, পঞ্জাৱত গৈ চাই আহক। যদি আপোনালোকে অসমত কিবা পঠাব খুজিছে তেতিয়াহ'লে হজৰত মহম্মদে কোৰাৰ দৰে মিঠাই খোৱা স্বভাৱ বাদ দি আমাক মিঠাই খুৱাবলৈ কওঁক। কওঁক যে পঞ্জাৱত কংগ্ৰেছে লোন লোৱা বন্ধ কৰি দিয়ক। ৰাজস্থানত লোন লোৱা বন্ধ কৰি দিয়ক। তাৰ পিছত আমাক কওঁক। আজি ৩.৫ পাৰ্চেন্ট এনুৱেলী যিটো লোন মই ল'ব পাৰো, যিটো লোনৰ পৰিমান তৰুণ গগৈ ডাঙৰীয়াৰ দিনত ৬ হাজাৰ কোটি টকা আছিল। আজি আমি ১৪ হাজাৰ কোটি টকা পালোগৈ। This is a development index. আমি গ্ৰো কৰি আছো কাৰণ We have not breach 3.5 per cent. ৩.৫ পাৰ্চেন্টৰ ভেলু তৰুণ গগৈ ডাঙৰীয়াৰ দিনত ৬ হাজাৰ কোটি টকা আছিল আজি ৩.৫ পাৰ্চেন্টৰ ভেল্যু ১৪ হাজাৰ কোটি টকা হ'ল। We should be feel previlage যে আমাৰ অসমৰ ইক'ন'মি আজি এনেকৈ গ্ৰো কৰিছে। এতিয়া মই লোন লোৱা তিনিটা- চাৰিটা কথা কৈ আছো। আমি আৰু কেইটামান লোন ল'ব খুজিছো। আমি এটা লোন ল'ব খুজিছো Bridge project ৰ ওপৰত । "যাক যাক নালাগে কৈ দিব যে মোক লোনৰ আঁচনি নালাগে। কাক কাক লাগে হাউচত ক'ব। আৰু এটা কথা লোনৰ বিষয়ে গৌৰৱেৰে মই এটা কথা হাউচত ঘোষণা কৰিব খুজিছো। পৰহি দিনা আমি কথা পাতিছো । চিঠিখন আহি আছে মই ৱেবচাইটৰ পৰা উলিয়াই দিছো। প্ৰথমে, আমি এটা লোন নিগোচিয়েট কৰিছো -- সেইটো ৫ হাজাৰ কোটি টকাৰ লোন হ'ব। সেই টকাৰে আমি অসমৰ নদীবিলাকত আমি ১৯০০ খন ব্ৰীজ নিৰ্মাণ কৰিম। চেকেণ্ড লোনটো আমি ল'ব খুজিছো যে অসমৰ গোটেইকেইখন মেডিকেল কলেজত চুপাৰ স্পেচিয়েলিষ্ট ব্লক লগাম । তাৰ বাবে 'জাইকা' ই এপ্ৰোভ কৰিছে ৩ হাজাৰ কোটি টকাৰ লোন । দুয়োটা মিলি মুঠ ৮ হাজাৰ কোটি টকাৰ লোন হ'ব । ৫ হাজাৰ কোটি টকা ল'ম ব্ৰীজৰ কাৰণে আৰু ৩ হাজাৰ কোটি ল'ম শিলচৰ মেডিকেল কলেজ, ডিব্ৰুগড় মেডিকেল কলেজ, গুৱাহাটী মেডিকেল কলেজ আৰু বৰপেটা মেডিকেল কলেজত চুপাৰ স্পেচিয়েলিটি ব্লক লগাবৰ কাৰণে। থাৰ্ড লোন এটা ল'ব খুজিছো এই কেইদিনতে সেইটো হ'ব ২৫শ কোটি টকাৰ লোন। যিবিলাক ঠাইত মেডিকেল কলেজ নহয় সেইবিলাক ঠাইত আমি ডিষ্ট্ৰিক্ট হস্পিটেল বনাম which can be converted into a medical College in due course of time. ফোৰ্থ আমি এটা লোন ল'বলৈ গৈ আছো 'আই' নদী আৰু ডিব্ৰুগড় জিলাত মথাউৰি নিৰ্মাণৰ বাবে, চেকেণ্ড আমি আৰু ৩ টা মথাউৰী

নির্মাণৰ বাবে লোণৰ বাবে এচিয়ান ডেভল'পমেন্ট বেংকৰ লগত কথা পাতিছো। গতিকে মই গৌৰৱবোধ কৰিছো মইতো এতিয়া মানুহৰ মাজত যাম যে এইখিনি কাম মই কৰিছো আৰু লোনৰ ৰিটাৰ্ণ উইথ ইন্টাৰেষ্ট এদিনো লেপ্‌চ নোহোৱাকৈ ঘূৰাই দিম। যদি ৩০ তাৰিখে ঘূৰাব লাগে আমি ২৮ তাৰিখেংঘূৰাই দিম।

**বিৰোধীৰ উক্তি ঃ** কেৱল ইন্টাৰেষ্টটোহে ঘূৰাই দিব নেকি?

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** আপোনালোকে সৰু ল'ৰাৰ দৰে কথা কৈছে। Interest ৰ লগত Principal নিদিলে বেংকে মানিব নেকি? মই মুখ্যমন্ত্ৰী থকা লৈকে আৰু মোৰ পিছৰ মুখ্যমন্ত্ৰীসকলেও প্ৰাউডলী লোন ল'ব আৰু প্ৰাউডলী ঘূৰাইও দিব। এতিয়া আমি এটা লোন লৈছো, অখিল গগৈ ডাঙৰীয়াই বেয়া পালেও ক'ব পাৰিব যে শিৱসাগৰৰ পৰা চৰাইদেওলৈকে যোৱা ৰাস্তাটোৰ বাবে ২৫০ কোটি টকা লোন লৈছো। লোনতো ল'ব লাগিব-

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** সকলোখিনি আপোনাৰ লোনেই নেকি? ৰেভিনিউ একো নাই নেকি? ইমানখিনি কথা ক'লে সকলোখিনি লোনেই।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** ঠিক আছে- নন লোনৰ কথাও শুনক। 'অৰুণোদয়' আঁচনিৰ যিটো টকা দিছো সেইটো নন লোন। মাইক্ৰ'ফাইনেন্সৰ যিটো টকা ঘূৰাই দিছো সেইটোও নন লোন। লক্ষীমপুৰত যিটো মেডিকেল কলেজ বনাইছো সেইটো নন লোন। গুৱাহাটীত দ্বিতীয়খন মেডিকেল কলেজ হ'বলৈ গৈ আছে সেইখন নন লোন। বৰপেটাত, তেজপুৰত মেডিকেল কলেজ হৈছে এইবিলাক নন লোন। গতিকে নন লোনৰ লিষ্টখন হ'ল ৫৫ হাজাৰ কোটি টকা আৰু লোনৰ লিষ্টখন হ'ল ১৪ হাজাৰ কোটি টকা।

গতিকে মাননীয় অধ্যক্ষ মহোদয়, চেকেণ্ড কথাটো হ'ল- যে মই এটা ৰিকুৱেষ্ট কৰিম যে যিসকলে অন প্ৰিঞ্চিপুল লোন অপোছড কৰে তেওঁলোকে নিজৰ ফালৰ পৰা নিজৰ সমষ্ঠিত কৈ দিয়ক যে, লোনৰ আঁচনি নালাগে বুলি। I will be happy শিৱসাগৰ মেডিকেল কলেজৰ বাবে মই নাৱাৰ্ডৰ লগত কথা পাতি আছো লোনৰ কাৰনে, নালাগে যদি কৈ দিয়ক।

মাননীয় অধ্যক্ষ মহোদয়, চেকেণ্ড কথাটো আহিলে এম এল এ ফাণ্ডৰ , মোৰ ইয়াত থকা ৰেকৰ্ডমতে কৈছো যে, এম এল এ ফাণ্ডত আগতে দিয়ে ৫০ লাখ - ৬০ লাখ। এইবাৰ আমি দিছো ৮০ লাখ আৰু ২০ লাখ। এইটোত আমাক কিয় বেয়া পাই আছে সেইটো মই বুজি পোৱা নাই।

**বিৰোধীৰ উক্তি ঃ** আমি ৫৬ লাখ পাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** যদি ৫৬ লাখ পাইছে তথাপিও ৫০ঃ৫০, ৩১ মাৰ্চৰ আগত ১ কোটি সদায় পায় - এইবাৰো পাবই। তাততো কোনো নতুন কথা হোৱা নাই। 'সুহৃদ' আঁচনিখন আমি বন্ধ কৰিছো কাৰণ এম এল এ টকা দিব নালাগে।

- সদনত হুলস্থূল-

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মুখ্যমন্ত্ৰী মহোদয় আমাক 'সুহৃদ' আঁচনি লাগে। বন্ধ কৰা বাবে অসুবিধা হৈছে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** শিৱসাগৰৰ সন্মানীয় বিধায়কে কৈছে 'সুহৃদ' আঁচনি লাগে । মই শুনিছো , ঠিক আছে সেইটো বেলেগ কথা, যেতিয়া উত্তৰ দিয়াৰ সময় হ'ব তেতিয়া ক'ম। আমাৰ যেতিয়া বাজেট দিয়ে তেতিয়া আপোনালোকে বাজেট ডিচকাশ্যনৰ সময়ত চাব যে কোনটো টকা ক'ৰ পৰা আহে। অসমৰ এই বছৰৰ বাজেটত ১ লাখ ২৭ হাজাৰ কোটি টকা ধৰা হৈছে। ১ লাখ ২৭ হাজাৰ কোটি টকা আমাৰ ডিপাৰ্টমেন্টে খৰছ কৰিব নোৱাৰে । We will

go near 96 Thousand Crore, componant of Loan is just Fourteen Thousand Crore. আৰু কেৰেলা বা আন ৰাজ্যতকৈ বহুত কম। সেই কাৰণে মই হাউচক এটা প্ৰ'পোছ কৰিব খোজো Let There be a Five Members Committee of House এটা টীম হৈ আপোনালোকে কৰ্ণাটকত যাওক , অন্ধ্ৰপ্ৰদেশত যাওক , কেৰেলাত যাওক, কাৰণ এই ডিবেটটো শেষ হ'ব লাগে। তাৰে বিত্ত মন্ত্ৰীসকলৰ লগত কথা পাতক যে আপোনালোকে কিয় এনেকৈ লোন লৈছে। মই ভাবো তেতিয়া আপোনালোকৰ মাইণ্ড ক্লিয়েৰ হৈ যাব। আমাতকৈ বহু বেছি লোন লোৱা ৰাজ্যৰ লিষ্ট আমি আপোনালোকক দিম। অৰুণাচল গৰ্ভমেন্টৰ আজি লোন হৈছে - ফোৰ্টি এইট পাৰ্চেন্ট অৱ জি ডি পি। আপোনালোকৰ মাইণ্ডটো ক্লিয়েৰ হৈ যাব যে, কেপিটেল প্ৰজেক্টৰ বাবে কোনোৱাই যদি লোন নলয়- মেঘালয়ৰ হাতত যদি আজি ১৫ হাজাৰ কোটি টকা বেছি পৰি যায়, বেংগলৰ হাতত যদি ৩০ হাজাৰ কোটি টকা বেছি পৰি যায় আৰু অসমৰ হাতত যদি ১৪ হাজাৰ কোটি টকা নপৰে - কোনেওতো ঘুৰাই দিব নালাগে- চেন্ট্ৰেল গৰ্ভমেন্টে এইড কৰি দিয়ে যেতিয়া দৰকাৰ হয়। স্মল চেভিংছৰ ওপৰত বেংগলৰ লোন আছিল ১০ হাজাৰ কোটি টকা । বিধায়কসকলে প্ৰশ্ন সোধে মূৰৰ ওপৰত ধাৰ, মূৰৰ ওপৰত ধাৰ - চেন্ট্ৰেল গৰ্ভমেন্টৰ এইড যে ঘূৰাই দিব নালাগে। পাৱলিকৰ পৰাতো টকা তোলা নাই যে ঘূৰাই দিব লাগিব। এতিয়া আপোনালোকে এটা আচৰিত কথা আনি আছে যে, ৰেভিনিউ বঢ়াব লাগে। এতিয়া আমি ক'ৰ পৰা ৰেভিনিউ বঢ়াম। আপোনালোকে যদি ৰেভিনিউ বঢ়াব লাগে বুলি কয় , যদি কয় যে দুখীয়া মানুহখিনিৰ ওপৰত টেক্সেশ্যন বঢ়াই দিয়ক তাতকৈ দুখৰ কথা কি হ'ব পাৰে? মই এই কথাটো বুজি পোৱা নাই , আপোনালোকে মোক চেলেঞ্জ কৰি আছে যে ৰেভিনিউ কিয় নাবাঢ়ে। ৰেভিনিউ বাঢ়িব- যদি আমি মাটিৰ ওপৰত খাজনা লওঁ । আমিতো মাটিৰ ওপৰত খাজনা লোৱা নাই। ভাৰতৰ ভিতৰত অসমত পেট্ৰ'লৰ টেক্সৰ ৰেট আটাইতকৈ ক'ম। আমি তেন্তে বঢ়াব লাগিব। অপোজিশ্যনে কিয় আমাক টেক্স বঢ়াবলৈ প্ৰভোক কৰে। অসম চৰকাৰৰ ৩ ৰেভিনিউ- এটা হ'ল লেণ্ড, এটা হ'ল - পেট্ৰ'ল, ডিজেল আৰু এটা মদ । এই কেইটাত আমি ৰেভিনিউ লগাব পাৰো, বাকীতো একোতে লগাব নোৱাৰো। আমাৰ হাতত মাত্ৰ ৫ টা ৰেভিনিউ পাৱাৰ- মাটিৰ খাজনা, ষ্টাম্প আৰু ৰেজিষ্ট্ৰেশ্যন, আনটো ব্লক- হ'ল এক্সাইজ, আনটো ব্লক হ'ল- পেট্ৰ'ল- ডিজেল। নহ'লে আমি এ এচ টি চিৰ টিকেটৰ দাম বঢ়াব লাগিব। এতিয়া এ এচ ই বিয়ে প্ৰতিবছৰে আমাৰ পৰা ২০০০ কোটি টকা লয়। আমি দিওঁ , নিদিলে টেৰিফ বঢ়াব লাগিব। পাৱলিকে দিব লাগিব। মই আজি মিলাই আছো উইদাউট টেক্সেশ্যন । আপোনালোকে যদি কয় টেক্স লগাওক সেইটো কেনেকৈ হ'ব?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** টেক্স বঢ়াবলৈ আমি কোৱা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** যদি ৰেভিনিউ এক্সপেণ্ডিচাৰ ক'মাব লাগে মই ত্ৰিপুৰাৰ দৰে কৰিব লাগিব ডি এ চেন্ট্ৰেলৰ সমান দিব নালাগিব। লোনটো আপোনাৰ কাৰণে লৈ আছো। আপুনি আৰ আই ডি এফৰ স্কীম পাই আছে। তেনেহলে মই ত্ৰিপুৰাৰ দৰে হ'ব লাগিব, ডি এ কেন্দ্ৰীয় চৰকাৰৰ সমান দিব নালাগিব। লোনটো আপোনাৰ কাৰণে লৈ আছোঁ। আপুনিয়ে আৰ আই ডি এফৰ আঁচনি পাই আছে। আপোনাৰ কাৰণেহে লোন লৈ আছো। আজি যদি আপোনালোকে যি সকলে লোনৰ বিৰোধিতা কৰে তেওঁলোকে মিঠাইটো খোৱাৰ বেলেগক উপদেশ দিয়াৰ আগতে নিজেই মিঠাইটো এৰক। যে আমাৰ সমষ্টিত লোন লৈ একো আঁচনি নিদিব। কৈ দিয়ক চোন let that be a beginning, যে মোৰ ৰাজনৈতিক দলটোৱে একো লোন নলয়। আমি কংগ্ৰেছ হাই

কামাগুক অনুৰোধ কৰিম যে walking Committee য়ে Resolution ল'ব No Congress Rule state will take Loan. পাঞ্জাৱে লোন লৈ আগুৱাই যাব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অসমৰ ৰাইজৰ কাৰণে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** শুনক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** ৰাজ্যখনৰ অৰ্থনীতিৰ বিষয়ে কিবা এটা কওঁতে আপুনি সেইটো ড্ৰাইভাৰ্ট কৰি নি।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** ৰ'ব, অৰ্থনীতিৰ ওপৰত আলোচনা কৰোতে ১৯৯১ চনত কোনে কংগ্ৰেছত গ'ল, কোনে বিজেপিত গ'ল সেইটো diversion নহয়। কোনে কংগ্ৰেছৰ টিকত নাপাই ক'ত গ'ল সেইটো diversion নহয়। তেতিয়াহলে এতিয়া, গতিকে যেতিয়া বালিলৈকে যি পাত পৰিব শৰ, সেইটো সুগ্ৰিবলৈও একেপাতে পৰিব। সেইটো কেনেকৈ বেলেগ পৰিব। আজিৰ ঘটনাটো হ'ল যে, মূল কথাটোৰ মই এটা constructive suggestion আপোনাক দিম যে বেলেগ ৰাজ্য বিলাকতো গৈ কথা পাতক যে অসমে কিবা অৎভূত কাম এটা কৰি আছে নেকি? মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ নেতৃত্বত এটা ৫ জনীয়া কমিটি হওঁক আৰু গৈ, মই প্ৰস্তাৱিত, অধ্যক্ষই কৰিব। নহলে বেঙ্গ'লত যাওঁক অখিল গগৈৰ নেতৃত্বত। টিমটো ভালহৈ যাব। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অসমৰ ৰাইজত এটা আশ্বাস দিব সুজিছোঁ যে our borrowing is within limit interest and principle payment, we are doing diligently আৰু অসমৰ লোন ভাৰতৰ contextত আটাইতকৈ কম by the percentage of GDB. আপোলোকে যিহেতু এটা white paperৰ কথা কৈছে, মই অহা চেচনত এটা হোৱাইট পেপাৰ আপোনালোকৰ আগত দিম, য'ত জানিব পাৰিব যে ভাৰতৰ ভিতৰত আটাইতকৈ অসমৰে কম। হৈ গ'ল এইটো। ইমান সাধাৰণ কথা।

**শ্ৰীকমালক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** Per capital.

**মাননীয় মুখ্যমন্ত্ৰী ঃ** দি দিম, ইয়াৰ লুকাব লগীয়া কি? আপোনালোকে আচলতে কিয় খুজি আছে মই নাজানো। তিনি বছৰ আগত দেৱব্ৰত শইকীয়া ডাঙৰীয়াই কৈছিল যে economics statistics ৰ ৰিপোৰ্টখন আজি কালি বাজেটৰ লগত নাহে। তেখেতৰ পৰামৰ্শ শুনি শেষৰ ৩ বছৰ আমি বাজেটৰ লগত সদায় economics statisticsৰ ৰাষ্ট্ৰীয় পৰিসংখ্যাটো দি দিওঁ। তাত per capita, rice production, timber production, oil production লিখা থাকে, এইখন আচলতে হোৱাইট পেপাৰ কিয় খুজিছে আপোনালোকে, নাজানো। White paper was there with you in the month of April. যেতিয়া বাইদেউৱে প্ৰথম বাজেট দিছিল লগত দিয়াই আছিল। এইবাৰ আপোনালোকে আকৌ খুজিছে same book খন মই circulate কৰি দিম, but with a specific focus on the public debt. কৈ দিম, ইয়াত কি লুকাবলগীয়া আছে? সদায় সদায় এখন notification পেপাৰ দি, আজি ৬০০ কোটি লোন লোৱা, আজি ৭০০ কোটি লোন লোৱা, একেইবাৰতে আমি কিয় নলওঁ  সেইটো বুজাই দিছোঁ, সদায় সদায় এখন press conference কৰিব প্ৰয়োজনেই নাই, একেইবাৰতে যদি লওঁ, কাৰণ লোন আপুনি লুকাই ল'ব নোৱাৰে, Government notification দিব লাগে যে we are taking borrowing. মই যদি ১৪০০০ কোটি টকা একেলগতে লওঁ it is a front loading হৈ যায়। তাৰমানে ৯ মাহৰ সুত দিব লাগিব আৰু আমি চিলনীৰ দৰে ৰিজাৰ্ভ বেংকত চাই থাকোঁ, যেতিয়াই ৭ শতাংশৰ তলত সুত থাকে তেতিয়াই লোনটো আমি বেছি লৈ

লওঁ। আমাৰ গোটেই calculation হ'ল যে এই বছৰ আমি মুঠ ১৪০০০ কোটি টকা লোন ল'ম আৰু আঢ়ৈ হাজাৰ কোটি টকা ঘুৰাই দিম। এই বছৰ। অহাবছৰ আমি ঘূৰাই দিব লাগিব প্ৰায় আঢ়ৈ হাজাৰ। তাৰপিছৰ বছৰ আমি ঘূৰাই দিব লাগিব ৭০০০ কোটি টকা, we are capable enough. আমি লোনো ঘুৰাই দিব পাৰিম, লোন ল'বও পাৰিম, we will not be defaulted. কাৰণ আমি বিধান সভাত যিটো আইনে আমাক কৈছে যে ৩.৫, আমি ৩.৫ ক্ৰছ কৰা নাই। Finally আৰু এটা বিজ্ঞাপনৰ কথা ওলাইছিলে, অসমৰ মেডিয়াতে আটাইতকৈ মানুহৰ নিয়োগ হৈ আছে ১০০০০। গতিকে বিজ্ঞাপন মই জানিবুজি এইবাৰ পিয়ুষ হাজৰিকাক কৈছো অলপ বঢ়াই দিয়ক, কাৰণ কভিডৰ কাৰণে কোনো পেপাৰে বিজ্ঞাপন পোৱা নাই। ব্যৱসায় বন্ধ হৈ আছিল। চৰকাৰেটো support কৰিব লাগিব। চৰকাৰেটো এনেকৈ support কৰিব নোৱাৰে। গতিকে through advertisement আমি support কৰিছোঁ।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** তাৰ বিনিময়ত চৰকাৰকো support দিব লাগিব।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** সেইটো মমতা বেনাৰ্জীয়ে কৈছিল, আমি কোৱা নাই। মমতা বেনাৰ্জীৰ ভিডিঅ' এটা মই অখিল গগৈ ডাঙৰীয়াক পঠিয়াই দিম। মমতা বেনাৰ্জীয়ে কৈছে যে যোন ঐ চুন, তেওঁৰ শব্দটো এনেকুৱা, আপুনি সন্মান কৰে ন নেতৃ গৰাকীক, তেওঁ কৈছে ঐ চুন, যোন চৰকাৰৰ বিৰুদ্ধে নিগেটিভ বলবো অনেক এক টকাৰ বিজ্ঞাপন দেন না। যো পজিটিভ কথা বলবে ওনেকে দেন। আপোনাৰ মোবাইলত গৈ পালে, পিয়ুষে পঠালেই। এতিয়া ঘটনা হ'ল যে অসমৰ বাতৰি কাকতে আজিলৈকে মোক যিমান চাবোনৰ ধূলাই দিছে পৃথিৱীত কাকো দিয়া নাই আৰু অখিল গগৈক যিমান পাব্লিছিটি দিছে কাকো দিয়া নাই আজিলৈকে। এই দুটাটো সত্য কথা।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** আপোনাক দিবলগীয়া হৈছে, কাম তেনেকুৱা কৰিছে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** শুনক, এতিয়া মোক দিবলগীয়া হোৱাৰ পিছত ৰাইজৰ মৰমটো কিন্তু মোলৈকে বাঢ়ি আছে। অলপতে থাওৱাটো দেখিলোঁ গতিকে ৰাইজৰ মৰম বাঢ়ি আছে। কিন্তু চাবোনৰ ধূলাই যিমান মোক দিছে সিমান কাকো দিয়া নাই।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** থাওৰাত কিন্তু ভাল ভয়ো খালে আপোনালোকে।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** সেইটো বেলেগ কথা। ১৫০০০ ভোট কমিছে ভয় খামেই। যি নহওঁক, আৰু যদি বেলেগ মানুহ হ'লহেঁতেন অসমৰ মেডিয়াৰ মোৰ ওপৰত যিমান অত্যাচাৰ আছিল, বেলেগ মানুহ হ'লে ইমান দিন চুইচাইড কৰি দিলেহেঁতেনঙ্গ মোক মাৰ্ডাৰাৰো বনালে, হত্যাকাৰীও বনালে, যিমান মোৰ ওপৰত অত্যাচাৰ কৰিছে, সেইটোত বেলেগ হলে চুচাইড কৰি দিলেহেতেন। কিন্তু তথাপিতো মই আজি ইয়াত সজোৰে কৈছোঁ যে media needs support now এই সময়ত, গতিকে অসমৰ মেডিয়াই যদি অলপ দুটকা বেছি পাইছে সেইটো আপোনালোকে বেয়া পাব নালাগে। যেতিয়াই public advertise বাঢ়িব আমি মেডিয়া advertise টো কমাব চাম।

**শ্ৰীআবুল বাতিন খণ্ডকাৰ (উত্তৰ অভয়াপুৰী) ঃ** চাৰ, মই নতুন সদস্য হিচাপে এটা কথা কব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো ক'লে, আমাক যি কৈছে যে in principle লোন লোৱাত আমি কোনো oppose কৰা নাই, in principle লওঁক। সেইটো এটা ৰেকৰ্ডত থাকিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** কি ক'লে?

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** মানে লোন যে লৈছে in principle একেবাৰে লোন নোলোৱাটো আমি বিৰোধীতা কৰা নাই। অতিৰিক্ত কৰ, additional taxটোৰ আমি বিৰোধীতা কৰিছোঁ। আৰু কৈছো যে এই চৰকাৰ খনেই তৰুন গগৈ ডাঙৰীয়াই ১০০০০ কোটি টকা লওঁতে হুলস্থুল কৰিলে যে অসমক ধাৰুৱা কৰি দিছে। মই এইটো ৰেকৰ্ডত কৈছোঁ, দেখুৱাই দিম। টক্ চো ও চলিছিল। গতিকে ১০০০০ কোটি টকা লওঁতে আপোনালোকে কৈছিল। ভাল হৈছে, কিন্তু মই এটা বুজি নাপাও মই এতিয়া এখন ঘৰৰ মুৰব্বী মই টেক্স লৈ নিজৰ ল'ৰা-ছোৱালীক ভালকৈ চলোৱাটো মোৰ কেনে ধৰণৰ credit, মই যদি কাৰোবাৰ পৰা ধাৰ লওঁ, সেই ধাৰৰ পইচাৰেটো মোৰ ল'ৰা-ছোৱালীক ভালকৈ চলাবই পাৰিম। মোৰ অন্যপ্ৰকাৰে আয় কিমান, উপাৰ্জন কিমান, ধাৰধূৰ নোলোৱাকৈ সেইটোহে চৰকাৰৰখনৰ এটা কৃতকাৰ্য্যতা। গতিকে অধ্যক্ষ মহোদয়, বহু সময় ললে মই শুনি আছিলোঁ। এখন চৰকাৰে ধাৰ লৈছে, ধাৰ লৈ এশ টকা লৈ ১০ টা ল'ৰাক ১০ টকা ১০ টকাকৈ দিছে, সেইটো কেনেকৈ মোৰ financial management হ'ল? মোৰ financial management হ'ব যে মই বিভিন্ন প্ৰকাৰে নিজৰ চিন্তা চৰ্চাৰে নিজৰ কষ্টৰে উপাৰ্জন কৰিছোঁ, সেই উপাৰ্জনৰে নিজৰ ল'ৰা-ছোৱালীক ভালকৈ চলাইছোঁ, সেইটোহে আপোনাৰ হ'ব। আজি ধাৰ লৈ চলোৱাটো credit হ'ব নোৱাৰে, compound interest দিব লগীয়া হৈছে, সুতেই নহয়, compound interest, কৰেই নহয় অতিৰিক্ত কৰ। গতিকে in principle যিটো কৈছে সেইটোত আমি আপত্তি কৰা নাই। তেওঁলোকে অতিৰিক্ত কৰ লগাব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** মুখ্যমন্ত্ৰী ডাঙৰীয়াই কব।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** কিন্তু তেওঁলোকে in principle ১০০০০ কোটি টকা লওঁতে তৰুন গগৈ ডাঙৰীয়াক ইয়াত থকাসৰকা কৰি দিছিল, তেতিয়া মানুহে ভাৱিছিল যে এই চৰকাৰখনে ধাৰ নলয়। সেই কথাটোকে মই উপস্থাপন কৰিছোঁ।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আজি কিয় ওলাল নাজানো, ৫ বছৰ মই বিত্তমন্ত্ৰী হৈ থকাৰ সময়ত বাৰে বাৰে কৈছো যে বিজেপিয়ে ৩.৫ শতাংশ লোন লোৱাটো চাপোৰ্ট কৰে। আমিটো নিজেই আইন আনিছো দেখোন FRBM. এই বিতৰ্কটো আজি কিয় হৈছে মই নাজানো, এফ আৰ বি এমটো আপোনালোকে পাছ কৰি দিছে যে ৩.৫ শতাংশ লব পাৰে। ক্ৰেডিট এইটোৰে যে বাকী মানুহে গোটেই ধাৰত পোত গৈ থাকে আমি ৮৪০০০ কোটি টকা নিজে খৰচ কৰো মাত্ৰ ১৪০০০ লোন লওঁ। আৰু এটা যে কৈছে অতিৰিক্ত কৰ, আমি কোনো অতিৰিক্ত কৰ লগোৱা নাই আজিৰ দিনলৈকে। আমাৰ কোনো অতিৰিক্ত কৰ নাই। কোনোৱাই যদি কয় অসম ৰাজ্য চৰকাৰে কিবা অতিৰিক্ত কৰ লগাইছে, মই আজিয়ে Withdraw কৰি দিম। যদি এনেকুৱা কিবা প্ৰমাণ আপোনালোকৰ লগত আছে নেকি যে Assam Government has imposed any additional tax, যি বেংগল, অৰুণাচল, পাঞ্জাৱ আদি ৰাজ্যতকৈ যদি বেছিকৈ লগাইছো? আমাক কৈ দিব, we will withdraw it, অজানীতে যদি কোনোবাই কৰিছে পেট্ৰল, ডিজেল গোটেই কেইখন কংগ্ৰেছ থকা ৰাজ্যতকৈ আমাৰ ইয়াত পেট্ৰল, ডিজেল আদিৰ কৰ কম। মই এইটো গৌৰৱৰে ক'ব বিচাৰিছো যে আপোনালোকে যদি ভুল প্ৰমাণ কৰিব পাৰে, মই আজিয়েই উঠাই দিম । Excise আদিৰ ক্ষেত্ৰত যি কৰৰ ব্যৱস্থা কৰা হৈছে, সেইটো reasonable হৈছে । মাটিৰ খাজনাৰ ক্ষেত্ৰতো কম টকা লওঁ। বহুতো এইবাৰ ফ্ৰী কৰি দিছো। কাৰোবাৰ হাতত যদি কিবা তথ্য আছে That Assam Government has imposed any additional tax which was not imposed by any other State, we

will withdraw it immediately. মই এইটো সদনৰ ভিতৰত আশ্বাস দিছো ।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ক বহুখিনি কথা কোৱাৰ বাবে ধন্যবাদ জনাইছো । মই কেৱল দুটা মান কথাৰ বিষয়ে অনুৰোধ জনাব বিচাৰিছো যে যোৱা সময়চোৱাত ৰাজ্যখনত যি ৰাজহ ডেফিচিট হৈ আছে আৰু টেক্স লিকেজ হোৱা বুলি বাজেটত প্ৰকাশ পাইছে, সেইটোত গুৰুত্ব দিব লাগে। ২০১৫-২০২০ বিত্তীয় বৰ্ষলৈকে প্ৰায় ২২ শতাংশ কমকৈ ৰাজহ সংগ্ৰহ কৰা হৈছে। এই সময়খিনি ভাৰতৰ অন্যান্য ৰাজ্যত প্ৰায় ৯ শতাংশ কমকৈ ৰাজহ ডেফিচিট হৈছিল। আমাৰ ৰাজ্যত ২৩ শতাংশ লেচ স্পেণ্ডিং হৈছে। দুটা কথা হ'ল- এটা লিকেজ আৰু এটা আমাৰ যিমান কৰিব লাগে কাম, মুখ্যমন্ত্ৰী মহোদয়ে কোৱাৰ নিচিনাকৈ আমি কৰিবও পৰা নাই । Capital liability ৰ ক্ষেত্ৰত ৩৫ শতাংশ কমকৈ স্পেণ্ডিং হৈ আছে যিটো কেপিটেল হ'লে চাকৰি হয় বুলি কয়, সেইখিনি মই চকু দিবলৈ অনুৰোধ জনালো। আৰু ৮০ শতাংশ ৰাজহ Expenditure টো বেছি হোৱাৰ বিষয়টো গুৰুত্ব আৰোপ কৰিবলৈ অনুৰোধ জনাইছো। ৮০ শতাংশ ৰাজহ Expenditure টো বেছি হোৱা বুলি তথ্যত প্ৰকাশ পাইছে । দ্বিতীয়তে, যি SUHRID ৰ কথা কৈছে, আমি SUHRID ৰ সলনিCM Relief fund পাইছো তাৰ বাবে অভিভাৱক বা মিত্ৰ মন্ত্ৰী পৰা অনুমোদন ল'ব লগা হৈছে। নাৰায়ণ হৃদয়ালয়ত আমাৰ বহুতো ল'ৰা-ছোৱালী গৈ ভাল চিকিৎসা লৈ আহিছে তাত ড° দেৱী চেত্ৰীয়ে যেনেকৈ যসস্বীনী নামৰ এটা বিমা কৰিছে, মাত্ৰ মাহেকত ৫ টকা এজন এজন কৃষকে দিব লাগে, আৰু ১৪ লাখ কৃষকে তাত বেনিফিটেড হৈছে, ৬০০ খন হস্পিতালত তেওঁলোকৰ চিকিৎসা হয় বীমা থকাৰ বাবে। আমাৰ অসমত তেনেকুৱা এখন আঁচনি অতি সোনকালে অনাৰ ব্যৱস্থা কৰিবলৈ মই মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছো ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ** অধ্যক্ষ মহোদয়, মই আৰু কেইটামান ডাটা দি দিছো । আমাৰ লোন প্ৰায় ৮৪ হাজাৰ কোটি টকা, বেংগলৰ লোন হ'ল ৫,৩৫ লাখ কোটি, কেৰেলাৰ লোন হ'ল ২,৭৪ হাজাৰ কোটি টকা। ইয়াৰ জনসংখ্যাৰ পৰিমাণ প্ৰায় ৩ কোটি, প্ৰায় অসমৰ সমান। পঞ্জাৱৰ জনসংখ্যা যদিও অসমৰ তুলনাত কম, ইয়াৰ লোনৰ পৰিমান হ'ল ২.৮২ হাজাৰ কোটি টকা। সেইবাবে অহাবাৰ সকলো তথ্য দি মই এখন white paper দিম। So, it will be clear to all of you. মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলপতিৰ বক্তব্যৰ ওপৰত ২, ৩ টা মান কথা ক'ব বিচাৰিছো যে, যোৱা সময়ত ক'ভিডৰ কাৰণে আমাৰ ৰাজহ কমকৈ সংগ্ৰহ হোৱাটো স্বাভাৱিক। It should be acceptable by everybody, because about seven month we were lockdown. কিন্তু এইবাৰ আমি প্ৰায় ২৬ শতাংশ বেছিকৈ ৰাজহ সংগ্ৰহ কৰিব পাৰিছো যিটো জানি আপোনালোকে ভাল পাব । We are growing revenue about 26 %. আৰু এইবাৰ revenue deficit বা fiscal deficit restore হ'ব । আমি অসমৰ ক্ষেত্ৰত capital investment অলপ বেলেগকৈ কৰো, NIDA আৰু IFA দ্বাৰা অতিৰিক্ত ভাবে ১০ হাজাৰ কোটি বেছিকৈ capital investment কৰিছো। জলজীৱন আঁচনিৰ দ্বাৰা যি capital investment হৈছে সেইটোও বাজেটত দেখা পোৱা নাযায় কাৰণ এইটো society ৰ দ্বাৰা কৰা হয় আৰু AG য়ে সেইটো গ্ৰহণ নকৰে। গতিকে white paper ত আমি এই গোটেই তথ্যখিনি সন্নিবিষ্ট কৰি দিম। প্ৰকৃততে, capital investment কিমান হৈ আছে যোৱাবাৰো আমি ভাৰত চৰকাৰে দিয়া মানদণ্ড পূৰণ কৰিছো, এইবাৰো কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমি আকৌ আলোচনাৰ মাজলৈ আহিছো, সময় আমাৰ ২ বজালৈকে আছে । মাননীয় বিত্ত মন্ত্ৰীয়ে উত্তৰ দিব। সেইটোৰ কাৰণে কম সময়ৰ ভিতৰত আমি আমাৰ বক্তব্য বিলাক দিব লাগিব। এতিয়া মই অনুৰোধ কৰিছো শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী। ৫ মিনিট সময়ত স মাপ্ত কৰিব।

**শ্ৰী ভৰেন্দ্ৰ নাথ ভড়ালী (দেৰগাঁও) ঃ** মাননী অধ্যক্ষ মহোদয়, আমাৰ মাননীয়া বিত্তমন্ত্ৰীয়ে অতিৰিক্ত ভাবে ১০,১৪২.২৬ লাখ টকা খৰচ কৰিবৰ বাবে যি প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ সমৰ্থনত এশাৰী মই ক'ব বিচাৰো উন্নয়ন যদি আমি বিচাৰো তাৰ বাবে প্ৰয়োজনীয় ধন বিভিন্ন উৎসৰ পৰা আমি আহৰণ কৰিব লাগিব। ৰাজ্যিক আৰ্থিক আয়ৰ উপৰিও আমি লোন আদি লৈ আমাৰ উন্নয়ন তৰান্বিত কৰিব লাগিব। এই ধনৰাশি মাননীয় বিত্ত মন্ত্ৰী মহোদয়াই ইয়াত উত্থাপন কৰিছে আৰু আমি সকলোৰে এই ধন ৰাখিক অনুমোদন জনাই উন্নয়নৰ স্বাৰ্থত আগবঢ়াই নিব লাগিব। ইয়াত অৱশ্যে এটা কথা, আমাৰ লিডাৰ অৰ্ ড্যা হাউচে গোটেই কথা খিনি কৈ যোৱাৰ পিছত আচলতে আমাৰ ক'বলগীয়া একো নাথাকেই। তথাপিও একাশাৰ ক'ব লাগিব যে বিৰোধী পক্ষই এটা কথা কৈ আছে যে ঋণ লোৱাতো যুগুত নহয়। এনে ধৰণৰ বক্তব্য আচলতে ইয়াত সুবিধাজনক নহয়। আমি যদি ঘৰ এটা বনাব লগীয়া হয় আমি নিশ্চিত ভাবে চৰকাৰ আৰু বেংকৰ পৰা লোন এটা লৈ ঘৰতো নিৰ্মাণ কৰিম আৰু পিছত সেই লোন পৰিশোধ কৰো। ঠিক তেনেধৰণে ল'ৰা-ছোৱালীক পঢ়াবলৈ হ'লে আমি শিক্ষা লোন লওঁ, শিক্ষা গ্ৰহণ কৰাৰ পিছত সেই লোনটো পৰিশোধ কৰে। সেই ধৰণে আমি উন্নয়নৰ খাতিৰত কেতিয়াবা লোন ল'বলগীয়া হয় আৰু লোন লৈ আমি বেয়া কামত খৰচ কৰাৰ প্ৰশ্ন নাহে আমি শুদ্ধ কামত শুদ্ধভাবে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত সেই কামখিনি আমি কৰো। গতিকে এই ক্ষেত্ৰত মই ভাবো মোৰ ব্যক্তিগত মত ৰাজ্যৰ স্বাৰ্থত উন্নয়নৰ স্বাৰ্থত আমি দেশ খন আগবঢ়াই লৈ যোৱাৰ স্বাৰ্থ্যত লোন লোৱাটো কোনো ভূল কাম নহয় । এই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সুন্দৰকৈ গোটেই কথা খিনি ৰাখিছে । এই ক্ষেত্ৰত এটা কথাই ক'ব লাগিব যে আমি বৰ্তমান আৰু মাৰ্চ মাহলৈকে যিখিনি অতিৰিক্ত ভাবে আমাৰ বিত্ত মন্ত্ৰী মহোদয়ায়ে বিচাৰিছে, সেই খিনি বিধান সভাই অনুমোদন জনাই আমি আমাৰ উন্নয়নৰ যিটো ধাৰা, সেই ধাৰ অব্যাহত ৰখাৰ বাবে সকলোৰে সহযোগীতা বিচাৰিছো। এই ক্ষেত্ৰত কেইটামান মোৰ পৰামৰ্শ ও আছে, সেই পৰামৰ্শ কেইটা মই দাঙি ধৰিব বিচাৰিছো। প্ৰথম কথা হ'ল আমি কৰৰ ক্ষেত্ৰত, যিখিনি আমাৰ বিক্ৰী কৰ ইত্যাদি কৰৰ ক্ষেত্ৰত যিখিনি সুৰুঙা আছে, কৰ ফাকি দিয়াৰ সেই সুৰুঙা বিলাক বন্ধ কৰাৰ ব্যৱস্থা ইতিমধ্যে লৈছে আৰু কিছু কিছু সুৰুঙা থাকি যায় । সেই সুৰুঙা বিলাক বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু কিছু ক্ষেত্ৰত সেই সুৰুঙা বিলাক ব্যৱসায় সকলে উলিয়াই ল'ব জানে। যাতে সেই সুৰুঙা বিলাক বন্ধ হয় সেইটো আশা কৰিছো। কৰৰ ক্ষেত্ৰত অসমৰ ৰাইজৰ মূৰত বোজা জাপি দিয়া নাই, উন্নয়নৰ স্বাৰ্থত গ্ৰহণ কৰা বা লগোৱা এই কৰ খিনি আমি উন্নয়নৰ স্বাৰ্থত ব্যৱহাৰ কৰিব পাৰিছো। মই এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়াক ধন্যবাদ জনাইছো আৰু উন্নয়নৰ স্বাৰ্থত এই কাম খিনি কৰাৰ বাবে কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি এই দাবী মঞ্জুৰী অনুমোদন জনোৱাত অনুৰোধ জনাই মই সামৰণি মাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী (ডেৰগাঁও) ঃ** এই কৰ খিনি আমি উন্নয়ণৰ স্বাৰ্থত ব্যৱহাৰ কৰিব পাৰিছো। মই এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়াক ধন্যবাদ জনাইছো আৰু উন্নয়ণৰ স্বাৰ্থত এই কামখিনি কৰাৰ বাবে কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি এই দাবী মঞ্জুৰী পাৰ কৰাৰ ক্ষেত্ৰত বিধান সভাৰ অনুমোদন

জনোৱাত অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী আশ্ৰাফুল হুছেইন। আপুনি পাঁচ মিনিট ক'ব।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গ্ৰাণ্ট নম্বৰ ফাইভ চেলটেক্স এণ্ড আদাৰ টেক্সৰ ওপৰত যি চাপ্লিমেণ্টৰী ডিমাণ্ড ১০১.৪২ কোটি টকা আছে, এই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুআষাৰ ক'ব বিচাৰিছো। যদি আমি গ্ৰাণ্টৰ ভিতৰলৈ যাওঁ দেখা যাব ইয়াৰে ৭৫ কোটি টকা reimbursement of SGST, অৰ্থাৎ ইয়াত পোন-পটীয়া পে, Industrial Exemption Scheme ৰ অধীনত কোম্পানীবোৰক দিয়া Tax Incentives. মই কেৱল গ্ৰাণ্ট নং ৫ ৰ ওপৰত ক'ব বিচাৰিছো আৰু একেটা সময়তে দেখা গৈছে যে ইয়াৰবাকী ২৫ কোটি টকা Reimbursement Scheme for Majuli Bridge Project, যিটো বিষয় এতিয়ালৈকে বিধান সভাত আলোচনা হোৱা নাই। যোৱা ৭ অক্টোবৰ, ২০২১ তাৰিখে অসম বিধান সভাৰ কেবিনেটে এটা সিদ্ধান্ত মৰ্ম্মে এটি নিৰ্মাণ কোম্পানী বিশেষজ্ঞক Incentive দিব বিচাৰিছে। এই কোম্পানীটোৰ নাম হৈছে UP State Bridge Construction Corporation LTD. এই কোম্পানীক মাজুলী-যোৰহাট দলং নিৰ্মাণৰ দায়িত্ব দিয়া হৈছে। সম্ভৱতঃ এই কোম্পানীটোৰ অসমত এইটো প্ৰথম কাম আৰু এই প্ৰথম কামতেই আমি মৰমত ২৫ কোটি টকা দিব বিচাৰিছো। Incentive দিয়ে বেলেগ বেলেগ চেক্টৰটো আমি ইয়াতে দিব বিচাৰিছো। যিয়েই নহওঁক ২০১৬ চনত তদানীন্তন কেন্দ্ৰীয় পৰিবহণ মন্ত্ৰী আৰু ২০২১ চনত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই দুবাৰকৈ মাজুলী-যোৰহাট দলং উদ্বোধন কৰাৰ পিছত এইবাৰ সঁচা-সঁচিকৈ দলঙখন হ'বলৈ গৈ আছে এইটো আমি ভাল পাইছো। কিন্তু আমি যি কোম্পানীক কামটো দি মৰম যাঁচিব বিচাৰিছো এই কোম্পানীটো কিমান বিশ্বাসযোগ্য কোম্পানী এই বিষয়ে আলোচনা হোৱাতো প্ৰয়োজন। UP State Bridge Construction Corporation LTD কোম্পানীটোৰ দুটা ঘটনা প্ৰবাহ আপোনালোকক জনাব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ প্ৰদেশৰ চাহজাহানপুৰত নিৰ্মাণ কৰা দুই কিলোমিটাৰ দলং যোৱা ২৯ নবেম্বৰত খহি পৰিছিল। সেই কোম্পানীক আমি মাজুলী ব্ৰীজৰ কাম দিছো আৰু সেই কোম্পানীক আমি ২৫ কোটি টকাৰ ইনচেনটিভ দিছো। গতিকে তেওঁলোকক এই গ্ৰাণ্ট দিব নালাগে যাৰ কাৰণে এই দাবী উত্থাপন কৰিছো। এই কোম্পানী ২০১৮ চনত খহি পৰিছিল। তেওঁলোকে উত্তৰ প্ৰদেশৰ বাৰানসীত এখন সেতু নিৰ্মাণ কৰিছিল আৰু সেতু ভাঙি পৰি ১৮ জন মানুহৰ মৃত্যু হৈছিল। মই তাৰ কাকতৰ কপি লৈ আহিছো। বিজনেজ ষ্টেণ্ডাৰ, ডি হিন্দু পেপাৰত এই খবৰ ওলাইছিল। সেই কোম্পানীক আমি মাজুলী ব্ৰীজৰ কাম দিছো। এনেকুৱা এটা বিতৰ্কিত কোম্পানীৰ বিৰুদ্ধে ইতিমধ্যে মধ্য প্ৰদেশ আৰু মহাৰাষ্ট্ৰ আদালতত গোচৰ চলি আছে আৰু সেই কোম্পানীক কাম দি আমি এতিয়া তেওঁলোকৰ Intensive ও দি আছো। মই জি এচ টি ৰ প্ৰসংগত আহিব বিচাৰিছো। জি এচ টি ৰ প্ৰসংগত আলোচনা কৰা এই কাৰণেই প্ৰয়োজন ২০১৭-১৮ বিত্তীয় বৰ্ষৰ পৰা SGST ৰ ওপৰত ১৪ শতাংশ বৃদ্ধিৰ হাৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা যি GST Compensation Grant আমাৰ ৰাজ্যই পাইছিল সেইয়া অহা জুন, ২০২২ চনৰ পৰা এই ৰাজ্যই নাপায় বা কোনেও নাপায়। ক্ষতিপূৰণ হিচাবে ২০১৮-১৯ চনত ৪৫৫.০০ কোটি টকা পাইছিলো, ২০১৯-২০ চনত ১২৮৪.০০ কোটি টকা আৰু ২০২০-২১ চনত ১,৩১৭.০০ কোটি টকা আৰু ২০২১-২২ চনত এইখিনি প্ৰায় ২২শ কোটি টকা হ'ব আৰু যি সময়ত আমাৰ ২২ শ কোটি টকা হ'ব আৰু যি সময়ত আমাৰ ২২ শ কোটি টকাৰ এটা পুঁজি অহা বন্ধ হ'ব সেয়েহে আমাৰ বিত্ত বিভাগে অনাগত সময়ত আমাৰ Strategy, আমাৰ

পথ সঠিক কৰাৰ প্ৰয়োজনীয়তা আছে যে আমি যি সময়ত ল'ন লৈ আছো আৰু একেটা সময়তে ল'ন বৃদ্ধিও কৰি আছো, একেটা সময়তে আমাৰ জি এচ টি ৰ পৰা পাব লগীয়া ক্ষতিপূৰণ বন্ধ হ'ব, গতিকে আমি সতৰ্কতা অবলম্বন নকৰিলে অসমৰ যি বিত্তীয় অৱস্থা সেই বিত্তীয় অৱস্থা ঠিকে-ঠাকে গৈ নাথাকিব। মাননীয় অধ্যক্ষ মহোদয়, ঋণ দিয়াৰ প্ৰংসগত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় ডাঙৰীয়াই কৈ গৈছে। ভাৱিছিলো বিত্ত মন্ত্ৰী ডাঙৰীয়ানীৰ পৰা কথা খিনি পাম। তাৰ পিছতো আমি যিখিনি কথা আমি ইয়াত উনুকিয়াব বিচাৰিছো সম্পূৰ্ণ কথাখিনি মই অৰ্থনৈতিক দৃষ্টিভংগীৰ পৰা এই কাৰণেই আনিব বিচাৰিছো, ইয়াত অন্য কোনো কথা নাই। ৰিজাৰ্ভ বেংক অব ইণ্ডিয়াই কৈ থৈছে total out standing liabilities কিমান? আমি দেখিবলৈ পাইছো যে ২০১৮-১৯ বৰ্ষত ১৯.৩ শতাংশ। এইটো ৰিজাৰ্ভ বেংকৰ ডাটা। ২০১৯-২০ বৰ্ষত ২১.৯ শতাংশ। বাঢ়ি গৈ আছে। ২০২০-২১ বৰ্ষত ২৭.১ শতাংশ আৰু ২০২১-২২ বৰ্ষত ৩১.৯ শতাংশ (এইটো Revised আৰু বাকী কেইটা Actual)। আমাৰ লাইবিলিটিজ লাহে লাহে বাঢ়ি গৈ আছে। হয় তেখেতে কৈছে যে আমাৰ কেপাচিটি আছে। কেপাচিটি আছে বুলিয়েই আমি ঋণ লৈ কোনোবা ভাল পোৱা মানুহক যদি মৰমত উপহাৰ এটা দি দিওঁ সেইটো টো নহ'ব অধ্যক্ষ মহোদয়। একেবাৰে সাধাৰণ কথা। RBI ৰ যিটো Total Outstanding Liabilities এইটো দেখুৱাব খুজিছো। ২০১৮-১৯ চনত ৫৯,৭৬৯ কোটি, ২০১৯-২০ বৰ্ষত ৭৩,৫২৭.৮ কোটি, ২০২০-২১ বৰ্ষত ৯০,৭৭৫ কোটি আৰু ২০২১-২২ বৰ্ষত ১ লাখ ৭ হাজাৰ ১১৯ কোটি । যিসকলে অৰ্থনৈতিক দিশবোৰ বুজি নাপায়, যিসকলে নাজানে তেওঁলোকে এই বিষয়টোৰ ভিতৰত সোমাব নালাগে। কিন্তু এই বিষয় বিলাক অকনমান চালি-জাৰি চোৱাৰ প্ৰয়োজন আছে। যি সময়ত আমি ঋণ মাফ কৰিছো, বন্ধনৰ পৰা লোৱা ঋণ মাফ কৰিছো। যি সময়ত আমি ৰেভিনিউৰ জৰিয়তে এচেট ক্ৰিয়েচন কৰিব লাগিছিল, সেই সময়ত আমি ঋণ মাফ কৰিব লগীয়া হৈছে। এই ক্ষেত্ৰত বহুতে ভালপোৱা নাই। আনকি RBI য়ে ও ভাল পোৱা নাই। RBI ৰ বিভিন্ন সূত্ৰে আমি কেইবাটাও Article দেখিছো। যিসকলে বিভিন্ন সময়ত আৰ বি আই ৰ লগত যুক্ত হৈ আছিল তেওঁলোকে কৈছে যে According to senior Industry official the Reserve Bank of India was annoyed with the way the Assam Relief Scheme was ruled out. There are RBI Scheme for this stage what was the need to have a Government sponsor waiver scheme ask a senior as the industries officer who spoke on condition of an unity. তেওঁ নাম প্ৰকাশ কৰা নাই। Adding that the RBI is unhappy with the scheme. যিয়েই নহওঁক এতিয়া আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ গৈছে আমাক আইনে পাৰমিট কৰে, আমি পাৰমিটৰ ভিতৰত থাকি কৰিলেও আৰু অলপ চিন্তা ভাৱনাৰে গভীৰ ভাৱে যোৱা যায় বেয়া নহয়। বিগত কেইবাটাও বছৰে আমি আমাৰ ৰাজ্যৰ পৰা সূত হিচাপে পৰিশোধ কৰি থকা যোৱাকালি বিধান সভাত মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াণীয়ে দিছে সেই তথ্য উঠাব খুজিছো।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ সময় শেষ হৈছে।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দলৰ সময় শেষ হোৱা নাই। আমাৰ দলক দিয়া সময়খিনি দিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে আৰু সময় নাপায়। তথাপি আৰু এক মিনিট সময় কওঁক।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা)ঃ** মাননীয় অধ্যক্ষ মহোদয়,বন্ধনৰ কাৰণে যিটো কৰি থকা হৈছে।

দেখা গৈছে যে ২০১৫ চনৰ পৰা ২০২০ চনলৈ বিগত পাঁচ বছৰত বাজেটত যি এষ্টিমেট এমাউণ্ট দেখুওৱা হয় তাতকৈ ২২ শতাংশ কমকৈ আমাৰ ৰেভিনিউ জেনেৰেট হয়। ২৩ শতাংশ কৈ গড়ে আমি কমকৈ খৰচ কৰিব লগীয়া হৈছে। তথ্য শুদ্ধ অশুদ্ধ মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াণীয়ে নিজে উত্তৰ দিব। সেইকাৰণে আমি সদৌ শেষত Revenue Expenditure আৰু Capital Outlay ওপৰত আমি ক'বলৈ বিচাৰিছো। এইবছৰ ২০২১-২২ চনত Revenue Expenditure ৮৪,৪০৫ কোটি টকা আৰু Capital Outlay ১৯,৪৯১ কোটি টকা। কিন্তু হিতাধিকাৰী সৃষ্টি কৰিবলৈ ঋণ লোৱাটো আমি মুঠেই সমৰ্থন কৰিব নোৱাৰো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথা বিলাক আজি মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উপস্থিত কথাবিলাক চৰ্চা হ'ল। এতিয়া লোণ লোৱাটো justify কৰিছে। আমিও তাৰ বিৰোধীতা কৰা নাই লোন হয়টো ল'ব লাগিব। কিন্তু কথাটো হৈছে আজি কেৰেলাই লোন লৈছে ৬৫ শতাংশ, পঞ্জাৱ, মহাৰাষ্ট্ৰ আৰু পশ্চিমবংগইও লোন লৈছে এই বিলাক শক্তিশালী ৰাজ্য। শক্তিশালী ৰাজ্যত তেওঁলোকে তাৰ Infrastructure Capital Expenduture টো বঢ়াই। যিটো Infrastructure গঢ়ি উঠিছে সেইটো মুখ্যমন্ত্ৰীও আজি চাপোৰ্ট কৰিছে। কেৰেলাক মডেল বুলি কৈছে। কেৰেলাৰ যিটো Health Sector তাৰ Service Sector আৰু অন্যান্য যি বিলাক Sector আছে, সেই Sector বিলাক যিটো Development হৈছে তাৰ কাৰণে হয়টো তেওঁলোকে লোন লৈছে। কিন্তু আমাৰ ৰাজ্য য'ত আমাৰ ১ লাখ ১০ হাজাৰ কোটি টকাৰ বাজেট গ্ৰহণ কৰিছো। আজিও আমাৰ ৰাজ্যখনত Capital Expenduture বঢ়োৱাটো বেছি প্ৰয়োজন আছে। তাৰ কাৰণে লোন লোৱাৰ  কথাটো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈ আছে। কিন্তু আমি যিটো দেখিছো আজি আমাৰ ৰাজ্যখন ইমান লোন লোৱাৰ পিছতো Development ৰ মাত্ৰাটো যি ধৰণে কোৱা হয়, যি ধৰণে প্ৰচাৰ চলোৱা হয়, উন্নয়ন হোৱা বুলি কয় আমিটো দেখা নাই। বিগত দিন বিলাকত। এতিয়া বিধায়ক সকলৰ এৰিয়াৰ Development ৰ ফাণ্ডৰ প্ৰশ্নটো আহিছে। SOP ৰ  ৰাস্তা নিৰ্মাণ কৰাৰ ক্ষেত্ৰত পইচা দিয়াৰ কথাটো আহিছে। RIDF ত কিছু দিছে আৰু মইও পাইছো তাৰ বাবে ধন্যবাদ। Suhrid টো নাই, Suhrid টো নোহোৱা কাৰণে মুখ্যমন্ত্ৰীয়ে নিজে তেওঁৰ সাহাৰ্য্য পুঁজিৰ পৰা দিয়া কথা কৈছে আমি দৰ্খাস্ত বিলাক Forward কৰি পঠিয়াইছো। তাতো বহুত Condition অভিভাৱক মন্ত্ৰী, এতিয়া মিত্ৰ মন্ত্ৰী সকলোৰ চহী সংগ্ৰহ কৰিব লাগে। অভিভাৱক মন্ত্ৰী নাথাকিলে চহীটো পোৱা নাযাব। কাম বিলাক হোৱা নাই। আজি ডিচেম্বৰৰ ২২ তাৰিখ SOPD ৰ পইচা বিলাক নোহোৱাৰ কাৰণে ডিচেম্বৰ মাহত আমি কাম বিলাক কৰিব পৰা নাই। RIDF ৰ কামবিলাক Tender হৈ গৈছে। কেতিয়া কাম বিলাক আৰম্ভ কৰিব। Working  যিটো Season এতিয়া ডিচেম্বৰ গুচি যোৱাৰ পিছত জানুৱাৰী, ফেব্ৰুৱাৰী তাৰ পিছত মাৰ্চ মাহত বৰষুণ আৰম্ভ হৈয়ে যায়। এই Working Season টো আমি ব্যৱহাৰ কৰিব পৰা নাই। তাৰ ফলত ৰাজ্যখনৰ Entire Developmment টো ক্ষতিগ্ৰস্ত হৈছে। লোন আমি যি বিলাক লৈছো লোন বিলাক যাতে  Infrastructure গঢ়ি তোলাৰ ক্ষেত্ৰত Solidly ব্যৱহাৰ হয়। অন্য ক্ষেত্ৰত যাতে এই টকাটো ব্যৱহাৰ নহয় এইটোৰ ওপৰত বিশেষ নজৰ দিব লাগিব। বিচাৰ কৰি পেলাই যাতে কাম-কাজ বিলাক কৰা হয় এইটোৰ ওপৰত যদি গুৰুত্ব দিব পৰা যায় তেতিয়া হ'লে আমি আমাৰ ৰাজ্যখন কিছু পৰিমাণে আগবঢ়াই লৈ যাব পাৰিম। আজি আমাৰ বেছিভাগ মানুহ চিকিৎসাৰ কাৰণে তামিলনাডু, কেৰেলা যায়, আমি

বহুত মেডিকেল কলেজ কৰিছো স্বাস্থ্য বিভাগৰ কথাটো আহিলে ক'লো হয়। কিয় মানুহে তামিলনাডু, কেৰেলা যাবলগীয়া হয়। এই ধৰণৰ অৱস্থা যাতে নহয় এইটো যাতে স্বাস্থ্য ক্ষেত্ৰত উন্নতি কৰিব পাৰে তেতিয়া হ'লে ভাল হয়।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি অন্তত ঐতিহাসিক দিন হ'ল যে অসমৰ মুখ্যমন্ত্ৰীয়ে অসহায়ভাবে স্বীকাৰ কৰিলে তেখেতে অকল ৰাজ্যখন লোন লৈ চলাই আছে। মই ভাবো যে, কৰ্ম দক্ষ মুখ্যমন্ত্ৰীৰ সাংঘাটিকভাবে উন্নীত হোৱা এখন ৰাজ্য। ....হুলস্থুল...।

**মাননীয় অধ্যক্ষ** ঃ বিতৰ্কলৈ যাব নালাগে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যে ক'লে এতিয়ালৈ অসমৰ ধাৰ ৪৪ হাজাৰ কোটি টকা। কিন্তু ৰিজাৰ্ভ বেংকৰ হাতত নথিত খুব স্পষ্টকৈ লিখা আছে যে ২০২১ তাৰিখৰ ভিতৰত অসমৰ সৰ্বমুঠ ধাৰ ৯৩ হাজাৰ ৭৪ কোটি টকা। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে কৈছে যে, advertise কৰিছে যে ধান ল'ব পাৰে আৰু আমি সেই advertise টো উলিয়াছো? মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে এই চৰকাৰৰ দিনত ৭ হাজাৰ কোটি ধাৰ লৈছে। কিন্তু আমি দেখিছো যে advertise ত প্ৰকাশ হৈছে যে, সৰ্বমুঠ ১১ হাজাৰ কোটি টকা ধাৰ ল'লে। দ্বিতীয় বিষয়টো হ'ল যে, আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে, আজিৰ দিনটোত Revenue আহৰণ কৰা মাত্ৰ ৫ টা উৎস আছে। কিন্তু Revenue আহৰণ কৰাৰ এই ৫টা উৎস যে, অকল অসমতে থাকিলে বাকী ৰাজ্য বোৰলৈ থাকিলে যে, এইটোৰ বিৰোধীতা সকলো ভাৰতীয় গণতান্ত্ৰিক মহলে কৰিছিলে আৰু কেন্দ্ৰৰ হাতলৈকে ক্ষমতা এনেদৰে প্ৰক্ষেপ কৰি GST ৰ জৰিয়তে অসমৰ অৰ্থনীতিৰ ৰাজ্যবোৰৰ অধিকাৰ কাঢ়ি নিছে। তাৰ বিৰুদ্ধে ভাৰতৰ সকলো federal state বোৰে এইটোৰ ওপৰত মাত মাতিছিলে। কিন্তু তেতিয়াই এই বিধান সভাত ১ নৱেম্বৰতে অসমত প্ৰথম আৰু ভাৰতবৰ্ষৰ ভিতৰত ১ নম্বৰত অসমত GST আইন প্ৰৱৰ্তন কৰিছিল। গতিকে এইটো প্ৰমাণ কৰিছে যে, যি সময়ত অসমক বিশেষ ৰাজ্যৰ মৰ্য্যদা কৰ্তন কৰাৰ কাৰণে টকাৰ পৰিমাণটো কমিছে। এতিয়া বিশেষ ৰাজ্যৰ মৰ্য্যদা কৰ্তন কৰাৰ কাৰণে এতিয়া ঋণ ল'ব লগীয়া হৈছে। এতিয়া বিশেষ ৰাজ্যৰ মৰ্য্যদা কৰ্তন কৰাৰ কাৰণে টকাৰ পৰিমাণ কমিছে, সেইটোও যদি কোনোৱাই বৰ্বৰে কয় যে মোৰ ঋণ লোৱাৰ অধিকাৰ আছে আৰু মই গৰ্বৰে কওঁ। মোৰ ঋণ লোৱাৰ অধিকাৰ আছে, মই ঋণ লৈছো। তেতিয়া হ'লে কৰবই লাগিব যে মুখ্যমন্ত্ৰী ডাঙৰীয়া নাথাকিলেও যিকোনো মানুহ এনেকৈ ধাৰ লৈ ৰাজ্য এখন চলাব পাৰিব। চৰকাৰে যে ধাৰ লৈ ৰাজ্যখন চলাইছে, এই কথাটো আজি স্বীকাৰ কৰাৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। আজিৰ দিনটো অসমৰ গড় জনমুৰি আয় Per Capita NSDP এইটো হ'ল ৬০,৬৬০ টকা মাত্ৰ। এইটো ২০১৯-২০ বৰ্ষৰ হিচাব। সেই সময়ত ভাৰতবৰ্ষৰ এখন ৰাজ্য হ'ল গোৱা, সেই ৰাজ্যখনৰ Per Capita Income হ'ল ৩ লাখ ৩ হাজাৰ ৬৮৭ টকা কিন্তু আমাৰ অসমৰ মাত্ৰ ৬০ হাজাৰ টকা। ভাৰতবৰ্ষৰ ৩৩ খন ৰাজ্যৰ ভিতৰত অসমৰ স্থান হ'ল ২৮ নম্বৰত। ইয়াৰ পিছতো আমি গৰ্বৰে কৈ আছো আমি উন্নয়নৰ ৰাজ্যবোৰৰ ৫ নম্বৰ ৰাজ্যলৈ গৈ আছো। তেওঁলোকে বুকুত হাত দি কৈ আছে যে, আমি ঋণ লৈ অসমখন উন্নতি কৰিব গৈ আছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**মাননীয় অধ্যক্ষঃ** Hon'ble Minister.

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱত আমাৰ যিসকল মাননীয় সদস্যই অংশগ্ৰহণ কৰিছে, সেই সকল মাননীয় সদস্য হৈছে - কমলাক্ষ দে পুৰকায়স্থ, বিশ্বজিৎ ফুকন, আমিনুল ইছলাম (জ্যেষ্ঠ), জয়ন্ত মল্ল বৰুৱা, ভাস্কৰ বৰুৱা, গোবিন্দ বসুমতাৰী, দিগন্ত কলিতা, ৰকিবুল হুছেইন, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, দেৱব্ৰত শইকীয়া, ভৰেন ভৰালী, আশ্ৰাফুল হুছেইন, মনোৰঞ্জন তালুকদাৰ, অখিল গগৈ ডাঙৰীয়া। কৰ্তন প্ৰস্তাৱত অংশগ্ৰহণ কৰা সকলো মাননীয় সদস্যকে মোৰ ফালৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাত যোৱা প্ৰায় ২০ টা বছৰ আছো। কেতিয়াও বিত্ত বিভাগৰ ওপৰত কৰ্তন প্ৰস্তাৱ অহা নাই। মোৰ কালত প্ৰথম বাৰৰ বাবে বিত্ত বিভাগত কৰ্তন প্ৰস্তাৱ আহিছে। সেই কাৰণে বিধায়কসকলে যিখিনি বিভাগটোক পৰামৰ্শ দিছে, ভাল পৰামৰ্শখিনি আমি গ্ৰহণ কৰিছোঁ। বিভাগটোক বিশেষকৈ অসমৰ জনসাধাৰণৰ স্বাৰ্থত কেনেধৰণে আগবঢ়াই লৈ যাব পাৰো, তাৰ কাৰণে আমাৰ যি ভৱিষ্যৎ পৰিকল্পনা থাকিব, যিসকল মাননীয় বিধায়কে ভাল পৰামৰ্শ আগবঢ়াইছে, সেইবিলাকো আমি অন্তৰ্ভুক্ত কৰিবৰ কাৰণে আন্তৰিকতাৰে চেষ্টা গ্ৰহণ কৰিম।

মই যোৱা বিধান সভাত প্ৰথম বাৰৰ বাবে বাজেট দাখিল কৰিছিলোঁ। আজি ইয়াত যিটো কৰ্তন প্ৰস্তাৱ আনিছে, সেই কৰ্তন প্ৰস্তাৱটো কি কাৰণে আনিছো মাননীয় অধ্যক্ষ মহোদয়, যে ইয়াত আমি যিখিনি পুজি বিচাৰিছো, সেই পুঁজিখিনি আছিল উদ্যোগিক ৰেহাই আঁচনিত অসম ৰাজ্যিক সামগ্ৰী আৰু সেৱা ক'ৰ পৰিশোধৰ বাবদ অতিৰিক্ত মুঠ ৭৫ লাখ টকাৰ আৱশ্যক। আজি আপোনালোকে কৰ্তন প্ৰস্তাৱ আনিছে, কিন্তু এই পুঁজিখিনি দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিব লাগে।

দ্বিতীয়তে - মাজুলীত দলং। মাননীয় অধ্যক্ষ মহোদয়, মাজুলীৰ দলংখন হৈছে, অসমৰ মানুহৰ মাজুলীৰ মানুহৰ যি আবেগ অনুভূতি, তাক লৈ এখন মাজুলীত দলং হ'ব লাগে। সেই সপোনটোক এই চৰকাৰখনে এটা সদ্ ইচ্ছা দিছে। মই মাননীয় সদস্য আশ্ৰাফুল হুছেইন ডাঙৰীয়াক ক'ব বিচাৰিছো স্পষ্টভাৱে যে এইটো এটা চৰকাৰৰ আন্তৰিকতাহে। সেই দলং নিৰ্মাণৰ কাম কাজৰ দায়িত্ব ,চোৱা চিতাৰ কাৰণে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মোক দিছিল। তাত এটা condition আছিল যে তেওঁলোকক GST reimbursement কৰিব লাগে। অসম চৰকাৰে সেই সদ্ ইচ্ছা প্ৰকাশ কৰি এই পুঁজিখিনি আনিছো। গতিকে মই ভাৱো যে আজি যি চপ্ত লাখ টকা GST reimbursement ৰ কাৰণে ইয়াত অতিৰিক্ত ভাৱে আনিছো, তাৰ কাৰণে অসম চৰকাৰে ধন্যবাদ পাব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, বাজেটত মই কি উপস্থাপন কৰিছিলো। আপোনালোকে এই গোটেই কাৰ্য্যসূচীটো যিমানখিনি সদস্যই অংশগ্ৰহণ কৰিছে, শতকৰা ৮০, ৯০ শতাংশ সদস্যই আপোনালোকে লোণৰ কথা কৈছে। সেই কথাখিনিত মই পিছলৈ বিস্তৃতভাৱে

ক'বলৈ যাম।

মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া এখন বাজেট উত্থাপন কৰো, তাত আমাৰ উৎসবিলাক দি দিওঁ। সন্মানীয় সদস্য মনোৰঞ্জন ডাঙৰীয়াকে প্ৰমুখ্য কৰি বহুতো সদস্যই revenue বুলি কৈছে হয়তো। আপোনালোকে সেইটো ৰাজহ উৎসখিনিৰ কথা কৈছে। গতিকে আমি এশ টকাটো ক'ত পাম। সেই কথাখিনি বিশ্লেষণ ভাৱে বাজেটখনত দিছো যে state tax revenue 90.70 আহিব, non tax revenue ৰ পৰা ৫.৬ শতাংশ আহিব। Share of Central tax ৰ পৰা 19.40 আহিব। Centrally Sponsor Scheme ৰ পৰা আহিব 24.24%, Finance Commission Grant ৰ পৰা আহিব 10.73% & other transfer grant with legislator আহিব 3.13 %, public debt ৰ পৰা 17% আহিব, recovery of loan and advance ৰ পৰা .01% আহিব। এই গোটেইখিনি টকা মিলি পেলাই বাজেটখন দাখিল কৰিছিলো। তাৰে আমি additionaly supplementary demand 23 হাজাৰ বেছি কোটি টকা বিচাৰিছোঁ। আমি অকল public debt ৰ কথা কৈ আছো, বাকীখিনি কথা ইয়াত আলোচনা কৰা নাই। আপোনালোকে লোনৰ ধনৰে চৰকাৰ চলোৱাৰ কথা কৈছে, Âpublic debt ১ ১৭ শতাংশ বাদদি বাকী source বিলাক কি হ'ব মাননীয় অধ্যক্ষ মহোদয়। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিদিনাখনে মুখ্যমন্ত্ৰীৰ দায়িত্ব লৈছিলে, প্ৰথমখন কেবিনেট মিটিং পাতিছিলো, সেই মিটিঙখনতে আছে যে অসমক আমি অৰ্থনৈতিকভাৱে কোন দিশত আগবঢ়াই লৈ যাম। তাৰ বীজ ৰোপণ প্ৰথমখন কেবিনেট মিটিঙত দিছিলো মাননীয় অধ্যক্ষ মহোদয়। অসমৰ নিজৰ ৰাজহ বৃদ্ধি হ'ব লাগিব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া যেতিয়া বিত্তমন্ত্ৰী আছিলে, এই সদনত আমাৰ কোৱা মনত আছে, তেখেতে কৈছিল যে মই মাছ ধৰিবলৈ শিকাম। গতিকে পৰমুখাপেক্ষী হ'লে ৰাজ্যখন সদায় নচলে। সেই কাৰণে এইখন চৰকাৰে এইটো কথা শুদ্ধভাৱে সিদ্ধান্ত লৈছিল যে সদায় নিজৰ ভৰিত থিয় হ'ব লাগিব, অসম self sufficient হ'ব লাগিব। তাৰ কাৰণে প্ৰথম কেবিনেট মিটিঙত সিদ্ধান্ত গ্ৰহণ কৰিছিলে যে অসম চুক্তিৰ ফচল অসমত জৰিত নুমলিগড় ৰিফাইনাৰী আৰু সেই নুমলিগড় ৰিফাইনাৰীত আমি চ্ছ হাজাৰ শতাংশ share বৃদ্ধি কৰিছো। আপোনালোকে জানি ভাল পাব যে অসম চৰকাৰে নিজৰ Â@eÃ Â1± ১৮ শ কোটি টকা দিছো। অসমৰ ইতিহাসৰ এটা সোণালী অধ্যায়। আমি কোনো এটা ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানত ১৮ শ কোটি টকা চৰকাৰৰ investment আমি কেতিয়াও কৰা নাই। চৰকাৰে সঠিক দিশত গৈছে। ইয়াৰ পৰা ভৱিষ্যতে অসমখনত ৰাজহ বৃদ্ধি হ'ব। মই এটা উদাহৰণ দিছো, আপোনালোকে চাব, আজি আমি কি কৰিছো। আজি আপোনালোকে যদি অসমৰ economy চাই, আমাৰ কোন সময়ত চৰকাৰ গঠন কৰা হৈছিল, এতিয়ালৈ ৬ বছৰ হ'ল। কিন্তু আপোনালোকে যেতিয়া এখন ৰাইজৰ দ্বাৰা নিৰ্বাচিত চৰকাৰ হয়, এই চৰকাৰৰ ওপৰত ৰাইজৰ আশা-আকাঙ্খ্যা, বহুতো প্ৰতিশ্ৰুতি

তেওঁলোকৰ থাকে। যাৰ কাৰণে চৰকাৰৰ বহুত দায়িত্ব থাকে আৰু সেই কামখিনি কৰিবৰ কাৰণে এটা সুস্থিৰ বিত্তীয় অৱস্থা লাগে। সেই সুস্থিৰ বিত্তীয় অৱস্থাটো এদিনতে প্ৰস্তুত নহয়। গতিকে আমি চাব লাগিব যে অসমৰ যিটো বিত্তীয় অৱস্থা, এই economy এদিনতে গঢ়া economy নহয়। আমি legacy হে পাইছো। যেতিয়া গোটেই কথা আলোচনা হৈছে, তেতিয়া আমি এই কথাও ক'ব লাগিব যে legacy টো কি? আজি ১৫-২০ বছৰৰ বিত্তীয় ব্যৱস্থাটো যদি চাই, মই প্ৰত্যেক বছৰৰ কথা কৈ দিব পাৰো যে কোন বছৰত কিমান বিত্তীয় আহৰণ কৰা হৈছিল। প্ৰথম বাৰৰ বাবে যেতিয়া বি জে পি ২০১৫-১৬ চনত চৰকাৰ গঠন কৰিছিল, সেই সময়ত বিত্তীয় ব্যৱস্থা কি আছিল। এই বিধান সভাৰ মজিয়াত যিমানে চিঞৰক কিয় এটা শোচনীয় বিত্তীয় অৱস্থাত সেইখিনি সময়ত সোণোৱাল ডাঙৰীয়াৰ চৰকাৰখনে দায়িত্ব গ্ৰহণ কৰিব লগা হৈছিল। আমি দেখিলো বিত্তীয় শৃঙ্খলা নাছিল, যিমান tax collection কৰিব লাগে, তাত leakage আছিল। তাৰ পিছত কি কৰিলে আমাৰ বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এনেকুৱা এটা সুস্থ্য বিত্তীয় ব্যৱস্থা গ্ৰহণ কৰিলে। আজি ২০১৫-১৬ চনৰ পৰা ২০২০-২১ চনলৈ যিমান কৰ সংগ্ৰহ হৈছে, মই কম যে গোটেই অসমৰ post - independence সময়চোৱাত সৰ্ববৃহৎ ক'ৰ সংগ্ৰহ হৈছে । যদি এটা সুস্থ বিত্তীয় ব্যৱস্থা নাথাকে তেতিয়া হলে ক'ৰ সংগ্ৰহ নহয়। GST ৰ কথা কোৱা হৈছে। আগতে Vat আছিলে, কিন্তু one nation, one tax অনাৰ ফলত tax collection বৃদ্ধি হৈছে। যিখিনি legitimate পাব লগা tax সেইখিনি পাইছো। আপোনাক মই উদাহৰণ দিছো যে বিত্তীয় ব্যৱস্থা দুটা ভাগত চাব লাগিব pre-covid situation and post covid situation। pre-covid situation ত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত মই যদি বাজেট চাওঁ, আমাৰ দুগুণ বৃদ্ধি হৈছে। আমি যদি income ও চাওঁ আয় আমাৰ দুগুণ হৈছে। ৪ হাজাৰ কোটি টকাত আৰম্ভ হৈছিল income, ৮ হাজাৰ কোটি টকা ২০১৪ হ'ল, own tax resource ১৬ হাজাৰ কোটি টকা আমাৰ expenditure যদি আপোনালোকে চাই, ৮ হাজাৰ কোটি টকাৰ পৰা এতিয়া ৰ লাখ কোটি টকালৈ বৃদ্ধি হৈছে। last ২০ বছৰৰ ভিতৰত highest revenue expenditure হৈছে। per capita GSDP growth যদি চাই, এইটোও আমাৰ বাঢ়িছে। সেই গোটেইখিনি কথা যিটো আমাৰ এটা সুস্থ্য বিত্তীয় ব্যৱস্থা হ'ব লাগে, এইটো জৰিত হৈ আছে। এনেকুৱা এটা অৱস্থা হৈছিল যে আমি আমাৰ tax revenue বঢ়াব পৰা নাছিলো। ২০১৪-১৫ চনত expenditure less than 50% আছিল, সেই expenditure বাঢ়ি বাঢ়ি 80% হৈছে। এইটো কথা নহয় যে কেৱল debt ৰ ওপৰত এখন চৰকাৰ বৰ্তী থাকিব। বাকী ৯০ শতাংশ revenue কৰ পৰা আহিব। বাকী ৯০ শতাংশ revenue আমাৰ নিজৰ own tax revenue আছে, Central Government share of tax আছে, devolution আছে, সেইবিলাক source ৰ পৰা আমি revenue আনি

পেলাই, চৰকাৰৰ যিখিনি প্ৰতিশ্ৰুতি আছে, দৰমহা আছে, যিখিনি দিবলগা আছে, যিখিনি উন্নয়নমূলক কাম আছে, তাৰ পৰাহে কৰিবৰ কাৰণে চেষ্টা কৰিছো। মই প্ৰথমে আপোনালোকক অধ্যক্ষ ডাঙৰীয়া, মোৰ যোৱা সময়ছোৱা pre- covid situation ত আপোনালোকক কৈছো, pre- covid situation টোত যে এটা সুস্থ বিত্তীয় ব্যৱস্থা আছিল। এই সুস্থ বিত্তীয় ব্যৱস্থাটোত আমি দুগুণ আমি উপাৰ্জন কৰিলো। দুগুণ আমি আয় কৰিলো আৰু খৰছো আমি বাজেট চাইজ বঢ়াই আমি দুগুণ কৰিছো। কিন্তু যেতিয়া ২০২০ চনত অধ্যক্ষ মহোদয়, covid situation আৰম্ভ হ'ল। কিন্তু এই সদনত মই ক'বলৈ পাই ভাল পাইছো যে covid situation টো GST যিটো collection আছিল, সেইটো negative Growth ভাৰতবৰ্ষত -১০% আছিল কিন্তু Lowest আমাৰ অসমত হৈছে ১.৬ শতাংশ । covid ৰ situation টো অসমৰ যিটো GST collection আমি maintain কৰিবৰ কাৰণে সক্ষম হৈছো। আপোনালোকে চাব আৰু সেই কাৰণে ২০২০-২১ বৰ্ষত আমাৰ covid ৰ বেয়া সময়টো আমাৰ অসমত Growth টো -১ শতাংশহে হৈছে। negativ degrowth টো। দেশত গড় Growth -১০ শতাংশ হৈছে। কিন্তু অসমত degrowth only - ১শতাংশ। যোৱা বছৰ অধ্যক্ষ মহোদয়, আমি সেইটো minimize কৰিলো, যোৱা বছৰ আমাৰ যিটো GST growth আছিল, covid ৰ যেতিয়া 2nd wave আহিল, covid ৰ যেতিয়া 2nd wave আহিল, আমি সেইখিনি minimize কৰিলো, আমাৰ এইবাৰ GST growth হৈছে, আপোনালোকে জানি ভাল পাব ৪০ শতাংশ অধ্যক্ষ মহোদয়, -১ শতাংশৰ পৰা ৪০ শতাংশ আমি GST growth কৰিছো। Non-GST ৰ ক্ষেত্ৰটো আপুনি যদি চায় মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈ গৈছে আমি ২৬ শতাংশ Non-GST growth কৰিছো। অধ্যক্ষ মহোদয়, আমাৰ নিজৰ যিটো fiscal balance, সেই balance, টো আমি maintain কৰিছো। সৰ্বভাৰতীয় যিটো growth সেই growth ৰ তুলনাত অসমখনে এতিয়া সুন্দৰভাৱে নিজৰ fiscal growth টো maintain কৰি আছে। মই যদি excise ৰ উদাহৰণ দিও অধ্যক্ষ মহোদয়, excise revenue টো আগৰ ১৫-১৬ ৰ তুলনাত আমাৰ ২০০০ কোটিলৈ আমাৰ বৃদ্ধি হৈছে । এই নবেম্বৰ মাহটো excise revenue ১১২০ কোটিলৈ পাবলৈ আমি সক্ষম হৈছো। ইয়াৰ পাছত অধ্যক্ষ মহোদয়, আমাৰ এটা major source আছে, সেই source টো হৈছে Non- GST source . আছে Non- GST source টো অধ্যক্ষ মহোদয়, যাক আমি VAT ৰ জৰিয়তে tax খিনি collection কৰি আছো। সেইখিনি প্ৰেট্ৰ'লিয়াম প্ৰডাক্ট, ডিজেল, নেচাৰেল গেছ, ক্ৰুদ অইল, লিকৰ, প্ৰফেচনেল টেক্স, ইয়াৰো আমাৰ Non- GST tax টো আমাৰ ২০ শতাংশ আমাৰ growth বৃদ্ধি হৈছিল। গতিকে অধ্যক্ষ মহোদয়, transport ক্ষেত্ৰত ১০০০ কোটি টকা আমাৰ বৃদ্ধি হৈছে। গতিকে আমি যথেষ্টখিনি সচেতন। আমাৰ যে এই tax revenue টো যাতে intake থাকে যাৰ জৰিয়তে আমি কৰ্মচাৰীৰ দৰমহা দিব লাগিব। আমি চৰকাৰৰ যিবিলাক উন্নয়নমূলক আঁচনি আছে, সেইবিলাক আমি চলাই যাব লাগিব। আজি আমি অৰুনোদয় আঁচনি দিছো, এই ধন আমি বৃদ্ধি কৰিছো ৮৩০ টকাৰ পৰা ১০০০ টকালৈ। এইবিলাক টকা আমি ক'ৰ পৰা দিছো? মাহে অৰুনোদয় আঁচনি দিবৰ কাৰণে ২৬৭ কোটি টকা লাগে। আমি চৰকাৰ গঠন কৰাৰ প্ৰথম দিনটোতে আমি সিদ্ধান্ত লৈছিলো, যিবিলাক ৰেভিনিউ আছে, সেইখিনি augment কৰিম আৰু লগতে যিসকল আমাৰ চৰকাৰৰ চাকৰিৰ বাদ দি পেলাই, যিখিনি মানুহে আজি বিভিন্ন ধৰণৰ পেঞ্চন পায়, সেই পেঞ্চন আমি প্ৰত্যেক মাহৰ ১০ তাৰিখে যে নিয়মীয়া কৰিব পাৰো সেই সিদ্ধান্ত আমি গ্ৰহণ কৰিছিলো। গতিকে

আজি এটা কথা ক'বলৈ পাই ভাল পাইছো, অধ্যক্ষ মহোদয়,যে চৰকাৰখন কিমান সংবেদনশীল। অসমৰ মুখ্যমন্ত্ৰী মহোদয় ইমান সংবেদনশীল যে আমি টেক্স লৈছো, কৰ লৈছো। কৰ ললেটো ন'হব আজি যেতিয়া পেট্ৰ'ল ডিজেলৰ দাম বাঢ়িছিল, তেতিয়া অধ্যক্ষ মহোদয়, সেই বিত্তীয় বৰ্ষত আমি প্ৰথমে ৫ টকা VAT ৰ ওপৰত rebate দিলো, আকৌ ২য়তে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিলে, Assam is the first state, আকৌ আমি ৭ টকা মুঠতে ১২ টকা অধ্যক্ষ মহোদয় আমি পেট্ৰ'ল আৰু ডিজেলৰ প্ৰত্যেক লিটাৰত হ্ৰাস কৰিলো। এইটোৱে কি সূচাইছে? যে অসমত নতুন চৰকাৰখনে আজি এইটো বিচাৰিছে যে কোনো এজন মানুহৰ মুৰৰ ওপৰত অতিৰিক্ত বোজা, কৰৰ বোজা হ'ব নালাগে। সকলো মানুহেই যিটো আশা আকাংখ্যাৰে এই চৰকাৰখনক আজি শাসনত বহুৱাইছে, সেইখিনি যাতে তেওঁলোকে পুৰন কৰিব পাৰে। আৰু এটা কথা কওঁ যে যোৱা সময়ছোৱাত যেতিয়া ২০১৫ ৰ পৰা ১৬ চনলৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আছিল, সেইখিনি সময়ত এটা ঐতিহাসিক সিদ্ধান্ত লৈছিল, tax transfer, অখিল গগৈ ডাঙৰীয়াই কৈ আছে, আপোনালোকে চাব যে আমাৰ Oil royalty পাবলৈ আছিল প্ৰায় ১০,০০০ কোটি টকা। আমাৰ পাটোৱাৰী ডাঙৰীয়াই জানে Oil royalty অধ্যক্ষ মহোদয়, মোডী ডাঙৰীয়াই ৭৭০০ কোটি টকা arrear oil royalty অসমক প্ৰদান কৰিছে। যিটো মই কম যে আমাৰ অসমৰ ইতিহাসত বিৰল। আজি কেন্দ্ৰীয় চৰকাৰে তেনেধৰণৰ পুঁজি ৰাজ্য চৰকাৰক দিয়াটো এটা উদাহৰণ নহয় নেকি অধ্যক্ষ মহোদয়, কালি অখিল গগৈ ডাঙৰীয়াই কৈছে যে প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে , মোডী ডাঙৰীয়াৰ চৰকাৰখনলৈ আমি ধন্যবাদসূচক প্ৰস্তাৱহে দিব লাগে। ৭৭০০ কোটি টকা arrear oil roalty payment, আমাৰ চৰকাৰখনলৈ তেওঁলোকে আগবঢ়াই দিছে। ই কি সূচাইছে, যে এটা Centre-State যিটো federal relationship শক্তিশালী কৰাৰ কাৰণে তালুকদাৰ এইটো এটা উদাহৰণ মই আপোনাক দিছো। আজি মোডী ডাঙৰীয়াই মুখেৰে কোৱা নাই, যে অষ্টলক্ষ্মী বুলি, কামেৰে দেখুৱাইছে যে ৭৭০০ কোটি টকা arrear oil royalty দি এটা বলিষ্ঠ পদক্ষেপ লৈ মোডী ডাঙৰীয়াই দেখুৱাইছে। বাকী কথা অধ্যক্ষ মহোদয়, মই চমুকৈ কবলৈ আহিছো, আৰু এটা কথা কম যে Non tax revenue, Non tax revenue, ত আমি বিচাৰিছো যে অসমত মানুহৰ মাজত কৰৰ বোজা নপৰক। সেই কাৰণে আমি যেতিয়া বাজেট দিছিলো, যোৱাবাৰ আমি কৰ মুক্ত বাজেট দিছিলো অধ্যক্ষ মহোদয়। আগটো আপুনি চাব কৰমুক্ত। কাৰো ওপৰত আমি additional tax দিয়া নাই। সেই কাৰণে আমাৰটো ৰাজহ বৃদ্ধি হ'ব লাগিব। সেই কাৰণে আমি কি কৰিছো এটা ঐতিহাসিক বলিষ্ঠ সিদ্ধান্তৰ কথা মই আপোনাক কৈ আহিছো, যিটোৰ আমি সকলো অংশীদাৰ। সেই কাৰণে Non-tax যিটো ৰেভিনিউ আছে, সেই Non-tax ৰেভিনিডৰ ভিতৰত এটা হৈছে forest .আজি আপোনালোক সকলোৱে জানক যে আমাৰ ৰাজ্যখনৰ চাৰি ভাগৰ যথেষ্টখিনি area আমাৰ forest ত পৰে, আৰু সেই কাৰণে forest ৰ যদি royalty অধ্যক্ষ মহোদয়, মই এই বিভাগৰ দায়িত্ব লোৱাৰ পাছত অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সদিচ্ছাত আমি চিন্তা কৰিছিলো যে অসমত forest ত যিখিনি royalty আহি আছে, সেই royalty খিনি আমি কেনে ধৰণে বৃদ্ধি কৰিব পাৰো, বহুতো আলোচনা হোৱাৰ পাছত অধ্যক্ষ মহোদয়, আমি সঠিক সিদ্ধান্ত গ্ৰহণ কৰিছো, আৰু আমি আশা কৰিছো, যে আপোনালোকক মই গোটেইখিনি কথাৰ কি সিদ্ধান্ত লৈছো জনাব বিচাৰিছো। অধ্যক্ষ মহোদয়, মই এই ক্ষেত্ৰত আমাৰ বন মন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো কাৰণ তেখেতে এটা সঠিক সিদ্ধান্ত গ্ৰহণ কৰিছে। মই এই ক্ষেত্ৰত আৰু আমাৰ mines & Minerals ৰ মন্ত্ৰী যোগেন মহন ডাঙৰীয়াকো ধন্যবাদ

জনাইছো দুয়োগৰাকী মন্ত্ৰীয়ে সঠিক সিদ্ধান্ত গ্ৰহণ কৰিছে আৰু অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত অসমেও এই ক্ষেত্ৰত লিডাৰশ্বিপ ল'বলৈ গৈ আছে। এতিয়া কি ধৰণৰ সংশোধন আমি আনিছো, অধ্যক্ষ মহোদয়,মই আপোনাক কৈ দিব বিচাৰিছো, যোৱা ৭ অক্টোবৰত আমি এখন Notification দিছো, এই Notification হৈছে, অধ্যক্ষ মহোদয়, In exercise of the powers conferred by the Sub-section 1 of the section 15 and section 23 of the Mines & Mineral Act, 1957 the Govt. of Assam is hereby pleased to make the following Rules. Further to amend the Assam Mine & Mineral concession Rules, 2013 here in after reffered to as the principle loss in the manner here in after appearing namely আমাক বহুতো মাননীয় সদস্যই চৰকাৰক উপদেশ দিছে, আপোনালোকে ৰেভিনিউ augment কৰিবৰ কাৰণে , ৰাজহ বৃদ্ধি কৰিবৰ কাৰণে কি পদক্ষেপ? অধ্যক্ষ মহোদয়, এইখিনি কথা এই কাৰণেই কৈছো, ইয়াৰ লগত গোটেই আমাৰ ৰেভিনিউ augment জড়িত হৈ আছে। এতিয়াৰ পৰা আমাৰ যিখিনি works ৰ কাম হ'ব যিবিলাক ৰাস্তা পদুলি নিৰ্মাণ হ'ব, বিল্ডিংৰ কনষ্ট্ৰাকশ্যন হ'ব, বা মাঠাউৰী নিৰ্মাণ হ'ব। আগতে আমাৰ কথা আছিল যে আগটো যিটো royalty দিয়া হৈছিল, সেইবিলাক item ৰ ওপৰত দিয়া হৈছিল। কিন্তু এতিয়া নহয়। আজি এজন ঠিকাদাৰে অধ্যক্ষ মহোদয়, কাম কৰে, project cost ৰ ওপৰত এই royalty খিনি লোৱা হ'ব।

**মাননীয় অধ্যক্ষ** ঃ- আমাৰ সময় হৈ গ'ল ২টা বজালৈকে আছিল।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী)** ঃ- মোক ১০ মিণিট বঢ়াই দিব লাগিব অধ্যক্ষ মহোদয়,

**মাননীয় অধ্যক্ষ** ঃ- ১০ মিনিট। ঠিক আছে, Hon'ble House, ২টা বাজিল, আমাৰ বিত্ত মন্ত্ৰী মহোদয়াই উত্তৰ continue কৰিব। কিন্তু এতিয়া মই যিহেতু ২টা বাজিছে, আমাৰ বাকী থকা সকলেও পৰিপূৰক দাবী মঞ্জুৰী মই গিলেটিনত দিলো। পৰিপূৰক দাবী মঞ্জুৰী বিলাক হ'ল- ৫আৰু ৬২,১,৩,৪,৬,৭,৯,১০ ১১,১২,১৩,১৪,১৫,১৬,১৭,১৮,১৯,২০,২১,২২,২৩,২৪,২৫,২৬,২৭, ২৮,২৯, ৩০, ৩১, ৩২, ৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৮, ৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯ ৬০, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৬৯, ৭০, ৭১, ৭২, ৭৪, ৭৫, ৭৬, ৭৭, ৭৮, এই গোটেইখিনি গিলেটিনত দিলো, আৰু reply টো complete কৰি যিহেতু আমাৰ বিভিন্ন বিতৰ্কৰ কাৰণে সময় অপব্যয় হ'ল, just reply টো continue কৰিবলৈ মই অনুৰোধ জনালো ১০ মিণিটৰ কাৰণে।

**শ্ৰীমতী অজন্তা নেওগ (বিত্ত মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মই কৈছো যে, দুটা পদ্ধতিত এই Royalty খিনি সংগ্ৰহ কৰা হ'ব এটা process হ'ল আমাৰ project cost ৰ ওপৰত আমি এইখিনি ল'ব পাৰিম। যেনে RCC Building; RCC Works ত ২% তেওঁলোকে দিব লাগিব royality, New Road Construction Work with bituminous works 6%, এনেকে rate খিনি বান্ধি দিছে অধ্যক্ষ মহোদয়, বিভিন্ন কামৰ ভিত্তিত আৰু এইটো যেতিয়া ঠিকাদাৰে বিল পাচ কৰিব, বিল পে'মেণ্টৰ কাৰণে আহিব অধ্যক্ষ মহোদয়, তেতিয়া GST আৰু IT exclude কৰিব লাগিব আৰু exclude কৰিব যিটো এমাউণ্ট হ'ব, সেইটো proportionally তেওঁলোকে ট্ৰেজাৰী অফিচত direct জমা দিব লাগিব, কোন ট্ৰেজাৰীত জমা দিব লাগিব আৰু সেইখিনিও notification কৰা হৈছে। দ্বিতীয়তে,

কেন্দ্ৰীয় চৰকাৰৰ কাম-কাজ থাকে, সেইবিলাকো ইয়াতে বাইণ্ডিং হ'ব। Same rate ত তেওঁলোকে দিব লাগিব। মুঠতে অধ্যক্ষ মহোদয়, ইয়াত কোনো ধৰণৰ royalty ৰ ক্ষেত্ৰত leakage হ'ব পৰা আমি কাম সম্পূৰ্ণভাৱে বন্ধ কৰিছো। মই সদনত পুনৰবাৰ কৈছো অধ্যক্ষ মহোদয়, আমি যথেষ্টখিনিত চৰকাৰ সজাগ। আমি tax leakageৰ ক্ষেত্ৰত সম্পূৰ্ণ সজাগ আৰু সেই কাৰণে আজি এই যিটো Amendment আনিছো, আমি অধ্যক্ষ মহোদয়, এই Amendment খনে ভৱিষ্যতত গোটেই Forest royalty চিষ্টেমটোৱেই Transparent কৰিব। ইয়াত সকলো ধৰণৰ leakage নাইকিয়া কৰিব আৰু চৰকাৰৰ কোষাগাৰলৈ অধ্যক্ষ মহোদয়, বৰ্তমান যিমান Forest royalty আমাৰ আহি আছে, ১০ গুণ বেছি বৃদ্ধি হ'ব। মই দৃঢ়তাৰে আজি আপোনাক ক'ব বিচাৰিছো। ইয়াৰ পিছৰ পৰ্য্যায়ত মাননীয় মন্ত্ৰী ডাঙৰীয়াই নিশ্চয় এই গোটেইখিনি বিধায়কসকলক দিব। কাৰণ গোটেই চিষ্টেমটো যিহেতু নতুন হৈছে, source তে এই কথাখিনি কটা হৈছে। আগতে item ৰ ওপৰত আছিল। এই গোটেইখিনি অধ্যক্ষ মহোদয়, যিমানখিনি আমি ভাবিছিলো Forest department ৰ সকলোখিনি leakage নাইকিয়া হ'ব। কিন্তু মই ভাল পালোহেঁতেন যে, ১০ বছৰ আগতে যদি এই Amandment খন আনিলেহেঁতেন। গতিকে এইখিনি কথা মই আপোনালোকক কৈছো। মাননীয় অধ্যক্ষ মহোদয়, আপুনি ১০ মিনিট সময় দিছে, সদনত মাননীয় বিধায়ক সকল আছে আৰু এটা কথা আমাৰ source খিনি আৰু এটা stamp, registration, ইয়াৰ ক্ষেত্ৰত আমি চাইছো যে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য বিলাকে stamp, registration ৰ ক্ষেত্ৰত যথেষ্ট তেওঁলোকে ৰেভিনিউ বৃদ্ধি কৰিছে। সেই কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো 'মিছন বসুন্ধৰা' ৰ জৰিয়তে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বা আমাৰ মন্ত্ৰী সকলে যিটো পদ্ধতি গ্ৰহণ কৰিছে, গোটেই অসমৰ মানুহক উপকৃত কৰিব লগতে গোটেই চিষ্টেমটো leakage বিলাক নাইকিয়া কৰিছে। গতিকে আমি আশা কৰিছো যে, আমি কৰ বিভাগৰ যিবিলাক leakage আছিল, সেই leakage বিলাক নাইকিয়া কৰিবৰ কাৰণে যিখিনি Administrative procedure ল'ব লাগে, যিখিনি Legislative manners ল'ব লাগে। আমি সম্পূৰ্ণ সজাগভাৱে সেইখিনি লৈছো আৰু আশা কৰিছো যে, ইয়াৰ জৰিয়তে এটা স্বচ্ছ আৰু নিকা পদ্ধতিৰে আমাৰ কৰ সংগ্ৰহ হ'ব আৰু ৰাজহ আহিব লগা সময়চোৱা বৃদ্ধি পাব। এইটো আমি আশা কৰিছো। গতিকে অধ্যক্ষ মহোদয়, মই বিৰোধী দলৰ সদস্য সকলক বিশেষকৈ লোনৰ কথা ক'ব বিচাৰিছো যে, আপোনালোকে ঋণৰ কথাখিনি কৈছে যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা স্পষ্টভাৱে ঋণ লোৱা কথাখিনি আপোনালোকক সদনত বুজাই দিছে, মাননীয় সদস্য সকলক স্পষ্টভাৱে কৈছে, মই হয়তো তাত বেছিকৈ কোৱাৰ প্ৰয়োজনীয়তা নাই। গতিকে মই এইটো কথায়েই কৈছো, লোন আমি লও। আজি আমি legitimately যিখিনি ঋণ গ্ৰহণ কৰিছো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে ১৪ হাজাৰ কোটি টকা আমি এটা লোন প্লেনিং কৰিছো। আমি কোনো ধৰণৰ অপৰিকল্পিতভাৱে একো কাম কৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, আমি যি কাম কৰিছো অসমৰ জনসাধাৰণৰ মঙ্গলৰ কাৰণে, অসমখনক ৫ খন ভাল ৰাজ্যৰ ভিতৰত এখন কৰিবৰ কাৰণে অতি পৰিকল্পিতভাৱে আমি কাম কৰিছো, এইখিনি কথা মই কৈছো। আমাৰ সপোন কি মাননীয় অধ্যক্ষ মহোদয়, অসমখনক আগবঢ়ায় লৈ যোৱাৰ। গতিকে আমাৰ এইখন মৰমৰ ৰাজ্যখনক আমি আগবঢ়ায় লৈ যাবৰ কাৰণে বলিষ্ঠভাৱে প্ৰতিষ্ঠা কৰিবৰ কাৰণে দিনে ৰাতিয়ে 24x7 কাম কৰিছো। ইয়াত আজি কোনোবাই ক'লে আমি মানি ল'ম নেকি ? যে আজি অসমখনে ঋণৰ বোজা নহয়, অসমখন আমি উন্নয়নৰ গতিধাৰাত, যি উন্নয়নৰ যজ্ঞ মুখ্যমন্ত্ৰী ডাঙৰীয়াই আৰম্ভ

কৰিছে, সেই যজ্ঞত আমি সকলোৰে আগবাঢ়ি গৈছো। গতিকে আমি আশা কৰিছো যে আহিব লগা সময়ছোৱাত অসমখনে যিমানখিনি আন্তৰিকতাৰে কাম কৰিছো, আমি অধ্যক্ষ মহোদয়, আপোনাক দৃঢ়তাৰে ক'ব পাৰো আমি Capital expenditure বঢ়াবৰ কাৰণে প্লেনিং কৰিছো। আমাৰ Capital expenditure বাঢ়িছে আৰু লোন বহন কৰাটো এটা কথায়েই। যেতিয়া এখন ৰাজ্যৰ capacity থাকিব, লোন বহন কৰিব, যিমানখিনি পাৰে সেইখিনিহে আমাক ৰিজাৰ্ভ বেংকে লোন দিব। ইতিমধ্যে আপোনালোকে সদনত পাছ কৰি থৈছে। আমাৰ যিখিনি FRBM, যিখিনি regulation দিছে, সেইখিনিৰ আওতাত আমি আছো আৰু অসমৰ জনসাধাৰণক আমি এইটোৱেই ক'ব বিচাৰিছো, আমি লোন লৈছো অসমৰ জনসাধাৰণৰ মঙ্গলৰ কাৰণে, আমি লোন লৈছো অসমৰ ৰাজ্যখনক আগবঢ়াই লৈ যাবৰ কাৰণে, আমি Revenue expenditure দিয়া নাই। আমি আমাৰ লোন Capital expenditure ত দিছো। গতিকে মই পুনৰবাৰ বিধান সভাৰ অনুমতিমতে এই লোন লৈছো আৰু ন্যায্যহতে লোন লৈছো অসমখনৰ উন্নয়নৰ কাৰণে। যিটো অপপ্ৰচাৰ চলোৱা হৈছে, এইটো অপপ্ৰচাৰ আচলতে। নহ'লেতো বাকীকেইটা source আছিল ৮৩ শতাংশ source আছে। তাৰ বিষয়তো আলোচনা হোৱা নাই। মাত্ৰ ঋণৰ কথা কিয় কোৱা হৈছে। গতিকে এইখিনিয়ে ক'লো মাননীয় অধ্যক্ষ মহোদয়। বিশেষ ৰাজ্যৰ মৰ্য্যদাটো মই পুনৰবাৰ কৈছো It is a change of nomenclature যাৰ কাৰণে অসমলৈ পুঁজি বেছি আহিছে, গতিকে এইখিনি আমি এইখিনি ক্ষেত্ৰত পুনৰবাৰ আমাৰ স্থিতিটো নিৰ্ধাৰণ কৰিছো, যে আমাৰ কোনো পইচা ইয়াৰ কাৰণে কম অহা নাই। 90, 10 বা আজি লোনবিলাক সিদিনাখন শ্ৰীমতী নিৰ্মলাচিতাৰমণ বাইদেউ যেতিয়া আমাৰ অসমলৈ আহিছিল, EAP Project ত চাৰে তিনি হাজাৰ কোটি টকা তেওঁ দিছে। গতিকে আজি এই ক্ষেত্ৰত আমি অসমৰ যোগাযোগৰ ক্ষেত্ৰত অসমৰ উন্নয়নৰ ক্ষেত্ৰত এই কামখিনি কৰিছো আৰু অসমৰ জনসাধাৰণক পুনৰবাৰ কৈছো যে অসমৰ জনসাধাৰণৰ মূৰত আমি কোনো কৰৰ বোজা দিব খোজা নাই। লোন মাৰিবৰ কাৰণে অসম চৰকাৰৰ সামৰ্থ আছে আৰু সেই সামৰ্থ অনুযায়ী লোন লৈছো, যেনেধৰণে ব্যক্তিগতভাৱে ডাঙৰ এটা ঘৰ যদি অধ্যক্ষ মহোদয় বনোৱা হয়, তাতো আমি লোন লওঁ। গাড়ী এখন যদি কিনো তাতো আমি লোন লও। আজি যদি Industry কৰিছো তাতো আমি লোন লও। আজি সদনৰ পৰা কি মেচেজ যাব, আজি অসমৰ যুৱ প্ৰজন্মক কি ক'ম । আজি অসমত আপোনালোকে যদি CD ratio চায়, credit deposit ratio. CD ratio অসমত কম। কি কাৰণে কম অধ্যক্ষ মহোদয়, যিদিনাখন ৰিজাৰ্ভ বেংকৰ বিষয়াসকল আহিছিল, কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী ডাঙৰীয়া আহিছিল মই নিজে সন্মুখত তেখেতক কৈছিলো যে অসমৰ বাহিৰৰ উন্নত উন্নয়নশীল ৰাজ্য বিলাকত CD ratio বেছি। আমাৰ যিখিনি deposit তেওঁলোকৰ বেংক বিলাকত আমি দিছো, সেইখিনি deposit তেওঁলোকে সমানুপাতিকভাৱে অসমত ব্যৱহাৰ কৰা নাই। লোন আমাক দিয়া নাই। লোন কম হোৱাৰ কাৰণে আচলতে আমি উন্নয়নমূলক আঁচনি বিলাক আমাৰ ব্যক্তিগতভাৱে ল'ব নোৱাৰো। আমাৰ যুৱক-যুৱতী সকলে ল'ব নোৱাৰে। তাৰ কাৰণে MSME industry হওঁক, বৃহৎ industry হওঁক, সকলোতে, গতিকে মই নিজে কৈছো CD ratio অসমত বৃদ্ধি হ'ব লাগে। Natioal যিটো CD ratio ৬০ শতাংশৰ ওপৰত, কিন্তু অসমৰ CD ratio এতিয়া ৫৫ শতাংশ। এই ৫ শতাংশ গেপৰ কাৰণে আমাৰ হাজাৰ হাজাৰ কোটি টকা অসমে বঞ্চিত হৈছে। অসমৰ যুৱক-যুৱতী, অসমৰ নিবনুৱা সমস্যা যদি সমাধান কৰিব লাগে আমি তেওঁলোকক Financial শিক্ষা linkup কৰিব লাগিব। তেতিয়াহে অসমৰ যুৱক-যুৱতীয়ে

বাংগালুৰুত গৈ দহ হাজাৰ টকাৰ কাৰণে যাব নালাগে। অসমক যদি সচৰাচৰ শক্তিশালী কৰিব লাগে আমাৰ যুৱক-যুৱতী সকলক আমি industry হওঁক, বেংকৰ লগত credit linkage package কৰিয়ে হওঁক, আমি যুৱক-যুৱতী সকলক ৰাস্তা দেখুৱাব লাগিব। সেইকাৰণে অসমৰ মন্ত্ৰী ডাঙৰীয়াই সঠিকভাৱে কৈছে। আজি অসমৰ বাহিৰত যিবিলাক আমি লোন লৈছো, সেই 90, 10 ত লৈছো। আৰু আমি নিজে লোৱা নাই। EAP Project ৰ যিবিলাক লোন আছে, Externally added project. কেন্দ্ৰীয় চৰকাৰে তেওঁলোকে লোন লৈছে। তেওঁলোকে লোন লৈ সেইসময়ত ১০ শতাংশ আমাৰ চেন্ট্ৰেল চেয়াৰ ষ্টেট চেয়াৰ হিচাপে আমাক ঘুৰাই দিছে। ইমান কম টকাত আমি লোন পাইছো। মাননীয় অধ্যক্ষ মহোদয়, যিটো মই ব্যক্তিগত অভিজ্ঞতা আপোনালোকক কৈছো। আগতে কিন্তু ২০০১ চনৰ পৰা ২০১৪ চনত এই লোনবিলাক ল'বৰ কাৰণে প্ৰাৰম্ভিকভাৱে যিখিনি conditionality আছিল চৰকাৰখনে কৰিব পৰা নাছিল, বিত্ত বিভাগটোৱে কৰিব পৰা নাছিল। নোৱাৰাৰ কাৰণে external added যিবিলাক project সেইবিলাক ঘুৰি গৈছিল। গতিকে আজি আমি লষ্ট হৈছো নে নাই? আজি লোন, যিখিনি ঋণ আমাক বৰ্হি উৎসৰ পৰা দিছে, সেইবোৰ উৎসৰ পৰা অসমত ডাঙৰ ডাঙৰ ব্ৰীজ হ'ব। এনেকুৱাধৰণৰ কিছুমান connectivity আহিব যিবোৰ connectivity য়ে অসমৰ যিটো নিবনুৱা সমস্যা আছে, অসমৰ যিটো overall scenario আছে, বান গড়াখহনীয়াই এইবলাকো নাইকীয়া কৰিব। এখন উন্নয়ণশীল অসম গঢ়িবৰ কাৰণে আজি ২৫ কোটি টকা ইয়াত ৰাখিছো মাজুলীৰ দলং নিৰ্মাণ কৰিবৰ বাবে। ৭৫ কোটি টকা সকাহ দিবৰ বাবে ইয়াত ৰাখিছো। এইবাৰ মই ২৫ শ কোটি টকা এচ ডি ৰ পইচা ৮ লাখ প্ৰধানমন্ত্ৰী অৱাস যোজনাৰ ঘৰৰ বাবে দিছো। অসমখন আগবাঢ়ি যাব। আপোনালোকে বেছি ঘৰ লাগে বুলি কৈছে। টিনৰ পৰা পকা ঘৰ লাগে বুলি কৈছে। ২.৫ হাজাৰ কোটি টকা এইবাৰ প্ৰথম বাৰৰ বাবে Supplementary Demand ত মই আনিছো। যোৱা মাহত ৫ শ কোটি টকা প্ৰধানমন্ত্ৰী অৱাস যোজনাৰ ঘৰৰ কিস্তিৰ বাবে এৰি দিছো। এইসমূহ লোনৰ টকা নহয়। উন্নয়ণৰ কাম চলি আছে। ক'ভিডৰ দিনতো আমি টেকেল কৰিছো। অসমৰ এফালে মানুহৰ জীৱন ৰক্ষা কৰা হৈছে আৰু আনফালে অসমখন যাতে আগুৱাই যায় সেইটো কৰিবৰ বাবে আমাৰ সকলোৰে প্ৰচেষ্টা চলি আছে। এখন সমৃদ্ধিশালী অসমৰ স্বাৰ্থত আমি কাম কৰি গৈছো আৰু কাম কৰি যাম। কিন্তু যিসকলে বাধা দিব তেওঁলোকৰ নাম সময়ে বুৰঞ্জীত ৰাখিব। যিসকল সঁচাকৈয়ে শুই থাকে তেওঁলোকক জগাব পাৰি। কিন্তু ভাওঁ জুৰি শুৱা মানুহক জগাব পাৰি নেকি অধ্যক্ষ মহোদয়? কোনোবাই যদি নুবুজে তেওঁক মই বুজাব পাৰিম। কিন্তু বুজিও যদি নুবুজাৰ ভাওঁ ধৰে তেওঁক মই বুজাব নোৱাৰিম। মই সকলোকে এইখিনি কথা ক'লো আৰু মাননীয় সদস্যসকলক পুনৰবাৰ অনুৰোধ কৰিছো যে অসমৰ স্বাৰ্থত যিখিনি কথা কৈছো তাৰ বাবে আপোনালোকে কৰ্ত্তন প্ৰস্তাৱটো উঠাই লওঁক। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পৰিপূৰক দাবী মঞ্জুৰীসমূহ। মঞ্জুৰী নং-৫ আৰু ৬২। ১,৩,৪,৬,৭,৯,১০,১১,১২,১৩,১৪,১৫,১৬,১৭,১৮,১৯,......

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কৰ্ত্তন প্ৰস্তাৱটো উইড্ৰ কৰিব নালাগে নেকি?

**মাননীয় অধ্যক্ষ ঃ** Guillotine ত যোৱাৰ পিছত আৰু ব্যাখ্যা নহয়। মই এইটো বঢ়াই দিছো মাননীয় মন্ত্ৰী মহোদয়াই উত্তৰ দিয়াৰ বাবে। মই দুই বজাতেই Guillotine ত দি দিছো।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কৰ্ত্তন প্ৰস্তাৱটো উঠাইয়ে লম

কিন্তু সাধাৰণতে মন্ত্ৰীৰ উত্তৰৰ পিছতহে উঠাই লোৱো হয়। Guillotine ত যোৱাৰ পিচত স্পীচটো যেতিয়া শেষ হ'ব তাৰ পিছত কৰ্ত্তন প্ৰস্তাৱটো উঠাই লোৱা হয়। যদি সম্পূৰ্ণ হৈ যায়, তেতিয়াহ'লে মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে এইখিনি কথা কিহৰ ভিত্তিত ক'লে আৰু যদি তেওঁ কৈছে আমি উঠাই ল'ব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয়া মন্ত্ৰী মহোদয়াই যেতিয়া উত্তৰ দি আছিল, তেওঁ উত্তৰ দিয়াৰ সময় পাৰ হৈ গ'ল আৰু তেখেতে উত্তৰটো সম্পূৰ্ণ কৰাৰ বাবে সময় দিয়াৰ বাবে অনুৰোধ কৰিছে। তেখেতৰ মতে আমাক মাত্ৰ ১০ মিনিট সময় লাগিছে। নিৰ্দ্দিষ্ট সময় হোৱাৰ লগে লগে দাবী মঞ্জুৰীসমূহ Guillotine ত যাব লাগিব।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনে তেওঁৰ স্পীচটো ১০ মিনিট বঢ়াই দিছে, তেতিয়া সেই ১০ মিনিটৰ পিছতহে উইদ্ৰটো হ'ব। Guillotine ত যোৱাৰ পিছতো তেওঁৰ স্পীচটো চলি আছিল।

**মাননীয় অধ্যক্ষ ঃ** অধ্যক্ষ হিচাপে মই ঘোষণা কৰিছো যিহেতু তেখেতে বক্তৃতা দি আছিল আৰু অধ্যক্ষ হিচাবে মোৰ এটা ক্ষমতা আছে। সেই ক্ষমতাত মই সময় বঢ়াই দিছিলো। যিহেতু তেখেতৰ উত্তৰ অলপ বাকী আছিল। কিন্তু আমাৰ ৰুলত কৈছে যে নিৰ্ধাৰণ কৰি থোৱা সময়ৰ ভিতৰত Guillotine ত যাব লাগে । এতিয়া পৰিপূৰক দাবী মঞ্জুৰীসমূহ। মঞ্জুৰী নং-৫ আৰু ৬২। ১,৩,৪,৬,৭,৯,১০,১১,১২,১৩,১৪,১৫,১৬,১৭,১৮,১৯, ২০, ২১, ২২, ২৩, ২৫, ২৫, ২৬, ২৭, ২৯, ৩০, ৩১,৩৩,৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৮, ৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৬৯, ৭০, ৭১, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭ আৰু ৭৮, সদনত অনুমোদৰ বাবে আগবঢ়াইছো।

যিসকল মাননীয় সদস্য-সদস্যা

মঞ্জুৰী প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল মঞ্জুৰী প্ৰস্তাৱৰ বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

**মাননীয় অধ্যক্ষ ঃ** মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে।

গতিকে পৰিপূৰক দাবী মঞ্জুৰী নং-৫ আৰু ৬২। ১, ৩, ৪, ৬, ৭, ৯,১০, ১১, ১২, ১৩, ১৪, ১৫, ১৬, ১৭, ১৮, ১৯, ২০, ২১, ২২, ২৩, ২৫, ২৫, ২৬, ২৭, ২৯, ৩০, ৩১,৩৩, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৮, ৪৯, ৫০, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬০, ৬৩, ৬৪, ৬৫, ৬৬, ৬৭, ৬৮, ৬৯, ৭০, ৭১, ৭৩, ৭৪, ৭৫, ৭৬, ৭৭ আৰু ৭৮ সদনত গৃহীত হ'ল। এতিয়া "দ্যা আসাম বিনিয়োজন (নং-III) বিধেয়ক ২০২১" সদনত বিতৰণ কৰিবলৈ অনুৰোধ জনালো। "দ্যা আসাম বিনিয়োজন (নং-III) বিধেয়ক ২০২১" সদনত উত্থাপন কৰিবৰ বাবে মাননীয়া বিত্তমন্ত্ৰী মহোদয়াই অনুমতি বিচাৰিব।

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম বিনিয়োজন (নং-III) বিধেয়ক ২০২১" সদনত উত্থাপন কৰিবৰ বাবে অনুমতি বিচাৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** Is it the pleasure of the House to grant leave to introduction of the Bill ?...

Leave is granted.

There is a massage from Prof. Jagdish Mukhi, Governor of

Assam, Guwahati dated 20-12-2021.

"Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the Assam Appropriation (No.III) Bill, 2021 in the Assam Legislative Assembly."

Hon'ble Minister, Finance etc. to introduce the Bill.

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম বিনিয়োজন (নং-III) বিধেয়ক ২০২১" সদনত উত্থা পন কৰিলোঁ।

**Hon'ble Speaker :** Principal Secretary, Assam Legislative Assembly to read out the title of the Bill.

**Principal Secretary, ALA :** The Assam Appropriation (No.III) Bill, 2021.

**Hon'ble Speaker : Now, Item No.-3 (B)** There is a massage from Prof. Jagdish Mukhi, Governor of Assam, Guwahati dated 20-12-2021.

"Under the provision of Article 207 (III) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the Assam Appropriation (No.III) Bill, 2021 be taken into consideration. by the Assam Legislative Assembly."

Now Hon'ble Minister, Finance etc. to move the Bill.

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম বিনিয়োজন (নং-III) বিধেয়ক ২০২১" সদনত উত্থাপন কৰিলোঁ।

**Hon'ble Speaker** : I now put the motion before the House:
The motion is that- "The Assam Appropriation (No.III) Bill, 2021." be taken into consideration."

Those who are in favour, say "Ayes",

Those who are against say, "Noes"

"Ayes", have it, "Ayes", have it,"Ayes" have it.

The motion is passed.

**Now Item No. 3 (C)**

Consideration of "The Assam Appropriation (No.III) Bill, 2021." clause by clause.

I now put Clause-2,3 and schedule to the Bill before the House for approval.

The Question is that-

Clauses 2,3 and schedules to the Bill do stand part of the Bill.

Those who are in favour, say "Ayes",

Those who are against say, "Noes"
I think "Ayes" have it, "Ayes" have it,"Ayes" have it.
The motion is passed.
Clauses-2,3 and schedules to the Bill do form part of the Bill.

Now I put Clause-1, Enacting Formula and Short Title of the Bill before the House for approval.
The Question is that-
Clause 1, Enacting Formula and Short Title do stand part of the Bill.
Those who are in favour, say "Ayes",
Those who are against say, "Noes"
I think "Ayes" have it, "Ayes" have it,"Ayes" have it.
The motion is passed.
Clause 1, Enacting Formula and Short Title do stand part of the Bill.
**Now Item No. 3 (D),** Hon'ble Minister, Finance etc to move.

**Smti. Ajanta Neog (Minister, Finance) :** অধ্যক্ষ মহোদয়, অসম বিনিয়োজন নং-৩ বিধেয়ক, ২০২১ পাৰিত কৰাৰ বাবে সদনত মই প্ৰস্তাৱ উত্থাপন কৰিলো।

**Hon'ble Speaker** : I now put the motion before the House for approval. The motion is that:- "The Assam Appropriation (No.III) Bill, 2021." be passed.
Those who are in favour, say "Ayes",
Those who are against say, "Noes"
"Ayes" have it, "Ayes" have it,"Ayes" have it.
The motion is passed.
The Bill is passed.

The House is adjourned till 3.15 P.M.

**(সদনৰ কাৰ্য্যসূচী বিয়লি ০৩-৩০ বজাৰ পৰা আৰম্ভ হয়)**

**মাননীয় অধ্যক্ষঃ** সন্মানীয় সদন, এতিয়া কাৰ্য্যসূচী নং-৪ আছিল যদিও ইয়াৰ পৰিৱৰ্তে কাৰ্য্যসূচী নং ৫ (ক) ল'ব বিচাৰিছো। মই সন্মানীয় সমবায় মন্ত্ৰীক 'The Assam Co-operative Societies (Amendment) Bill, 2021" বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।
**শ্ৰী অতুল বৰা (সমবায় মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Co-operative

Societies (Amendment) Bill, 2021” দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলোঁ-

প্ৰস্তাৱটো হ'ল- “The Assam Co-operative Societies (Amendment) Bill, 2021” বিবেচনাৰ বাবে লোৱা হওঁক।

যি সকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল।

যিসকলে সংশোধনী দিছে আৰু দুই-এগৰাকীয়ে যদি ক'ব বিচাৰে, তেন্তে সেইটো আলোচনা কৰি আমি দফাই দফাই একেবাৰতে বিধেয়কখন পাছ কৰি দিম।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** অধ্যক্ষ মহোদয়, আমি যেতিয়া বিধেয়কসমূহ বিবেচনাৰ বাবে উপস্থাপন কৰিম, একেখিনি কথাকে passing ৰ সময়ত আকৌ কোৱাতকৈ আপুনি যদি আমাক অকণমান সময় দিয়ে, তেন্তে considering stageতে আমি গোটেইখিনি ক'ম । তেতিয়া পাৰিত কৰোঁতে সময় নল'ব। গতিকে, মই অনুৰোধ কৰিছো যে considering stage ত আমাক অলপ সময় দিব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। আমি সংশোধনীকেইটা লৈ লওঁ।

বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী ওয়াজেদ আলী চৌধুৰী, শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, শ্ৰী প্ৰদীপ সৰকাৰ, শ্ৰী যাদৱ স্বৰ্গীয়াৰী, শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, শ্ৰী মিসবাহুল ইসলাম লস্কৰ, শ্ৰী আব্দুৰ ৰহিম আহমেদ আৰু শ্ৰী দিগন্ত বৰ্মনৰ নামত এটা সংশোধনী, শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, শ্ৰীমতী শিৰামণি বৰা, শ্ৰী যাদৱ স্বৰ্গীয়াৰী, শ্ৰী আব্দুছ ছোৱাহান আলী চৰকাৰ, ডাঃ আছিফ মহম্মদ নাজাৰ, শ্ৰী প্ৰদীপ সৰকাৰৰ নামত এটা সংশোধনী, শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, শ্ৰী মিসবাহুল ইসলাম লস্কৰৰ নামত এটা সংশোধনী, হাফিজ বচিৰ আহমেদ, শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ), শ্ৰী জাকিৰ হুছেইন লস্কৰ, শ্ৰী আব্দুল আজিজ, শ্ৰী নিজাম উদ্দিন চৌধুৰী, শ্ৰী কৰিম উদ্দিন বৰভূঞা, শ্ৰী সুজাম উদ্দিন লস্কৰৰ নামত এটা সংশোধনী আৰু শ্ৰী অখিল গগৈৰ নামত এটা সংশোধনী, মুঠ ৫ টা সংশোধনী আছে।

এতিয়া মই মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু সহযোগী সদস্য ৯জন, শ্ৰী আব্দুৰ ৰশিদ মণ্ডল আৰু সহযোগী সদস্য ৫ জন, শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ আৰু শ্ৰী মিসবাহুল ইসলাম লস্কৰ, হাফিজ বচিৰ আহমেদ আৰু সহযোগী সদস্য ৬ জন, আপোনালোকৰ সংশোধনী প্ৰস্তাৱ কেইটা উত্থাপন কৰিবলৈ আৰু তাৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালোঁ।

**শ্ৰী সিদ্দেক আহমেদ (দক্ষিণ কৰিমগঞ্জ) ঃ** Sir, I beg to move the Clause 2 of the proposed Bill, the word appearing in the last line- 'deleted' shall be substituted by the word 'continued'.

অধ্যক্ষ মহোদয়, Co-operative ৰ সমস্যাৰ বিষয়ে আমি সকলোৱে জানো। ইয়াৰ পৰা ৫ টকীয়া মূল্যৰ চাউল আমি দুখীয়া জনসাধাৰণক বিতৰণ কৰো। কিন্তু, এতিয়া দেখা গৈছে যে Co-operative ৰ এজেন্ট সকলে ৫ টকীয়া মূল্যৰ চাউল অনাৰ বাবদ Carrying charge টো নাপায়। Packaging ব্যৱস্থা কৰাৰ ফলত carrying charge ৰ টকাখিনি নিজৰ পকেটৰ

পৰা দিব লগীয়া হয়। সেইকাৰণে এতিয়া এজেন্টবোৰে সেই চাউল আনিব নোৱাৰে বুলি কয়, কিয়নো Carrying charge ৰ টকাখিনি দেৰিকৈ পোৱাৰ ফলত তেওঁলোকে যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। ইয়াৰোপৰি, কিছুমান সমবায়ে carrying charge টো এজেন্টসকলক নিদি টকাখিনি pending ৰাখি Co-operative ৰ Secretary সকলে তেওঁলোকৰ নিজৰ নামত টকাখিনি ৰাখি থয়। এনে অসুবিধাৰ সন্মুখীন হৈ বহুত এজেন্ট মোৰ ঘৰলৈ আহিছিল আৰু এই সমস্যাখিনি বিধান সভাত উত্থাপন কৰাৰ বাবে কৈছিল। Mid-Day Meal ৰ চাউলখিনিও Co-operative ৰ জৰিয়তে আহে, কিন্তু এজেন্ট সকলে তাৰ carrying charge টো নাপায়। সেয়েহে, তেওঁলোকে agentshipও এৰি দিব বিচাৰে। অধ্যক্ষ মহোদয়, আগতে এখন জিলাত এখনেই Wholesale Co-operative আছিল। নতুন আইনত বহুত নতুন Co-operative খোলাৰ সুবিধা আপোনালোকে দিছে। সমবায়ৰ দোকানসমূহ আমি চৰকাৰৰ দোকান বুলি ভাৱো। যদি আৰু সমবায়ৰ দোকান খোলা হয় তেন্তে competition ও হ'ব। গতিকে, এজেন্ট সকলে যদি carrying charge খিনিও নাপায় তেন্তে তেওঁলোক যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। মই অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এজেন্ট সকলে carrying charge টো সঠিক মতে পোৱাৰ ব্যৱস্থা যাতে কৰি দিয়ে। আনহাতে, carrying charge ৰ মূল্যও কম হৈছে, গতিকে, এই মূল্য বঢ়াই দিয়াৰো যাতে ব্যৱস্থা কৰি দিয়ে। ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে প্ৰস্তাৱটো উত্থাপন কৰিছো- In Clause 2 of the proposed Bill, the word appearing in the last line 'deleted' shall be substituted by the following words- "the Society shall be registered under this Act in an area where there already existed another co-operative society with similar objective only in case of the Co-operative society has been formed by any public organization, institution for a specific purpose. মাননীয় অধ্যক্ষ মহোদয়, এই বিধেয়কখনত কেৱল PDS ৰ কথা নহয় যে supply কেনেকৈ দিব ইত্যাদি। ই যিকোনো Co-operative society ৰ সম্পৰ্কে হয়। আগতে নিয়ম আছিল যে ইতিমধ্যে য'ত Co-operative society আছে, তাত একে উদ্দেশ্যৰে আৰু এখন Co-operative society register কৰা নহ'ব। কিন্তু, এই বিধেয়কখনৰ জৰিয়তে ইয়াত relaxation দিব বিচাৰিছে যে ক'ৰবাত যদি এখন co-operative society আছে, তেন্তে একে উদ্দেশ্যৰে আৰু এখন Co-operative society দিব পৰা যাব। কিন্তু, আমি এই কাৰণে সংশোধনী আনিছো যে- কিছুমান co operative society আছে, যেনেকৈ College Welfare co operative society বা কোনোবা এটা NGO ৰ co operative society, যিবিলাকে সেই particular college ত social welfare বা অন্যান্য কিছু কামৰ কাৰণে co operative society বনালে, তাত একে নামৰ আন এটা য'ত কলেজ কৰ্তৃপক্ষ জড়িত নহয়,বেলেগ এটা group য়ে সেই কলেজৰ নামত co operative society কৰিলে। গতিকে সেইখিনকো যদি আমি এনেকৈ relaxation দিওঁ তেতিয়াহ'লে মই ভাৱো কিছু ক্ষেত্ৰত chaos হ'ব। গতিকে ইয়াত আমি এটা amendment বিচাৰিছো যে যদিও চৰকাৰে এইটোত permission দিব যে same purpose ৰ আৰু co operative society same area ত বনাব পাৰিব কিন্তু য'ত কিবা organization বা public institution ৰ নামত থাকিব তাত যাতে এইটো কৰা নহয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move in Clause -2 of the proposed Bill,the word appearing in last 'deleted' shall be substituted by the word 'retained' অধ্যক্ষ মহোদয়, delete কৰিব নালাগে বুলি কোৱা কথাটো একেই। ইয়াৰ কাৰণটো হৈছে যে আপোনালোকে কৈছে competititive ness আৰু professionalism. আমি এইটো বেয়া পোৱা নাই। কথাটো এটা যুক্তিত ঠিকেই আছে। কিন্তু আজিৰ দিনত যদি প্ৰতিটো ক্ষেত্ৰত আমি চাওঁ, পেট্ৰ'ল পাম্প এটা যদি দিয়া হয়, সেইটো profit making ৰ কাৰণে হয়। কিন্তু এই co operative society বিলাক অকল profit making ৰ কাৰণে নহয়। ইয়াৰ বেলেগ বেলেগ উদ্দেশ্য আছে। আমাৰ justification এটাই যে এটা area ত আপোনালোকে fishery ৰ কাৰণে এটা co operative society ৰ দিয়ক, বা agriculture ৰ কাৰণে দিয়ক। আপোনালোকে বেলেগ বেলেগ purpose ৰ কাৰণে দিয়ক। কাৰণ এটা area তে যদি তিনি চাৰিটা cooperative society হৈ যায় তেনেহ'লে দুৰ্নীতি বেছি হ'ব। ইতিমধ্যে আমাৰ এজন সন্মানীয় বিধায়কে ক'লে যে আমি commission ৰ টকা দিব পৰা নাই। গতিকে এটা purpose ত যাতে এটা area কৰি দিয়া হয়, কাৰণ co operative society টো অকল profit making নহয়। সেয়েহে এইটো কৰিলে ভাল হ'ব বুলি মই মন্ত্ৰী মহোদয়ক জনালো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা amendment আছিল। I beg to move in Clause -2 of the proposed Bill, the word appearing in the last 'deleted' shall be substituted by the following words-" The application shall be accompanied a copy of proposed Rules of the society and the persons by whom or on whose behalf such application is made, shall furnish such information in regard to the society as the Registrar may require. মাননীয় অধ্যক্ষ মহোদয়, Principal Act ত এই কথাখিনি আছিল যিটোৰ ওপৰত চৰকাৰে amendment আনিছে যিটো চৰকাৰে delete কৰিব বিচাৰিছে। কাৰণ society এটাৰ registration ৰ সময়ত তাত যিখিনি সদস্য থাকে আৰু কি উদ্দেশ্যৰে এই society ৰ register কৰা হ'ব এই কথাখিনি যদি পঞ্জীয়কৰ তাত নাথাকে, registration হৈ যোৱাৰ পিছত ই সমাজত এটা credential পাই যায়। register কৰাৰ সময়ত এটা কথা কৈ register কৰিব যে পৰৱৰ্তী সময়ত আপোনালোকে উদ্দেশ্য সমূহৰ পৰা ফালৰি কাটি গৈ বেলেগ কাম কৰিব পাৰে য'ত নিয়ন্ত্ৰণ নোহোৱা হৈ যায়। তাৰ দ্বাৰা তেওঁলোকে বিভিন্ন অন্যায় কৰাৰ সুবিধা পাব পাৰে। সেইকাৰণে আগতে যিটো Principal Act ৰ Rule ত আছিল য'ত কোৱা হৈছে যে Rule ৰ তিনি কপি দিব লগা হয়, ইয়াত কোৱা হৈছে যে অন্তঃত একপি Rule আৰু যিবিলাক সদস্যৰ দ্বাৰা সেই society গঠিত হ'ব সেই তালিকা Registrar ৰ ওচৰত জমা দিলেহে এইটো পঞ্জীয়ণ হ'ব। মই এইখিনিয়ে আপোনাৰ ওচৰত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** I propose that the existing section 6(3) be kept

in original Act and word milk producing cooperative society exchequer be incorporated after Housing Societies in line eight, existing section that is 6(3) of Assam Cooperative Society Act, 2007.

ইয়াত যিটো কথা কৈছে সেই অনুসৰি মূল যিখন Act আছে সেইখনত এই Section টো আছেই। বোধহয় মন্ত্ৰী মহোদয় অসমত কেইটামান নতুনকৈ গাখীৰৰ Co-operative society হৈছে। সেই গাখীৰৰ Cooperative Society কেইটা Lower Assam Milk Producer Association, East Assam Milk Producer Association সেইকেইটাই ভালকৈ কাম কৰা নাই, অথচ তাত নতুনকৈ কৰিব নোৱাৰি কাৰণ তাত ইতিমধ্যে এখন Cooperative Society আছেই। বোধহয় এই মূল কাৰণটোৰ কাৰণে এই Act খনত change আনিবলৈ খোজা হৈছে। মই ভাৱো যে ইয়াত section টো আছেই, তাত যদি অকল মই section টো গাই দিছো -“No Society shall be registered under this Act, in an area where there already exist another cooperative society with similar objective.Provided that Registrar may allow registration of more than one coopertive society.” ইতিমধ্যে দিয়াই আছে। কি কি ক্ষেত্ৰত দিব পাৰে বুলি কৈছে-“Transport Cooperative, Labour Control Cooperative, Trading Cooperative Company, Housing Co-operative আৰু ইয়াত যদি Milk Producer Cooperative সুমুৱাই দিয়ে তেতিয়াহ'লে গোটেই বস্তুটো হৈয়ে গ'ল। দৰকাৰ হ'লে exchquer বা ইত্যাদি বুলি এটা শব্দ ভৰাই দিয়ে তেতিয়াহ'লে আমাৰ purpose টো তাত serve হৈ যায়। কিন্তু যদি এই section টো উঠাই দিয়ে আজি আটাইতকৈ ডাঙৰ problem টো হ'ব GPSS ৰ কাৰণে। GPSS বিলাকে এটা এটা অঞ্চলত PDS বিলাকক supply দিয়ে। GPSS বিলাক এতিয়াই একেবাৰে মৰো মৰো অৱস্থাত আছে। যদি এই বিলখন আহে তেতিয়াহ'লে existing সকলো GPSS মৰি যাব। প্ৰতিজন মাননীয় সদস্যই জানে যে আমাৰ এই GPSS বিলাকৰ অৱস্থা একেবাৰে বেয়া দুটা কাৰণে। এক নং কাৰণটো হৈছে তেওঁলোকৰ যিটো transport commission আৰু তেওঁলোকৰ যিটো total commission সেই দুটাত তেওঁলোকে এহেজাৰ কোটি মান টকা দিবলৈ বাকী আছে। তাকে লৈ তেওঁলোকে এতিয়াও last gate ত আন্দোলনত বহি আছে। তেওঁলোকে কৈ আছে যে আমাৰ এই পইচাখিনি দিয়ক। যিসময়ত আমাৰ চৰকাৰে দিবলগীয়া পইচাখিনি দিব পৰা নাই, সেই সময়ত তাত যদি আৰু এখন cooperative society বহুৱাই দিওঁ বা দুখন বা তিনিখন cooperative society বহুৱাই দিওঁ, মই অকল GPSS ৰ কথাহে কৈছো। বাকী cooperative society কথা কোৱা নাই। কিন্তু য'ত আমি Public Distribution system ৰ বস্তু দিছো তাত যদি আৰু এখন বহুৱাই দিওঁ তেতিয়াহ'লে আমাৰ GPSS বিলাক মৰি যাব। এই GPSS বিলাক মৰি গলে আমাৰ Public Distribution system টো ধ্বংস হৈ যাব। মই সেইকাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো, এইটো আমাৰ আন্তৰিক আহ্বান যে যদি এই section টো উঠাই নলৈ যদি তাত add কৰি যিকেইটা cooperative society ৰ অসুবিধা হৈছে সেইকেইটাক যদি আমি exception হিচাপে দেখুৱাই দিওঁ তেতিয়াহ'লে আমাৰ cooperative society বিলাকো বাচি যায় আৰু আমাৰ উদ্দেশ্যটোও সফল হয়।

**माननीय अध्यक्ष ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়ক উত্তৰ দিবলৈ মই অনুৰোধ জনালো।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমবায় বিভাগৰ প্ৰাক্তন মন্ত্ৰী মাননীয় ছিদ্দিক আহমেদ চাহাবকে ধৰি কেইবাগৰাকীও সন্মানীয় বিধায়ক - আমিনুল ইছলাম ডাঙৰীয়া, কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়া, গোৱালপাৰাৰ সন্মানীয় বিধায়ক আৰু শেষত অখিল গগৈ ডাঙৰীয়াই কিছু পৰামৰ্শ দিছে। আমি সকলোৱে জানো যে ভাৰতীয় সংবিধানৰ ৯৭ তম সংশোধনীৰ জৰিয়তে সমবায় সমিতি গঠনৰ প্ৰক্ৰিয়া মৌলিক অধিকাৰ হিচাপে গণ্য কৰা হৈছে যাতে সমবায় মনোভাৱাপন্ন ব্যক্তিয়ে সহজে একাধিক সমবায় গঠন কৰিব পাৰে। সন্মানীয় কেউ গৰাকী সদস্যই বৰ্তমান GPSS বিলাকৰ যি অৱস্থা সেই কথা তেখেতসকলে প্ৰকাশ কৰিছে। কিন্তু আমাৰ চৰকাৰে মাননীয় মুখ্যমন্ত্ৰীৰ তৎপৰতাত GPSS বিলাক অধিক সক্ৰিয় কৰিবৰ কাৰণে আৰু support কৰিবৰ কাৰণে কিছু পৰিকল্পনা কৰিছে। মই ভাৱো সেইখিনি আমি নিশ্চয় ঠিক কৰিব পাৰিম। সকলোৰে সহযোগীতা আমাক লাগিব। GPSS বিলাকৰ কথা মই আৰু বহলাই নকওঁ। কিন্তু মোৰ কথা হৈছে যে আমাৰ ছিদ্দিক আহমেদ ডাঙৰীয়াই carrying charge ৰ কথা কৈছে এইটো PDS related. carrying ৰ কথাটো আহিলে আমি food & civil supply ৰ কথা ক'ব লাগিব। কোপাৰটিভে ৰেজিষ্ট্ৰেশ্যন আৰু অডিটৰ ব্যৱস্থাটো কৰে বাকী ফুড এণ্ড চিভিল চাপ্লাইয়ে চায়। কিন্তু এই কথাও সঁচা যে আমি MDBA ৰ লগত এখন MOU Sign কৰিবলৈ গৈ আছো। তাৰ আগতে সীতা জখলা'ৰ দৰে যিবিলাক চোচাইটি আছে যিটো অখিল গগৈ ডাঙৰীয়াই কৈ গৈছে। তেনেকুৱা বহু চোচাইটি আছে আমি organised sector ত আনিবলৈ চেষ্টা কৰি আছে। MDBA ৰ লগত ইতিমধ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই কথা পাতিছে। পাৰ -ডে ১০ লাখ লিটাৰ গাখীৰ অসমত উৎপাদন কৰাৰ বাবে ৫০ শতাংশ শ্বেয়াৰ আৰু টেকনিকেল চাপোৰ্ট দিয়াৰ কথা ইতিমধ্যে MDBA উল্লেখ কৰিছে। আমি কেৱল এইটো লক্ষ্য কৰিয়েই কামটো কৰা নাই। কিন্তু মই ভাবো যে, এইটোৰ ওপৰত সংশোধনী আনিলে সহায়ক হ'ব। " অসম সমবায় আইন ২০০৭ৰ অনুচ্ছেদ ৬ (৩) মৰ্মে কোনো এলেকাত একে উদ্দেশ্যৰ একৰ অধিক সমবায় পঞ্জীয়ন নহ'ব। মই পাঠ কৰি দিছো । No Society shall be registerd under this Act in an Area where there already exist another Co-opertive Societies similar objective. অৱশ্যে পৰিবহন সমবায়, ঠিকা আৰু শ্ৰম সমবায়, ব্যৱসায় সমবায়, গৃহ নিৰ্মাণ সমবায়ৰ দৰে সমবায়ক প্ৰয়োজন সাপেক্ষে একেটা এলেকাত এক বা ততোধিক সমবায় পঞ্জীয়ন কৰিব দিব পাৰি। কিন্তু এনে কৰিবলৈ যাওঁতে পঞ্জীয়কে যথাযথ প্ৰক্ৰিয়া বা জ্ঞান আহৰণ কৰিব লাগিব। এই কথাটো ইতিমধ্যে গগৈ ডাঙৰীয়াই উল্লেখ কৰিছে। এই ধাৰাটোৱে সমবায় সমিতি গঠনৰ ক্ষেত্ৰত বহল ভিত্তিত অংশ গ্ৰহণত সদায় বাধাৰ সৃষ্টি কৰি আহিছে। ৰাজ্যৰ সমবায় আন্দোলন ক্ষিপ্ৰ গতিত আগবাঢ়িব পৰা নাই। এটা সময়ত এই সমবায় আন্দোলন ক্ষিপ্ৰ গতিত আগবাঢ়িছিল কিন্তু এতিয়া স্থবিৰ হৈ পৰিছে। সমবায় হৈছে গণতান্ত্ৰিক পদ্ধতিৰে পৰিচালিত হোৱা ৰাইজৰ এটা অনুষ্ঠান। সমবায়ৰ দ্বাৰা জনসাধাৰণে আৰ্থসামাজিক উন্নয়ণৰ বাবে বিভিন্নধৰণৰ সমবায় গঠন কৰি কাৰ্য্য কৰিব পাৰে। সমবায় বিভাগে এই ক্ষেত্ৰত পথ প্ৰদৰ্শকৰ ভুমিকা ল'ব পাৰে। কিন্তু ধাৰা ৬ (৩) ৰ কাৰণে সমবায় বিভাগে তেওঁলোকক লক্ষ্যত উপনীত হোৱাত যিধৰনে সহযোগ কৰিব আগবঢ়াব লাগিছিল সেইধৰনে কৰিব পৰা নাই। তাৰ ওপৰিও সমবায় সমিতি গঠনৰ ক্ষেত্ৰত একচেটীয়া মনোভাব নাইকীয়া কৰি অধিক প্ৰতিযোগী আৰু ব্যৱসায় প্ৰতিষ্ঠান গঠন কৰাত উৎসাহ যোগাব বিচৰা হৈছে। সেয়ে এই মনোভাৱ আগত ৰাখি অসম সমবায় আইন , ২০০৭ ৰ ৬ (৩)ৰ বিলুপ্তি

ঘটাই  সংশোধনী প্ৰস্তাৱ আমি সদনত উত্থাপন কৰিছো। মই আশা কৰো আজি সন্মানীয় সদনে নিশ্চয় এই ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া আৰু লগতে সহযোগী সদস্য ৯ জন । শ্ৰীআব্দুল ৰছিদ মণ্ডল লগতে সহযোগী সদস্য ৫ জন।  শ্ৰীকমলাক্ষ দে পুৰকায়স্থ আৰু মিছবাহুল ইছলাম ইছলাম লস্কৰ হাফিজ বছিৰ আহমেদ ।সহযোগী সদস্য ৬ জন - আপোনালোকে সংশোধনী কেইটা প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ পূৰ্বে আমাৰ চৰকাৰভাবে প্ৰতিখন গাওঁ পঞ্চায়তত একোখনকৈ সমবায় সমিতি গঠন কৰিবলৈ দিয়া হৈছিল। মহিলা সকলৰ সমবায় সমিতি বেলেগকৈ গঠন কৰিছিল, সেইখিনি বৰ্ত্তমান আছেই। সেইখিনি কেনেকুৱা পৰ্য্যায়ত আছে।  ইতিমধ্যে কোৱা হৈছে যে, কিছুমান বাধা আহে কিন্তু বাধা অহাৰ আগতে ইতেমধ্যে চৰকাৰী ভাবে সেইবিলাক গঠন কৰি থোৱা হৈছে ।  এইখিনি নিস্ক্ৰিয় হৈ আছে নেকি? কাৰণ আইনখন সংশোধন কৰাৰ আগতে এইখিনিৰ বিষয়ে মই এটা  স্পষ্টকৰণ  বিচাৰিছো।

**শ্ৰীঅতুল বৰা (মন্ত্ৰী, সমবায় ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতি সন্মানীয় শ্ৰীদেৱব্ৰত ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা কৈছে । তেখেতে যিটো কৈছে - নিস্ক্ৰিয় হৈ থকা বিলাক সক্ৰিয় কৰাৰ বাবে পৰিকল্পনা কৰা হৈছে। কেন্দ্ৰত মাননীয় অমিত শ্বাহ ডাঙৰীয়া সমবায় বিভাগৰ দায়িত্বত আছে। তেখেতক দৃষ্টিগোচৰ কাৰ হৈছে, আমাৰ সমবায় আন্দোলন কি অৱস্থাত আছে। মোৰ দৃঢ় বিশ্বাস যে আমি অনাগত দিনত এই বিভাগটোত ব্যাপক পৰিৱৰ্ত্তন আনি ৰাইজৰ হকে কাম কৰিবলৈ সক্ষম হ'ম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । আপোনালোকে প্ৰত্যাহৰ কৰিছেনে?

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** তেখেতে যিহেতু প্ৰতিশ্ৰুতি দিছে নিস্ক্ৰিয়খিনি সক্ৰিয় কৰাৰ বাবে গতিকে অধিক যাতে ভাল হয় আমি আশা কৰিছো। আমি নিশ্চয় সহযোগ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই এযাৰি ক'ব পাৰিম নেকি?

**মাননীয় অধ্যক্ষ ঃ** কওক

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় কোপাৰিটিভ বিভাগৰ মন্ত্ৰী মহোদয়, মই যিটো কথা কৈছিলো দৰকাৰ হ'লে সেই ' প্ৰভাইডেড' শব্দটো যদি  উঠাই দিয়ে,  নহ'লে কিন্তু ডি পি এচ এচ বিলাকৰ সমস্যা হ'ব।  অনুগ্ৰহ কৰি বিষয়টো বিবেচনা কৰিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** এই বিষয়টো আমি বিতংভাবে আলোচনা কৰাৰ পিচত আজি সংশোধনীৰ বাবে ইয়াত উত্থাপন কৰিছো। মই ভাবো হঠাতে যদি আৰু এটা নতুন সংশোধনী অনা যায় আমি যিটো লাইনত লৈ যাব বিচাৰিছো হয়তো বাধাৰ সৃষ্টি হ'ব পাৰে। মই ভাবো মাননীয় বিধায়ক ডাঙৰীয়াই  নিশ্চয় আমাৰ ইনটেশ্যনটো বুজি পাইছে । আমি খোলাখুলিভাবে সদনৰ মজিয়াত যিহেতু কৈছো, মই ভাবো আমি যি এমেণ্ডমেন্ট বিল, ২০২১ আনিছো সেইটো বাকীসকল সদস্যৰ লগতে তেখেতেও সন্মতি প্ৰকাশ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ... এতিয়া ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনত ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- বিধেয়খনৰ

১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক ' নহয় ' মই ভাবো ' হয় 'ৰ সপক্ষে, ' হয় 'ৰ সপক্ষে, ' হয় 'ৰ সপক্ষে । বধেয়খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। এতিয়া কাৰ্য্যসূচী নং ৫ (গ) মাননীয় সমবায় মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীঅতুল বৰা (মন্ত্ৰী, সমবায়, কৃষি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Co operative Society (Amendment) Bill, 2021 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- The Assam Co-operative Societies (Amendment) Bill, 2021 পাৰিত কৰা হওঁক। যিসকল মাননীয় সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়' মই ভাবো 'হয় 'ৰ সপক্ষে, ' হয়'ৰ সপক্ষে, 'হয় 'ৰ সপক্ষে ।প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল। এতিয়া আছে The Assam Vehicle Motor Taxation (Amentmend) Bill , 2021. ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে ২০২১ চনৰ ১৭ডিচেম্বৰত এটা বাণী পঠিয়াইছে বাণীটো হ'ল —

" Under the Provision of Article of the Construction of India, I prof. Jagdish Mukhi, Governor of Assam recommend that ' The Assam Motor Vehicles Taxation (Amendment) Bill, 2021' be taken into consideration by the Assam Legislative Assembly."

মাননীয় পৰিবহন মন্ত্ৰী ডাঙৰীয়াক "The Assam Motor Vehicles Taxation (Amentmend) Bill, 2021" বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, পৰিবহণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Motor Vehicles Taxation (Amentmend) Bill, 2021" বিবেচনা কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল, "The Assam Motor Vehicles Taxation (Amentmend) Bill, 2021" বিবেচনাৰ বাবে লোৱা হওঁক । যিসকল মাননীয় সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়' মই ভাবো 'হয়'ৰ সপক্ষে, 'হয় 'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে । প্ৰস্তাৱটো গৃহীত হ'ল। কাৰ্য্যসূচী নং ৪ (খ) বিধেয়কখনৰ ২ নং দফাটোত সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ২ নং দফাটো সদনৰ মজিয়ত দাঙি ধৰিলো । প্ৰস্তাৱটো হ'ল - ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব, যিসকল সদস্য-সদস্যা সপক্ষে আছে কওঁক 'হয় 'ৰ যিসকলে বিপক্ষে আছে তেওলোকে কওক 'নহয়' মই ভাবো 'হয় 'ৰ সপক্ষে, 'হয় 'ৰ সপক্ষে, 'হয় 'ৰ সপক্ষে । ২ নং দফাটো বিধেয়কৰ অংশ হ'ল। বিধেয়কখনৰ ৩ নং দফাত থকা অনুসুচীত, মাননীয় সদস্য দেৱব্ৰত শইকীয়া, শ্ৰীভৰত চন্দ্ৰ নৰহ, শ্ৰী ওয়াজেদ আলী চৌধুৰী, শ্ৰীভাস্কৰজ্যোতি বৰুৱা, শ্ৰীপ্ৰদীপ চৰকাৰ, শ্ৰীযাদৱ স্বৰ্গীয়াৰী, কমলাক্ষ দে পুৰকায়স্থ, মিছবাহুল ইছলাম লস্কৰ, আব্দুৰ ৰহিম আহমেদ, দিগন্ত বৰ্মন, তেখেতসকলৰ নামত এটা, চিৰাজুদ্দিন আজমল, হাফিজ বছিৰ

আহমেদ, আমিনুল ইছলাম (জ্যেষ্ঠ) ৰফিকুল ইছলাম, শ্রীআশ্রাফুল হুছেইন, জাকিৰ হুছেইন লস্কৰ, আমিনুল ইছলাম ( কনিষ্ঠ) নিজামুদ্দিন চৌধুৰী, আব্দুল আজিজ, চামচুল হুদাৰ নামত এটা, শ্রীঅখিল গগৈৰ নামত এটা মুঠ তিনিটা সংশোধনী প্রস্তাৱ আছে। এতিয়া মই দেৱব্রত শইকীয়া আৰু অন্যান্যসকলক মুভ কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্রী ভাস্কৰ জ্যোতি বৰুৱা (তিতাবৰ) ঃ** : Hon'ble Speaker Sir, I beg to move in the schedule of the cross 3 of the proposed bill, under annual tax of serial no.12 1, 2, 3 and 4 in the figures nine thousand, twelve thousand, , nine thousand and twelve thousand respectively shall be substituted by the figure eight thousand ten thousand eight thousand and eleven thousand respectively. And in support of this, মই মাননীয় অধ্যক্ষ মহোদয় আৰু আমাৰ পৰিবহণ মন্ত্রী মহোদয় আছে, মই তেখেতৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছোঁ যে আমাৰ Revenue raise কৰিবৰ কাৰণে যি tax আমাৰ include কৰিছে তাৰ পৰিবৰ্তে যদি আমি revenue বঢ়াবৰ কাৰণে ইয়াত কেইবাটাও ৰাস্তা আছে পৰিবহণ বিভাগত। আমাৰ যি জনসাধাৰণ আছে তেওঁলোকক অসুবিধা নিদিয়াকৈ আমাৰ হাতত কিছুমান instrument আছে যিবিলাক ব্যৱহাৰ কৰিলে মই ভাৱো আমাৰ যিটো ৰাজহ, সেই ৰাজহটো বাঢ়িব। প্রথম কথা, বিশেষকৈ আমাৰ লোকচান হয় ক'ত? আমাৰ যিবোৰ গাড়ী আছে, আপোনালোকে দেখিছে যে improvement ৰ লগে লগে যেতিয়া Technology improve হৈছে, হোৱাৰ লগে লগে গাড়ী বিলাকৰ পৰিবহণ ক্ষমতাটো যথেষ্ট বাঢ়িছে। কিন্তু আমাৰ এতিয়াও সেই ৯ টনৰ এটা Concept লৈ ১০ চকীয়া গাড়ী বিলাকৰ ৯ টনৰ এটা concept আছে বা তাতকৈ যি ৬ চকাৰ গাড়ী আছে, সৰু চকাৰ সেই Wheelbase বিলাকৰ, তাৰ টেক্স কম আছে, বহন ক্ষমতাটো কম। মই এই কথাটো আপোনাৰ দৃষ্টিগোচৰ কৰিব খুজিছোঁ যে আমাৰ এখন ৬ চকাৰ গাড়ীয়ে ২০ টন বা ২২ টন খুব easily carry কৰিব পাৰে, সেই ক্ষেত্রত যদি আমি ওজনটো বঢ়াই টেক্সটো বঢ়াই লওঁ তেতিয়া আমাৰ মটৰ ভাইকেলৰ যিটো পৰিবহণ টেক্স সেইটো Double হ'ব পাৰে। Instead of 9 Ton, we can easily allow 20 Ton. কাৰণ এতিয়া কি হৈছে, যদিও ৯ টন আছে অভাৰ লোড লৈ মানুহৰ আগত পলাই গাড়ীবোৰ গুচি যায়। কিন্তু Enforcement য়ে ধৰি জৰিমনা কৰে আৰু তাৰ মাজতো বিভিন্ন কথা থাকে সেই বিলাক কথা মই এই পবিত্র সদনত কবলৈ নাযাওঁ। গতিকে এটা কথা কৈছোঁ, চৰকাৰে সোনকালে এই বিষয়ত গুৰুত্বসহকাৰে আমাৰ যিটো Load and weight, সেইটো যদি বঢ়াই দিয়ে, তাৰ যদি Equal amount tax লৈ লয়, যাৰ বেছি কেৰি কৰিবলৈ আছে তেওঁ বেছি টেক্স দিয়ক। তেতিয়া ৰাস্তাত এই ধৰপাকৰ বিলাক একেইবাৰে নাইকিয়া হৈ যাব আৰু চৰকাৰৰ ঘৰলৈ এতিয়া যিটো ৰাজহ আহিছে তাৰ দুগুণ এমাউন্ট আহি যাব।

দ্বিতীয়তে, কিছুমান পুৰণা, বেছি পুৰণা নহয়, ধৰক আজি ৩ বছৰ ৪ বছৰ আগতে Fitness Certificate লৈ আহিলে, বহুত মানুহে কিছুমান গাড়ী বন্ধ কৰি থৈ চিজনৰ সময়ত ফিটনেচৰ পইচা দি ফিটনেচ লৈ তেওঁলোকে গাড়ীবোৰ চলাই। কিন্তু এতিয়া কি হ'ল, যিহেতু কিছুমানৰ প্রতিদিনৰ ৫০ টকা, কিছুমানৰ এবছৰ ফেইল আছিল, কিছুমানৰ ৬ মাহৰ ফেইল আছিল, ৫০ টকাকৈ প্রতিদিনে কৰিব কৰাৰ কাৰণে তেওঁলোকে টেক্স দিব নোৱাৰা হ'ল। এতিয়া গোটেই বহুত পুৰণা গাড়ী বন্ধ হৈ যি বিলাক যুৱক-যুৱতীয়ে গাড়ীবিলাক লৈছিল, সেইসকল এতিয়া বেকাৰ

হ'ল। গতিকে গাড়ীখিনি আমি যদি চলোৱাৰ কিবা ব্যৱস্থা কৰিব পাৰো যে ওৱান টাইম টেক্স লৈ, যে ৩১ জানুৱাৰীৰ ভিতৰত পুৰণা গাড়ী যিমান আছে গোটেই বেমাৰটো আমি চাফা কৰি পেলাম, ইয়াৰ পাছত কিন্তু চৰকাৰ খুব ষ্ট্ৰিক হ'ব। এইটো মানে প্ৰেক্টিকেল কথা। এইটো হৈছে টেক্স উঠাব লাগে সেই কাৰণে মই ভাৱো যে পৰিবহণ মন্ত্ৰী ডাঙৰীয়াক অধ্যক্ষ মহোদয়ৰ যোগেদি দৃষ্টি আকৰ্ষণ কৰিছোঁ যে এই বেমাৰটো আপুনি শেষ কৰক, যি বিলাক গাড়ী চলাব পৰা অৱস্থাত আছে সেই গাড়ীবোৰ চলাবলৈ দি তাৰ ঠাইত আপোনালোকে টেক্স বোৰ ললে আমাৰ টেক্সবেচটো বাঢ়ি যাব আৰু দেখিছো যে, মই বন বিভাগক ক'ব লাগিছিল, কিন্তু যিহেতু বন বিভাগৰ মাননীয় মন্ত্ৰী আছে, আমাৰ গাড়ী বিলাকে বালি পাথৰ কঢ়িয়াই। এতিয়া TP ল'বলৈ খুব অসুবিধা, টি পি খনক লৈ বিৰত জেমেলা, ৰাতি ৰাতি গাড়ী বোৰ পলাই পলাই টি পি নোলোৱাকৈ বালি পেলাব, পাত্থৰ পেলাব, পেলাই থৈ গুচি যায়, কৰবাত ধৰা পৰিলে ৬০০০০ টকা ভৰিলে। সেইটো আমি নকৰি ল'ৰা-ছোৱালী বিলাকক ব্যৱসায় কৰিব সুবিধা দিব লাগে। সুবিধা দিব লাগে যে এনেকুৱা এটা চিষ্টেম যে, এখন গাড়ীৰ ২০ টন পাচিং আছে তেওঁ ২০ টন বালি লৈ আহিব। ২০ টন বালিৰ পইচা কোনোবা এটা বেংকত জমা দি তাৰ জমা চিলিপটো যদি দেখুৱাই দিয়ে That is as good as aTP. এখন টি পি ৰ নিচিনা হ'ল, তেতিয়া এই ৰাস্তাত ধৰা ধৰি কাৰবাৰ বিলাক নহয়, মানুহে সুখেৰে শান্তিৰে ব্যৱসায় কৰিব পাৰিব আৰু চৰকাৰৰ ৰাজহটো বাঢ়ি যাব।

তৃতীয়তে, আমাৰ বাছবোৰৰ আৰোহী সকলৰ ওপৰত টেক্সৰ এটা ডাঙৰ বোজা আহিছে যিটোৰ কাৰণে আমি কৰ্ত্তণ প্ৰস্তাৱ পঠাইছোঁ। ইয়াত আমি উত্থাপন কৰিছোঁ। এই গাড়ী বিলাক চলাবলৈ পাৰ্মিট দিয়াৰ আমাৰ যিটো পদ্ধতি আছে, সেইটো যদি অকমান সহজ কৰো, বহুত ল'ৰা-ছোৱালীয়ে আকৌ নতুনকৈ যিবোৰ সৰু সৰু মিনি বিলাক আছে, আপে মিনি যিবিলাক আছে, সেইবিলাক তেওঁলোকে চলাব পাৰিব। চলাব পাৰিলে এইটো এটা উদ্যোগলৈ ৰূপান্তৰিত হ'ব। কাৰণ অসমত আপোনালোকে দেখিছে, সকলোৰে যেতিয়া পঢ়া শুনা কৰে তাৰ পিছত নিজৰ কাম কৰিবলৈ মন যায়, চিধাই তেওঁলোকে গাড়ী এখন কিনিবলৈ বিচাৰে। গতিকে এই গাড়ী কিনাৰ ক্ষেত্ৰত চৰকাৰে উদগনি দিব বুলি মই ভাৰিছোঁ। এনেকৈ ধৰি আপোনালোকে টেক্সৰ কামখিনি যদি বঢ়াই লয় মই ভাৱো চৰকাৰে যথেষ্টখিনি সহায় পাব আৰু চৰকাৰৰ ওপৰত যিখিনি এতিয়া অতিৰিক্ত বাৰ্ডেন দিব খুজিছে, সেইখিনি ৰাইজেও অকমান ভাল পাব। মই এইখিনিয়ে কৈ মোৰ বক্তব্য উপস্থাপন কৰিলোঁ আৰু ইমানতে সামৰিলোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। পৰৱৰ্তী।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** Hon'ble Speaker, we beg to propose in the schedule of clause 3 of the proposed bill under annual tax of serial no.12 IV, the figure twelve thousand and under quarterly tax of serial no. 12 IV, the figure three thousand shall be substituted by the figure eight thousand and two thousand respectively. ইয়াতে আচলতে আগতে আমাৰ যিটো Sleeper capacityৰ গাড়ীৰ berth taxটো define কৰা নাছিল এক্তত, এতিয়া আমি দেখা পাইছো যে চৰকাৰে এইটো এটা এক্তত ফিক্স কৰিব বিচাৰিছে আমাৰ Sleeper cell আৰু berthৰ কাৰণে কিমান টকা ফিক্স ধৰো। এতিয়া বাকীখিনি ইয়াত যিটো berth আৰু Sleeper capacityৰ up to 20% annual tax দিয়া হৈছে আৰু more than 20 capacityৰ চিট খিনি ঠিকেই আছে। আমাৰ বোধৰে Combination of seat and berth

total above 20 per seat , per seat যিটো বছৰি ৬০০০ আৰু berthৰ কাৰণে বছৰি এটা এটা berthৰ কাৰণে ১২০০০ টকা ধৰা হৈছে, আমাৰ বোধৰে সেইটো অলপ বেছি হৈ গ'ল, ultimately মাধমাৰটো যাত্ৰীৰ ওপৰত পৰিব। মানে berth আৰু চিটৰ যদি বছৰি টেক্সটো বঢ়াই দিব চৰকাৰে, সেই যাত্ৰীৰ ওপৰত পৰিব, যাত্ৰীৰ পৰাইটো আদাই কৰিব, গতিকে গৰীব জনসাধাৰণ suffer কৰিব। গতিকে আমি ভাৱো যে এই ক্ষেত্ৰত প্ৰতিটো চিটৰ যিটো বছৰি টেক্স, সেইটো কমাই ৬০০০ ৰ ঠাইত ৪০০০ আৰু ১২০০০ ৰ ঠাইত ৮০০০ টকা কৰিব লাগে আৰু এইটো quarterly কৰিলে, ঠিক ১০০০ আৰু ১৫০০ quarterly কৰিলে ভাল, নহ'লে যাত্ৰীয়ে দুৰ্ভোগ ভূগিব লাগিব। মই ভাৱো মন্ত্ৰী মহোদয়ে আমাৰ প্ৰস্তাৱটো মানি ল'ব।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে পৰিবহণ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাম। যে তেখেতে এই এক্টত আমাৰ sleeper class bus বিলাকৰ কাৰণেও এটা প্ৰভিজন আনিছে। ইয়াৰ আগলৈকে অসমত যিমান খিনি sleeper class bus আহিছে সেইবিলাক অৰুনাচলত পঞ্জিয়ন কৰিব লাগে। এইটো খুব গুৰুত্বপূৰ্ণ ভাল কাম কৰিছে। গতিকে মই ভাৱো যে এইকাৰণে পৰিবহন বিভাগক ধন্যবাদ জনাব লাগিব। কিন্তু যিটো ৰেট দিছে, সেই ৰেটটোত কেতিয়াও বাছখন চলোৱাটো সম্ভৱ নহয়। আমাৰ প্ৰত্যেকজন সদস্যই আৰু অধ্যক্ষ মহোদয় এইটো জনাৰ দৰকাৰ যে sleeper class bus এখন, আমাৰ অসমত যিবিলাক চলি আছে তাত ওপৰত ১৫ টা sleeper seat থাকে সেই বিলাকৰ ওপৰত ১৫ টা চিট থাকে আৰু তলত ৩০ টা চিট থাকে। এতিয়া ২০ টালৈকে চিট থকা প্ৰতিটো berth ত ৯০০০ টকাকৈ টেক্স লগোৱা হৈছে আৰু এটা berth প্ৰতি বছৰে ৯০০০ টেক্স হ'লে এইটো ঠিক নহ'ব। মই বহুতো হুtransportation ৰ লগত জড়িত কোম্পানীক সুধোতে কলে যে এনে ব্যৱস্থা বাছত চলোৱাটো অসম্ভৱ হ'ব। মই যেতিয়া শিৱসাগৰৰ বাছৰ কথা সুধিলো তেতিয়া তেখেত সকলে জনালে যে শিৱসাগৰৰ পৰা ২৫০০ টকাৰ পৰা ৩০০০ পৰ্য্যন্ত যাত্ৰীৰ পৰা ভাড়াৰ বাবদ ল'ব লাগিব । ২৫০০ ৰ পৰা ৩০০০ টকা ভাড়া ভৰি কোন মানুহে যাত্ৰা কৰিব ? গতিকে মই বিহাৰ, গুজৰাট, উত্তৰ প্ৰদেশৰ ভাড়া অসমৰ বাছৰ ভাড়াৰ লগত তুলনা কৰি আৰু transport company ৰ লগত কথা পাতোতে তেখেত সকলে viable বুলি বিবেচনা কৰি যি খিনি তথ্য দিলে তাত দেখা পালো যে- berth sleeper capacity upto 20 এটা চিটৰ বাবদ ২০০০ টকা বছৰত নিৰ্ধাৰণ কৰে আৰু ৯০০০ কৈছে তাত আমি প্ৰস্তাৱ দিছো ৩০০০ টকাকৈ । কিন্তু মন্ত্ৰী মহোদয়ে ১২,০০০ টকা কৰাৰ কথা কৈছে । মই পৰিবহন বিভাগৰ বিষয়াৰ লগত আলোচনা কৰোতে তেখেতে ক'লে সকলো বহু দিনৰ আগতেই গুজৰাটক চাই খৰধৰকৈ বনোৱা হ'ল কিন্তু বৰ্তমান এইটো নিৰিখত চলিব নোৱাৰিব । গতিকে আইন খন যদি আজি পাছ হৈ যায়, তেতিয়া প্ৰধানকৈ দুটা ঘটনা ঘটিব । প্ৰথমটো হ'ল, এই বাছ বিলাকত অসমত চলোৱা বন্ধ কৰি দিব লাগিব নহ'লে ইয়াৰ registration টো অসমত নকৰি মালিক বিলাকে অৰুণাচলত কৰিব । কাৰণ আমি যিটো চিট্‌ ৰ বাবদ ২০০০ টকা ধাৰ্য্য কৰিছো, অৰুণাচলে লৈছে ৫০০ টকা । combination of seats and berth, total ২০ ত আমি কৈছো each seat 500 and each berth 2000 and combination of seats and berth above ২০ ত কৈছো each seat 600 and each berth 3000. ২০ টা বাৰ্থৰ এখন বাছে ৭০০০ কৈ হ'লে টেক্স দিব লাগিব ১,৮০,০০০ টকা । ১ লাখ ৮০ হাজাৰ টকাকৈ টেক্স দি এজন ব্যক্তিয়ে অসমত যি ব্যৱসায় কৰিব পাৰিব সেইটো সপোনৰো অগোচৰ। গতিকে বিধেয়ক খন পাছ হোৱাৰ আগতেই যদি আমি বাছৰ ভাড়াতো ঠিক

কৰি নলওঁ তেতিয়াহ'লে অসমত শ্লিপাৰ বাছ বিলাকৰ চলাচল বন্ধ হৈ যাব নহ'লে অৰুণাচলে টেক্সখিনি লাভ কৰিব সক্ষম হ'ব। আৰু মাজত আমি অসমে এনেয়ে মৰিব লাগিব। গতিকে মই ভাবো বিভাগৰ উদ্যেশ্যটো পূৰণ নহ'ব, মই আশা কৰো বিষয়টো বিবেচনা কৰি অন্তত এই schedule খন সলনি কৰি দিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ে উত্তৰ দিব ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে আমাৰ সংশোধনী প্ৰস্তাৱ কংগ্ৰেছ দলৰ পৰা আনিছে, এ আই ইউ ডি এফ দলৰ পৰা আনিছে আৰু অখিল গগৈ ডাঙৰীয়াই ও কৈছে, এই গোটেই কথাখিনি আচলতে এনেকুৱা নহয় যে আমি নিজাববীয়াকৈ এই গোটেই কথা খিনি কৈছো। এই সংশোধনী অনাৰ আগতে অধ্যক্ষ ডাঙৰীয়া Assam Vehicle Taxation (Amendment), Act এই আইন খনত আচলতে শ্লিপাৰ বাছৰ পঞ্জীয়নৰ বাবে কোনো সুবিধা নাছিল। অখিল গগৈ ডাঙৰীয়াই ঠিকেই কৈছে যে হয় অৰুণাচলত পঞ্জীয়ন কৰি আমাৰ অসমত বাছ চলাই আছে । গতিকে বাছৰ যি সকল ষ্টেক হ'ল্ডাৰ সেই সকলৰ লগতো কথা পাতিছো আৰু লগতে অখিল গগৈ ডাঙৰীয়াই কৈছে যে তেওঁ ভাৰতৰ অন্যান্য ৰাজ্যৰ লগতো কথা পতা বুলি কৈছে। আজি হাৰিয়ানাৰ যদি চাওঁ যে তেওঁলোকৰ মানে য'ত ২০ টা বাৰ্থ আছে তাত আমাৰ নিচিনাকৈ তাত সমানে ৮ হাজাৰ দিছে আৰু য'ত বাৰ্থ কেপাচিটি ২০ ৰ বেছি আছে তাত তেওঁলোকে ১০ হাজাৰ দিছে। আমি যদি গুজৰাট চাওঁ, তাত দিছে আপোনাৰ ৭৮০০ টকা দিছে আৰু ২০ টাৰ ওপৰত দিছে ১৩, ২০০ আৰু তেনেকৈcombination of seats and berth 20. গুজৰাটত দিছে ৯০০০ per seat আৰু ১৫,০০০ per seat আৰু মহাৰাষ্ট্ৰত দিছে ৭০০০ per seat, per year registration লৈছে। ৰাজস্থানত তেওঁলোকে 510 per seat, per month গতিকে সেই হিচাপত দেখা যায় যে অসমত আমি যিটো registration fees দিছো সেইটো বহুত বেছি হোৱা নাই । কাৰণ আমি quarterly 2250 দিছো আৰু combination of berth আমি ৪৬২০ আৰু ৯০০০ দিছো । আৰু combination of seats and berth, total ২০ ৰ ওপৰত ৬০০০ দিছো আৰু ১২০০০ দিছো । মহাৰাষ্ট্ৰৰ নিচিনা চৰকাৰে ৭০০০ per seat, per year দিছে। তেওঁলোকে তাত rendomly কৰি দিছে। গতিকে সেই কাৰণে মই দেখিছো যে আমাৰ ইয়াতে যিখিনি registration fees আমি দিছো আমাৰ খুব বেছি এটা নহয়। আমি বাছৰ মালিক সকলৰ লগত কথা পাতিছো নপতা নহয় আৰু ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য সমূহৰ লগতো আমি কথা পাতিছো। ইয়াতে আমিনুল ইছলাম ডাঙৰীয়াই কৈছে যে বাছৰ ভাড়া বৃদ্ধি হ'ব কিন্তু ইয়াত বাছৰ ভাড়া বৃদ্ধি নহয় । বাছৰ ভাড়া বৃদ্ধিটো এটা বেলেগ বিষয়। বাছৰ ভাড়াটো যদি বৃদ্ধি হয় সেইটো এটা পৃথককৈ notification লাগিব অসম চৰকাৰৰ। গতিকে আপুনি কৈছে যে পৰোক্ষ ভাবে এই খিনিৰ registration fees দিলে বাছৰ ভাড়া হয়তো বঢ়াব পাৰে। আজি যিসমূহ বাছ চলি আছে registration কৰা আছে কেৱল স্লিপাৰটোহে registration ৰ বাবে আওতাত আনিছো । গতিকে বাছ সমূহে যেতিয়া registration fees দিয়ে থাকে, গতিকে সেইটো আৰু যাত্ৰীৰ পৰা উঠোৱা কথা নাহে । গতিকে স্লিপাৰ বাছৰ বাৰ্থৰ ক্ষেত্ৰত আমাৰ ইয়াত ব্যৱস্থা নাছিল সেই কাৰণে আমি ব্যৱস্থা খিনি কৰি দিলো । গতিকে আপোনালোক সকলোৰে concern যে বাছৰ ভাড়া বৃদ্ধি হ'ব। এইটো কেতিয়াও নহয় । সকলো পাৰ্টিয়ে যেতিয়া এই ক্ষেত্ৰত এটা বিবেচনা কৰিব লাগে গতিকে আমি এটা বিবেচনা কৰিব পাৰো যে যিটো প্ৰথমত দিছো ৯০০০ সেইটো আমি ৮০০০ কৰি দিব পৰা যাব, সেইটো অসুবিধা নাই।

গতিকে অধ্যক্ষ ডাঙৰীয়া, আমি এই ৯ হাজাৰ টো ৮ হাজাৰ কৰি দিব পৰা যাব। যিহেতু আমাৰ মেজৰ political party, congress য়ে আনিছে যে ৮ হাজাৰ কৰিব লাগে, লগতে সকলো পাৰ্টীয়ে যিহেতু concern টো দেখুৱাইছে, মই সন্মান দেখুৱাই ৯ হাজাৰটো ৮ হাজাৰ কৰি দিলো। মুখ্য মন্ত্ৰী ডাঙৰীয়াইও কোনো কোনো আইন আনিলে তেখেতেও কেতিয়াবা বিৰোধীৰ সংশোধনী মানে। আমি মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা সেই কথাটো শিকিছো। আমাৰ মুখ্য মন্ত্ৰী যিটো ৰাস্তাৰে গৈছে আমিও সেই ৰাস্তাৰে গৈ আছো। গতিকে আমাৰ জয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াই মোক হিচাপ কৰি দেখুৱাইছে যে per day per বাছ ১ টকা ২০ পইচাকৈ বছৰত পৰিব। তথাপি আপোনালোক সকলোৱে কোৱা বাবে ৯ হাজাৰটো ৮ হাজাৰ কৰি দিছো আৰু বাকী সংশোধনী খিনি একে থাকিলে ভাল হ'ব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, অনুগ্ৰহ কৰি মই এযাৰ কথা ক'ব পাৰো নেকি?

**মাননীয় অধ্যক্ষ ঃ** To the Point.

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয় আমি আগতে গো-সুৰক্ষা বিল খনটো এই প্ৰশ্ন বিলাক আনিছিলো, নতুনকৈ সংশোধনী আনিব লগা হ'ল। মই আপোনাক এইটো কথা কৈ থওঁ যে যদি এটা berth ত ৮ হাজাৰ দিয়ে তেতিয়া হ'লে কেইদিন মানৰ পাচতে আকৌ সংশোধনী আনিব লাগিব। গতিকে বাছ কেতিয়াও চলাব নোৱাৰে, Practically অসম্ভৱ। মই সক লো ট্ৰেন্সপৰ্ট কোম্পানীৰ লগত কথা পাতিছিলো । এক বছৰত ১ লাখ ৮০ হাজাৰ টকা Tax হৈছে অকল berth ত, আকৌ চিটত বেলেগে দিব লাগিব। গতিকে অধ্যক্ষ মহোদয়, এখন বাছে বছৰত ১ লাখ ৮০ হাজাৰ টকা Tax দিব পাৰিব নেকি পৃথিৱীৰ ক'ৰবাত ? এক বছৰত এটা চিটত । এইটো অসম্ভৱ।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** আপোনাৰ মতে ১ টকা ২০ পইচা হ'লে , বছৰত দেখোন ৪০০ টকা হয়গৈ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** আপুনি ধৰিব পৰা নাই কথাতো ।এটা Sit ত, Per berth তাত লিখা আছে । আপোনালোকে ট্ৰেন্সপৰ্ট এইটো অসম্ভৱ, কেতিয়াও ট্ৰেন্সপৰ্ট চলিব নোৱাৰে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, পৰিবহণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, berth / sleeper ত capacity up to 20, এইটো হ'ল Annual Tax ৯ হাজাৰ টকা, per month নহয়। গতিকে আমাৰ সকলোৱে কৈছে যে এটা সংশোধনী চৰকাৰে consider কৰক, যিহেতু major politicial party য়ে কৈছে, মই সেইটো মানি লৈছো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি যি ৯ হাজাৰ টো ৮ হাজাৰ কৰিলে, কিন্তু ইয়াৰ এমেণ্ডমেন্টটো বেলেগ আছিলে। আমি এই ক্ষেত্ৰত প্ৰস্তাৱ আনিব লাগিব।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** চাৰ, যিহেতু বিলখন confused হৈ আছে, আমি এইটো আজিয়ে পাচ নকৰি, সময় লৈ select committee ত পঠাই দিলে ভাল হ'ব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, পৰিবহণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, ভৰত নৰহ ডাঙৰীয়া হৈছে আমাৰ ইয়াৰ জ্যেষ্ঠ সদস্য। Select committee ত কোনবিলাক বিল যায়? যিখন বিল অসমৰ ৰাইজৰ ব্যাপক ক্ষতি হৈ যাব। Select committee ত যোৱা বিলবিলাক বা তেনেকুৱা এখন আইন যদি আহি যায়, সেই বিলাকহে Select committee ত যায়। বাছৰ registration টো Select committee ত গ'লে ভাৰতবৰ্ষৰ অন্য ৰাজ্য বিলাকে আমাক হাঁহিব। গতিকে অধ্যক্ষ ডাঙৰীয়া সেইখিনি কথাও আমি consider কৰি চাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীপীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা শ্লিপাৰ চিটৰ ভাড়া মিনিমাম ১০০০ টকা হয় যদি গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ যায়। ১০০০ টকাত ৩৬৫ দিনত এটা চিটৰ ইনকাম হয় ৩ লাখ ৬৫ হাজাৰ টকা। গতিকে বছৰত ৮ হাজাৰ টকা ,ইনকাম Tax ল'লে বেচিহে ল'ব লাগে। ইনকাম টেক্স হ'লে ৩৩ শতাংশ ল'ব লাগে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** Total seat কিমান থাকিব?

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** Total seat minimum ৩০ টা থাকিব বা ২০টা থাকিব। ডবল ডেকাৰ হয়। ২০ টা হ'লে ৪০টা হয়।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** অসমত থকা বাছ বিলাকত ১৫টা berth আছে আৰু ৩০টা চিট আছে।

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মই আপোনাক আকৌ বিলখন চাই কৈছো তাত আছে ৩৬০ ত ১০ শতাংশও নহয়। গতিকে এইটো নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** ইতিমধ্যে, মন্ত্ৰী ডাঙৰীয়াই অলপ modification কৰিছে, চৰকাৰী যিটো প্ৰস্তাৱ আছিল বিভাগৰ, সংশোধন কৰি তেখেতে ৯ হাজাৰৰ পৰিবৰ্তে ৮ হাজাৰ কৰিলে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অনুগ্ৰহ কৰি মোক এটা কথা কোৱাৰ সুবিধা দিয়ক। কৰ'না কাল এতিয়াও চলি আছে । নতুনকৈ আমি অমিক্ৰণৰ ভয়ত শংকিত । যোৱা দুটা বছৰ একে বাৰে বেয়া গ'ল। আমাৰ এইটো system নাছিল, নতুনকৈ মন্ত্ৰী মহোদয়ে introduce কৰিব গৈ আছে, তাৰ কাৰণে তেখেতক ধন্যবাদ দিয়া হৈছে, যে এই system টো অসমত নতুনকৈ introduce হ'ব, ঠিকেই আছে। এতিয়াও ক'ৰোনাৰ তাণ্ডৱ যোৱাই নাই, আৰু বাছ বিলাকৰ অৱস্থা যদি আমি চাও, এতিয়া লৈকে বহুতে বাছ বিক্ৰি কৰি তেখেত সকলৰ EMI ৰ পইচা দিব লগা হৈছে। তেনেকৈ আপুনি নিজেও কৈছে যে ৩৬৫ দিনৰ ২০০ দিন ২৫০ দিন আমি হিচাপ কৰিব লাগিব। গতিকে এই খিনিটো berth ৰ বাহিৰে seat ৰ ও tax আছে আৰু পেট্ৰল, ডিজেলৰ যি মূল্য, বাছত যি কৰ্মচাৰী থাকিব এইখিনি খৰচ-পাতি দি বাছৰ মালিকে সন্ধিয়া ১ হাজাৰ বা ২ হাজাৰ টকা পায়। মালিকে যি বিলাক বাছ চলাই, বহুতে আহি আমাৰ ওচৰত কান্দে যে সন্ধিয়া আহি ১০০০ বা ১৫০০ টকা হাতত দিয়ে যে আজিএইখিনি টকা ৰেহাই হৈছে। গতিকে এনেকুৱা এটা অৱস্থাত বাছ আমাৰ নাই, লাভ আপোনালোকৰ হ'ব। আপোনালোকৰ বহুতৰ বাছ আছে আৰু কৰিব। কৰক , অসমৰ জনতাৰ সুবিধা হ'ব। যিহেতু মন্ত্ৰী মহোদয়ে কৈছে বেলেগ ৰাজ্যতকৈ আমাৰ ইয়াত আমি নতুনকৈ কৰিব গৈ আছো ক'ৰোনা কালত, তাতো বেছি tax, গতিকে এইটো আৰু অলপ ৰিভিউ কৰিব লাগে আৰু পাৰিলে পাৰ বাছ ৯হাজাৰৰ ঠাইত ৬ হাজাৰ কৰিব লাগে।

**শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী (মন্ত্ৰী, পৰিবহণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ যিকোনো বাছৰ যিখিনি এনুৱেল registration ফিজ অন্য বাছ বিলাকেও সেইখিনিয়েই দি আছে। বছৰৰ registration ফিজটো আছেই, কিন্তু শ্লিপাৰ বাছ বিলাকৰ ক্ষেত্ৰত registration কৰিব পৰা provision টো এই Motor Vehicle আইন খনত নাছিল। আমি শ্লিপাৰ বাছৰ কথাতোহে ইয়াত আনিছো। এইখিনি পইচা তেওঁলোকে দি আছে। খালী শ্লিপাৰটো আমি নতুনকৈ ইয়াত registration কৰিব পাৰো যাতে অৰুনাচল যাব পাৰি বাবে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** এটা এটা চিটে Air conditioned বাছত এতিয়া দি আছে

৫০০ টকাকৈ। শুই যোৰাটো আপুনি ৯ হাজাৰৰ পৰিবৰ্তে ৮ হাজাৰ কৰিলে । এইতো বহুত বেছি হৈছে অধ্যক্ষ মহোদয়, কেইদিন মানৰ পিচতে গম পাই যাব কথাতো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি দেখা পাওঁ যে আমাৰ চৰকাৰে কেতিয়াবা কেতিয়াবা গুজৰাট মডেলতো অনুকৰণ কৰে , গুজৰাট মডেলতো যিহেতু অনুকৰণ কৰে , মোৰ অনুমান হৈছে অপুনি গুজৰাটৰ নিচিনা অসমখন কৰি দিয়ক।

....সদনত হুলস্থূল......

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, ভাস্কৰ বৰুৱাই কিবা ক'ব নেকি ? ঠিক আছে আমি বিলখন পাচ কৰিব লৈছো।

মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু সহযোগী সদস্য ৯ জন, শ্ৰী হাফিজ বছিৰ আহমেদৰ সহযোগী সদস ৯ জন, আৰু শ্ৰী অখিল গগৈ আপোনালোকৰ সংশোধনী কেইটা প্ৰত্যাহাৰ কৰিব নে?

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সংশোধনী কেইটা প্ৰত্যাহাৰ কৰিছো, যিহেতু মাননীয় মন্ত্ৰী মহোদয়ে কিছু আশ্বাস দিছে।

**মাননীয় অধ্যক্ষ** ঃ ২ নং দফাৰ লগতে সংশোধনী বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য /সদস্যা দফাটোৰ সপক্ষে আছে তেওঁলোকে কওক হয় যি সকল বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাবো 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, ২ নং দফাৰ লগতে অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই, এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল-

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য /সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাবো 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়ৰ সপক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় পৰিবহন মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Motor Vehicles Taxation (Amendment) Bill, 2021" পাৰিত কৰাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'লঃ-

"The Assam Motor Vehicles Taxation (Amendment) Bill, 2021" পাৰিত কৰা হওঁক।

যি সকল মাননীয় সদস্য /সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী মহোদয়ক The Assam

Micro, Small and Medium Enterprises (Facilitatiol of Establishment and Operation) (Amendment) Bill, 2021 উত্থাপন কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, The Assam Micro, Small and Medium Enterprises (Facilitatiol of Establishment and Operation) (Amendment) Bill, 2021 বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনাম পঢ়ি দিব।

**প্ৰধান সচিব, অসম বিধান সভা** ঃ The Assam Micro, Small and Medium Enterprises (Facilitatiol of Establishment and Operation) (Amendment) Bill, 2021

**মাননীয় অধ্যক্ষ** ঃ এতিয়া উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰীয়ে ২০২০-২১ চনৰ The Assam Petro Chemicals Limited ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ২০২০-২১ চনৰ The Assam Petro Chemicals Limited ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**শ্ৰী পিযুষ হাজৰিকা (সংদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ২০২০-২১ চনৰ The Printing and Stationery এই বিভাগৰ প্ৰশাসনীয় বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষঃ** The Assam Tribal Development Authority (Repeal) Bill 2021. মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ মন্ত্ৰী ডাঙৰীয়াক, মই বিলখন বিবেচনাৰ বাবে গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, The Assam Tribal Development Authority (Repeal) Bill, 2021 বিলখন দফাই দফাই বিবেচনা কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই সদনত প্ৰস্তাৱটো দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল-

The Assam Tribal Development Authority (Repeal) Bill, 2021 বিবেচনাৰ বাবে লোৱা হওক।

যি সকল মাননীয় সদস্য /সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী ওৱাজেদ আলী চৌধুৰী, শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, শ্ৰী প্ৰদীপ সৰকাৰ, শ্ৰী যাদৱ স্বৰ্গীয়াৰী, শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, শ্ৰী মিস বাহুল ইছলাম লস্কৰ, শ্ৰী আব্দুল ৰহিম আহমেদ, শ্ৰী দিগন্ত বৰ্মৰ নামত এটা সংশোধনী আছে।

এতিয়া মই মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু সহযোগী সদস্য ৯ জন, আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আৰু ইয়াৰ ওপৰত বক্তব্য ৰাখিবলৈ আহ্বান জনালো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move in line 2 shall be substituted by the word 'continued' চাৰ, The Assam Tribal Development Authority (Repeal) Bill 2021 এইটো চৰকাৰে Repeal কৰিব বিচাৰিছে। সেইটো কাৰণে বিলখন আনিছে। চাৰ Repeal টোত আমাৰ ইমান ক'বলগীয়া নাছিল ইয়াত statement and object and resolve, The Assam Tribal Development Authority (Repeal) Bill 2021 যিটোত Authority য়ে Repeal কৰিব বিচাৰিছে তাত চৰকাৰী কৰ্মচাৰী আছে নে নাই, সেই বিষয়ে ইয়াত কোনো ধৰণৰ উল্লেখ নাই at object and resolve ত। যদিহে তাত কৰ্মচাৰী আছে তেওঁলোকক ক'ত Accommodated কৰিব। এই বিষয়ে statement and object and resolve একো উল্লেখ নাই সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো The Assam Tribal Development Authority (Repeal) Bill 2021 এইটো যেতিয়া গঠন কৰিছিল ১৯৮৫ ত, তেতিয়া বিত্ত বিভাগে কৰ্মচাৰীৰ বাবে কিছুমান পোষ্ট নতুনকৈ সৃষ্টি কৰিছিল। কিমান পোষ্ট আছিলে সেইটো মোৰ মনত নাই। এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। তাত যদি এজনো কৰ্মচাৰী নাই, তেতিয়া Repeal টো ঠিকে আছে আৰু যদিহে তাত কৰ্মচাৰী আছে তেতিয়া হ'লে তেওঁলোকক চৰকাৰে ক'ত Accommodated কৰিব। সেইটো জানিবৰ কাৰণে আমি এই সংশোধনীটো আনিছো।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নৰহ ডাঙৰীয়াই যিটো কৈছে তাৰ লগতে মই এটা সংযোগ কৰিব বিচাৰিছো যে, যেতিয়া পোষ্ট সমূহৰ সৃষ্টি হৈছিলে তেতিয়া তাত প্ৰায় ৪০ টা মান পোষ্ট আছিল। কিন্তু এতিয়া ১৭ পৰা ১৮ গৰাকী মান কৰ্মচাৰী আছে। সংশোধনীটোত আমাৰ কোনো আপত্তি নাই। Repeal কৰাটো আমাৰ কোনো আপত্তি নাই। এতিয়া এই কৰ্মচাৰীখিনিয়ে গম পাইছে যে, তেওঁলোকক Tribal development Corporation ৰ লগত তেওঁলোকক দিব। কিন্তু Tribal development Corporation টো Corporation. গতিকে Corporation যেতিয়া যাব তেতিয়া তাত পেন্সনৰ কথা বা অন্যান্য কথাবোৰ তাত নাই। গতিকে এইখিনি আছিল অসম চৰকাৰৰ কৰ্মচাৰী। গতিকে তেওঁলোকৰো আপত্তি নাই, তেওঁলোকৰ যিটো সুৰক্ষা সেই সুৰক্ষাটোৰ সৈতে লৈ গ'লে তেওঁলোকৰ পেন্সনৰ সুৰক্ষা বা বাকী যি Benefit Protection তেনেকৈ যদি লৈ যায় তেওঁলোকৰ কোনো আপত্তি নাই। এই কেইজন কৰ্মচাৰী তেওঁলোকে ইচ্ছাকৃত ভাবে তাত যোৱা নাছিল চৰকাৰে লৈ গৈছিল।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি জানিব বিচাৰিছো যে বিল খনৰ objective তাত কোৱা হৈছে, যেনেকৈ বি টি আৰ হৈ গ'ল বা কাৰ্বি আংলং, ডিমাহাছাও, তাতো স্বায়ত্ব শাসিত পৰিষদ হ'ল। মৰাণ, মটক সোণোৱাল কছাৰী সকলোকে স্বায়ত্ব শাসিত পৰিষদ দিয়া হ'ল। যিটোৰ কাৰণে Tribal Development Authority এই বিলখন প্ৰাসংগিকতা নাই।

দ্বিতীয়তে আৰু এটা কথা আছে যে আমাৰ যিসকল ট্ৰাইবেল লোক বি টি আৰৰ বাহিৰত আছে, যিসকলক satellite পদ্ধতিৰে cover কৰা নাই। তেওঁলোকে Tribal Development Authority ৰ বিলখনৰ জৰিয়তে এটা benefit পালে হৈ। তেওঁলোক কোনো স্বায়ত্ব শাসিত পৰিষদত নপৰিল। এই বিলখন আতঁৰাই দিলে বাহিৰত থকা ট্ৰাইবেল মানুহখিনিয়ে বঞ্চিত হ'ব নেকি? এই কথাটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য শ্ৰী অখিল গগৈ, একেবাৰতে আপুনিও কৈ লওঁক, move টো

লাগিলে পিছত কৰিম।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, I proposed that a new provision to be called section 4 be incorporated in the Assam Tribal Development Authority (Repeal) Bill, 2021, incorporting the following section 4 this bill provide state services salaries and all other benefits of all the existing permanent employees of Assam Tribal Development Authority will be safegraded both financially and otherwise as due to them as per the existing Rules of Assam Government. তাত যিসকল কৰ্মচাৰী (১৮, ২০ জন মান কৰ্মচাৰী) আছে, সেই কৰ্মচাৰী সকলৰ safegrade খিনি থাকিলে হৈ গ'ল। তেওঁলোক যিহেতু চৰকাৰী চাকৰিয়াল, তেওঁলোকৰ যাতে একো আলাই আথানি নহয়, তেওঁলোকক কৰবাত incorporate কৰি দিলে আমাৰ কবলগীয়া একো নাই।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ ইত্যাদি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৩ চনতে Assam Tribal Development Authority হৈছিল আৰু তাৰ পৰবৰ্তী পৰ্য্যায়ত আমাৰ বিভিন্ন Autonomous Council সমূহ গঠন হ'ল। Development Council ও গঠন হ'ল। গতিকে আমি এতিয়া বিবেচনা কৰিছো যে এই Authority টোৰ আমাৰ প্ৰয়োজন নাই। যিটো শংকা প্ৰকাশ কৰিছে যে কোনোবা Autonomous Council ত অন্তৰ্ভূক্ত নোহোৱা জনজাতীয় গাওঁ বা অঞ্চল যদি আছে, তেওঁলোক বঞ্চিত হ'ব নেকি। আমাৰ Development Council বা Autonomous Council তাৰ ওপৰিও Sub-Divisional ST Welfare Board আছে আৰু ITDP project implementation committee বিলাক আছে। গতিকে আমি ভাৱো তেওঁলোকক ITDP য়ে সামৰি ল'ব, Sub-Divisional ST Welfare Board সামৰি ল'ব। এই Authority টো এতিয়া আমাৰ প্ৰয়োজন নাই। তাত কৰ্মৰত কৰ্মচাৰী সকলৰ কি হ'ব। এই ক্ষেত্ৰত এই Amendment বিলখনত দফা নং ৩ savings আছে। অৰ্থাৎ এইখন আইনৰ অধীনত Tribal Development Authority দ্বাৰা যিমানখিনি কাম কৰা হ'ল বা যিবিলাক action লোৱা হৈছিলে, যিবিলাক চাকৰি নিযুক্তি দিয়া হৈছিলে, সেই সকলোখিনি save কৰাৰ কাৰণে এই savings provision টো আছে। notwithstanding such repeal under Section 2 the validity or effect or consequences anything already done or suffered or any right, title, obligation or liability already aquired or incurred or any remedy or proceeding in respect of any such right, title, obligation or liability or penalty, claim or demand etc already enforced under the Act so repeal shall be deemed to have been validily done or taken or part under corresponding provision of the Act so repealed. গতিকে এই গোটেইখিনি savings আছে, যিসকল কৰ্মচাৰী আছে, অসম চৰকাৰে তেওঁলোকৰ সম্পূৰ্ণ protection তেওঁলোকক প্ৰদান কৰিব আৰু সেইটো এতিয়া WPTBC department তে তেওঁলোকৰ কিছুসংখ্যক বড়ো কছাৰী স্বায়ত্ব শাসিত পৰিষদত নিযুক্তি দিছে। কিছুসংখ্যক Tribal Development Corporation ত নিযুক্তি দিছে। চৰকাৰে যেতিয়া যিটো প্ৰয়োজন অনুভৱ

কৰে, তেওঁলোকক placement দিব, তেওঁলোকৰ চাকৰিখিনি থাকিব, চাকৰিৰ কাৰণে কোনোও শংকা কৰিবলৈ নাই। গতিকে মই যিটো সংশোধনী প্ৰস্তাৱ আছে, সেই প্ৰস্তাৱটো উঠাই লোৱাৰ কাৰণে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই এতিয়া মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া আৰু সহযোগী সদস্য ৯ জন, আপোনালোকৰ সংশোধনী প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিবনে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সংশোধী প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া দফা নং ২, বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

এতিয়া ৩ নং দফাত মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই সংশোধনী প্ৰস্তাৱটো আপুনি উঠাই ল'ব।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো।

**মাননীয় অধ্যক্ষঃ**এতিয়া দফা নং ৩ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। *এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো।*

*প্ৰস্তাৱটো হ'ল বিধেয়কখনৰ* ***১*** *নং* দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে *বিধেয়কখনৰ* ***১****নং* দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে অনুৰোধ জনালোঁ।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে অনুমতি বিচাৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল - The Assam Scheduled Castes and Scheduled Tribes (Reservation of Posts in Services)(Amendment) Bill, 2021 পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে,

'হয়ৰ' সপক্ষে প্ৰস্তাৱটো পাৰিত কাৰ হ'ল।

বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ মন্ত্ৰীক "The Assam Scheduled Castes and Scheduled Tribes (Reservation of Posts in Services)(Amendment) Bill, 2021" বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Scheduled Castes and Scheduled Tribes (Reservation of Posts in Services)(Amendment) Bill, 2021" দফাই দফাই বিবেচনা কৰাৰ বাবে মই প্ৰস্তাৱ উত্থাপন কৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল - The Assam Scheduled Castes and Scheduled Tribes (Reservation of Posts in Services) (Amendment) Bill, 2021 বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়'। মই ভাৱো 'হয়ৰ' সপক্ষে, 'হয়ৰ' সপক্ষে , 'হয়ৰ' সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

বিধেয়কখনৰ **২** *নং* দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী ওৱাজেদ আলি চৌধুৰী, শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, শ্ৰী প্ৰদীপ সৰকাৰ, শ্ৰী যাদৱ স্বৰ্গীয়াৰী, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী মিছবাহুল ইছলাম লস্কৰ, শ্ৰী আব্দুৰ ৰহিম আহমেদ, *শ্ৰী দিগন্ত বৰ্মন ৰ নামত* **১** *(*এটা), শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী মিছবাহুল ইছলাম লস্কৰ নামত **১** *(*এটা), শ্ৰী হফিজ বছিৰ আহমেদ, শ্ৰী আশ্ৰাফুল হুছেইন, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), শ্ৰী ৰফিকুল ইছলাম, শ্ৰী ছিৰাজউদ্দিন আজমল, শ্ৰী নিজানুৰ ৰহমান, শ্ৰী আমিনুল ইছলাম (কনিষ্ঠ), শ্ৰী ছামছুল হুদা, শ্ৰী মজিবুৰ ৰহমানৰ নামত **১** *(*এটা), মুঠ তিনিটা সংশোধনী আছে।

এতিয়া মই তেখেতসকলক সংশোধনী প্ৰস্তাৱৰ লগতে বক্তব্য ৰাখিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** I beg to move in proposed sub-clause (XI) of clause 2 the proposed Bill, the words Seniormost Secretary appearing in line 3 shall be deleted. মাননীয় অধ্যক্ষ মহোদয়, justification টো মই ধৰিব পৰা নাই। Personal Department and Welfare Claim Tribal Backward Classes Department। আজি backlog ৰ যিখিনি সুবিধা আছিলে, সেইখিনি এই বিভাগে কৰিছিলে। আজি এটা বস্তু দেখা পালো যে Seniormost Secretary লগোৱা হৈছে, সেইটো আমাৰ Administrative Department ৰ ফালৰ পৰা তেওঁৰ approval তো ল'ব লাগে। এইটোৰ কাৰণটো কি ? বিধান সভাত আপোনালোকে paperless কৰিছে, এইখন বিধান সভাতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছিলে যে PWD ৰ বিল যদি Finance লৈ যাব লগীয়া *হয়, তেনেহলে ৪৮ খন* টেবুল ঘৰিব লগা হয়। এইটো কেনেকৈ সৰল কৰিব পাৰি। এতিয়া মোৰ justification টো হৈছে যে Seniormost Secretary লগালে এই ফাইলটো আকৌ Seniormost Secretary লৈ যাব, আকৌ approval হ'ব, আকৌ Personal De-

partment ৰ পৰা view ল'ব লাগিব। এনেকৈ clumsy কৰাৰ কি অৰ্থ আছে। SC, ST department ইমান ভালকৈ চলিছে। ১ নম্বৰত এইটোৰ justification লাগে। ২ নং কথাটো হৈছে,অধ্যক্ষ মহোদয়, SC/ST যিখিনি Backlog আছে, এতিয়া যিহেতু ১ লাখ চাকৰি হ'ব, সেই চাকৰি যেতিয়া হ'ব, আমি আজিৰ দিনত এটা বস্তু জানিব বিচাৰিছো যে backlog টো বহুত বিভাগত আছে। সেইখিনি আমি fill-up কৰিব পৰা নাই। এতিয়া যি ১ লাখ চাকৰি হ'ব, এই চাকৰি গোটেই কেইটা backlog সেইটোৰ মাজত সোমাই যাব নেকি? গোটেইকেইটা backlog ৰ চাকৰি হৈ যাব নেকি? এইটোৰে আমি জানিব বিচাৰিছো। মোৰ clear কথা অধ্যক্ষ মহোদয়, যদি personnel Department ত আকৌ approval ল'ব লগা হয় তেনেহ'লে, senior most secretary লৈ এই ফাইলটো যোৱা, আকৌ approval লোৱাৰ, আকৌ সেইখিনি কাম কৰাৰ কি অৰ্থ আছে? আগতে সহজ আছিল, সহজেই কৰক, আকৌ ট্ৰাইবেল বিভাগ আৰু SC/ST বিভাগ আজি চৰকাৰে এই বিভাগবোৰৰ ওপৰত ভাল নজৰ এটা দিছে। ভাল যেতিয়া নজৰ দিছে, বস্তুটো clumsy কৰিব নালাগে। বস্তুটো সহজ কৰিব লাগে, যাতে Roster টো সহজে গুছি যায়, আৰু যাতে এই এক লাখ চাকৰি যেতিয়া হ'ব, গোটেইবোৰ SC/ST post যাতে চাকৰি পায়, তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ, next.

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)(ধিং)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, I beg to move after the provision of proposed sub-clause (xi) of Clause 2 of the proposed Bill, a new provision shall be added as follows:

" Provided also that if candidates from Scheduled Caste and Scheduled Tribes are not available for a post reserved for SC or ST in Roster Register the post may be declared unreserved with reservation of another post for SC/ST for which candidate is available."

মাননীয় অধ্যক্ষ মহোদয়, আমি এটা সমস্যা দেখা পাইছো, rester register ত এনেকুৱা থাকে যে ১০০ টা post, ৰ ভিতৰত ১২ নং post ST, ১৬ নং টো SCবা ১৮ নং টো ST এনেকৈ থাকে। কিন্তু সেই particular post টোত ST/SC ৰ পৰা কোনো applicant নাই। নথকাৰ কাৰণে হয়টো এই post টো ৫ বছৰ ৬ বছৰলৈকে খালী হৈ থাকে, কাৰণ অন্য কোনো Qualified থাকিলেও বেলেগে নাপায়। অন্য post যিটো unreserved তাত কিন্তু ST/SC ৰ Qualified candidate আছিল, তাত জেনেৰেলে পাই গ'ল, তাত ST/SC য়ে নাপায়। এই পদ্ধতিটোত সেই যে ৫ বছৰ, ১০ বছৰলৈকে যে post টো vacant হৈ থাকে, কাৰণে ST/SCৰ কোটাত আছিল, তেওঁলোকৰ Qualified candidate নাই যদি এইটো Registe System ত কৰিব লগা হয় তেতিয়া নংটো সমান ৰাখি য'ত available candidate আছে, সেইটো reserve কৰি এইটো unreserved কৰি যদি পোৱা নাযায়, যে এই post টো unreserved কৰা হ'ল, general candidate আছে পাই গ'ল, আৰু যিটো unreserved আছিল, সেইটো reserved কৰি দিয়া হ'ল SC/ST ৰ কাৰণে। নম্বৰটো যাতে কঠিন হয়, তেতিয়া বিভাগেও ভুগিবলগীয়া নহয়, আৰু সেই Qualified যিসকল candidate তেওঁলোকেও ভুগিবলগীয়া নহয়। আৰু কাম-কাজবিলাকো ভালধৰণে হ'ব। এনেকুৱা এটা কৰিব পৰা যায় নেকি? এই কথাটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ, মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এই Amendment ৰ মুল উদ্দেশ্যটো হৈছে, recruitment process টো খৰতকীয়া কৰা। পূৰ্বত যিটো ব্যৱস্থা আছিল, যে প্ৰত্যেকটো establishment য়ে Roster খন তেঁওলোকে প্ৰস্তুত কৰে । কিন্তু কৰাৰ পাছত তেওঁলোকে personnel Department আৰু WPT& BC Department ৰ পৰা concurence ল'ব লাগে। এতিয়া আমি ক'ব বিচাৰিছো, একেই প্ৰশাসনিক বিষয়া, তেওঁলোকে বিভিন্ন বিভাগত থাকে। আজি যি জন বিষয়া PWD আছে, যি জন বিষয়া অন্য কোনো বিভাগত আছে, education ত আছে, তেওঁৰেই কালিলৈ WPT ত যাব, তেওঁৰেই কোনোবা personnel Department ত যাব। গতিকে এতিয়া Roster টো এই Parent Department টোৱে, তেওঁলোকে প্ৰস্তুত কৰিব আৰু সেইটোৰ কাৰণে তেওঁলোকে, concurence ল'বৰ দৰকাৰ নাই। Sr.most যি Sceretary আছে, Sr.most যি Sceretary এই কাৰণেই কোৱা হৈছে, ইয়াতে যিহেতু মই Amendment দেখিছো, যে Principal Sceretary বুলি লিখিব লাগে। এটা Department ৰ কেতিয়াবা Principal Sceretary ৰ উপৰিও Additional Chief Sceretary থাকে। কেতিয়াবা Principal Sceretary নাথাকে, তেতিয়া Comissioner Sceretary জনেই Sr. most হৈ যায় বা অন্য এজন Sceretary তেওঁ Sr. most হৈ যায়। অৰ্থাৎ তেওঁ Head of the department Sceretary এতেকে, Sr. most Sceretary বুলি কোৱা হৈছে। সেই Sr. most Sceretary জনৰ approval সাপেক্ষে Roster খন department য়ে নিজে প্ৰস্তুত কৰিব। কিন্তু কেতিয়াবা আইনখনৰ বা Roster পদ্ধতিটোৰ সম্পৰ্কে যদি কোনো clarification লাগে, তাৰ interpretation লাগে, সেই কাৰণে ২ নং দফাটোত এনেকৈ কোৱা হৈছে যে Provided that the Administrative Department shall obtain the concurrence of Personnel Department and Welfare of Plain Tribes and Backward Classes Department for any clarification required regarding any interpretation of the provisions of reservation under the Act and rules framed thereunder while preparing the Roster Register." অৰ্থাৎ Roster Register." টো প্ৰস্তুত কৰাৰ ক্ষেত্ৰত যদি কোনো clarification বা interpretation দৰকাৰ হয়, তেতিয়াহলে, personnel Department WPT& BC Department ৰ concurrence ল'ব। অন্যথা Sr. most Sceretary জনৰ approval সাপেক্ষে Department য়ে নিজাববীয়াকৈ তেওঁলোকে Roster বনাব পাৰিব। Roster টো fix কৰাৰ কাৰণে এটা Department ৰ পৰা আন এটা বিভাগলৈ ফাইল টো ঘুৰি থাকিব নালাগে। এবাৰ WPT ত আহিব, আকৌ বিভাগলৈ যাব আকৌ কোৱেৰি হ'ব , আকৌ বিভাগত আহিব। এইটো হ'ব নালাগে। ইয়াক সৰলীকৰণ কৰাৰ কাৰণে এই সংশোধনটো আমি আনিব বিচাৰিছো। অন্য এজন মাননীয় সদস্যই কৈছে যে যেতিয়া এটা চিটত যদি candidate নোলাই এইটো dereserved কৰিব লাগে। এইটো এটা সংবিধান পদত্ত ব্যৱস্থা। অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ কাৰণে সংৰক্ষণৰ যিটো সুবিধা, সেইটো আমাৰ ভাৰতীয় সংবিধানে প্ৰদান কৰিছে। আমাৰ আইনত কোনো চিট আমি dereserved কৰিব নোৱাৰো। কোনো আসনক আমি তাক সাধাৰণ আসনলৈ পৰিবৰ্তিত কৰিব নোৱাৰো। এইখন বিধান সভাতে আগতে কৈছিলো যে আমাৰ Hills Tribe ৰ কাৰণে

Reserved seat শিক্ষাবিভাগত প্ৰায় ৩৫০০ আসন un fulfilled হৈ আছে। কিন্তু এতিয়া তাত candidate নাই। candidate নাইকাৰণে সেইখিনি আমি dereserved কৰিব নোৱাৰো। dereserved কৰিব লৈ হ'লে আমি পাৰ্লিয়ামেন্টৰ পৰা permission ল'ব লাগিব। গতিকে মই সংশোধনী প্ৰস্তাৱ যি কেইটা আনিছিলে, মই এই কেইটা প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনাইছো। এই Amendment ৰ পাছত আমাৰ recruitment process বিলাক আৰু পদোন্নতিবিলাক খুব খৰতকীয়া হ'ব। Department বিলাকে নিজাববীয়াকৈ আইনৰ আধাৰত ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। ধন্যবাদ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ Justification টো গম পাইছো যে Sr. most Sceretary কিয় লগোৱা হৈছে। লগতে আমাক এটা clarification লাগিছিল এই যে ১ লাখ চাৰকি হ'ব, নিযুক্তি যিটো হ'ব ইয়াত backlog যিখিনি আছে, SC/ST ৰ backlog যিখিনি আছে, বিভিন্ন বিভাগত আছে, এই গোটেইকেইটা চাকৰি ১ লাখৰ ভিতৰত সোমাই যাব নেকি ? backlog থাকিব নালাগে, অসমৰ যিমান backlog আছে, যেতিয়া ১ লাখ চাকৰি হ'ব, গোটেইকেইটাৰ চাকৰি হৈ যাব লাগে। এইটো মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ** ঃ- মন্ত্ৰী মহোদয়,

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মুখ্যমন্ত্ৰী পৰ্য্যায়ত এইটো আলোচনা হৈছে, যিমান বিলাক backlog আছে, আৰু সেই backlog বিলাক দূৰ কৰিবৰ কাৰণে আমি প্ৰচেষ্টা চলাই আছো। কিন্তু বহু পদত এই কথাটো আপোনালোকে উল্লেখ কৰাৰ দৰে সত্য যে বহু পদত সময়মতে উপযুক্ত প্ৰাৰ্থীও আমি নাপাওঁ, এইটো কাৰণত backlog থাকি যোৱাৰ সেইটোও এটা কাৰণ। কিন্তু আমাৰ প্ৰচেষ্টা অব্যাহত আছে, ৩৫০০ শিক্ষা বিভাগৰ চাকৰি পুৰন কৰিবলৈ এতিয়ালৈকে আমি ৬ বাৰ attempt লৈছো, ৭ নংৰ বাৰো আমি attempt লম, ৮ নংৰ টো আমি attempt লম আমি আশা কৰো প্ৰাৰ্থী ওলাব আমি backlog বিলাক দূৰ কৰিব পাৰিম।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কৈছে ঠিকে আছে, আমাৰ dereserved কৰিব লগা হ'লে Parliament ত যাব লাগিব ঠিকে আছে। আমাৰ বৰাকভেলীৰ কৰিমগঞ্জত এনেকুৱা হৈ আছে, অধ্যক্ষ মহোদয়, চাৰে তিনিশ পোষ্ট আমাৰ শিক্ষকৰ কাৰণে ৮ বছৰ ধৰি এতিয়ালৈকে পৰি আছে। সেইটোৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম, যে SC/ST য়ে পাওঁক আমাৰ আপত্তি নাই, কেনেকুৱাকে কি কৰিলে সেই পোষ্টখিনি যাতে ফিলাপ হৈ যায়। এই ১ লাখৰ ভিতৰত হলেও যাতে ফিলাপ হৈ যায় মন্ত্ৰী মহোদয়ৰ Justification টো গম পাইছো, আমি আমাৰ কৰ্তন প্ৰস্তাৱটো withdraw কৰিছো।

**মাননীয় অধ্যক্ষঃ** ইতিমধ্যে withdraw কৰিছে। দুটা আছিল amandment আছিল সন্মানীয় বিধায়ক শ্ৰীহাফিজ বছিৰ আহমেদ। আপোনাকোকে withdraw কৰিছে। এতিয়া দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে নহয়, মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই, এতিয়া মই বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন সদনত দাঙি ধৰিলো। প্ৰশ্নটো হ'ল বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম পৰিসৰ আৰু আৰম্ভন বিধেয়ক খনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফাটোৰ

সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে নহয়, মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ল। এতিয়া মই মাননীয় ভৈয়াম জনজাতিৰ মন্ত্ৰী ডাঙৰীয়াক বিলখন প্ৰস্তাৱ দিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Scheduled Castes and Scheduled Tribes (Reservation of Posts in Services) (Amendment) Bill, 2021" পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল "The Assam Scheduled Castes and Scheduled Tribes (Reservation of Posts in Services) (Amendment) Bill, 2021" পাৰিত কৰা হওঁক। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়, মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল, বিধেয়কখনো পাৰিত কৰা হ'ল। এতিয়া আছে "The Sonowal Kachari Autonomous Council (Amendment) Bill, 2021" এইখন বিলৰ ওপৰত ৰাজভৱনৰ পৰা বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে ২০২১ চনৰ ১০ ডিচেম্বৰ তাৰিখত এটা বাণী পঠিয়াইছে, বাণীটো হ'ল Under the provision of article 207 (3) of the Constitution of India I Prof. Shri Jagdish Mukhi Governor of Assam recommend "The Sonowal Kachari Autonomous Council (Amendment) Bill, 2021" be taken into consideration by the Assam Legislative assembly. মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ মন্ত্ৰীক "The Sonowal Kachari Autonomous Council (Amendment) Bill, 2021" বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Sonowal Kachari Autonomous Council (Amendment) Bill, 2021" বিবেচনাৰ কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল "The Sonowal Kachari Autonomous Council (Amendment) Bill, 2021" বিবেচনাৰ বাবে লোৱা হওঁক। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়, মই ভাৰো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখনো ২ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী ওয়াজেদ আলী চৌধুৰী, শ্ৰীভাস্কৰজ্যোতি বৰুৱা, শ্ৰী প্ৰদীপ চৰকাৰ, শ্ৰী যাদৱ স্বৰ্গীয়াৰী, শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ, শ্ৰীমিছবাহুল ইছলাম লস্কৰ, শ্ৰী আব্দুল ৰহিম আহমেদ, শ্ৰী দিগন্ত বৰ্মনৰ নামত এটা, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), শ্ৰী নজৰুল হক, শ্ৰীমজিবুৰ ৰহমান, শ্ৰী নিজানুৰ ৰহমান, শ্ৰীছামছুল হুদা আৰু শ্ৰী কৰিম উদ্দিন বৰভূঞাৰ নামত এটা, মুঠ দুটা সংশোধনী আছে। এতিয়া মই তেখেতসকলক সংশোধনী প্ৰস্তাৱৰ লগতে বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** Sir, I beg to move in propose sub clause 1

of clause 2 of the propose bill the figure and words 32 appearing in the line 2 shall be sustituted by the figure and words 30. মাননীয় অধ্যক্ষ মহোদয়, আমি এই Amendment আনিছো এইকাৰণে চৰকাৰে Sonowal Kachari Autonomous Council তাত চাৰ, যিটো তেওঁলোকৰ Total 26 sit এতিয়া যিটো চিট আছে, সেইটো 32 কৰিব বিচৰিছে চৰকাৰে। আমি এটা প্ৰপ'জেল দিছো যে 32 কৰিব নালাগে সেইটো 38 কৰিব লাগে। চাৰ, এইটো কৰাৰ কাৰণে Autonomous Council বিলাকত চিটটো চৰকাৰে বঢ়াই গৈ আছে। এখন বিল আছে Deori Autonomous ৰ, কিন্তু চৰকাৰে WPT & BC Department ক বা ট্ৰাইবেল মানুহ সকলৰ উন্নতিৰ কাৰণে ফাইনেঞ্চ ডিপাৰ্টমেণ্টে বিশেষকৈ পইচা দিব পৰা নাই। সেই কাৰণে মই চিটটো বঢ়াব নালাগে বুলি কৈছো। চিটটো বঢ়োৱা মানে আৰু পইচা লাগিব আৰু পইচাতো অসম চৰকাৰৰ ফাইনেঞ্চ ডিপাৰ্টমেণ্টে দিব লাগিব। চাৰ, আমাৰ WPT & BC Department য়ে মাজতে চাৰিটামান advertisement ৰ দিছিল আৰু ৰাইজে advertisement মতে application দিলে, চাবমিট কৰিলে, কিন্তু ফাইনেঞ্চ ডিপাৰ্টমেণ্টে পইচা চেংশ্যন নিদিয়াৰ কাৰণে যে এইটো implement নহ'ল। এটা advertisement আছিল, advertisement DW/Feature Flim/987/2020-21 proposal for under the scheme production for Feature Flim/Documentaries on Ethinics Tribel Communities oF Assam for the Year 2020-21. Advertisement হৈ গ'ল WPT & BC Department ৰ পৰা আৰু সেইমতে producer সকলে Director সকলে চাবমিটো কৰিলে application কিন্তু ultimately পইচাটো section ন'হল। দুই নম্বৰতে Advertisement DW/P/Books/1035/2020-21 proposal for under the scheme publication of books on Tribel Freedom Fighter of Assam for the year of 2020-21. Sir, এইটো advertisement দিলে, application দিলে পইচা নাই, ন'হল। তাৰ পাচত আৰু এটা advertisement হৈছিল DW/DC/NGO Advertisement 12/1211/2020-21-02 dated 20-06-21 proposal under the scheme works of on Folk Culture Ethinic Tribel Communities of Assam for the year 2021-21. সেইটো advertisement ৰ application দিলে কিন্তু ultimately পইচাটো section ন'হল। তাৰ পাছত অকল এইটোৱেই নহয় আৰু এটা advertisement ওলাইছে DW/952/2020-21/13 proposal for under the scheme এইটো interesting. 50 thousand financial Financial system to graduate unemployed ST(P) OBC Youth for the year 2020-21. সেইটো মই জনামতে Finance ৰ পৰা section ন'হল। চাৰিটা advertisement দিলে বিভাগে। Finance য়ে পইচা দিয়া নাই। আজি Sonowal Kachari Autonomous Council ৰ কাৰণে আজি আপুনি ২৬ টাৰ পৰা ৩২ টা কৰিব বিচাৰিছে। আৰু ইয়াত পইচা allocation দিব লাগিব। সদস্য যেতিয়া বাঢ়িব। ২৬ জন সদস্যৰ কাৰণে যিমান allocation দিছে, তাতকৈ আৰু বেছি দিব লাগিব যেতিয়া আপুনি ৩৪ কৰিব ওলাইছে। সেইকাৰণে মই Amendment টো আনিছো যে Finance Department য়ে বিশেষকৈ যে আমাৰ ট্ৰাইবেল সকলৰ উন্নতিৰ কাৰণে যিবিলাক আচনিৰ কাৰণে বিভাগে বিচাৰিছে সেইটো Finance Department যে দিয়া নাই।

নিদিয়াৰ কাৰণে মই বিচাৰিছিলো আপুনি Autonomous Council ৰ চিট বিলাক বঢ়াব নালাগে। ৩৪ আপোনালোকে বঢ়াব বিচাৰিছে মই কৈছিলো ৩০ তে ৰাখিব লাগে। কাৰণ বেছি বঢ়োৱা মানে পইচা বঢ়াব লাগিব। Finance য়ে নিদিয়ে। পিছত আপোনাৰ বিভাগত আকৌ আমি humiliation হ'ব লাগিব।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move in propose sub- clause 1 of clause 2 of the proposed bill in between the words women and an appearing in line eight the following words shall be inserted as from among the 26 number of reserve ইয়াতে যিটো গঠন পদ্ধতি দিছে, total sit 36 তাৰ ভিতৰত চাৰিজন হ'ব nominated by government থাকিল 32. সেই 32 elected হ'ব। 32 ৰ ভিতৰত this is a 25 হ'ব এচ টি ৰ পৰা আৰু ছয় গৰাকী মহিলা হ'ল 31 আৰু 1 reserve for general community ইয়াত এই কথাটোত এনেকুৰা বুজোৰা গৈছে যে, 25 for ST তাত মহিলাৰ কথা নাই 6 sit reserve for women. ২৫ আৰু ৬ হ'ল ৩১ হ'ব আৰু 1 for general community এনেকুৰা বুজা গৈছে। কিন্তু আমি ভাবিছো যে ইয়াৰ motive টো এনেকুৰা হ'ব লাগে যে 25 ST ৰ কাৰণে reserved ঠিক আছে। 1 for general community ঠিক আছে ২৬ হ'ল আৰু ৬ টা যে মহিলাৰ কাৰণে সংৰক্ষিত সেই মহিলাৰ সংৰক্ষিতটো among 25 numbers of ST and unreserved 6. সকলোৰে মাজৰ পৰা মহিলা ৬ গৰাকী হ'ব লাগে আৰু এই কথাটো ইয়াত ক্লিয়াৰ হোৱা নাই। সেই কাৰণে আমি ইয়াত এটা এমেণ্ডমেণ্ট আনিছো যে মহিলাৰ ৰিজাৰ্ভেশ্যনৰ কথা য'ত আছে, তাত কথাটো এনেকৈ উল্লেখ কৰিব লাগে যে It shall be reserve for woman from among the 26 nos. of reserve and 6 nos of unreserve seats. তাৰ মানে ২৫ টা এচ টিৰ কাৰণে আৰু এটা জেনেৰেল কমিটিৰ কাৰণে ২৬ টা ৰিজাৰ্ভ হ'ল আৰু ৬ টা আনৰিজাৰ্ভ চিট থাকে। মহিলা ৬ গৰাকী ৰিজাৰ্ভ আনৰিজাৰ্ভ তাৰ মাজৰ পৰা লটাৰীত পৰিব। এনেকৈ এইবিলাক ক্লিয়াৰ হ'ল। নহ'লে বুজা যাব এচ টি ২৫ জনত মহিলা নাই আৰু বাকী আন ৰিজাৰ্ভ ৬ টা মহিলাৰ কাৰণে ৰিজাৰ্ভ আৰু এটা জেনেৰেল কমিটিৰ কাৰণে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰীয়ে উত্তৰ দিয়ক।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে ৰিজাৰ্ভেশ্যনৰ কথাটো অলপ স্পষ্ট কৰি দিব বিচাৰিছো। 25 reserve for ST. কিন্তু Open for both male and Female reserve for ST. ৬ টা চিট মহিলাৰ কাৰণে সংৰক্ষিত কিন্তু reserve for woman হে This is open for both ST or General. এতেকে এইটো সকলোৰে কাৰণে সুবিধাজনক। দ্বিতীয়তে, এই Autonomous Council খন গঠনৰ ইয়াৰ প্ৰেক্ষাপটটো আমি সকলোৱে বুজাটো ভাল। এইটো চেটেলাইট পদ্ধতিত বাচি বাচি আমি সোণোৱাল, কছাৰী জনবসতি থকা গাওঁসমূহক লৈহে এই Autonomous Council গঠন কৰা হৈছে। এই Autonomous Council ত কোনো টেৰিট'ৰিয়েল কনচেপ্ট নাই। টেৰিট'ৰিয়েল কনচেপ্ট নাই যেতিয়া এই Autonomous Council ত কোনো বৃহৎ সংখ্যক অ-জনজাতি গাওঁ অন্তৰ্ভুক্তিৰ কথাটোও নাই। গতিকে অ-জনজাতি যিসকল লোক আছে, সেইখিনি গাওঁৰ ভিতৰতে আছে, তাৰ মাজতে তেওঁলোকৰ সুবিধাৰ কাৰণে ব্যৱস্থা আছে। বিশেষভাৱে তেওঁলোকৰ কাৰণে ৫ টা ৬ টা ৰিজাৰ্ভেশ্যনৰ কথা ইয়াত নাহে। কাৰণ এখন Exclusively সোণোৱাল-কছাৰী

বসতি প্ৰধান অঞ্চল বিলাকক লৈ এই কাউঞ্চিলখন গঠন কৰা হৈছে। বাকী যিটো প্ৰশ্ন উত্থাপন কৰা হৈছে যে কাউঞ্চিল বিলাকক চৰকাৰে পুঁজি দিব পৰা নাই। হয়, এইটো এটা ইতিহাস আছিল। কাউঞ্চিলবিলাক গঠন কৰাৰ পিছত ২০১৬ চনলৈকে এটা ইতিহাস আছিল। কাউঞ্চিলবিলাকক পৰ্য্যাপ্ত পুঁজি দিয়া হোৱা নাছিল আৰু কেতিয়াবা বাজেটত পুঁজি আৱণ্টন দিলেও মুকলি কৰি দিয়াৰ সময়ত ৩০, ৪০, ৫০ শতাংশ টকাহে মুকলি কৰি দিয়া হৈছিল। কিন্তু ২০১৬ চনৰ পিছৰ পৰা এতিয়ালৈকে কাউঞ্চিল বিলাকক বাজেটত যিমান এলোকেশ্যন দিয়া হৈছে, সিমান টকা কাউঞ্চিল বিলাকলৈ মুকলি কৰি দিয়া হৈছে আৰু তেওঁলোকৰ প্ৰয়োজনৰ প্ৰস্তাৱ অনুসৰি এই কাউঞ্চিলবিলাকে পুঁজিৰ আৱণ্টন লৈছে। মাননীয় ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই উল্লেখ কৰিছে যে পেপাৰত যিবিলাক বিজ্ঞাপন ওলাইছে, সেই বিজ্ঞাপন বিলাকক আমি চমু জাননী বা short notice , ডিটেইল টেণ্ডাৰ ডকুমেণ্টত সদায় এটা কথা লিখা থাকে Subject to availability of fund or subject to availability sanction of the Scheme. যেতিয়া আঁচনি এটা আমি প্ৰস্তুত কৰিবলগীয়া হয় বা কৰিবলৈ যাওঁতে তাত নিবিদা আহ্বান কৰা অন্য আবেদন কৰাটো তাৰ এটা সামগ্ৰিক প্ৰক্ৰিয়াৰ এটা অংশ। কাৰণ কেতিয়াবা কেতিয়াবা যেতিয়া আমি বিত্ত বিভাগলৈ প্ৰস্তাৱ পঠাওঁ, সেই প্ৰস্তাৱৰ লগত প্ৰস্তাৱিত হিতাধিকাৰীৰ তালিকাখনো পঠিয়াবলগীয়া হয়। সেই প্ৰস্তাৱিত হিতাধিকাৰীৰ তালিকাখন প্ৰস্তুত কৰিবলৈ এনেধৰণৰ আবেদন সমূহ লোৱা হয় আৰু সেইটো যদি কোনো এটা বছৰত চেংচন নহয়, তাৰ পৰৱৰ্তী বছৰত হ'লেও এই হিতাধিকাৰীসকলক সামৰি লোৱা হয়। আজি এচ টি আৰু অ' বি চি সকলক যি ৫০ হাজাৰ টকা দিয়াৰ কাৰণে বিজ্ঞাপনৰ কথা কৈছে, সেই বিজ্ঞাপনৰ পিছত আমি যিমানখিনি আবেদন-নিবেদন পাইছিলো সেই হিতাধিকাৰীসকলৰ তথ্যখিনি আমাৰ লগত আছে। সেই তথ্যখিনি যিখিনি বাঁচনিত অন্তৰ্ভুক্ত হ'ব, সদায় হিতাধিকাৰীৰ বাঁচনিৰ এটা প্ৰক্ৰিয়া থাকে। আবেদন কৰিলেই যে বাঁচনি হ'ব সেইটো নহয়। তাৰ নিৰ্দ্দিষ্ট চৰ্তসমূহ যিসকল হিতাধিকাৰীয়ে পূৰণ কৰিব তাৰ পৰৱৰ্তী বছৰটোত তেওঁলোকক সামৰি লোৱাৰ বাবে ব্যৱস্থা কৰা হৈছে। গতিকে এই গোটেই যিখিনি আমি এমেণ্ডমেণ্ট আনিছো তাত সংখ্যাটো বঢ়াব বিচাৰিছো। ইয়াৰ কাৰণটো হ'ল যিহেতু এইখন এখন Satellite Autonomous Council, Satellite পদ্ধতিত গঠন কৰা Autonomous Council. গোলাঘাট, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, ডিব্ৰুগড়, ধেমাজী, লখিমপুৰ, মাজুলী এই আঠখন সোণোৱাল-কছাৰী বসতিপূৰ্ণ অঞ্চল আৰু তাৰ গাওঁবিলাকত এই লোকসকল সিঁচৰিত হৈ আছে। সকলোকে সমানভাৱে প্ৰতিনিধিত্ব দিয়াৰ বাবে এই আসনকেইখন বঢ়াৰাটো প্ৰয়োজন বুলি ভাৱিছো। সোণোৱাল-কছাৰী স্বায়ত্বশাসিত নিৰ্ব্বাচিত সদস্য সকলৰ যি সাধাৰণ পৰিষদ আছে, সেই পৰিষদে প্ৰস্তাৱ গ্ৰহণ কৰি চৰকাৰক দিছে আৰু চৰকাৰে সেই প্ৰস্তাৱ গ্ৰহণ কৰিছে আৰু এই আসন বঢ়োৱাৰ বাবে সদনে অনুমতি দিব লাগে। যিসকল সন্মানীয় সদস্যই সংশোধনী প্ৰস্তাৱ আনিছে সেই সংশোধনী প্ৰস্তাৱ উঠাই লোৱাৰ বাবে অনুৰোধ কৰিছো। ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কথা ক'লে আমি বুজি পালো। আমি কথাটো যিটো বুজি পাইছিলো যে তাত ৩২ টা চিটৰ ভিতৰত যি ৬ টা চিট অ-সংৰক্ষিত থাকিব তাত কেৱল অ-জনজাতি মহিলা সদস্যহে আহিব পাৰিব। পুৰুষ আহিব নোৱাৰিব। চৰকাৰে যি ভাল দেখে সেইটো কৰিবলৈ অনুৰোধ কৰিলো। আমি সংশোধনীটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দেৱব্ৰত শইকীয়া আৰু তেওঁৰ সহযোগী ন জন আৰু শ্ৰী আমিনুল ইছলাম

আৰু তেওঁৰ সহযোগী পাঁচ জনে সংশোধনী প্ৰস্তাৱটো উঠাই ল'ব নে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো স্পষ্টীকৰণ দিলে তাত আমি সন্তুষ্ট নহয়। তথাপিও আমি সংশোধনীটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** সংশোধনী প্ৰস্তাৱটো উঠাই লোৱা হ'ল।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল প্ৰস্তাৱৰ বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ৩ আৰু ৪ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ৩ আৰু ৪ নং দফা সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল বিধেয়কখনৰ ৩ আৰু ৪ নং দফা বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

দফাটোৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল দফাটোৰ বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ৩ আৰু ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম আৰু পৰিসৰৰ আৰম্ভণত ত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা সংক্ষিপ্ত নাম আৰু পৰিসৰৰ আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল ১ নং দফা সংক্ষিপ্ত নাম আৰু পৰিসৰৰ আৰম্ভণ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য-সদস্যা

দফাটোৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল দফাটোৰ বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য সকলে অনুমতি দিয়ে)।

মই ভাৱো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে ১ নং দফাটো সংক্ষিপ্ত নাম আৰু পৰিসৰৰ আৰম্ভণত বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে মোশ্যন আনিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দা সোণোৱাল, কছাৰী অট'নমাচ কাউঞ্চিল (এমেণ্ডমেণ্ট) বিল, ২০২১" পাৰিত কৰাৰ বাবে সদনত দাঙি ধৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- "দা সোণোৱাল, কছাৰী অট'নমাচ কাউঞ্চিল (এমেণ্ডমেণ্ট) বিল, ২০২১" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱটোৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল প্ৰস্তাৱটোৰ বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য-সদস্যা সকলে অনুমতি দিয়ে)।

মই ভাৰো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল। বিধেয়কখনৰ অংশ হ'ল।

"দা দেউৰী অট'নমাচ কাউঞ্চিল (এমেণ্ডমেণ্ট) বিল, ২০২১"

বিধেয়কখন পাৰিত কৰাৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ৰাজভৱনৰ পৰা এটা বাণী পঠিয়াইছে - There is a massage from Prof. Jagdish Mukhi, Governor of Assam, Guwahati dated 17-12-2021.

"Under the provision of Article 207 (3) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend that the "The Deuri Autonomous Council (No.III) Bill, 2021 be taken into consideration by the Assam Legislative Assembly.

এতিয়া মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ মন্ত্ৰী তেখেতক "The Deuri Autonomous Council (No.III) Bill, 2021 বিবেচনাৰ বাবে অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, " দেউৰী অট'নমাচ কাউঞ্চিল (এমেণ্ডমেণ্ট) বিল, ২০২১" বিবেচনাৰ বাবে সদনত দাঙি ধৰিলো।

মাননীয় অধ্যক্ষ ঃ

যিসকল মাননীয় সদস্য-সদস্যা

প্ৰস্তাৱটোৰ সপক্ষে আছে কওঁক, 'হয়'

যিসকল প্ৰস্তাৱটোৰ বিপক্ষে আছে কওঁক, 'নহয়'

(প্ৰস্তাৱটো গৃহীত কৰিবৰ বাবে মাননীয় সদস্য-সদস্যা সকলে অনুমতি দিয়ে)।

মই ভাৰো 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে, 'হয়' ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী ওয়াজেদ আলী চৌধুৰী, শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, শ্ৰী প্ৰদীপ সৰকাৰ, শ্ৰী যাদৱ স্বৰ্গীয়াৰি, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী মিছ বাহুল ইছলাম লস্কৰ, শ্ৰী আব্দুল ৰহিম আহমেদ, শ্ৰী দিগন্ত বৰ্মনৰ নামত এটা আৰু হাফিজ বছিৰ আহমেদ, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), শ্ৰী ৰফিকুল ইছলামৰ নামত দুটা সংশোধনী প্ৰস্তাৱ আছে। তেখেত সকলক সংশোধনী প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে আহ্বান জনালো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওবৈচা) ঃ** Sir, I beg to move in proposed Sub-Clause I of Sub-Clause II of the proposed bill the figure and words 26 apprearing in the line II, shall be substituted by the figure and words 24.

মাননীয় অধ্যক্ষ মহোদয়, মই ইয়াত চৰকাৰে যেনেকৈ ১৮ ৰ পৰা ২৬ দেউৰী অট'নমাচ কাউঞ্চিলত চিট বঢ়াব বিচাৰিছে, ইয়াতে মই ২৪ টা বঢ়াব লাগে বুলি কৈছে। কাৰণ তাত দেউৰী অট'নমাচ কাউঞ্চিল গঠন কৰাৰ পিছত চৰকাৰৰ যিখিনি পুঁজি আৱণ্টন দিয়ে আমাৰ কাৰ্য্যবাহী সদস্যসকলে দুৰ্নীতি কৰিছে চৰকাৰে দিয়া পুঁজি আত্মসাৎ কৰি আছে। মই তেওঁলোকৰ নামবোৰ নকওঁ। যিহেতু তেওঁলোক ইয়াৰ সদস্য নহয়। ৬ জন কাৰ্য্যবাহী সদস্যৰ বিৰুদ্ধে ৰাইজে দিছপুৰ থানাত লিখিত অভিযোগ দিছিল। কিন্তু, বিষয়টো যিহেতু নাৰায়ণপুৰ থানাৰ jurisdictionত পৰে সেয়েহে, কেচটো নাৰায়ণপুৰ থানাত দিবলৈ দিশপুৰ থানাই জনায়। নাৰায়ণপুৰ থানাই

তেওঁলোকৰ বিৰুদ্ধে FIR issue কৰিলে। কিন্তু, পুলিচে তেওঁলোকক আজিলৈকে arrest কৰিব পৰা নাই বা তেওঁলোকক বিচাৰি পোৱা নাই। তাৰ পিছত, ৰাইজে Superintendent of Police, Crime Investigation Department, Ulubari, Guwahati, Assam ত আকৌ এখন আবেদন দিলে। এই আবেদনখন পোৱাৰ পিছত Special Superintendent of Police, CID য়ে Director of Vigilance and Anti-Corruption, Srimantapur, Guwahati-32, Assam ৰ Superintendent of Police লৈ চিঠি দিলে। কিন্তু তাৰ পিছতো যি সকল E.M.ৰ বিৰুদ্ধে অভিযোগ অনা হৈছিল, তেওঁলোকৰ কোনো বিচাৰ এতিয়ালৈকে Crime Branchয়েও কৰা নাই আৰু পুলিচেও কৰা নাই। সেইকাৰণে, আজিলৈকে এই কেচটো নাৰায়ণপুৰ থানা, Director of Vigilance and Anti-Corruption ত pending হৈ আছে। যিসকলৰ বিৰুদ্ধে অভিযোগ অনা হৈছিল, তেওঁলোকে গৌহাটী উচ্চ ন্যায়ালয়ত জামিন বিচাৰি দুবাৰ আবেদন কৰা সত্বেও তেওঁলোকৰ জামিন নাকচ হৈছিল। অধ্যক্ষ মহোদয়, দেউৰী ৰাইজৰ বাবে চৰকাৰে দিয়া পুঁজিৰ সদ্ ব্যৱহাৰ নহে যদি দুৰ্নীতি হৈ থাকে, আত্মসাৎ কৰে আৰু সেইবোৰৰ যদি বিচাৰ নহয়, তেন্তে seat বঢ়াই কি লাভ হ'ব? *'Misappropriation, irregularities, siphon off Public money in the name of implementation of various contract work and welfare scheme under Deori Autonomous Council, Bhimbornagar, Narayanpur, Lakhimpur.'* সেইকাৰণে মাননীয় মন্ত্ৰী মহোদয়ক কৈছো যে seat বঢ়োৱাত গুৰুত্ব নিদি দুৰ্নীতিৰ ওপৰতো চকু দিব লাগে। তেওঁলোকৰ কেচটো নিশ্চয়কৈ গুৰুতৰ যাৰ কাৰণে আজি গৌহাটী উচ্চ ন্যায়ালয়েও তেওঁলোকক জামিন দিয়া নাই। উচ্চ ন্যায়ালয়েই যদি কেচটো গুৰুত্ব সহকাৰে লৈছে তেন্তে অসম পুলিচ বা অসম চৰকাৰে কিয় গুৰুত্ব সহকাৰে লোৱা নাই? সেইকাৰণে আমি সংশোধনী আনিছো যে seat ৰ সংখ্যা ২৬ ৰ সলনি ২৪ কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। এতিয়া আমিনুল ইছলাম (জ্যেষ্ঠ) ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** অধ্যক্ষ মহোদয়, আমি আগত যি সংশোধনী আনিছিলো, তাৰ লগত একেই। যি তিনিটা unreserved seat আছে, সেই তিনিটাই মহিলাৰ বাবে আছে। আন কোনো অহাৰ chance নাই। গতিকে, এইটোও সেই একেই।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Autonomous Council ৰ বিৰুদ্ধে বা তাৰ কাৰ্য্যবাহী সদস্য/সদস্যাৰ বিৰুদ্ধে গোচৰ-অভিযোগ কোনো নতুন কথা নহয়। এনে গোচৰ-অভিযোগৰ সংখ্যা কোনটো সময়ত বেছি আছিল বুলি ক'লে, মাননীয় ভৰত নৰহ ডাঙৰীয়া যেতিয়া WPT&BCৰ মন্ত্ৰী আছিল আৰু তদৰ্থ ভিত্তিক ভাৱে যিদৰে কাউন্সিলবোৰ চলিছিল, সেই সময়তে এনে অভিযোগ, প্ৰতি-অভিযোগ আটাইতকৈ বেছি আছিল। যেতিয়াৰ পৰা নিৰ্বাচন অনুষ্ঠিত হ'ল, তাৰ পিছৰ পৰাই এই অভিযোগবোৰ drastically কমি গ'ল আৰু শৃংখলিত ব্যৱস্থা এটা এতিয়া Autonomous Council সমূহত গঢ়ি উঠিছে। এতিয়া সঁচাকৈয়ে এই কাউন্সিলবোৰে দূৰ-দূৰান্তৰ ভিতৰুৱা অঞ্চলবোৰত উন্নয়ন সাধিবলৈ আৰু বহুত দুৰ্বল তথা বঞ্চিত ব্যক্তিসকললৈ সহায়ৰ হাত আগবঢ়াবলৈ সক্ষম হৈছে। কোনো Sub-judice বিষয়ৰ ওপৰত মই মাত নিদিওঁ। আইন, আদালত আৰু পুলিচে তেওঁলোকৰ নিজৰ নিজৰ কাম কৰিব। আমাৰ আইন ব্যৱস্থা তথা পুলিচ-প্ৰশাসন ইমানো দুৰ্বল নহয় যে কাৰোবাৰ বিৰুদ্ধে অভিযোগৰ

কিবা substance থকাৰ পিছতো তেওঁ সাৰি যাব। সেই অভিযোগক ভিত্তি কৰি আমি আমাৰ উন্নয়নৰ কাম-কাজবোৰ বন্ধ ৰাখিব নোৱাৰো। বফৰ্চ্ছ কেলেংকাৰী হ'ল বুলিয়েই ভাৰতবৰ্ষৰ উন্নয়ন প্ৰতিৰক্ষাৰ সকলো কাম-কাজ বন্ধ কৰিব নোৱাৰো। ঠিক তেনেদৰে, দেউৰী স্বায়ত্ত শাষিত পৰিষদৰ বিৰুদ্ধে কৰ্ববাত অভিযোগ এটা আহিল বুলিয়েই কাউঞ্চিলখনৰ অগ্ৰগতিক আমি স্থৱিৰ কৰিব নোৱাৰো। পৰিষদখনৰ অগ্ৰগতিক স্থৱিৰ নকৰি ইয়াক ভালকৈ আগুৱাই নিয়াৰ বাবে কাউঞ্চিলৰ সাধাৰণ পৰিষদে আসনৰ সংখ্যা ২৬ লৈ বৃদ্ধি কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছে আৰু মই ইয়াৰ আগত সোণোৱাল কছাৰী স্বায়ত্ত শাষিত পৰিষদৰ ক্ষেত্ৰতো একেখিনি ব্যাখ্যাকে আগবঢ়াইছো। এতেকে, এই সাধাৰণ কাউঞ্চিলখনৰ প্ৰতি সন্মান জনাই বিধান সভাই আসনৰ সংখ্যা বৃদ্ধিৰ প্ৰস্তাৱটো গ্ৰহণ কৰিব লাগে বুলি অনুৰোধ জনালো আৰু সংশোধনী প্ৰস্তাৱ দুটা প্ৰত্যাহাৰ কৰিবলৈ মই অনুৰোধ জনাইছো। ধন্যবাদ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** মাননীয় মন্ত্ৰী মহোদয়ৰ আগৰ আৰু এতিয়াৰ দুয়োটা উত্তৰত মই সন্তুষ্ট নহয়। Deori Autonomous Council ত আসন বাঢ়িলে representation পাব ঠিকেই, কিন্তু আকৌ সোণোৱাল-কছাৰী সকলৰ বিধেয়কখন পাছ হৈ যদি দেউৰী সকলৰ বিধেয়কখন পাছ হৈ নাযায় তেন্তে ৰাইজলৈ বেয়া বাৰ্তা যাব। গতিকে এইটো কাৰণতে মই সংশোধনীটো প্ৰত্যাহাৰ কৰিছো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, তেওঁলোকক আমি যি remuneration দিব লাগে তাৰ বাবে প্ৰতি বছৰে ডেৰ লাখ টকাৰ financial implication থকাৰ কথা তাত উল্লেখ আছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা)ঃ** আপুনি মন্ত্ৰী হিচাপে এই সম্পৰ্কত গৃহ বিভাগৰ লগত যোগাযোগ কৰিব পাৰে। নৰহৰ দিনত দুৰ্নীতি হৈছিল বুলিয়েই আপোনাৰ দিনতো যে দুৰ্নীতি হ'ব সেইটো কথা আপুনি ক'ব নোৱাৰে।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীক মই জনাওঁ যে মোৰ ওচৰত যদি কোনোবাই এই অভিযোগ দিয়ে তেন্তে মই নিশ্চিতভাৱে তদন্তৰ ব্যৱস্থা কৰিম। এতিয়ালৈকে মোৰ ওচৰত কোনেও এই অভিযোগৰ আবেদন দাখিল কৰা নাই।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। সংশোধনী প্ৰস্তাৱ দুটা উঠাই লোৱা হ'ল।

দফা নং ২ বিধেয়কৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৩, ৪ আৰু ৫ নং দফা তিনিটাত সংশোধনীৰ প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ ৩, ৪ আৰু ৫ নং দফা তিনিটা সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল-

৩, ৪ আৰু ৫ নং দফা তিনিটা বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা দফাকেইটাৰ সপক্ষে আছে তেখেত সকলে কওক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে,৩, ৪ আৰু ৫ নং দফা তিনিটা বিধেয়কখনৰ অংশ হ’ল।

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো।

প্ৰশ্নটো হ’ল-

বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ’ব।

যি সকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেখেত সকলে কওক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৱো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, বিধেয়কখনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কৰ অংশ হ’ল।

এতিয়া মই মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন পাৰিত কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, “The Deori Autonomous Council (Amendment) Bill, 2021” পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো -

প্ৰস্তাৱটো হ’ল- “The Deori Autonomous Council (Amendment) Bill, 2021” পাৰিত কৰা হওক।

যি সকল সন্মানীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওক ‘হয়’, যি সকল বিপক্ষে আছে তেখেত সকলে কওক ‘নহয়’।

(সদনে সন্মতি জনায়)।

মই ভাৱো ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, ‘হয়’ৰ সপক্ষে, প্ৰস্তাৱটো পাৰিত কৰা হ’ল, বিধেয়কখনো পাৰিত কৰা হ’ল ।

এতিয়া, “The Mahapurusha Srimanta Sankardeva Viswavidyalaya (Amendment) Bill, 2021”.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় Amendment Bill, 2021. মই আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় Amendment Bill, 2021 উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় Amendment Bill, 2021 দফাই দফাই বিবেচনা কৰিবৰ কাৰণে মই সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ’ল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয় Amendment Bill, 2021 বিবেচনাৰ বাবে লোৱা হ’ল। যিসকল মাননীয় সদস্য সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক হয় আৰু যিসকলে বিপক্ষে

আছে কওঁক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। বিধেয়কখনৰ ২ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া,শ্ৰী ভৰত চন্দ্ৰ নৰহ, শ্ৰী ৰাজেদ আলী চৌধুৰী, শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, শ্ৰী প্ৰদীপ সৰকাৰ, শ্ৰী যাদৱ সৰ্গীয়াৰী, শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, শ্ৰী মিছবাহুল ইছলাম লস্কৰ, শ্ৰী আব্দুল ৰহিম আহমেদ, শ্ৰী দিগন্ত বৰ্মণৰ নামত দুটা, শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, শ্ৰী প্ৰদীপ সৰকাৰৰ নামত দুটা, শ্ৰী হাফিচ বচিৰ আহমেদ, শ্ৰী আশ্ৰাফুল হুছেইন, শ্ৰী আমিনুল ইছলাম জেষ্ঠ্য, শ্ৰী কৰিম উদ্দিন বৰভুঞা, শ্ৰী ছিৰাজুদ্দিন আজমল, শ্ৰী নজৰুল হক, শ্ৰী ছামছুল হুদা, শ্ৰী মজিবুৰ ৰহমানৰ নামত এটা মুঠ ৫ টা সংশোধনী আছে। এতিয়া তেখেতসকলক মই সংশোধনী প্ৰস্তাৱ আৰু বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move in sub-clause (i) of clause 2 of the proposed Bill in between the word 'Goalpara' and punchuation mark' " ' (upper Comma) appearing in line 6 the words "North Lakhimpur & Barpeta" shall be added.

মাননীয় অধ্যক্ষ মহোদয়, খুব ভাল এটা প্ৰস্তাৱ লৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত বিশ্ববিদ্যালয়ৰ যিকেইটা শাখা আপোনাৰ গুৱাহাটী, যোৰহাট, ডিব্ৰুগড়, ধুবুৰী আৰু গোৱালপাৰাত দিয়াৰ কথা ঘোষণা কৰিছে বা amendment ত আনিছে আমি ক'ব খোজো যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পিচতেই তেখেতৰ প্ৰিয় শিষ্য মহাপুৰুষ মাধৱদেৱৰ বৰপেটাত আপোনালোকে জানে যে আমাৰ সত্ৰনগৰী বুলি জনাজাত। গতিকে গোৱালপাৰা বা ধুবুৰীৰ মাজত দূৰত্ব বহুত হৈ যায়, গতিকে আমি সেইকাৰণে বৰপেটাত এখন শাখা পোৱাটো বিচাৰিছো। কাৰণ এইটো সত্ৰনগৰী হিচাপে খ্যাত। সেইকাৰণে মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱৰ নামত যিহেতু Institute খন হৈ আছে আৰু মহাপুৰুষ মাধৱদেৱৰ নামত যিহেতু গোটেইখিনি আমাৰ সত্ৰ নগৰী বৰপেটাত আছে, গতিকে বৰপেটাত এখন আৰু ঠিক তেনেকৈ লক্ষীমপুৰত আপোনালোকে জানে যে তেজপুৰৰ পৰা জোনাইলৈকে এইখিনি ঠাইত আমাৰ এই Institute ৰ কোনো শাখা দিয়াৰ ইয়াত কথা অহা নাই সেইকাৰণে মহাপুৰুষ মাধৱদেৱৰ নামত নাৰায়ণপুৰতো তেখেতৰ সত্ৰ আছিলে, তেখেতৰ নামত বহুখিনি ঐতিহ্য বহন কৰি আছে, গতিকে সেইকাৰণে লক্ষীমপুৰ জিলাতো এখন শাখা দিয়াৰ কথাটো আমি চৰকাৰক অনুৰোধ কৰিছো। মই ভাৱো যে আপুনি এইটো নিশ্চিভাৱেই বিবেচনা কৰিব।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ (উত্তৰ অভয়াপুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, I beg to move in sub- clause (i) of clause 2 of the proposed Bill the word 'and' appearing in line 6 shall be substituted by ","(comma) and in between the word 'Goalpara' and punchuation mark' " ' (upper Comma) appearing in line for the words "Barpeta and Hatsingimari" shall be added.

মাননীয় অধ্যক্ষ মহোদয়, মহাপুৰুষ শংকৰদেৱ বিশ্ববিদ্যালয় যিহেতু আমাৰ চাৰিটা ঠাইত লোৱাৰ কাৰণে ইতিমধ্যে আমাৰ মন্ত্ৰী মহোদয়ে প্ৰস্তাৱ আনিছে সেইটো আমি স্বাগতম জনাইছো। কিন্তু তাৰ লগতে মই আৰু দুটা স্থান সংযোগ কৰিব বিচাৰিছো, সেইটো হৈছে বৰপেটা আৰু হাট শিঙিমাৰী। বৰপেটাত কোনো বিশ্ববিদ্যালয় বা বিশ্ববিদ্যালয় campus নাই, গতিকে তাত এটা

campus হ'লে ভাল হ'ব আৰু আপোনালোকে জানে যে হাটশিঙিমাৰী অসমৰ অন্যতম এটা অশিক্ষিত অঞ্চল। তাতো যদি এটা campus হয় তেনেহ'লে ভাল হ'ব। প্ৰাইভেটে হওক বা Government য়ে হওঁক তাৰ লৰা ছোৱালীয়ে ঘৰতে থাকি পঢ়াৰ সুবিধা পাব। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে এই দুখন ঠাইতো campus খোলাৰ কাৰণে অন্তৰ্ভুক্ত কৰা হয়। ধন্যবাদ।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মইও মাননীয় সদস্য দুজনৰ লগত একমত। মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱৰ নাম ল'লে বৰপেটাৰ নাম আমাৰ মুখেৰে ওলায় আহে। কাৰণ তেখেতে বৰপেটাত দীৰ্ঘসময় ধৰি আছিল আৰু তেখেতৰ কৰ্মভূমি আছিল। শ্ৰী মন্ত শংকৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱ কৃৰ্তীচিহ্নৰে বৰপেটা জিলা ভৰি আছে। কিন্তু বৰপেটা জিলাত এখন বিশ্ব বিদ্যালয়ো নাই। বহু কেইটা সমষ্টি, জনীয়া, বাঘবৰ, চেঙা, সৰুক্ষেত্ৰী, বৰপেটা সদৰ, সৰভোগ এই সমূহ সমষ্টিলৈ এখন এখন ইমান ডাঙৰ জিলা। আগতে যিখন বিশ্ববিদ্যালয় আছিল সেইখন এতিয়া বজালীত গ'ল। কাৰণ এতিয়া বজালী বেলেগ জিলা হ'ল। আমাক full-fledged state university লাগে। এইটো মাননীয় শিক্ষামন্ত্ৰীৰ ওচৰত আমাৰ দাৱী। তাত বহু পুৰণা MC College, BH College, Nabajyoti College, GLC College আছে, সৰভোগত বৰ নগৰ কলেজ আছে, এই কলেজ বিলাকত আমি বিশ্ব বিদ্যালয়ৰ কাৰণে দাৱী কৰিছো যে পৰৱৰ্তী সময়ত যিকোনো এখন কলেজক কেন্দ্ৰ কৰি এখন full-fledged university হ'ব লাগে। ইয়াৰ আগতে কমেও শংকৰদেৱ বিশ্ববিদ্যালয়ৰ campus এটা হ'লেও বৰপেটাৰ ছাত্ৰ-ছাত্ৰী সমূহ উপকৃত হ'ব। বৰপেটা যিহেতু সত্ৰ নগৰী, তেখেতৰ নামৰ লগত সাঙোৰ খাই আছে, বৰপেটাত নিদিলে বৰপেটাৰ ৰাইজে বহুত দুখ পাব। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে শ্ৰীমন্ত শংকৰদেৱ বিশ্ব বিদ্যালয়ৰ campus বৰপেটা জিলাত দিয়ে। তেতিয়া আমি যথেষ্ট আনন্দিত হ'ম।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱ বিশ্ববিদ্যালয় এখন প্ৰাইভেট বিশ্ববিদ্যালয়। শ্ৰীমন্ত শংকৰদেৱ শংঘৰ পৃষ্ঠপোষকতাত ২০১৩ চনত এই বিশ্ববিদ্যালয়খন প্ৰতিষ্ঠা হৈছে। প্ৰাইভেট বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰাৰ কাৰণে এখন আমাৰ প্ৰাইভেট University Act আছে ২০০৭ চনৰ। সেইখন আমাৰ parent Act. সেই parent Act খনৰ যিটো চৰ্ত আছে তাৰে মই দুই এটা কৈ দিওঁ - Private University ৰ কোনো কলেজক তেওঁলোকে affiliation দিব নোৱাৰে। দ্বিতীয়তে, Private College খন self financed তাত চৰকাৰে কোনো পইচা নিদিয়ে। এই University খনৰ ওপৰত legislative control টো আমাৰ বিধান সভাৰ আছে আৰু তাৰ যিখিনি curriculum হ'ব সেয়া UGC দ্বাৰা নিয়ন্ত্ৰিত। তেওঁলোকৰ যিহেতু কোনো affiliating College নাথাকে সেইকাৰণে তেওঁলোকে constituent unit বিচাৰিছে আৰু এই constituent unit টো University Grant Commission য়ে allow কৰিছে। এইখন যিহেতু self financing Private College ক'ত ক'ত তেওঁলোকে constituent unit কৰিব সেয়া বিশ্ববিদ্যালয় কৰ্তৃপক্ষই নিৰ্দ্ধাৰণ কৰিব, আমি ঠিক কৰি দিব নোৱাৰো। Advice নিশ্চয় দিব পাৰো। মই মাননীয় সদস্য সকলকো অনুৰোধ জনাম যে আপোনালোকেও ক'ত ক'ত constituent unit বিচাৰিছে বিশ্ববিদ্যালয় কৰ্তৃপক্ষক অনুৰোধ জনাব। আপোনালোকে মাটি উলিয়াই দিব আৰু আৰু যদি কিছু টকাও উলিয়াই দিয়ে MLA fund ৰ পৰা আৰু এটা ঘৰো সাজি দিয়ে তেতিয়াহ'লে তেওঁলোকে আৰু এটা

amendment লৈ আহিব যে আমি বৰপেটাতো এটা লব বিচাৰিছো আৰু বি ধান সভাত পাচ কৰি দিলে বৰপেটাতো হ'ব। আমি চৰকাৰ হিচাপে suggest কৰিব নোৱাৰো। মই আপোনালোকে আগবঢ়োৱা আপোনালোকৰ concern আৰু suggestion খিনি বিশ্ববিদ্যালয় কৰ্তৃপক্ষক জনাম। আপোনালোকেও কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিব। সদ্যহতে বিশ্ববিদ্যালয় কৰ্তৃপক্ষই বিচৰা মতে স্থান কেইটাত আমি Constituent Unit খোলাৰ কাৰণে আজি এই Amendment Bill খন পাচ কৰি দিবৰ কাৰণে অনুৰোধ জনাইছো আৰু সংশোধনী প্ৰস্তাৱ কেইটা প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে সংশোধনী প্ৰস্তাৱকেইটা উঠাই ল'বনে? (সদস্যসকলে সংশোধনী প্ৰস্তাৱ কেইটা উঠাই লয়) মই আপোনালোকে সংশোধনী প্ৰস্তাৱকেইটা উঠাই লোৱা বুলি মই ঘোষণা কৰিলো।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নিশ্চিতভাবে কনচাৰ্ণ মাননীয় সদস্যসকলক বিচৰাটো কৰ্তৃপক্ষক জনাম।

**মাননীয় অধ্যক্ষ ঃ** সংশোধনী প্ৰস্তাৱকেইটা উঠাই লোৱা হ'ল। সেই কাৰণে দফা নং -২ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা যিসকল সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক 'হয়' যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক ' নহয় ', মই ভাবো ' হয় 'ৰ সপক্ষে, ' হয় 'ৰ সপক্ষে, ' হয় 'ৰ সপক্ষে । ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনত ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়কৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- বিধেয়খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক 'হয়', যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক ' নহয় ', মই ভাবো ' হয় 'ৰ সপক্ষে, ' হয় 'ৰ সপক্ষে, ' হয় 'ৰ সপক্ষে বিধেয়খনৰ ১ নং দফা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। মাননীয় শিক্ষা মন্ত্ৰীক এতিয়া বিধেয়কখন পাছ কৰাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিবলৈ কোৱা হ'ল।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, " The Mahapurush Sri Manta Sankardev University(Amendment) Bill,2021 পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- " The Mahapurush Sri Manta Sankardev University(Amendment) Bill,2021 পাৰিত কৰা হওঁক। যিসকল সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে কওঁক 'হয়', যিসকল বিপক্ষে আছে তেখেতসকলে কওঁক ' নহয়', মই ভাবো ' হয় 'ৰ সপক্ষে, ' হয় 'ৰ সপক্ষে, ' হয় 'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল। এতিয়া মই পৰিবেশ আৰু বন মন্ত্ৰী ডাঙৰীয়াক One man enquiry Commission Report
দাখিল কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী, বন ও পৰিবেশ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, “One man enquiry Commission Report ” headed by Justice B.P. Kakoti, Retd. Judge, Guwahati High Court. প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**माननीय अध्यक्ष ঃ** সদনত দাখিল কৰা ৰিপোৰ্টৰ কপি পেন ড্ৰাইভত সকলোৱে নোটিছ অফিছৰ পৰা ল'ব পাৰিব। লগতে এইখন অনলাইনত আপলোড কৰা হৈছে।

The House is adjourned till 9.30 A.M on 23rd December, 2021

**(বিয়লি ৫.৫০ বজাত ইং ২২-১২-২০২১ তাৰিখৰ সদনৰ কাৰ্য্যসূচী সমাপ্ত হয়)**